# নতুন দিনৰ প্ৰত্যাশা

খালী পৃষ্ঠা

# নতুন দিনৰ প্ৰত্যাশা

গোপাল জালান

বিশাল প্ৰকাশন
গুৱাহাটী- ০৩




**NATUN DINAR PRATYASA**
A collection of articles written by Gopal Jalan
and published by Brajendra Nath Deka on behalf of
Bishal Prakashan, Chandmari, Guwahati- 3.
First Edition : December, 2018 Price : Rs. 130/- only

---

ISBN : 978-93-82587-64-4

# নতুন দিনৰ প্ৰত্যাশা

গ্ৰন্থস্বত্ব ঃ লেখক
প্ৰকাশক ঃ বিশাল প্ৰকাশন
গুৱাহাটী- ৩
ফোন ঃ ৯৮৬৪০৩৮৮১৪
প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ, ২০১৮
মূল্য ঃ ১৩০/- টকা
বেটুপাত ঃ মনজিত মালাকৰ
আৰ্হিপাঠ/অংগসজ্জা ঃ দুৰ্গাপ্ৰসাদ হাজৰিকা
মুদ্ৰণ ঃ বিশাল অফছেট প্ৰেছ
চানমাৰি, গুৱাহাটী- ৩

## উচৰ্গা...

পিতৃ-মাতৃৰ চৰণত...

খালী পৃষ্ঠা

# মনৰ কথা

প্ৰতিটো পুৱাই আমালৈ নতুন প্ৰত্যাশা লৈ আহে। অৱশ্যে সকলোৰে জীৱনত এই কথা নাখাটে। কাৰণ সুখ-দুখৰ সমষ্টিয়েই মানৱ জীৱন। দুখ আছে কাৰণেই সুখৰ সন্ধানত আমি অগ্ৰসৰ হওঁ। টমাছ মানে কৈ গৈছে, ‘সময়ে সকলোৰে উপশম ঘটায়। সময়ৰ লগে লগে পৰিৱৰ্তন নোহোৱা কোনো মানসিক অৱস্থা থাকিব নোৱাৰে।’ এই প্ৰত্যাশা লৈয়েই আমি অগ্ৰসৰ হ’ব লাগে। জীৱন বৰ অনুপম। জীৱনৰ পথত হেজাৰ বাধাৰ প্ৰাচীৰ থাকে। এই প্ৰাচীৰ অতিক্ৰমি অগ্ৰসৰ হৈ বহু ব্যক্তিয়ে ইতিহাসত নাম লিপিবদ্ধ কৰিছে।

আমাৰ জীৱন-জীৱিকাৰ পথ ভিন্ন। এই ভিন্নতাৰ মাজতো মানৱতাই প্ৰতিজন ব্যক্তিৰ মনত ক্ৰিয়া কৰিব লাগিব। ৰাজনীতিবিদৰ দৰে কেঁকোৰাসদৃশ স্বভাৱ আমাৰ দৰে সাধাৰণ মানুহৰ নহয়। আমি খালত পৰাজনক তুলি জীৱন দান দিব লাগিব। ইমাৰচনৰ দৰে মনীষীয়েও এনে ধৰণৰ মানৱ জীৱন ধাৰাৰ প্ৰসংগত কৈ গৈছে, ‘মানুহক ভাল পাবলৈ মানুহৰ জীৱনটো ক্ষন্তেকীয়া; কিন্তু মই আচৰিত হওঁ, খন্তেকীয়া জীৱনত মানুহে মানুহক ঘৃণা কৰিবলৈ সময় কেনেকৈ

পায়।' ঘৃণা আৰু লোভৰ বশৱৰ্তী হৈ ভাই-ভাইৰ মাজত বিভেদ, জাতি-জনজাতিৰ মাজত সংঘাত আৰু এটা ধৰ্মৰ লগত আনটো ধৰ্মৰ লোকৰ সংঘৰ্ষ সৃষ্টি কৰি আজি ৰণ চোৰা সেনাপতিৰ অভাৱ নাই। তেনে মুখাধাৰী ব্যক্তিক চিনিবলৈ টান। চুকত থাকি বুকুত কামোৰা এনে ব্যক্তিৰ স্বভাৱ। তথাপি আমি প্রতিটো খোজ দিওঁতে সজাগ-সতৰ্ক হ'ব লাগিব। আমি মানুহৰ সমাজত বাস কৰো। মানুহৰ সমাজত থাকিবলৈ হ'লে সামাজিক ৰীতি-নীতি, পৰস্পৰৰ মাজত মিলা-প্ৰীতি, কলা-সংস্কৃতি আদিও লাগিব। কলা-সংস্কৃতিয়ে ঐক্য-সংহতি বৰ্তাই ৰাখে। লগতে আমাৰ মন ফৰকাল কৰি ৰাখে। সুস্থ চিন্তাৰ খোৰাক দিয়ে। এই প্ৰসংগতে আমি চাৰ্লছ এলিয়ন নৰ্টনৰ বক্তব্য মনত ৰাখিব লাগিব, 'আপোনাৰ কাম যিয়েই নহওক নাইবা আপুনি যিমানেই ব্যস্ত নহওক, আপোনাৰ অন্তৰ্জীৱনৰ সজীৱতাৰ কাৰণে কেইটামান মুহূৰ্ত সুকুমাৰ চিন্তাত কটোৱা অতিশয় যুগুত।'

আমি সদায়েই যোগাত্মক চিন্তাধাৰাৰেই জীৱনৰ বাটত অগ্ৰসৰ হ'বলৈ চেষ্টা কৰিছো। তথাপি কেতিয়াবা ক'ৰবাত উজুটি নোখোৱাকৈয়ো থকা নাই। সেই বিষ বুকুতেই বিলীন কৰি পুনৰ অগ্ৰসৰ হ'বলৈ বিচাৰো। একে সময়তে মানুহৰ মনত দুটা চিন্তাই ক্ৰিয়া কৰে। এটাই দেৱতাৰ ফালে, আনটোৱে চয়তানৰ ফালে টনা-আঁজোৰা কৰে। আমি চয়তানক দমন কৰি দেৱতাক ধিয়াইছো। অৰ্থাৎ সদায় সৎ পথত থকাৰ প্ৰয়াস কৰি আহিছো। মা-দেউতায়ো সেই নীতি-শিক্ষাকেই দি গৈছে। শৈশৱ-কৈশোৰ তথা কলেজীয়া দিনৰ স্মৃতি আজিও সজীৱ হৈ আছে। তেনে স্মৃতিকে এই সংকলনত ধৰি ৰাখিছো। লগতে সাময়িক ঘটনাৰাজিক লৈ নিজা কিছু চিন্তাৰে লিখা কেইটামান নিবন্ধ ইয়াত সামৰিছো। প্ৰায়কেইটা নিবন্ধ বিভিন্ন কাকত-আলোচনীত প্ৰকাশ হৈছে। পঢ়ুৱৈ সমাজৰ বাবে একত্ৰে 'নতুন দিনৰ প্ৰত্যাশা' নামেৰে প্ৰকাশ কৰাৰ প্ৰয়াস কৰিছো। আমাৰ পূৰ্বৰ কিতাপকেইখনৰ দৰে এইখনো পঢ়ুৱৈ সমাজে গ্ৰহণ কৰিব বুলি আশা ৰাখিছো।

**গোপাল জালান**

# পাতনি

গোপাল জালান এক প্ৰাণচঞ্চল নাম। গুৱাহাটীৰ সভা-সমিতি আৰু বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ স'তে তেওঁ জড়িত হৈ আহিছে। তেনেদৰে জড়িত হোৱা লোক হয়তো আৰু নিশ্চয় আছে; কিন্তু শ্ৰীগোপাল জালানে এই অনুষ্ঠানবোৰৰ স'তে সম্পৰ্ক ৰক্ষা কৰাৰ উপৰি নিজস্ব দৃষ্টিকোণেৰে সমাজৰ বিভিন্ন ক্ষেত্ৰৰ ত্ৰুটি-বিচ্যুতি দাঙি ধৰাৰ লগতে সু-পৰামৰ্শও আগবঢ়াইছে। এইগৰাকী সৰবৰহী সমাজকৰ্মীয়ে বিগত কে'বাবছৰ ধৰি সমাজত দেখা দিয়া সমস্যাসমূহ সাহিত্যৰ ভাষাৰে দাঙি ধৰি বিভিন্নজনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। তেওঁ কেৱল নাম জহাবৰ বাবেই কলম ধৰিছে বুলি ক'লে ভুল হ'ব; কিয়নো তেওঁৰ প্ৰতিটো লেখাতে সৰু-বৰ একোটা বাণী থকা দেখা যায়। তত্বগধুৰ-দুৰ্বোধ্য ভাষাৰে পঢ়ুৱৈক মানসিকভাৱে ক্লিষ্ট কৰিবলৈ চেষ্টা কৰাৰ সলনি তেওঁ তেনেই সহজ-সৰল ভাষাৰে বিষয় একোটা দাঙি ধৰিছে। এই কথা দোহাৰিবৰ প্ৰয়োজন নাই যে সৃষ্টিৰ তাড়নাত নিজৰ মনৰ ভাব প্ৰকাশৰ উদ্দেশ্যে কোনোবাই কলম, কোনোবাই তুলিকা আৰু কোনোবাই হাৰমনিয়াম হাতত লয়; কিন্তু তেওঁ লেখা শব্দ, চিত্ৰ অথবা সুৰে জনসাধাৰণৰ হৃদয় স্পৰ্শ কৰাৰ ওপৰতে সেই সৃষ্টিৰ সাৰ্থকতা নিৰ্ভৰ কৰে। সেই দিশৰপৰা গোপাল জালান সফল হৈছে; কিয়নো

তেওঁ লেখাৰ বিষয়বস্তু সন্মুখত দেখা ঘটনাৱলীৰপৰা লৈছে আৰু তেনেবোৰ ঘটনাৰ ত্ৰুটি-বিচ্যুতি সৃষ্টিকাৰীসকলৰ সন্মুখতে দাঙি ধৰিছে। সেই কাৰণে তেনে লেখাই পঢ়ুৱৈৰ দেহ-মন চুই যাবলৈ সক্ষম হৈছে।

নিবন্ধ সংকলনটিৰ নাম 'নতুন দিনৰ প্ৰত্যাশা'। মানুহ জীয়াই থাকে আশাক কেন্দ্ৰ কৰিয়েই আৰু সপোন দেখে নতুন দিনৰ। ইয়াত সন্নিৱষ্ট নিবন্ধসমূহৰ প্ৰতিটোৱেই সমসাময়িক ঘটনাৰ স'তে জড়িত আৰু তেনে সমস্যাৰপৰা উদ্ধাৰ বিচাৰি পোৱাৰ পৰামৰ্শও আগবঢ়োৱা হৈছে। সংকলনটোৰ প্ৰথম নিবন্ধ 'পৰীক্ষা-ভীতি ঃ পৰিত্ৰাণৰ উপায়'। দৰাচলতে পৰীক্ষা কেতিয়াও ভীতিৰ কাৰণ হ'ব নালাগে; কিয়নো বিদ্যালয়ৰ পৰীক্ষা জীৱনৰ বহু পদক্ষেপৰ মাত্ৰ এটাহে। কিন্তু আজিকালি অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰ-ছাত্ৰীক পৰীক্ষাত বেছি নম্বৰ পোৱাৰ বাবেহে উপযুক্ত কৰি তুলিবলৈ তৎপৰ। তাৰ ফলস্বৰূপে বিদ্যাৰ্থীয়ে সততে মানসিক চাপ বহন কৰিব লগা হৈছে আৰু জীৱনৰ আনবোৰ সুকোমল দিশ তেওঁলোকৰ দৃশ্যপটৰপৰা আঁতৰি গৈছে। সেয়েহে ভালেমান ছাত্ৰ-ছাত্ৰী ক্ৰমাৎ অসামাজিক হৈ উঠিছে। হতাশাত ভুগি আত্মঘাতীও হৈছে। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ পৰীক্ষা-ভীতি আঁতৰ কৰাৰ উদ্দেশ্যে লেখকে এলানি যুক্তিসংগত পৰামৰ্শ আগবঢ়াইছে। এই পৰামৰ্শসমূহৰদ্বাৰা ছাত্ৰ-ছাত্ৰীসকলেই যে কেৱল উপকৃত হ'ব সি নহয়, পৰীক্ষা ব্যৱস্থাটোক ভীতিগ্ৰস্তহীন ইতিবাচক দিশলৈ নিয়াৰ বাবে শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলেও ভালদৰে অনুধাৱন কৰি পৰামৰ্শসমূহ কাৰ্যকৰী কৰিলে সামগ্ৰিকভাৱে শিক্ষা সম্পৰ্কীয় পৰিৱেশটো উন্নত হ'ব। আন এটি নিবন্ধ 'দেশ আৰু ৰাজ্যত একেলগে অনুষ্ঠিত হওক নিৰ্বাচন'ত লেখক জালানে উল্লেখ কৰিছে যে ভাৰতবৰ্ষ এখন সাৰ্বভৌম ৰাষ্ট্ৰ। দেশৰ সাৰ্বভৌমত্ব বৰ্তিছে সংসদৰ ওপৰত আৰু সংসদীয় সদস্যসকল দেশৰ নাগৰিকসকলৰদ্বাৰা নিৰ্বাচিত হৈ আহিছে। সেই দিশৰপৰা নাগৰিকসকলৰ ওপৰতেই বৰ্তিছে সাৰ্বভৌমত্ব। আনহাতে, সংবিধানৰ নিয়ম অনুসৰি নিৰ্বাচন প্ৰক্ৰিয়াৰে ৰাজ্য চৰকাৰসমূহ গঠিত হয়; কিন্তু ৰাজ্য আৰু কেন্দ্ৰৰ নিৰ্বাচন ভিন ভিনকৈ পাতিব লগা হ'লে প্ৰশাসনৰ লগতে প্ৰাৰ্থীসকলেও প্ৰচাৰ কাৰ্যত প্ৰচুৰ ধন আৰু সময় ব্যয় কৰিব লগা হয়। সেয়েহে সকলো দিশ চালি-জাৰি চাই লেখকে একে সময়তে কেন্দ্ৰ আৰু ৰাজ্যৰ নিৰ্বাচনৰ পোষকতা কৰিছে। লেখকে 'স্বাভিমান ৰক্ষাৰ নামত কিমান দিনলৈ চলিব আন্দোলন' শীৰ্ষক লেখাটোত

এগৰাকী নিৰ্ভেজাল অসমীয়াৰ মনোবেদনা দাঙি ধৰিছে। তেওঁ উল্লেখ কৰিছে যে স্বাভিমান নাথাকিলে কোনো এটা জাতিয়ে বীৰদৰ্পে জীয়াই থাকিব নোৱাৰে। অসমীয়াসকলেও জীয়াই থাকিবলৈ হ'লে স্বাভিমানক গুৰুত্ব প্ৰদান কৰি অতীতৰ সুবাসক সম্বল হিচাপে লৈ আগবাঢ়ি গ'লেহে বিশ্ব দৰবাৰত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হ'ব; কিন্তু আমাৰ দল-সংগঠনসমূহে স্বাভিমান ৰক্ষাৰ নামত আন্দোলন কৰি সমাজক পিছুৱাইহে নিছে। তেওঁ ইতিবাচক কৰ্মসূচীৰে স্বাভিমান প্ৰতিষ্ঠাৰ দিশত আগবাঢ়ি যাবলৈ পৰামৰ্শ আগবঢ়াইছে। তেনেদৰে 'মাতৃভাষা অবিহনে জাতিৰ উন্নতি অসম্ভৱ' শীৰ্ষক লেখাটোত মাতৃভাষাৰ মৰ্যাদা অটুট ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

'নতুন দিনৰ প্ৰত্যাশা'ত সন্নিৱিষ্ট প্ৰতিটো লেখাই সমসাময়িক ঘটনা প্ৰবাহক চুই গৈছে। নিবন্ধসমূহত সমস্যাসমূহ থুলমূলকৈ বিশ্লেষণ কৰাৰ লগতে ইতিবাচক পৰামৰ্শও আগবঢ়োৱা হৈছে। নিবন্ধসমূহৰ ভাষা প্ৰাঞ্জল আৰু বিষয়বস্তুও স্পষ্ট। ইতিমধ্যে শ্ৰীজালানৰ প্ৰকাশিত নিবন্ধসমূহ পঢ়ুৱৈৰদ্বাৰা বিশেষভাৱে সমাদৃত হৈছে। 'নতুন দিনৰ প্ৰত্যাশা'ক পঢ়ুৱৈয়ে সমাজে আদৰি ল'ব বুলি আশা কৰিলোঁ। নিবন্ধকাৰ গোপাল জালানৰ কলম অবাৰিত গতিত চলি থকাটোৱেই কামনা কৰোঁ।

**কনকসেন ডেকা**

# সূচীপত্ৰ


- পৰীক্ষা-ভীতি ঃ পৰিত্ৰাণৰ উপায়/১৫
- গোলকীয় উষ্ণতাক লৈ মানৱ জাতি শংকিত কিয়/১৯
- ডোকলামত চীনৰ শেনচকু কিয়/২২
- স্বাধীন দেশৰ নৱ প্ৰজন্মৰ দায়িত্ব/২৫
- আমেৰিকাৰ পেৰিছ জলবায়ু চুক্তি প্ৰত্যাহাৰৰ আঁৰত/২৭
- সন্তানে সিদ্ধান্ত লওক ঃ কোন শাখাত পঢ়িব?/২৯
- দেশ আৰু ৰাজ্যত একেলগে অনুষ্ঠিত হওক নিৰ্বাচন/৩২
- কিয় বৃদ্ধি পাইছে হাতী-মানুহৰ সংঘাত?/৩৫
- গণৰাজ্য দিৱসৰ পেৰেড আৰু মাজুলীৰ মুখাশিল্প/৩৮
- বিনিয়োগকাৰী সন্মিলন আৰু কিছু প্ৰাসংগিক চিন্তা/৪০
- লৰ্ড ৰেটছৰ পদত্যাগ আৰু অসমৰ চৰকাৰী কাৰ্যালয়ৰ কৰ্ম-সংস্কৃতি/৪৩
- সপোনৰ গুৱাহাটীখন এনেদৰেই থাকক/৪৬
- ৰাষ্ট্ৰৰ উন্নয়নত ব্যাঘাত জন্মায় নিদ্ৰাহীনতাই/৪৯
- ৰাইজ-আৰক্ষীৰ সু-সম্পৰ্কতহে অপৰাধ প্ৰতিৰোধ সম্ভৱ হ'ব/৫১
- নাৰী নিৰ্যাতন ঃ দায়ী কোন?/৫৩
- বিভিন্ন জনগোষ্ঠীৰ ৰঙালী উৎসৱ/৫৫

❍ শিৱ দ'ল সংৰক্ষণ হওক/৫৮
❍ সত্রীয়া সংস্কৃতিৰ সাধক হৰেকৃষ্ণ মহন্ত/৬০
❍ মহামায়া, নজৰুল ইছলাম আৰু কিছু অনুভৱ/৬২
❍ প্রসংগ ঃ ৰসৰাজৰ বাসগৃহ সংৰক্ষণ/৬৫
❍ মে' দিৱস মাথোঁ এটি দিনহে, মূল্যায়ন নহয় শ্রমৰ/৬৮
❍ প্রদূষণমুক্ত পৰিৱেশ গঢ়াৰ সংকল্প লওক/৭১
❍ বাল্যবিবাহ প্রতিৰোধৰ বাবে গঠন হওক এখন উমৈহতীয়া মঞ্চ/৭৪
❍ জন্মদিনৰ উপহাৰ ঃ মানসিকতা সলনিৰ প্রয়োজন/৭৭
❍ ৰঙা লাইটবিহীন জনপ্রতিনিধিৰ মানসিকতা পৰিৱৰ্তন হ'বনে/৭৯
❍ শিবিৰত থকা লোকসকলৰ কথা এবাৰ ভাবকচোন/৮১
❍ মাতৃ দিৱসৰ কিছু প্রাসংগিক চিন্তা/৮৩
❍ পৰিৱৰ্তনৰ কোনো সীমা নাথাকে/৮৬
❍ নতুন পোছাকত ট্রেফিক আৰক্ষী/৮৮
❍ ধলা-শদিয়া দলং আৰু মোদীৰ হাঁহি/৯১
❍ পৰম্পৰাগত খাদ্যসম্ভাৰ হেৰাই যাব নেকি?/৯৩
❍ ৰাইজৰপৰা সুধাকণ্ঠই কি বিচাৰিছিল/৯৫
❍ ভাল ফলাফল নহ'লে সন্তানক গালি নিদিব/৯৮
❍ ডেই-পুৰি গৈছে উত্তাপৰ বাবে/১০০
❍ গৰম বন্ধৰ আনন্দত পিতৃ-মাতৃৰ কৰণীয়/১০৩
❍ ষাঠি বছৰীয়া পৰিক্রমাৰে উজলা বজালী মহাবিদ্যালয়/১০৫
❍ ঘৰখনতেই আৰম্ভ হওক নিচাযুক্ত দ্রব্যবিৰোধী অভিযান/১০৭
❍ অম্বুবাচী মেলা, পৰ্যটনৰ সম্ভাৱনা, নিৰাপত্তা ইত্যাদি.../১১০
❍ আন্তর্জাতিক যোগ দিৱসত প্রধানমন্ত্রীৰ ডিঙিত ফুলাম গামোচা/১১৩
❍ পোহৰৰ উৎসৱে মৃৎ শিল্পীৰ মুখৰ হাঁহি বিৰিঙাই ৰাখিবনে?/১১৫
❍ কৃত্রিম বানতকৈ ভূমিস্খলনহে শংকাৰ কাৰণ/১১৮
❍ মোদীৰ বিদেশ ভ্রমণৰ আঁৰত/১২১
❍ ছেলিমক চালাম/১২৪
❍ বানে গৰকা শাওণৰ পথাৰখন/১২৬
❍ সদ্যোজাতৰ দোষ কি?/১২৮

❍ শাৰদীয় আনন্দৰ মাজতে আৰ্তজনৰ কথাও ভাবকচোন/১৩১
❍ দুৰ্গা পূজাক লৈ অঘোষিত প্ৰতিযোগিতা কিয়?/১৩৪
❍ পৱিত্ৰ হৈ থাকক শিক্ষাগুৰু-শিক্ষাৰ্থীৰ সম্বন্ধ/১৩৭
❍ গছ-গছনিত বেনাৰ-ছাইনব'ৰ্ড আঁৰোতাক শাস্তি দিয়ক/১৪০
❍ ব্লু হোৱেল আতংক ঃ অভিভাৱকৰ দায়িত্ব/১৪২
❍ স্বাভিমান ৰক্ষাৰ নামত কিমান দিনলৈ চলিব আন্দোলন/১৪৫
❍ মাতৃভাষা অবিহনে জাতিৰ উন্নতি অসম্ভৱ/১৪৭
❍ লখিমীক আদৰাৰ উৎসৱ আৰু ন-খোৱা/১৪৯
❍ মৰণা মৰাৰ আনন্দ/১৫১
❍ ছাত্ৰ-ছাত্ৰীৰ উত্তৰণত পৰিৱৰ্তনৰ প্ৰভাৱ/১৫৪
❍ শীতৰ আলহী চৰাই/১৫৬
❍ দুৰ্ঘটনা প্ৰতিৰোধৰ বাবে পথ বিভাজকত ফেন্সিং দিয়ক/১৫৮

# পৰীক্ষা-ভীতি ঃ পৰিত্ৰাণৰ উপায়

এতিয়া পৰীক্ষাৰ সময়। বিশেষকৈ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ সময় আহি পৰিছে। এই দুয়োটা পৰীক্ষাই কেৰিয়াৰ গঢ়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ বুলি বিবেচিত হয়। কাৰণ মেট্ৰিকত ভালদৰে উত্তীৰ্ণ হ'লেহে হায়াৰ ছেকেণ্ডাৰীত নিজৰ ইচ্ছানুসৰি নামভৰ্তি কৰিব পাৰিব। হায়াৰ ছেকেণ্ডাৰীত ভাল ফলাফল দেখুৱাব পাৰিলে বিভিন্ন ক্ষেত্ৰত নামভৰ্তি কৰিবলৈ সহজ হৈ পৰে। আনহাতে, বিভিন্ন ধৰণৰ এণ্ট্ৰেন্স পৰীক্ষাৰ বাবেও সাজু হ'ব পাৰি। যিহেতু আমাৰ শিক্ষা-ব্যৱস্থাত অধিক নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীক ভাল শিক্ষাৰ্থী হিচাপে গণ্য কৰা হয়, সেয়েহে সকলোৱে বেছি নম্বৰ লাভ কৰিবলৈ এখন অঘোষিত প্ৰতিযোগিতাত অৱতীৰ্ণ হয়। এনে প্ৰতিযোগিতাত আগস্থান লাভ কৰিবলৈ চলোৱা প্ৰস্তুতিত যদি কেতিয়াবা ব্যাঘাত জন্মে তেতিয়াহ'লে পৰীক্ষা-ভীতিয়ে শিক্ষাৰ্থীগৰাকীৰ সকলো হিচাব-নিকাচ ওলট-পালট কৰি দিয়ে। পৰীক্ষাৰ প্ৰাক্-মুহূৰ্তত যদি প্ৰস্তুতিত কেনেবাকৈ ব্যাঘাত জন্মে তেতিয়াহ'লে শিক্ষাৰ্থীগৰাকী মানসিকভাৱে ভাৰসাম্যহীন হৈ পৰে।

পৰীক্ষাৰ পূৰ্বে অধিক বোজা ল'বলগীয়া হোৱা বাবে শিক্ষাৰ্থীয়ে

কেতিয়াবা এনেদৰে অতিৰিক্ত বোজা বহনত অপাৰগতা প্ৰকাশ কৰে। এনে পৰিস্থিতিৰ সৃষ্টি হ'লে বহুতে আনকি আত্মহত্যা কৰা ঘটনাও সংঘটিত কৰে। কিছুমানক আকৌ চিকিৎসালয়ত ভৰ্তি কৰিবলগীয়া পৰিস্থিতিৰো সৃষ্টি হয়। এনেদৰে চিকিৎসালয়ত ভৰ্তি হোৱাৰ ফলত পৰীক্ষাত অৱতীৰ্ণ হোৱাত ব্যাঘাত জন্মে। আনকি বহুতে পৰীক্ষাত বহিব নোৱাৰি এবছৰ লোকচান কৰিবলগীয়া হয়। অৱশ্যে এনে হোৱাৰ মূলতে একাংশ পিতৃ-মাতৃ তথা অভিভাৱকেই জগৰীয়া। পিতৃ-মাতৃ অথবা অভিভাৱকে পৰীক্ষা আহিল বুলিয়ে অনবৰতে সন্তানৰ ওপৰত অতিৰিক্ত চাপ প্ৰয়োগ কৰে। দিনৰ প্ৰায়ভাগ সময় পঢ়াত ব্যস্ত ৰাখে। এনেদৰে পৰীক্ষাৰ প্ৰাক্-মুহূৰ্তত অতিৰিক্ত চাপ পৰি থকাৰ ফলতো পৰীক্ষাৰ সময়ত সকলো প্ৰস্তুতি পণ্ড হয়। তদুপৰি পৰীক্ষাতো সুফল নাপায়।

ছাত্ৰ-ছাত্ৰীসকলক পৰীক্ষা-ভীতিৰপৰা মুক্ত কৰিব নোৱাৰিলে তেওঁলোকৰ পৰীক্ষাৰ ফলাফল ভাল নহয়। ফলাফল ভাল নহ'লে যিকোনো সিদ্ধান্ত ল'ব পাৰে। ঘৰৰপৰা ওলাই যোৱা, আত্মহত্যা কৰা, যিকোনো অপৰাধমূলক কাৰ্য সম্পাদন কৰা আদি কাৰ্য সংঘটিত হয়। এনেধৰণৰ সমস্যাৰপৰা পৰিত্ৰাণ পাবলৈ হ'লে পৰীক্ষাৰ প্ৰস্তুতি চলোৱাৰ সময়তে সতৰ্কতা অৱলম্বন কৰিব লাগিব। পৰীক্ষাৰ প্ৰস্তুতি মাত্ৰ কেইদিনমান পূৰ্বে চলোৱাৰ পৰিৱৰ্তে আগৰেপৰা চলালে নিশ্চয় সমস্যাৰ সৃষ্টি নহ'ব। তদুপৰি কোনো ধৰণৰ অঘটনো সংঘটিত নহয়। পৰীক্ষাৰ সময়ত বা পৰীক্ষাৰ পূৰ্বে কিছুমান বিষয়ত গুৰুত্ব প্ৰদান কৰা উচিত। তলত তেনেধৰণৰ গুৰুত্বৰ কথা উল্লেখ কৰা হ'ল—

- ★ পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাওঁতে সদায় ইতিবাচক মনোভাব গ্ৰহণ কৰিব লাগে। 'মই পৰীক্ষাত ভাল ফলাফল দেখুৱাব পাৰিম। সকলো বিষয় নিয়াৰিকৈ লিখিম।' —এনেধৰণৰ মনোভাবেৰে আগুৱাই গ'লে নিশ্চয় প্ৰস্তুতিত ব্যাঘাত নজন্মে। তদুপৰি পৰীক্ষাত ভাল ফলাফলো লাভ কৰিব পাৰি।
- ★ স্মৃতিশক্তি বৃদ্ধিৰ ক্ষেত্ৰত ঔষধৰ ভূমিকা নাই। সেইবাবে ছাত্ৰ-ছাত্ৰীয়ে একাগ্ৰতা, মানসিক শক্তি আৰু পঢ়াৰ প্ৰতি আগ্ৰহেৰেহে প্ৰস্তুতি চলাব লাগিব। অৱশ্যে কেৱল যে পৰীক্ষাৰ সময়তে এই তিনিটা

বিষয়ত গুৰুত্ব দিব লাগে তেনে নহয়, আন সময়তো সতৰ্ক হ'ব লাগিব। পঢ়া বিষয়টো এনে নহয় যে এদিন অধ্যয়ন কৰিলেই সকলোখিনি মনত থাকে অথবা বুজি পোৱা যায়। প্ৰখৰ বুদ্ধিসম্পন্ন ছাত্ৰ-ছাত্ৰীও এইক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হয়।

- ✶ পৰীক্ষাৰ ‘ৰুটিন’ বা তালিকা প্ৰকাশ কৰালৈকে কোনোৱে পঢ়িবৰ বাবে ৰৈ থাকিব নালাগে। সময় পালেই পঢ়িলে পৰীক্ষাৰ সময়ত সমস্যাৰ সৃষ্টি নহয়।
- ✶ পৰীক্ষাৰ সময়ত সাধাৰণতে পিতৃ-মাতৃয়ে সন্তানৰ ওপৰত অতিৰিক্ত চাপ প্ৰয়োগ কৰি পঢ়িবলৈ কয়। এনেদৰে অতিৰিক্ত চাপ সৃষ্টি কৰাৰ ফলত সন্তানৰ মনত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। মনত ৰখা উচিত যে যিজনৰ যিমান সামৰ্থ্য আছে, তেওঁক তাতকৈ বেছি গ্ৰহণ কৰিবলৈ হেঁচা প্ৰয়োগ কৰিলে হিতে বিপৰীতহে হয়।
- ✶ পৰীক্ষাৰ দিন ঘোষণা কৰা অথবা পৰীক্ষাৰ সময়ত হৈ-চৈৰ সৃষ্টি নকৰাই ভাল। কাৰণ তেনে কৰিলে মনত খেলি-মেলিৰ সৃষ্টি হোৱাৰহে আশংকা থাকে।
- ✶ ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা আহিল বুলি দিন-ৰাতি একাকাৰ কৰি পঢ়াতকৈ সদায় নিৰ্দিষ্ট সময়ত টেবুলৰ ওচৰলৈ গ'লে সমস্যাৰ সৃষ্টি নহয়।
- ✶ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হ'বলৈ সকলোৱে চেষ্টা চলায়। কিন্তু সকলোৰে বাবে এয়া সম্ভৱ নহয়। সেইবুলি চেষ্টা নকৰাকৈও থাকিব নালাগে। ভালদৰে পঢ়া-শুনা কৰিলে নিশ্চয় সুফল লাভ কৰিব পাৰিব।
- ✶ পৰীক্ষা আহিল বুলিয়ে সকলো অভ্যাস এৰি দিব নালাগে। কিছুমানৰ লিখা, খেলা, গান শুনা, টিভি চোৱাৰ অভ্যাস। এনে কৰিলে মনটো সতেজ হৈ থাকে। তদুপৰি অতিৰিক্ত চাপ পৰাৰো সম্ভাৱনা নাথাকে। মনটো সতেজ কৰি পঢ়িলেহে সুফল পোৱা যায়। কিছুমানে পৰীক্ষা আহিল বুলিয়ে সকলো অভ্যাস ত্যাগ কৰে। ফলত অতিৰিক্তভাৱে চাপৰ বোজা সহ্য কৰিব নোৱাৰিলে পৰীক্ষাত ফলাফলো ভাল দেখুৱাব নোৱাৰে।
- ✶ পৰীক্ষাৰ সময়তে নহয়, আন সময়তো পিতৃ-মাতৃ অথবা অভিভাৱকে সন্তানে পঢ়ি আছে নে নাই সেই বিষয়ত গুৰুত্ব প্ৰদান কৰা উচিত।

টেবুলৰ ওচৰত বহি নথকাকৈও নিৰীক্ষণ কৰিব পাৰি। নিৰীক্ষণৰ নামত কেতিয়াও চাপ দিব নালাগে। যিমান সম্ভৱ হয় সিমান সময় দিব লাগে সন্তানক। কেৱল টিউচন দিলেই সমস্যাৰ সমাধান নহয়। বহুতো পিতৃ-মাতৃ, অভিভাৱকে কেৱল টিউচন দিয়েই দায়িত্ব সামৰিব খোজে। টিউচন দিলেই যদি ছাত্ৰ-ছাত্ৰীয়ে পঢ়িব পাৰিলেহেঁতেন তেতিয়াহ'লে সকলোৰে পৰীক্ষাত ভাল ফলাফল দেখুৱাবলৈ সক্ষম হ'লহেঁতেন।

* কোনো কাৰণত যদি সন্তানে পঢ়া-শুনা নকৰাকৈ থাকে তেনেহ'লে পিতৃ-মাতৃয়ে এইক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা উচিত। কাৰণ পৰীক্ষা-ভীতিৰ বাবেও সন্তানৰ পঢ়া-শুনাত ব্যাঘাত জন্মিব পাৰে।
* যদিহে সন্তানৰ অধ্যয়নত ব্যাঘাত জন্মিছে অথবা পৰীক্ষাভীতিয়ে গা কৰি উঠিছে তেতিয়াহ'লে সোনকালে এগৰাকী 'পৰামৰ্শদাতা' (counsellor)ৰ স'তে বিষয়টো আলোচনা কৰা উচিত। কাৰণ এনেধৰণৰ সমস্যা পৰামৰ্শ গ্ৰহণৰ জৰিয়তেহে সমাধান কৰিব পাৰি। বহুতো পিতৃ-মাতৃয়ে সন্তানে পঢ়া-শুনা নকৰা বাবে অথবা পৰীক্ষাত অৱতীৰ্ণ নোহোৱাৰ ভেম ধৰে বুলি ভাবি মাৰ-ধৰ কৰে। এনে কৰা অনুচিত। কাৰণ সমস্যাৰ সৃষ্টি হ'লে সমাধানহে কৰিব লাগে। যিমানেই চাপ দিব, মাৰ-ধৰ কৰিব সিমানেই সন্তানৰ মনত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ব। আজিকালি পৰামৰ্শদাতা (counsellor)ৰপৰা পৰামৰ্শ গ্ৰহণৰ জৰিয়তে এনে সমস্যাৰ সমাধান কৰাটো সম্ভৱ।
* খোৱা-বোৱাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰিব লাগে। সন্তানে এই সময়ত কেনে খাদ্য খালে সুস্বাস্থ্যৰে থাকিব পাৰিব সেই বিষয়ে জানি থোৱা মংগলজনক। পৰীক্ষা আহিল বুলিয়েই অতিৰিক্তভাৱে খুৱাব নালাগে।
* পিতৃ-মাতৃয়ে প্ৰতি মুহূৰ্ততে সন্তানক উৎসাহিত কৰিলে সন্তানেও মনত সাহস পাব। ফলত আশা কৰা ধৰণে পৰীক্ষাত ফলাফল লাভ কৰিব।

# গোলকীয় উষ্ণতাক লৈ মানৱ জাতি শংকিত কিয়

১৯৬৭ চনত ইৰানৰ এবাদনত সৰ্বোচ্চ উষ্ণতা ৮৭ ডিগ্ৰী চেলছিয়াছ (১৮৯ ডিগ্ৰী ফাৰেনহাইট) লিপিবদ্ধ কৰা হৈছিল। অগ্নিপিণ্ডৰপৰা শীতল হোৱাৰ পাছত পৃথিৱীৰ এইটো আছিল সৰ্বোচ্চ তাপমাত্ৰা। একেটা বৰ্ষতে উক্ত অঞ্চলটোত এদিনত ৫৬.৭ ডিগ্ৰী (১৩৪.১ ডিগ্ৰী ফাৰেনহাইট) চেলছিয়াছ স্পৰ্শ কৰিছিল। ২০০৮ চনত চীনৰ ফ্লেমিং পাহাৰত ৬৬.৮ ডিগ্ৰী চেলছিয়াছ (১৫২.২ ডিগ্ৰী ফাৰেনহাইট) লিপিবদ্ধ কৰা হৈছিল। ২০১৬ৰ ২১ জুলাইত কুৱেইটৰ মিত্ৰীবাহত ৫৪ ডিগ্ৰী চেলছিয়াছ উষ্ণতা স্পৰ্শ কৰিছিল। গোলকীয় উষ্ণতা বৃদ্ধিৰ এয়া হ'ল মাত্ৰ কেইটিমান উদাহৰণহে। যদিহে পৃথিৱীৰ উষ্ণতা এনেদৰে বৃদ্ধি হৈ থাকে তেন্তে এদিন মানুহৰ বাবে বাসোপযোগী হৈ থাকিবনে? নিশ্চয় নাথাকে। গতিকে সকলোৱে এতিয়া ভাবিবৰ হ'ল।

এনেদৰে উষ্ণতা বৃদ্ধি হোৱাৰ ফলত বৰফেৰে আবৃত্ত মহাদেশ এণ্টাৰ্কটিকাত বৰফ গলিবলৈ ধৰিছে। সমগ্ৰ বিশ্বতে পাঁচ জুনত বিশ্ব পৰিৱেশ দিৱস পালন কৰাৰ সময়তে এণ্টাৰ্কটিকাত এনেদৰে বৰফ গলিবলৈ ধৰা তথ্য লাভ কৰাৰ পাছত চিন্তান্বিত হৈছে বিশ্ববাসী। কাৰণ এইখন মহাদেশৰ আধাও বৰফ গলিলে মহাপ্ৰলয় হ'ব পৃথিৱীত। নোৱাৰ নাৱৰ কাহিনীৰ দৰে

যে পৰিৱেশৰ সৃষ্টি নহ'ব, সেয়া নিশ্চয়কৈ ক'ব নোৱাৰি। মাৰ্কিন মহাকাশ গৱেষণা সংস্থা (নাছা)ৰ এনে তথ্য প্ৰকাশৰ পাছতে হাহাকাৰ লাগিছে পৰিবেশবিদ তথা সচেতন লোকসকলৰ। নাছাৰ শেহতীয়া তথ্য অনুসৰি এণ্টাৰ্কটিকাত অতি কমেও এক লাখ টন বৰফ গলিছে। বৰফৰ পাহাৰ গলি দক্ষিণ আমেৰিকাৰ প্ৰান্তত অৱস্থিত ৱেডেন সাগৰলৈ ববলৈ ধৰিছে। কেলিফ'ৰ্নিয়াৰ বিশ্ববিদ্যালয়ৰ বিজ্ঞানীসকলৰ মতে বিগত কে'বামাহত এণ্টাৰ্কটিকাৰ বৰফৰ মাজত এশ মিটাৰৰো অধিক অঞ্চল সামৰি ভাঙোন আৰম্ভ হৈছে। অতিসম্প্ৰতি 'লাৰ্ছেন চী' বৰফ খণ্ড দক্ষিণ মেৰুৰ ফালে অধিক অগ্ৰসৰ হৈছে। উল্লেখ্য যে ২০০২ চনতে এই বৃহৎ খণ্ডৰ বৰফৰ টুকুৰাক 'লাৰ্ছেন চী' বুলি নামাংকিত কৰা হৈছিল। যদিহে এই টুকুৰা বৰফ সম্পূৰ্ণৰূপে গলি যায় তেতিয়াহ'লে কে'বাখনো দেশ পানীৰ তলত বুৰ যোৱাৰ শংকা থকা বুলি গৱেষকসকলে মন্তব্য কৰিছে। একাংশ বিজ্ঞানীৰ মতে, এই সকলোবোৰৰ মূলতে হ'ল গোলকীয় উষ্ণতা বৃদ্ধি। লাহে লাহে পৃথিৱীৰ উষ্ণতা বৃদ্ধি হোৱাৰ সময়তে শুভ্ৰ বৰফৰ মহাদেশখনত বৰফ গলিবলৈ ধৰে। এয়া সকলোৰে বাবে উদ্বেগজনক হৈ পৰিছে। অৱশ্যে এণ্টাৰ্কটিকাৰ বৰফ গলাৰ এইটোৱেই প্ৰধান কাৰণ নে আন কোনো কাৰণত হৈছে তাক লৈ পৰিৱেশ বিজ্ঞানী তথা অধ্যয়নকাৰীসকলে নিশ্চয়কৈ কাৰণ ব্যাখ্যা কৰিব পৰা নাই। সি যি নহওক এটা কথা ঠিক যে গোলকীয় উষ্ণতাই কেৱল এণ্টাৰ্কটিকাতে প্ৰভাৱ পেলাইছে তেনে নহয়, বহুতো দেশৰ ৰাজধানীৰ লগতে মুখ্য বাণিজ্যিক কেন্দ্ৰ পানীত ডুব যোৱাৰ উপক্ৰম ঘটিছে। ইতিমধ্যে ছিডনী, ঢাকা আদি মহানগৰক পৰিৱেশ বিজ্ঞানীসকলে সতৰ্কবাণী শুনাইছে। সাগৰৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ লগে লগে এই চহৰসমূহ ডুব যাব।

আকৌ উষ্ণতা বৃদ্ধিৰ প্ৰসংগৰ বিষয়ে উল্লেখ কৰিব খুজিছোঁ। বিগত এটা দশকত বিশ্বৰ বিভিন্ন প্ৰান্তত যিদৰে গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত মানুহৰ মৃত্যু হৈছে তেনেদৰে শীতৰ প্ৰকোপত মৃত্যু হোৱাৰ তালিকাত কম নহ'ব। এই কাৰণবোৰক অগ্ৰাধিকাৰ দি উষ্ণতা বৃদ্ধি প্ৰতিৰোধ কৰিবলৈ আমি সকলোৱে চেষ্টা কৰা উচিত।

গোলকীয় উষ্ণতাৰ প্ৰভাৱ পৰিছে সকলোতে। অৱশ্যে সকলোবোৰৰ ভিতৰত কৃষকসকল বেয়া ধৰণে ক্ষতিগ্ৰস্ত হৈছে। কাৰণ উষ্ণতা বৃদ্ধি হোৱাত

কৃষিভূমিত প্ৰভাৱ পৰিছে। উৎপাদন হ্ৰাস পোৱা নাই যদিও আশানুৰূপ ফল নাপাই একাংশ কৃষকে আত্মহত্যাৰ দৰে পথ ল'বলগীয়া হৈছে। কেতিয়াবা যদি খৰাং বতৰ, আন কেতিয়াবা আকৌ আবতৰীয়া বান। কৃষকসকলে জীৱনৰ সকলোখিনি হেৰুওৱাৰ পাছত এখন অন্ধকাৰ  ভৱিষ্যতৰ ছবি ফুটি উঠাৰ লগে লগে মস্তিষ্কই একো কাম নকৰাৰ ফলত আত্মহত্যা কৰে।

গোলকীয় উষ্ণতাৰ ফলত খাদ্য সংকটে অদূৰ ভৱিষ্যতে আৰু অধিক জটিল ৰূপ ধাৰণ কৰিব বুলি গৱেষকসকলে মন্তব্য আগবঢ়াইছে। ইতিমধ্যে বিশ্বৰ বিভিন্ন ঠাইত থকা ঐতিহাসিক সমলসমূহতো ইয়াৰ প্ৰভাৱ পৰিলক্ষিত হৈছে।

গোলকীয় উষ্ণতাই বায়ুমণ্ডলতো প্ৰভাৱ পেলাইছে। বায়ুমণ্ডলৰ অ'জন স্তৰত ইতিমধ্যে বৃহৎ ফুটাৰ সৃষ্টি হৈছে। ফলত সূৰ্যৰপৰা বিকিৰিত অতিবেঙুনীয়া ৰশ্মি পৃথিৱীত সহজে পৰাত ক্ষতিগ্ৰস্ত হৈছে মানৱ জাতি। এনেধৰণৰ সমস্যাৰপৰা হাত সাৰিবলৈ হ'লে কেইটিমান বিষয়ত গুৰুত্ব প্ৰদান কৰিব লাগিব।

- সকলোৰে প্ৰকৃতিক ভাল পাবলৈ শিকিব লাগিব।
- অপ্ৰয়োজনীয়ভাৱে গছ-গছনি কটা প্ৰতিৰোধ কৰিবই লাগিব।
- প্ৰতিগৰাকী ব্যক্তিয়ে বছৰত এডাল হ'লেও গছপুলি ৰোপণ কৰা উচিত।
- জন্মদিনত মূল্যৱান গছপুলি উপহাৰ দিয়াৰ অভ্যাস গঢ়িব লাগিব।
- বনাঞ্চল ধ্বংস প্ৰতিৰোধ কৰিবলৈ ৰাইজে সহায়-সহযোগিতা আগবঢ়াবই লাগিব।

# ডোকলামত চীনৰ শেনচকু কিয়

ভাৰতৰ বাবে এতিয়া পাকিস্তানতকৈও ভয়াৱহ হৈ পৰিছে চীন। এছিয়াৰ শক্তিধৰ ৰাষ্ট্ৰ হিচাপে চীনে ভাৰতক বশ কৰিবলৈ সৰ্বতোপ্ৰকাৰে চেষ্টা অব্যাহত ৰাখিছে। ভাৰতৰ চিৰবৈৰী পাকিস্তানক সকলো প্ৰকাৰে সহায়-সহযোগিতাৰ ছলেৰে নিজৰ বজাৰ দখল কৰা চীনে ভাৰতৰ বিৰুদ্ধে প্ৰতিটো ক্ষণতে উচটনি দি আহিছে পাকিস্তানক। ১৯৬২ চনত চীনে ভাৰত আক্ৰমণ কৰাৰ ছবিখন আজিও ভাৰতীয় লোকে পাহৰিব পৰা নাই। চীনে ১৯৬২ৰ বিজয়ধ্বজাৰ কথা সুঁৱৰিয়েই আজিও ভাৰতক ৰঙা চকু দেখুৱাই আছে। কিন্তু ১৯৬২ৰ যুদ্ধৰ ক্ষেত্ৰত ভাৰতৰ শক্তি আৰু বৰ্তমান শক্তিৰ মাজত যে আকাশ-পাতাল পাৰ্থক্য আছে সেই কথা চীনে পাহৰি পেলাইছে। সেইবাবে শেহতীয়াভাৱে চুবুৰীয়া ৰাষ্ট্ৰখনে ভাৰতক আক্ৰমণ কৰিবলৈ উদ্যত হৈছে। চীনে দীৰ্ঘদিন ধৰি দাবী কৰি অহা ডোকলাম মালভূমিক লৈ অতিসম্প্ৰতি দুয়োখন দেশৰ মাজত সৃষ্টি হৈছে এক যুদ্ধসদৃশ পৰিৱেশ। এসময়ত হিমালয়ৰ ডোকলাম আছিল ভূটানৰ পশুপালকসকলৰ চৰণীয়া অঞ্চল। ভাৰতৰ স্বাধীনতা লাভৰ আগতে ব্ৰিটিছ আৰু চীনাসকলৰ মাজত সীমান্ত সম্পৰ্কীয় বিষয় নিষ্পত্তিৰ সময়ত এই অঞ্চলটোক লৈ কেতিয়াও চৰ্চা হোৱা নাছিল।

১৯৬২ চনৰ ভাৰত-চীনৰ যুদ্ধৰ পাছতহে উক্ত অঞ্চলটোক লৈ আৰম্ভ হয় বিবাদ। ভূটানে যেতিয়াই ডোকলামৰ অধিকাৰৰ ক্ষেত্ৰত মাত মাতিছে তেতিয়াই চীনে আৰম্ভ কৰিছে বিবাদ। ভাৰত-চীন আৰু ভূটানৰ সংগমস্থলী চুম্বি উপত্যকাত এই মালভূমি অঞ্চল গুৰুত্বপূৰ্ণ বুলি বিবেচিত কৰিয়েই দীৰ্ঘদিন ধৰি আৰম্ভ কৰিছে বিবাদ। এই বিবাদ চলি থকাৰ মাজতে চীনে উক্ত অঞ্চলটোত নিজৰ স্থিতি সবল কৰি লৈছে। ইয়াৰ বাবে নিৰ্মাণ কৰিছে বাট-পথ। 'চিকেননেক' বুলি আখ্যা দিয়া এই কৰিড'ৰেদি পূৰ্বোত্তৰৰ ৰাজ্যসমূহক দেশৰ মূল ভূখণ্ডৰ স'তে সংযোগ কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। ২৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ উক্ত স্থানৰ সমীপৰপৰাই চীনে ভাৰতৰ সীমান্তৱৰ্তী অঞ্চলৰ বিস্তৰ ক্ষতি কৰিব পৰাকৈ স্থিতি লৈছে। তিনিখন ৰাষ্ট্ৰৰ সংগমস্থলী হিচাপে দাবী কৰা অঞ্চলটোৰ ৮৯ বৰ্গ কিলোমিটাৰ ভূমি চীনে নিজৰ বুলি দাবী কৰি আহিছে। চীনৰ বাবে ডোকলাম উদ্বেগৰ কাৰণ এয়ে যে চুবুৰীয়া ৰাষ্ট্ৰখন দুবাৰকৈ উক্ত স্থানতে পৰাজিত হ'বলগীয়া হৈছে। ১৯৬২ চনত ভাৰতীয় সেনা পৰাজিত হ'লেও ১৯৬৭ চনত চীনা সেনাই পৰাজয় স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল। তেতিয়াৰেপৰাই চীনেও সুবিধা পালে ভাৰতক আক্ৰমণ কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে।

ভাৰতেও পাকিস্তানৰ সমানেই চীনক গুৰুত্ব দিবলগীয়া হৈছে। বিশেষকৈ সীমান্তৱৰ্তী অঞ্চলত চীনে অহৰ্নিশে বেদখলৰ চেষ্টা চলাই থকাত ভাৰতীয় সেনায়ো সদায় সন্তম থাকিবলগীয়া হৈছে। দৰাচলতে প্ৰতিখন দেশে চুবুৰীয়া ৰাষ্ট্ৰৰ স'তে কূটনৈতিকভাৱে সম্পৰ্ক ৰক্ষা কৰিব খুজিলেও ভৌগোলিক অখণ্ডতা ৰক্ষাৰ প্ৰশ্ন উত্থাপিত হ'লেই বিষয়টোৱে আনফালে ঢাল খায়। চুবুৰীয়া ৰাষ্ট্ৰক আক্ৰমণ কৰিবলৈ হ'লে সীমান্তৱৰ্তী স্থানকে নিৰ্বাচিত কৰে। এই দৃষ্টিকোণৰপৰা বিশ্লেষণ কৰিলে এটা কথা স্পষ্ট হৈ পৰে যে চীনে ভাৰতক আক্ৰমণ কৰিবলৈ হ'লে অন্যতম সুচল স্থান হ'ল ডোকলাম। বিবদমান ভূমিডোখৰ লাভ কৰিবলৈ এইবাৰ চীনে ভূটানক বশ কৰিবলৈ চেষ্টা চলাইছে। অৱশ্যে ভূটানে উক্ত বিবদমান ভূমিডোখৰ ব্যৱহাৰ কৰিবলৈ অনুমতি প্ৰদান কৰা বুলি উল্লেখ কৰাৰ পাছতে ভূটানে পোনছাতে চীনৰ মন্তব্য নাকচ কৰিছে। ভূটানেও নিবিচাৰে ভাৰতৰ স'তে বিবাদ সৃষ্টি কৰিবলৈ। কাৰণ চীনতকৈ ভাৰতেহে সদায় ভূটানক বেছি সহায় কৰি আহিছে। আনকি হেলিপেড,

ৰাস্তা-ঘাটো নিৰ্মাণ কৰিছে। তদুপৰি অতীতৰেপৰা চুবুৰীয়া ৰাষ্ট্ৰখনৰ স'তে ভাৰতে সু-সম্পৰ্ক ৰক্ষা কৰি আহিছে। চীনে ইতিমধ্যে স্পষ্ট কৰি দিছে যে ভাৰতে চীনৰ চৰ্ত মানিলেহে সীমান্ত সমস্যা সমাধান কৰিব পৰা যাব। সীমান্তৰ ৰেখাই দেশখনৰ সৰ্বোচ্চ সীমাৰেখা বুলি স্পষ্ট কৰি দি একপ্ৰকাৰ ভাৰতক প্ৰত্যাহ্বান জনাইছে।

ভাৰত-চীনৰ ব্যৱধান যিমানেই বৃদ্ধি পাইছে সিমানেই সেনা সাজু হৈছে, যুদ্ধাস্ত্ৰও সিমানেই সাজু কৰা হৈছে। সুদীৰ্ঘ ৩০ বছৰ পাছত ভাৰতে মাৰ্কিন হাউৎজাৰ বৰতোপ পৰীক্ষা কৰাৰ পাছত চীনো উদ্বিগ্ন হৈ পৰিছে। তদুপৰি ভাৰতে শেহতীয়াভাৱে আমেৰিকাৰপৰা ড্ৰোণ আৰু ইজৰাইলৰপৰা অত্যাধুনিক যুঁজাৰু বিমান ক্ৰয়ৰ বাবে সম্পাদন কৰা চুক্তিৰ পাছত শংকিত হৈ চীনে উত্তৰ কোৰিয়াৰ স'তে সম্পৰ্ক উন্নত কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। ভাৰতক চাপত ৰাখিবলৈ চীনে যিমানেই জাল পেলাইছে সিমানেই ভাৰতেও শক্তিশালী ৰাষ্ট্ৰসমূহৰ স'তে সম্পৰ্ক উন্নত কৰিবলৈ আগবাঢ়িছে। বিশ্বৰ শক্তিধৰ ৰাষ্ট্ৰসমূহেও ভাৰতক সমৰ্থন জনোৱাত চীনৰ উদ্বিগ্নতা বৃদ্ধি পাইছে। সেইবাবে ভাৰতক চাপত ৰাখিবলৈ ডোকলামত উত্তেজনা বৃদ্ধি কৰিবলৈ অহৰ্নিশে চেষ্টা অব্যাহত ৰাখিছে চীনে।

# স্বাধীন দেশৰ নৱ প্ৰজন্মৰ দায়িত্ব

পৰাধীনতাৰ শিকলিমুক্ত দেশ এখনৰ নাগৰিকসকলৰ মনবোৰো স্বাধীন হ'ব লাগিব। স্বাধীন মনৰ অধিকাৰী নহ'লে দেশখনৰ সামগ্ৰিক উন্নতি অসম্ভৱ। ভাৰতে ব্ৰিটিছ শাসনৰপৰা মুক্ত হোৱাৰ সাতটা দশক হ'ল। আমি বিদেশীৰ শাসনৰপৰা সম্পূৰ্ণ মুক্ত হ'লেও আমাৰ মানসিকতাৰ সলনি হৈছেনে বাৰু? পোছাকৰপৰা আৰম্ভ কৰি খাদ্য সম্ভাৰলৈকে সকলোতে আজিও বগা চাহাবৰ প্ৰভাৱ থকা নাই জানো? এটা জাতিৰপৰা স্বাধীনতা লাভৰ অৰ্থ হ'ল সেই জাতিটোৰ প্ৰভাৱৰপৰা সম্পূৰ্ণৰূপে মুক্ত হোৱা। যদিহে জাতিটোৰ সভ্যতা-সংস্কৃতিৰ প্ৰভাৱ পৰে তেতিয়াহ'লে সম্পূৰ্ণৰূপে মুক্ত বুলি ক'ব নোৱাৰো। ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতে ব্ৰিটিছ শাসনৰপৰা মুক্তি লাভ কৰিলেও খাদ্য, পোছাক আদিত প্ৰভাৱ পৰিয়েই থাকিল। আমাৰ মানসিকতাৰ কিছু পৰিৱৰ্তন হ'ল যদিও গোলামীৰ মানসিকতা থাকি গ'ল। আমাৰ সভ্যতা-সংস্কৃতিৰ কথা পাহৰি বিদেশীক আঁকোৱালি লৈছো। সাধাৰণ নাগৰিকৰ কথা বাদেই, নেতাসকলৰেই মানসিকতাৰ পৰিৱৰ্তন নহ'ল। অৱশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী এইক্ষেত্ৰত ব্যতিক্ৰম। এতিয়া মোদীয়ে যি আদৰ্শ দেখুৱাইছে তাত সম্পূৰ্ণৰূপে স্বাধীন ছবিখন প্ৰতিফলিত হৈছে। 'মেক ইন ইণ্ডিয়া'ৰপৰা আৰম্ভ কৰি আন সকলো ক্ষেত্ৰতে ছবিখন লাহে লাহে প্ৰতিফলিত হ'ব ধৰাৰ লগে লগে যুৱ প্ৰজন্মৰ মাজত মানসিকতাৰো কিছু পৰিৱৰ্তন হ'বলৈ ধৰিছে; যেন প্ৰাণ পাই উঠিছে নৱ প্ৰজন্মৰ মনৰ গজালিটোৱে।

স্বাধীনতা মানে কেৱল এখন দেশৰ শাসনৰপৰা মুক্ত হোৱা নুবুজায়। যদিহে দেশখনে ভৱিষ্যতে স্বাৱলম্বী হোৱাৰ দিশে আগ নাবাঢ়ে তেনেহ'লে মানৱ সম্পদৰ উন্নতি নহয়। দেশ এখনৰ উন্নতি ভালেখিনি নিৰ্ভৰ কৰে প্ৰাকৃতিক সম্পদৰ ওপৰত। তাতোকৈ বেছি নিৰ্ভৰ কৰে মানৱ সম্পদৰ উন্নয়নৰ ওপৰত। মানৱ সম্পদৰ উন্নয়ন আকৌ তেতিয়াহে সম্ভৱ, যেতিয়া স্বাধীনভাৱে সকলোখিনি সম্পাদন কৰিব পাৰে। যদিও বিষয়টো প্ৰত্যক্ষভাৱে ব্যাখ্যা কৰা নহয় তথাপি ইয়াৰ গুৰুত্ব কোনোৱে উলাই কৰিব নোৱাৰে।

স্বাধীন দেশৰ নাগৰিক হিচাপে কিমান শতাংশ লোকৰ সংবিধানৰ বিষয়ে সম্যক জ্ঞান আছে? সংবিধানত উল্লেখ কৰা কৰ্তব্য-অধিকাৰ সম্পৰ্কে জ্ঞাতনে? দেশ তথা জাতিৰ নামত, কোনো সংগঠনৰ নামত 'আন্দোলনৰ কাৰ্যসূচী' গ্ৰহণ কৰা কিমানজনে সংবিধানত উল্লেখ কৰা কৰ্তব্য তথা অধিকাৰ সম্পৰ্কে জানে? দৰাচলতে তেনে লোকৰ পৰৱৰ্তী সময়ত কি পৰিস্থিতিৰ সৃষ্টি হয় সেয়া নিজেও জ্ঞাত নহয়। ভাৰতত বসবাস কৰা প্ৰতিগৰাকী নাগৰিকেই সংবিধানৰ গণ্ডীৰ মাজত থাকি স্বাধীনভাৱে কাম-কাজ সম্পাদন কৰিব লাগিব। নিজ ইচ্ছামতে সকলো কাম সম্পাদন কৰাটোৱে স্বাধীনতা নুবুজায়। কাৰণ সমাজত থাকিবলৈ হ'লে আনৰ কথাত গুৰুত্ব প্ৰদান কৰিব লাগিব। তদুপৰি স্বাধীনতা থাকিল বুলিয়েই যিকোনো অপৰাধমূলক কাৰ্য সম্পাদন কৰিব নোৱাৰে। সমাজত শান্তি প্ৰতিষ্ঠাৰ বাবে সকলোৱে আগভাগ ল'ব লাগিব। স্বাধীন দেশৰ নাগৰিক হিচাপে সকলো অধিকাৰ উপভোগ কৰিব পাৰে। কিন্তু দেশৰ অখণ্ডতা ৰক্ষাৰ ক্ষেত্ৰত সকলোৱে এনে অধিকাৰৰ মাজত থাকি দেশৰ হকে যুঁজ দিব লাগিব। ভাৰতত থাকি ভাৰতবিৰোধী শ্ল'গান দিয়াসকলে ভালদৰে উপলব্ধি কৰা উচিত যে দেশ প্ৰথম, পাছতহে ব্যক্তি-স্বাৰ্থ। সেইবাবে সকলোৱে দেশৰ বাবে কৰ্তব্য সম্পাদন কৰা উচিত। প্ৰত্যক্ষভাৱেই হওক অথবা পৰোক্ষভাৱে হওক সকলোৱে দেশ সেৱাৰ বাবে সাজু হৈ থকা উচিত।

এইখিনিতে উল্লেখ কৰিব লাগিব যে সকলোৱে অধিকাৰ উপভোগ কৰাৰ স্বাধীনতা আছে। জীৱনটো গঢ় দিব পাৰে নিজে বিচৰাধৰণে। এটা কথা মনত ৰখা উচিত যে দেশ এখনৰ উন্নতিৰ বাবে ব্যক্তিসকলৰ উন্নতি হ'বই লাগিব। ইয়াৰ বাবে বিদেশী ৰাষ্ট্ৰক সম্পূৰ্ণৰূপে অনুসৰণ কৰাতকৈ তেওঁলোকৰ ভালখিনিৰ আৰ্হিত যদি আমি দেশতেই সকলো উৎপাদন কৰো তেনেহ'লে দেশ-জাতিৰ লগতে নিজৰো মংগল হ'ব।

# আমেৰিকাৰ পেৰিছ জলবায়ু চুক্তি প্ৰত্যাহাৰৰ আঁৰত

আমেৰিকাই স্বাৰ্থ সিদ্ধিৰ বাবে শত্ৰুক আঁকোৱালি লয়। স্বাৰ্থপূৰণত ব্যৰ্থ হ'লে বন্ধু ৰাষ্ট্ৰকো মুহূৰ্তৰ ভিতৰতে প্ৰত্যাখ্যান কৰে। নিজৰ মুনাফা লাভৰ বাবে ভালৰি লগাই শত্ৰু ৰাষ্ট্ৰক ক্ষণিকৰ বাবে বশ কৰি পৰৱৰ্তী সময়ত লাথ মাৰোঁতেও বেছিপৰ নালাগে। আন্তৰ্জাতিক ক্ষেত্ৰৰ ইতিহাস মেলি চালে এই কথাই প্ৰমাণ কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰই সমগ্ৰ বিশ্বতে নিজৰ আধিপত্য বিস্তাৰৰ বাবে প্ৰতিটো ক্ষণতে অস্ত্ৰ প্ৰয়োগ কৰি থাকে। সহায়-সহযোগিতাৰ প্ৰলোভন দেখুৱাই হ'লেও নিজৰ উদ্দেশ্য পূৰণ কৰে। লোকচান হোৱা কোনো কামেই নকৰে আমেৰিকাই। সেই কথা শেহতীয়াভাৱে স্পষ্টৰূপত প্ৰকাশ পাইছে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ ভাষ্যত। ৰাষ্ট্ৰপতি ট্ৰাম্পে পেৰিছ জলবায়ু চুক্তি প্ৰত্যাহাৰ-সন্দৰ্ভত যিবোৰ যুক্তি আগবঢ়াইছে সেয়াই আমেৰিকাৰ প্ৰকৃত স্বৰূপ প্ৰকট কৰি তুলিছে। ভাৰত, চীন আদি দেশৰ উন্নয়নৰ বাবে আমেৰিকাই এটকাও ব্যয় নকৰে বুলি ইতিমধ্যে স্পষ্ট কৰি দি এই চুক্তি প্ৰত্যাহাৰ কৰিছে। অৰ্থাৎ আন ৰাষ্ট্ৰৰ উন্নতিৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰই বোজা বহন নকৰে।

এই চুক্তিখন প্ৰত্যাহাৰৰ বাবে ড'নাল্ডে কাৰ্যভাৰ গ্ৰহণৰ পাছৰেপৰাই বিভিন্ন যুক্তি দৰ্শাই অহাৰ মাজতে দেশখনৰ স্থিতি স্পষ্ট কৰিছে। এই সন্দৰ্ভত ভাৰত আৰু চীনৰ ভূমিকাক সমালোচনা কৰি ৰাষ্ট্ৰপতি ট্ৰাম্পে কয়— 'এই চুক্তি অনুসৰি ভাৰত আৰু চীনে কয়লা উৎপাদন আৰু ব্যৱহাৰ কৰিব পাৰিব। ভাৰতে

২০২০ৰ ভিতৰত কয়লা উৎপাদন দুগুণলৈ বৃদ্ধি কৰিব। চীনেও কয়লা প্ৰকল্প অব্যাহত ৰাখিব পাৰিব। ইয়াৰ বোজা আমেৰিকাই বহন কৰিব নোৱাৰে।' একেই কাম সম্পাদন কৰাৰ ক্ষেত্ৰত আমেৰিকাক বাৰণ কৰা হৈছে বুলি ক্ষোভ প্ৰকাশ কৰি ৰাষ্ট্ৰপতি ট্ৰাম্পে উক্ত চুক্তিৰপৰা নাম প্ৰত্যাহাৰ কৰে। পূৰ্বৰ ৰাষ্ট্ৰপতি বাৰাক ওবামাই এই চুক্তিত স্বাক্ষৰ কৰিলেও সম্প্ৰতি ট্ৰাম্পে নিজৰ স্থিতিত অটল আছে। বিশ্বত প্ৰদূষণৰ পৰিমাণ হ্ৰাস কৰিবলৈ প্ৰায়ভাগ দেশে সন্মতি প্ৰদান কৰি সম্পাদন কৰা চুক্তিখনৰপৰা আমেৰিকাৰ নাম প্ৰত্যাহাৰ কৰাৰ লগে লগে বিশ্বৰ বিভিন্ন দেশে ট্ৰাম্পক সমালোচনা কৰিছে। চীনৰ শক্তি প্ৰতিৰোধ কৰিবলৈ আমেৰিকাই ভাৰতৰ স'তে বন্ধুত্বপূৰ্ণ সম্পৰ্ক স্থাপন কৰিলেও নিজৰ লোকচান হোৱাৰ আশংকা প্ৰকাশ কৰিয়ে আমেৰিকাই যে এই চুক্তি প্ৰত্যাহাৰ কৰিছে সেই কথা এতিয়া স্পষ্ট হৈ পৰিছে। এছিয়াৰ দেশসমূহৰ উন্নতি হোৱাতো আমেৰিকাই কেতিয়াও সহ্য নকৰে। চুক্তিৰপৰা নাম প্ৰত্যাহাৰৰ পাছত আনকি প্ৰাক্তন ৰাষ্ট্ৰপতি ওবামায়ো ট্ৰাম্পক সমালোচনা কৰিছে। এনে হঠকাৰী সিদ্ধান্তই আমেৰিকাক বিশ্ববাসীৰ সন্মুখত হেয় প্ৰতিপন্ন কৰিব বুলি ওবামাই মন্তব্য কৰিছে।

এপ'ল, গুগলসহ ২৫টাকৈ বিভিন্ন প্ৰতিষ্ঠানে বুজনি দিও ট্ৰাম্পক সৈমান কৰিব নোৱাৰিলে। আনকি প্ৰাক্তন ৰাষ্ট্ৰপতি ওবামাৰ মতে এনে সিদ্ধান্তই ভৱিষ্যতক ধ্বংস কৰিব। সমগ্ৰ বিশ্বতে ব্যাপক শিল্পায়নে সেউজ পৰিৱেশ ধ্বংসৰে প্ৰদূষণ সৃষ্টিৰ কথা পেৰিছ জলবায়ু প্ৰদূষণ চুক্তিত স্পষ্টভাৱে উল্লেখ কৰা হৈছে। পৃথিৱীৰ গড় তাপমাত্ৰা অস্বাভাৱিকভাৱে বৃদ্ধি পাইছে। চলিত শতিকাত পৃথিৱীৰ গড় তাপমাত্ৰা যাতে ২° চেলছিয়াছতকৈ বেছি নহয় তাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। চুক্তি অনুসৰি তাপমাত্ৰা ১.৫° চেলছিয়াছৰ ভিতৰতে সীমাবদ্ধ ৰাখিবলৈ পদক্ষেপ গ্ৰহণ কৰা হৈছিল। আমেৰিকাই নিজৰ গ্ৰীনহাউছ গেছ নিৰ্গমন ২০১৫ৰ ভিতৰত ২৬-২৮ শতাংশ হ্ৰাস কৰিব লাগিব। উন্নত দেশসমূহত বৃহৎ উদ্যোগ স্থাপনৰ পাছত ইয়াৰ প্ৰভাৱ অনুন্নত আৰু উন্নয়নশীল দেশত পৰিবলৈ ধৰিছে। আনকি বহুতো উন্নয়নশীল দেশৰ লগতে ভাৰত আৰু চীনৰ লগতে দৰিদ্ৰ দেশত হোৱা ক্ষতিৰ পৰা ৰক্ষা কৰিবলৈ হ'লে আমেৰিকাৰ লগতে উন্নত দেশসমূহে বছৰি ১০,০০০ কোটি ডলাৰ ব্যয় কৰিব লাগিব অৰ্থাৎ সাহায্য প্ৰদান কৰিব লাগিব। ভৱিষ্যতে এই সাহায্যৰ পৰিমাণ আৰু অধিক বৃদ্ধি কৰিব লাগিব। কেণা লাগিল তাতে, ট্ৰাম্পৰ মতে আমেৰিকাই এনেদৰে সাহায্য প্ৰদান কৰি থাকিলে ভৱিষ্যতে সমস্যাৰ সন্মুখীন হ'ব লাগিব।

# সন্তানে সিদ্ধান্ত লওক ঃ কোন শাখাত পঢ়িব ?

দীৰ্ঘদিনীয়া প্ৰতীক্ষাৰ অন্তত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষিত হ'ল। গ্ৰেচ নম্বৰৰ বিতৰ্কই ইমানদিন ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভৱাকক চিন্তান্বিত কৰি ৰখাৰ মাজতেই ঘোষিত হ'ল ফলাফল। কোনোৱে বিশেষ স্থান, কোনোবাই প্ৰথম, দ্বিতীয় অথবা তৃতীয় স্থান লাভ কৰিলে। বাকীসকল অকৃতকাৰ্য। অৰ্থাৎ ব'ৰ্ডে কৃপা কৰাৰ পাছতো ডেওনা পাৰ হ'ব নোৱাৰিলে। ভাৰতীয় শিক্ষা-ব্যৱস্থাত বেছি নম্বৰ লাভ কৰাসকলক মেধাৱী ছাত্ৰ-ছাত্ৰী হিচাপে গণ্য কৰা হয়। এই দৃষ্টিকোণৰপৰা বিশ্লেষণ কৰিলে দেখা যায় যে অনুত্তীৰ্ণ অথবা তৃতীয় বিভাগত উত্তীৰ্ণসকলক মেধাৱীৰ তালিকতা অন্তৰ্ভুক্ত কৰা নহয়। ব্যৱহাৰিক ক্ষেত্ৰত পিছে এই সূত্ৰ প্ৰয়োগ কৰিব নোৱাৰি। সি যি নহওক ফলাফল ঘোষণাৰ পাছত এতিয়া উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকসকলৰ মাজত নামভৰ্তি আৰু শাখা নিৰ্বাচনক লৈ ব্যাপক চৰ্চা আৰম্ভ হৈছে। বিজ্ঞান, কলা নে বাণিজ্য শাখাত পঢ়াব তাক লৈ গুণাগঁথা।

আমাৰ প্ৰায়ভাগ লোকৰে মনত এটি ভ্ৰান্ত ধাৰণা আছে যে বেছি নম্বৰ পালেই বিজ্ঞান শাখাত নামভৰ্তি কৰিব লাগে। কিন্তু সেই সময়ত পিতৃ-মাতৃ অথবা অভিভাৱকে এবাৰো ভাবি নাচাই বেছি নম্বৰ পালেও সন্তানৰ বিজ্ঞান শাখাৰ বিষয়সমূহত ৰাপ আছে নে নাই। ভৱিষ্যতে বিজ্ঞানৰ বিষয়সমূহ চন্তালিব পাৰিবনে? দ্বিতীয়তে, বহুতো পিতৃ-মাতৃ তথা অভিভাৱকে আকৌ ওচৰ-চুবুৰীয়াৰ ল'ৰা-ছোৱালীয়ে বিজ্ঞান শাখাত নামভৰ্তি কৰাইছে, গতিকে যিকোনো প্ৰকাৰেই তেওঁৰ সন্তানকো পঢ়িবলৈ উৎসাহিত কৰে। অৱশ্যে এইখিনিতে এটা কথা স্পষ্ট কৰি দিব খুজিছো যে আমি বিজ্ঞান শাখাত নামভৰ্তি কৰা অথবা প্ৰেৰণা যোগোৱাৰ বিৰুদ্ধাচৰণ কৰা নাই। সকলোৰে নিজা সিদ্ধান্ত ল'ব পৰা স্বাধীনতা আছে। কথা হ'ল এই স্বাধীনতাই যাতে সন্তানৰ ভৱিষ্যতৰ উন্নতিত প্ৰধান অন্তৰায় হ'ব নোৱাৰে সেই ক্ষেত্ৰতহে গুৰুত্ব প্ৰদান কৰা উচিত। খৰতকীয়াকৈ সিদ্ধান্ত গ্ৰহণৰ পৰিৱৰ্তে সুস্থভাৱে সন্তানৰ ইচ্ছা, পাৰদৰ্শিতা তথা ৰাপৰ ওপৰত ভিত্তি কৰিব লাগে। কেতিয়াবা দেখা যায় যে সন্তানৰ ইচ্ছা নথকা সত্বেও পিতৃ-মাতৃয়ে নিজৰ উদ্দেশ্য তথা আন কাৰোবাৰ সমকক্ষ হ'বলৈ এনেধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে। ফলত সাময়িকভাৱে নিজকে সফল হোৱা যেন লাগিলেও প্ৰকৃতাৰ্থত পৰোক্ষভাৱে পৰাজয়হে হয়। ভৱিষ্যতে সন্তানে তেনে বোজা বহন কৰিব নোৱাৰি আত্মহত্যাৰ দৰে পথো বাছি ল'বলগীয়া হয়। তদুপৰি পৰৱৰ্তী সময়ত আশানুৰূপ ফলাফল লাভ কৰিব নোৱাৰিলে মানসিকভাৱে দুৰ্বল হৈ পৰে। এসময়ত মানসিক অৱসাদে ভয়াৱহ ৰূপ ধাৰণ কৰিলে চৰম সিদ্ধান্ত গ্ৰহণৰ প্ৰৱণতাই গা কৰি উঠে। এনে ধৰণৰ ঘটনা সংঘটিত হোৱাৰ বিষয়ে প্ৰায়ে সংবাদ মাধ্যমত পঢ়িবলৈ অথবা প্ৰত্যক্ষ কৰিবলৈ পোৱা যায়। পিতৃ-মাতৃ অথবা অভিভাৱকৰ স্বাৰ্থ সিদ্ধিৰ বাবে দিয়া বোজা বা অতিৰিক্ত চাপে সন্তানৰ ভৱিষ্যৎ গঢ়াৰ পৰিৱৰ্তে ধ্বংসহে কৰাৰ আশংকা থাকে। সেইবাবে সিদ্ধান্ত গ্ৰহণত খৰতকীয়া কৰিব নালাগে।

কি পঢ়িব, কি কৰিব সেই সিদ্ধান্ত সন্তানক ল'বলৈ দিয়ক। মাথোঁ পিতৃ-মাতৃয়ে এনে সিদ্ধান্তক গতি দিয়াতহে সহায় কৰিব লাগে। লক্ষ্য কৰিব লাগে সন্তানে আনৰদ্বাৰা প্ৰৰোচিত হৈ সিদ্ধান্ত গ্ৰহণ কৰিছে নে নিজ ইচ্ছামতে কৰিছে? সন্তানৰ ইচ্ছা, পিতৃ-মাতৃৰ সহযোগ আৰু পৰিয়ালৰ আন সদস্যৰ

অনুপ্ৰেৰণা তথা সহযোগিতাই এজন ছাত্ৰ বা এগৰাকী ছাত্ৰীয়ে সাফল্য অৰ্জনত বিশেষ ভূমিকা গ্ৰহণ কৰে।

কোনখন কলেজত পঢ়িব, ক'ত পঢ়িব সেই ক্ষেত্ৰতো অভিভাৱকে নজৰ দিব লাগে। নামী মহাবিদ্যালয়ত পঢ়িলেই যে পৰৱৰ্তী সময়ত ভাল ফলাফল দেখুৱাব পাৰিব তেনে নহয়। সুস্থ পৰিৱেশ আৰু নিয়মানুৱৰ্তিতা ৰক্ষা কৰা মহাবিদ্যালয়তহে নামভৰ্তি কৰাওক। কাৰণ আজি-কালি সুস্থ পৰিৱেশ থকা মহাবিদ্যালয় এখন পাবলৈ টান হৈছে। আপোনাৰ সন্তানক চহৰত নে গাঁৱৰ মহাবিদ্যালয়ত পঢ়াব সেইটো ডাঙৰ কথা নহয়। গুৰুত্বপূৰ্ণ কথাটো হ'ল নামভৰ্তি কৰাব খোজা মহাবিদ্যালয়খনত সকলো সা-সুবিধা আছে নে নাই। মহাবিদ্যালয়ৰ নাম নহয়, গুণাগুণৰ ওপৰতে গুৰুত্ব দিয়ক।

সন্তানক কেৱল ডাক্তৰ, ইঞ্জিনীয়াৰহে কৰিবলৈ মন নকৰিব। এগৰাকী ভাল নাগৰিক হোৱাৰ লগতে প্ৰশাসনিক কাৰ্য সুচাৰুৰূপে পৰিচালনা কৰিব পৰাকৈ শিক্ষিত কৰি তোলক। কাৰণ ভাল প্ৰশাসন যন্ত্ৰইহে দেশ এখনৰ উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ডাক্তৰ, ইঞ্জিনীয়াৰতকৈ এগৰাকী চিত্ৰকৰ, পৰিৱেশবিদ, অধ্যাপক, শিক্ষকৰ মৰ্যাদাও কোনোগুণেই কম নহয়। সমাজত তেওঁলোকৰো বিশেষ সুনাম আছে। সেইবাবে কলা, বিজ্ঞান আৰু বাণিজ্য শাখাৰ যিকোনো বিষয়ত অধ্যয়নৰ বাবে সন্তানক মুকলি মনেৰে সিদ্ধান্ত গ্ৰহণ কৰিবলৈ দিয়ক। তদুপৰি আজিকালি বহুতো আনুষংগিক বিষয় সংযোজিত হৈছে। এই নতুন বিষয়সমূহত অধ্যয়ন কৰিলেও কেৰিয়াৰ গঢ়াত সহায়ক হ'ব। সেইবাবে পিতৃ-মাতৃৰ লগতে অভিভাৱকে সন্তানৰ স'তে সুস্থভাৱে আলোচনা কৰি আনৰদ্বাৰা প্ৰৰোচিত নহৈ অথবা ব্যক্তিগত স্বাৰ্থ পূৰণৰ কথাক অগ্ৰাধিকাৰ দিহে নামভৰ্তিত গুৰুত্ব প্ৰদান কৰক।

# দেশ আৰু ৰাজ্যত একেলগে অনুষ্ঠিত হওক নিৰ্বাচন

ভাৰত এখন সাৰ্বভৌম ৰাষ্ট্ৰ। এই বিশাল দেশখনৰ সম্পত্তিসমূহৰ ওপৰত প্ৰতিগৰাকী নাগৰিকৰে অধিকাৰ আছে। প্ৰতিখন ৰাজ্যই এই সম্পদ ব্যৱহাৰত বাধা নাই। বহিঃৰাষ্ট্ৰৰ দৃষ্টিত ভাৰতৰ ৰাজ্যসমূহ একত্ৰিত। ভাৰতৰ অখণ্ডতা ৰক্ষাৰ ক্ষেত্ৰত ৰাজ্যসমূহ একত্ৰিত হৈ থকাটোও জৰুৰী বিষয়। সেয়েহে সকলোৰে এক ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে চেষ্টা অব্যাহত ৰাখিছে। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও এতিয়া এক ৰাষ্ট্ৰ, এক নিৰ্মাণত গুৰুত্ব প্ৰদান কৰিছে।

ভাৰতীয় সংসদীয় ব্যৱস্থাৰ অন্যতম হ'ল নিৰ্বাচন। প্ৰতি পাঁচ বছৰৰ মূৰত অনুষ্ঠিত হয় লোকসভা, বিধানসভাৰ নিৰ্বাচন। দেশত নিৰ্বাচন অনুষ্ঠিত হোৱা মানেই এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি। নিৰ্বাচনত প্ৰতিটো ৰাজনৈতিক দল, নিৰ্দলীয় প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰি বিজয়ী হ'বলৈ চেষ্টা চলায়। ইয়াৰ বাবে ধন-বল সকলো প্ৰয়োগ কৰে। আনকি বিভিন্ন উপায়েৰে ভোটাৰ ৰাইজক আকৃষ্ট কৰিবলৈও চেষ্টা চলায়। সকলোৰে লক্ষ্য বিজয়। এই বিজয়ৰ বাবে প্ৰতিটো দল, প্ৰতিজন প্ৰাৰ্থীয়ে নিৰ্বাচনী প্ৰচাৰৰ নামত কোটি কোটি টকা ব্যয় কৰে। প্ৰাৰ্থীসকলক সুৰক্ষা প্ৰদান, শান্তি-শৃংখলা অটুট ৰখাৰ লগতে

নিৰ্বাচনী প্ৰক্ৰিয়া সু-শৃংখলিতভাৱে পৰিচালনা কৰিবলৈ বৃহৎ পৰিমাণৰ নিৰাপত্তাৰক্ষী ব্যৱহাৰ কৰা হয়। তদুপৰি নিৰ্বাচনী কাৰ্য বিশেষকৈ ই ভি এম, এই কাৰ্যত ব্যৱহৃত কৰ্মী-বিষয়াসকলৰ লগতে খোৱা-বোৱা, যাতায়াতৰ বাবে কে'বা লাখ কোটি টকা ব্যয় হয়। এই সমগ্ৰ প্ৰক্ৰিয়া পৰিচালনা কৰে নিৰ্বাচন আয়োগে। সেইবাবে নিৰ্বাচন অনুষ্ঠিত কৰা আৰু পৰিচালনা কৰাত নিৰ্বাচন আয়োগৰ ভূমিকা গুৰুত্বপূৰ্ণ। এই আয়োগৰ ক্ষমতাও অপৰিসীম। কিছু বছৰ আগলৈকে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা দল আৰু প্ৰাৰ্থীৰ ব্যয়ৰ ক্ষেত্ৰত কোনো নিৰ্দিষ্ট সীমা নাছিল। অৱশ্যে এতিয়া নিৰ্বাচন আয়োগ কঠোৰ হোৱাত ধন ব্যৱহাৰৰ ক্ষেত্ৰত দল, ব্যক্তিক সৰ্বোচ্চ সীমা বান্ধি দিছে। সকলোৱে ব্যয়ৰ হিচাপ আয়োগৰ ওচৰত দাখিল কৰিব লাগিব।

স্বাধীনতা লাভৰ পাছত বিভিন্ন ৰাজ্যত একেলগে নিৰ্বাচন অনুষ্ঠিত হৈছিল। লোকসভা-বিধানসভা নিৰ্বাচন একেলগে অনুষ্ঠিত হৈছিল। পাছত বিভিন্ন কাৰণত ৰাজ্যসমূহত একেলগে নিৰ্বাচন অনুষ্ঠিত কৰা হোৱা নাই। জৰুৰীকালীন অৱস্থাৰ বাবে কিছুমান ৰাজ্যত পাঁচ বছৰ পূৰ্ণ নৌহওঁতেই চৰকাৰ ভংগ কৰি ৰাষ্ট্ৰপতি শাসন প্ৰয়োগ কৰা হয়। এনেবোৰ কাৰণতে লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন একেলগে অনুষ্ঠিত নহয়।

এতিয়া পাঁচ বছৰৰ ভিতৰত কে'বাখনো ৰাজ্যত নিৰ্বাচন অনুষ্ঠিত হোৱা বাবে সমস্যা সৃষ্টি নোহোৱাকৈ থকা নাই। লাভ-লোকচান সকলোৰে সমানেই হৈছে। এখন ৰাজ্যত এবাৰ বিধানসভা আৰু আন এবাৰ লোকসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰাত অৰ্থৰো প্ৰচুৰ পৰিমাণে ব্যয় হয়। কিন্তু ইয়াকে নকৰি যদি লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন একেলগে অনুষ্ঠিত কৰে তেতিয়াহ'লে অৰ্থ-সময় সকলোৰে ব্যৱহাৰ যথেষ্ট পৰিমাণে হ্ৰাস পাব। যিখন দেশত লাখ লাখ লোকে অনাহাৰ-অৰ্ধাহাৰে দিন নিয়াবলগীয়া হৈছে সেইখন দেশত নিৰ্বাচন অনুষ্ঠিত কৰাৰ নামতে কোটি কোটি টকা ব্যয় কৰাৰ কিবা যুক্তি থাকিব পাৰে বুলি মনে নধৰে। পৃথকে পৃথকে নিৰ্বাচন অনুষ্ঠিত কৰিলে নিশ্চয় অৰ্থৰ ব্যয়ো হ'ব অধিক। একেলগে কৰিলে নিৰ্বাচনী ব্যয় যথেষ্ট হ্ৰাস পালেহেঁতেন। কোটি কোটি টকা ৰাহি হোৱা মানে দেশ নিৰ্মাণত ব্যৱহাৰ কৰিব পাৰিলেহেঁতেন।

ভাৰতৰ নিৰাপত্তাৰক্ষী বাহিনী বিশ্বৰ ভিতৰত অন্যতম শক্তিশালী হিচাপে পৰিচিত। হেজাৰ হেজাৰ ফুট উচ্চতাৰ পাহাৰত বৰফৰ মাজতো অতন্দ্ৰ প্ৰহৰী হৈ থকা নিৰাপত্তাৰক্ষীৰ সংখ্যাও কম নহ'ব। গতিকে সমগ্ৰ দেশতে যেতিয়া বেলেগ বেলেগ সময়ত নিৰ্বাচন অনুষ্ঠিত কৰা হয় তেতিয়া এমাহমান আগৰেপৰাই নিৰাপত্তাৰক্ষী নিয়োগ কৰা হয়। কেতিয়াবা নিৰ্বাচন অনুষ্ঠিত হোৱাৰ এমাহ পাছলৈকে ষ্ট্ৰংৰূমত পহৰা দি থাকিবলগীয়া হয়। গতিকে হেজাৰ হেজাৰ নিৰাপত্তাৰক্ষীয়ে যদি প্ৰতিখন ৰাজ্যতে এনেদৰে পহৰা দিবলগীয়া হয় তেতিয়াহ'লে এইসকলৰ নামত যিমান ব্যয় হ'ব তাৰ হিচাবৰ অন্ত নাই। তদুপৰি এইসকল নিৰাপত্তাৰক্ষীয়ে আন ক্ষেত্ৰতো নিয়োজিত হৈ থাকিব পাৰে। নিৰ্বাচনৰ নামত যিসকল নিৰাপত্তাৰক্ষী নিয়োজিত হ'বলগীয়া হয় সেই সময়ৰে তেওঁলোকে ছমাহ দেশৰ সীমান্তত পহৰা দিব পাৰে।

যদিহে সমগ্ৰ দেশতে একেলগে লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হয় তেতিয়াহ'লে নিৰাপত্তাৰক্ষীসকলক এমাহ বা দুমাহৰ বাবেহে এই কাৰ্যত নিয়োগ কৰা হ'ব। তেতিয়া বাকী সময়ছোৱা আন কামত নিয়োগ কৰিলে দেশৰ বহুতো সমস্যাৰ সমাধান হ'ব। তদুপৰি একেলগে নিৰ্বাচন অনুষ্ঠিত কৰিলে অৰ্থ ব্যয়ৰ পৰিমাণো যথেষ্ট পৰিমাণে হ্ৰাস পাব।

প্ৰতিটো নিৰ্বাচনৰ আগে আগে ভোটাৰ তালিকা প্ৰকাশ কৰিবলগীয়া হয়। ইয়াৰ বাবে ব্যয়ো হয় অধিক। যদি এখন তালিকাৰে নিৰ্বাচন অনুষ্ঠিত কৰা হয় তেতিয়াহ'লে অৰ্থ ব্যয়ো কম হ'ব। তদুপৰি কামটোও অধিক সুচল হ'ব। একেলগে নিৰ্বাচন অনুষ্ঠিত হ'লে এখন ৰাজ্যৰ ফলাফলে আন ৰাজ্যতো প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা নাথাকে। সেইবাবে দেশখনত একেলগে নিৰ্বাচন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত সকলোৱে সহমত পোষণ কৰা উচিত। দেশৰ উন্নয়নতো ই হ'ব সহায়ক।

# কিয় বৃদ্ধি পাইছে হাতী-মানুহৰ সংঘাত?

অসমৰ বিভিন্ন প্ৰান্তত এতিয়া হাতী-মানুহৰ সংঘাতে জটিল ৰূপ ধাৰণ কৰিছে। নিতৌ হাতীৰ আক্ৰমণত কোনোবা নহয় কোনোবা লোকে প্ৰাণ হেৰুৱাইছে। ক'ৰবাত যদি ঘৰ ভাঙিছে, আন ক'ৰবাত আকৌ লহপহীয়া খেতিডৰাৰ বিস্তৰ ক্ষতিসাধন কৰিছে। পকা ধাননি পথাৰডৰা তহিলং কৰাৰ পাছত খেতিয়কে মূৰে-কপালে হাত দিবলগীয়া হৈছে। হাতীয়ে বিধ্বস্ত কৰা ভগা পঁজাটো পুনৰ নিৰ্মাণৰ বাবে সংগ্ৰাম কৰিবলগীয়া হৈছে। হাতীৰ উপদ্ৰৱ অব্যাহত থকা অঞ্চলৰ লোকসকলে প্ৰতিটো মুহূৰ্ততে সংশয়ৰ মাজেদি সময় অতিবাহিত কৰিবলগীয়া হৈছে। খেতিপথাৰত কপালৰ ঘাম মাটিত পেলাই শস্য উৎপাদন কৰিলেও ভঁৰালত সোমাব নোৱাৰা অৱস্থাৰ সৃষ্টি হৈছে একমাত্ৰ বন্যহস্তীৰ বাবে। বানপানীৰ সমানেই বন্যহস্তীয়েও ভাঙি চূৰমাৰ কৰিছে কৃষকৰ সপোন। আনকি ভঁৰালত ৰখা ধানো হাতীৰ বাবে হেৰুৱাবলগীয়া পৰিস্থিতি সৃষ্টি হৈছে। ইয়াৰ বিপৰীতে বহুতো বন্যহস্তীৰো মৃত্যু ঘটিছে। হাতীৰ আক্ৰমণৰপৰা ৰক্ষা পাবলৈ ঘৰৰ বা খেতিপথাৰৰ চাৰিওফালে বিদ্যুৎ পৰিবাহী তাঁৰ সংযোগ কৰি থোৱাৰ ফলত বহুতো হাতীয়ে মৃত্যুক সাবটি ল'বলগীয়া হৈছে। তদুপৰি কিছুমানে জংঘলৰ ঘাঁহনিত বিহ দি থোৱাৰ ফলতো হাতী মৃত্যু হোৱাৰ বাতৰি পঢ়িবলৈ পোৱা যায়। হাতীৰ দেহ কাটি অংগ-প্ৰত্যংগ

চুৰি কৰি নিয়া লোকৰো অভাৱ নাই। মানুহৰ নৃশংসতা দেখি প্ৰকৃতিয়েও চকুলো টোকাৰ উদাহৰণ আছে। সাধাৰণতে মানুহে হাতীৰ আক্ৰমণৰ বিষয়ে ব্যাখ্যা বা প্ৰচাৰ চলালেও মানুহে হাতীৰ ওপৰত চলোৱা বৰ্বৰ আক্ৰমণৰ কথা ভুলতেও উল্লেখ নকৰে।

অসমৰ পাহাৰীয়া জিলাৰ উপৰি নাগালেণ্ড সীমান্ত, অসম-অৰুণাচল, অসম-মেঘালয় সীমান্তৱৰ্তী অঞ্চলসমূহত হাতীৰ উপদ্ৰৱৰ বাবে সাধাৰণ ৰাইজে বিনিদ্ৰ ৰজনী কটাবলগীয়া হৈছে। যোৰহাট, গোলাঘাট, নগাঁও, কাৰ্বি আংলং, চিৰাং, বঙাইগাঁও, বাক্সা, লখিমপুৰ, শোণিতপুৰ, দৰং আদি জিলাত সাধাৰণতে হাতীৰ উপদ্ৰৱ বেছি। দৰঙৰ ভাৰত-ভূটান সীমান্তৰ লগতে যোৰহাটৰ মৰিয়নি, কাৰ্বিং আংলং আৰু নগাঁও জিলাৰ সীমামূৰীয়া স্থান, বাক্সাৰ ভাৰত-ভূটান সীমান্তত নিতৌ বৃদ্ধি পাবলৈ ধৰিছে বনৰীয়া হাতীৰ আক্ৰমণ।

হাতী-মানুহৰ সংঘাত আঁতৰাবলৈ বন বিভাগে উপযুক্ত ব্যৱস্থা গ্ৰহণ নকৰা বুলি সততে ভুক্তভোগী ৰাইজে অভিযোগ উত্থাপন কৰি আহিছে। হাতী ওলোৱা বুলি ৰাইজে বন বিভাগক খবৰ দিলেও সময়মতে বনকৰ্মী-বিষয়া ঘটনাস্থলীত উপস্থিত নহয় বুলি উত্থাপিত অভিযোগ দীৰ্ঘদিনীয়া। কেতিয়াবা বনকৰ্মী ঘটনাস্থলীত পলমকৈ উপস্থিত হোৱাক লৈও উত্তপ্ত পৰিস্থিতি সৃষ্টি নোহোৱাও নহয়। আনকি উত্তপ্ত পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে শূন্যলৈ গুলীবৰ্ষণ কৰিবলগীয়াও হৈছে। কেতিয়াবা আকৌ চোৰাং চিকাৰীৰ আক্ৰমণত বনকৰ্মীৰ মৃত্যুও হৈছে। আক্ৰমণত চিৰদিনৰ বাবে ঘুণীয়াও হৈছে। দৰাচলতে এনেধৰণৰ পৰিস্থিতিৰ কিয় সৃষ্টি হৈছে সেয়া ভাবি চোৱাৰ সময় আহি পৰিছে। কাৰণ যদিহে এনে ধৰণৰ ঘটনা ভৱিষ্যতে সংঘটিত হৈয়েই থাকে তেনেহ'লে ইয়াক নিয়ন্ত্ৰণ কৰিব পৰা নহ'ব।

বিগত পাঁচ বছৰত হাতীৰ আক্ৰমণত কমেও শতাধিক লোকে প্ৰাণ হেৰুৱাইছে। ইয়াৰ বিপৰীতে বন্যহস্তীৰ মৃতদেহো উদ্ধাৰ হৈছে শতাধিক। বিদ্যুৎস্পৃষ্ট হোৱাৰ উপৰি চোৰাং চিকাৰীৰ গুলী অথবা আন কাৰণতো মৃত্যুৰ মুখত পৰিছে। অতিসম্প্ৰতি হাতীয়ে সা-সম্পত্তি আৰু মানুহৰ প্ৰাণ লোৱাৰ বাতৰিক লৈ ৰাইজৰ লগতে সংবাদ মাধ্যমত প্ৰকাশ পোৱাৰ উপৰি বিশেষ চৰ্চা হৈছে। দুৰ্ভাগ্যজনকভাৱে এনে চৰ্চা চলাৰ মাজত কিন্তু মানুহৰ

নির্মম আক্ৰমণত হাতীৰ মৃত্যু হোৱা বিষয়টোৱে আলোচনাত বিশেষ স্থান লাভ কৰা নাই। হাতী-মানুহৰ সংঘাত বুলিলে সাধাৰণতে হাতীৰ ওপৰতে দোষখিনি জাপি দিয়া হয়। এবাৰলৈও ভাবি চোৱা নহয় এই কথাবোৰ। মানুহৰ স্বাৰ্থত আঘাত হ'লেই হিংস্ৰ জীৱ-জন্তুৰ বিৰুদ্ধেও প্ৰত্যাঘাত কৰিবলৈ সুযোগ বিচাৰি থাকে।

হাতী-মানুহৰ সংঘাতৰ বাবে কোন দায়ী সেয়া ভাবি চোৱাৰ সময় সমাগত। যিমানেই বনাঞ্চল ধ্বংস হ'বলৈ ধৰিছে, বেদখলৰ বাবেই হওক বা আন কাৰণতে হওক সেয়া সমাধান কৰিবই লাগিব। কিছুবছৰ আগলৈকে হাতীৰ কৰিড'ৰ হিচাপে চিহ্নিত বনাঞ্চলৰ কিছুমান বিশেষ অঞ্চলত বেদখল বা উদ্যোগ স্থাপন অথবা চোৰাং কাঠ বেপাৰীয়ে ধ্বংসযজ্ঞ চলোৱাৰ ফলত বন্যহস্তীৰ বিচৰণভূমিৰ অভাৱ ঘটিল। সমান্তৰালভাৱে খাদ্য সামগ্ৰীৰো অভাৱ হ'বলৈ ধৰিলে। ফলত বন্যহস্তীয়ে বনাঞ্চল এৰি জনাঞ্চললৈ ঢাপলি মেলিলে। বিভিন্ন অঞ্চলত, বিশেষকৈ বনাঞ্চলৰ সমীপত থকা অঞ্চলসমূহত হাতীৰ ইমানেই উপদ্ৰৱ বৃদ্ধি পাইছে যে ইয়াৰ ৰাইজে আনকি ধাননিপথাৰৰপৰা পকা ধানখিনিও ভঁৰাললৈ আনিব নোৱাৰা হৈছে। জংঘলত খৰি লুৰিবলৈ যোৱা লোকসকল প্ৰায়ে হাতীৰ স'তে মুখামুখি হয়। কিছুমান হাতীৰ আক্ৰমণত আহত আৰু আন কিছুমান নিহত হোৱাৰ বাতৰি প্ৰায়ে পঢ়িবলৈ পোৱা যায়।

ভুক্তভোগী ৰাইজে প্ৰায়ে বন বিভাগৰ বিৰুদ্ধে ক্ষোভ উজাৰি বন কাৰ্যালয় ঘেৰাও, পথ অৱৰোধ, বনকৰ্মীক আবদ্ধ কৰাৰ লগতে প্ৰহাৰ কৰাৰ ঘটনাও সংঘটিত হৈ আহিছে। ৰাইজে হাতী খেদিবলৈ জুই, টিন বজোৱা আদিৰ বাহিৰে অন্য উপায় নাথাকে। এনে কৰিবলৈ যাওঁতে কেতিয়াবা হাতীৰ জাকে উভতি ধৰি আক্ৰমণ চলায় বা উপদ্ৰৱ কৰে। বনকৰ্মীৰ হাততো নাই অত্যাধুনিক সা-সৰঞ্জাম। পৰ্যাপ্ত বনকৰ্মীৰো অভাৱ। নাই অত্যাধুনিক যান-বাহন। সেইবাবে হাতী-মানুহৰ সংঘাত দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে।

# গণৰাজ্য দিৱসৰ পেৰেড আৰু মাজুলীৰ মুখাশিল্প

২০১৮ বৰ্ষত দিল্লীত গণৰাজ্য দিৱসত আয়োজিত পেৰেডত দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হয় অসমক প্ৰতিনিধিত্ব কৰা মাজুলীৰ শিল্পীদল আৰু প্ৰতীকপটে। সমান্তৰালভাৱে পেৰেডত এইবাৰ স্থান লাভ কৰিলে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তি আৰু অসমৰ বিহুনৃত্যই। নিঃসন্দেহে এয়া অসমবাসীৰ বাবে গৌৰৱৰ কাৰণ। সমগ্ৰ বিশ্বজুৰি টিভি চেনেলসমূহত প্ৰদৰ্শিত গণৰাজ্য দিৱসৰ পেৰেডত প্ৰদৰ্শিত অসমৰ এই সম্পদৰাজিয়ে অসমক বিশ্ববাসীৰ স'তে পৰিচয় কৰাই দিয়াত আৰু এখোপ আগুৱাই নিলে। ইয়াৰ পূৰ্বেও অসমৰপৰা প্ৰতিনিধিত্ব কৰা প্ৰতীকপটে সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছিল যদিও এইবাৰ মাজুলীৰ মুখাশিল্পই দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। মাজুলীৰ চামগুৰি সত্ৰৰ বিখ্যাত মুখাশিল্পী হেমচন্দ্ৰ গোস্বামীৰ নেতৃত্বত ১০ জনীয়া শিল্পীৰ দল এটাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টি মুখাশিল্পৰ জৰিয়তে অসমৰ প্ৰতীকপট সজাই প্ৰদৰ্শন কৰিছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে প্ৰতীকপটৰ সন্মুখত নৰসিংহৰ মুখা থকাৰ লগতে ৰাৱণ, জটায়ু, বালী, সুগ্ৰীৱ আদিৰ মুখা পৰিধান কৰি শিল্পীসকলে কৰা অভিনয় দেখি সকলো বিমুগ্ধ হৈছিল। হেজাৰ হেজাৰ লোকৰ সন্মুখত প্ৰদৰ্শন কৰা এই পেৰেডত প্ৰতীকপটৰ পাৰ্শ্বদিশত আছিল কমলাবাৰী সত্ৰৰ তোৰণৰ আৰ্হি। অসমক প্ৰতিনিধিত্ব কৰা আন শিল্পীসকল আছিল খগেন গোস্বামী, নৰেন গোস্বামী, কৃষ্ণকান্ত বৰা, প্ৰভাত গোস্বামী, অনন্ত কলিতা, দয়াল গোস্বামী, অৰুণ বৰা, দিব্যজ্যোতি গোস্বামী আৰু নাৰায়ণ নেওগ। এইসকল

শিল্পীয়ে আজিও নীৰৱে নদীদ্বীপ মাজুলীত মুখাশিল্পক ধৰি ৰাখি বিশ্বায়নৰ যুগতো যেন প্ৰাণৱন্ত কৰি ৰাখিব পাৰিছে। নিঃসন্দেহে এয়া অসমবাসীৰ বাবে গৌৰৱৰ কাৰণ। দেশৰ ৰাজধানী চহৰত এনেদৰে ৰাজপথত দেশী-বিদেশী পৰ্যটক, গণ্যমান্য ব্যক্তিৰ সন্মুখত অসমৰ মুখাশিল্পই লাভ কৰিলে এক নতুন গতি। হয়তো এই গতিয়ে মুখাশিল্পক আৰু এখোপ আগুৱাই নিবলৈ সক্ষম হ'ব।

আনহাতে, প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয়পটৰ অংশৰূপে ভাৰতৰ বিভিন্ন ৰাজ্যৰ লোক-সংস্কৃতিৰ স'তে একেলগে স্থান পালে বিহুনৃত্যই। ৰাষ্ট্ৰীয় মঞ্চ এখনত একেলগে এনেদৰে বিহুনৃত্য প্ৰদৰ্শন কৰা বিশেষকৈ পেৰেডত একেলগে উলিওৱা এয়াই প্ৰথম। ইয়াৰ পূৰ্বে বিহু দলে প্ৰতীকপটত অংশগ্ৰহণ কৰিছে যদিও এইবাৰৰ দৰে সন্মান লাভ কৰা নাছিল। গণৰাজ্য দিৱসৰ বাবে প্ৰস্তুত কৰা মঞ্চত একেলগে স্থান দিয়া মানে ইয়াৰ গুৰুত্ব পূৰ্বৰ তুলনাত কিছু পৰিমাণে হ'লেও বৃদ্ধি পালে। বিগত সময়ছোৱাত বিহুনৃত্য প্ৰদৰ্শন কৰাৰ পাছতো এইবাৰৰ দৰে গুৰুত্ব পোৱা নাছিল।

সুধাকণ্ঠৰ প্ৰতিমূৰ্তিও আন মহান ব্যক্তিৰ স'তে পেৰেডত প্ৰদৰ্শিত হ'ল। গণশিল্পীগৰাকীক আমি নতুনকৈ পৰিচয় কৰাই দিয়াৰ প্ৰয়োজন নাই। মাথোঁ তেওঁৰ প্ৰতিমূৰ্তি এইবাৰ দেশৰ আন মহান শিল্পীৰ স'তে একেলগে প্ৰদৰ্শন কৰাৰ কথাহে উল্লেখ কৰা হৈছে। ইয়াৰদ্বাৰা এটা কথা স্পষ্ট হৈ পৰিছে যে চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ, বিশেষকৈ অসমৰ লোক-সংস্কৃতিৰ লগতে মহান ব্যক্তিসকলক অধিক গুৰুত্ব প্ৰদান কৰিবলৈ আগবাঢ়ি আহিছে। এতিয়া অসমৰ বাবে দিল্লী আৰু বহু দূৰ নহয়। মহান শিল্পীয়ে যথাযোগ্য স্থান লাভ কৰাটো অসমৰ বাবে গৌৰৱৰো কাৰণ। ভৱিষ্যতে আৰু অধিক প্ৰসাৰিত ৰূপত উপস্থাপন কৰিবলৈ নিশ্চয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠনৰ লগতে ৰাজ্য চৰকাৰেও বিশেষ পদক্ষেপ গ্ৰহণ কৰিব।

প্ৰতিখন দেশৰ স্বাধীনতা দিৱস অথবা ভাৰতৰ গণৰাজ্য দিৱস উদ্‌যাপনৰ এক বিশেষ গুৰুত্ব আছে। আজিকালি এনে দিৱসত বিভিন্ন ধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰা দেখা যায়। দেশৰ অৰ্থনৈতিক অৱস্থাৰপৰা আৰম্ভ কৰি শিক্ষা, সংস্কৃতি আদি সকলো ক্ষেত্ৰৰে এটি আভাস বিশ্ববাসীৰ সন্মুখত দাঙি ধৰিবলৈ চেষ্টা চলোৱা হয়। বিশ্ববাসীৰ দৃষ্টিও ইয়াৰ ওপৰতে নিবদ্ধ থাকে। সেইবাবে এনে দিৱসৰ পেৰেডত অসমৰ মুখাশিল্পই সন্মান লাভ কৰিবলৈ সক্ষম হোৱাটোৱে আকৌ এবাৰ প্ৰমাণ কৰিলে অসমৰ শিল্পীসকল কোনোগুণে পিছপৰা নহয়। মাথোঁ এইসকল শিল্পীক প্ৰয়োজন এখন উপযুক্ত ক্ষেত্ৰৰ।

# বিনিয়োগকাৰী সন্মিলন আৰু কিছু প্ৰাসংগিক চিন্তা

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাৰ্যভাৰ গ্ৰহণৰ পাছত পূৰ্বৰ তুলনাত উত্তৰ-পূৰ্বাঞ্চলে যথেষ্ট গুৰুত্ব লাভ কৰিছে। অৰ্থনৈতিক, ক্ৰীড়া, সাংস্কৃতিক আদি সকলো দিশতে কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলক গুৰুত্ব আৰোপ কৰাটো নিঃসন্দেহে সাতভনীৰ জনগণৰ বাবে এক সুখৰ খবৰ। দুই দশকমান আগলৈকে উত্তৰ-পূবৰ ক'ৰিডৰ অসমক দিল্লীৰপৰা বহু দূৰ বুলি কোৱা হৈছিল। কেন্দ্ৰই অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ আন ৰাজ্যসমূহক মাহীআইৰ দৃষ্টিৰে চাইছিল বুলি কোৱাৰ আঁৰৰো যুক্তি নথকা নহয়। কাৰণ ভাৰতে স্বাধীনতা লাভ কৰাৰ সাত দশক পাছতো দেশৰ আন অঞ্চলৰ তুলনাত পিছপৰি আছে উত্তৰ-পূৰ্বাঞ্চল। এই সকলো অভিযোগ আঁতৰাই বিগত তিনি বছৰত মোদী চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্বাংগীণ উন্নয়নৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰেই অন্যতম অংশ হ'ল বিশ্ব বিনিয়োগকাৰীৰ সন্মিলন।

উত্তৰ-পূৰ্বাঞ্চলত প্ৰচুৰ সম্পদ আছে। প্ৰাকৃতিক সম্পদৰ ভঁৰাল হোৱা সত্ত্বেও অঞ্চলটো পিছপৰি আছে। অনগ্ৰসৰ অঞ্চলটোৰ উন্নয়নৰ বাবে আজিলৈকে কোনো বিনিয়োগকাৰী আগবাঢ়ি অহা নাই। কিয় অহা নাই? বৃহত্তৰ অঞ্চলটোলৈ ইমানদিনে কাৰো সুদৃষ্টি নপৰিল কিয়? কোনোবাই যদি

আগবাঢ়ি আহিবলৈ প্ৰস্তুতি চলোৱা তেতিয়াহ'লে প্ৰথমতে এই অঞ্চলটোত উগ্ৰপন্থীয়ে ধন দাবী কৰাৰ কথা উল্লেখ কৰিয়েই বিনিয়োগত বাধা জন্মায়। এটা কথা ঠিক যে উত্তৰ-পূৰ্বাঞ্চলত উগ্ৰপন্থীয়ে বিভিন্ন উদ্যোগ, ব্যৱসায়ীক মাজে সময়ে ধন দাবী কৰাৰ বিষয়ে বাতৰি পৰিৱেশন হৈ আহিছে। ভাৰতৰ আন ৰাজ্যতো এনে ঘটনা সংঘটিত হৈ আহিছে। ক'ৰবাত যদি উগ্ৰপন্থীৰ সমস্যা, আন এঠাইত আকৌ মাফিয়া, গুণ্ডাৰাজ। ইয়াৰ মাজতে আন অঞ্চলৰ ৰাজ্যসমূহ ঔদ্যোগিক ক্ষেত্ৰত ভালেখিনি আগবাঢ়ি গৈছে। কেৱল পিছপৰি আছে অসমৰ লগতে সাতভনী।

অসমত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'বলগীয়া বিশ্ব বিনিয়োগকাৰী সন্মিলনৰ আয়োজন সম্পৰ্কে বাতৰি প্ৰকাশৰ পাছতে পৰিলক্ষিত হ'ল জনসাধাৰণৰ ইতিবাচক মনোভাব। এনেধৰণৰ সন্মিলন অনুষ্ঠিত হোৱাতো সকলোৱে বিচাৰে। কাৰণ এনেধৰণৰ সন্মিলনে একো একোটা অঞ্চলৰ আৰ্থ-সামাজিক বিকাশৰ ছবিখন সলনি কৰিব পাৰে। সোণালী যুগৰ সূচনা কৰাৰো সম্ভাৱনা নুই কৰিব নোৱাৰি। দৰাচলতে অসমক দক্ষিণ-পূব এছিয়াৰ ব্যৱসায়-বাণিজ্যৰ দুৱাৰমুখৰূপে গঢ়ি তোলাৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰিবলৈ দেশ-বিদেশৰ বিনিয়োগকাৰীক আমন্ত্ৰণ কৰি ইয়াৰ অৰ্থনৈতিক পৰিকাঠামোক নতুন ৰূপ দিয়াৰ লক্ষ্য বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। কোনো এখন দেশ বা ৰাজ্যৰ অৰ্থনৈতিক বিকাশ যথেষ্টখিনি নিৰ্ভৰ কৰে বিনিয়োগৰ ওপৰত। যিমানেই দেশ-বিদেশৰ বিনিয়োগকাৰী আগবাঢ়ি আছে সিমানেই উন্নতিৰ গ্ৰাফডালো ঊৰ্ধ্বমুখী হয়। এবাৰ কেনেবাকৈ এই গ্ৰাফ ঊৰ্ধ্বমুখী হ'লে চৌদিশে উন্নতি হোৱাতো নিশ্চিত। ২০খন আছিয়ান দেশৰ ব্যৱসায়িক প্ৰতিষ্ঠান, উদ্যোগপতি আৰু দেশসমূহৰ মন্ত্ৰীসকলে অংশগ্ৰহণ কৰাটো নিশ্চয়কৈ অসমবাসীৰ বাবে সুখবৰ। জাৰ্মানী, জাপান, চেক গণৰাজ্য, নেপালৰ ৰাষ্ট্ৰদূতেও এই সন্মিলনত অংশগ্ৰহণ কৰি এক নতুন দিগন্তৰ সূচনা কৰাৰ দিশে আগবাঢ়িছে। বিনিয়োগকাৰী সন্মিলনখনত অসমত ঔদ্যোগিক সম্ভাৱনা থকা কৃষি আৰু খাদ্য সংশোধন, জৈৱিক কৃষি পদ্ধতি, বাঁহভিত্তিক উদ্যোগ, হস্ততাঁত আৰু হস্তশিল্প, লজিষ্টিক, নদী পৰিবহণ আৰু বন্দৰ, তথ্য আৰু প্ৰযুক্তি, ফাৰ্মাচিটিকেল আৰু চিকিৎসা সঁজুলি, প্লাষ্টিক আৰু পেট্ৰ'-কেমিকেলছ, শক্তি, পৰ্যটন, আতিথ্য, অসামৰিক বিমান পৰিবহণ, পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক

গেছৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। অসমত প্ৰাকৃতিক সম্পদৰ অভাৱ নাই। অৱশ্যে এতিয়াও এইবোৰৰ উপযুক্ত ব্যৱহাৰ নোহোৱাত ৰাজ্যখনৰ আন্তঃগাঁথনি যিমান শক্তিশালী হ'ব লাগিছিল সিমান হোৱা পৰিলক্ষিত নহ'ল।

প্ৰথমবাৰলৈ অসমৰ বুকুত ৰতন টাটা, মুকেশ আম্বানী, অনিল আম্বানী, দিলীপ চাংভী, আনন্দ বাৰ্মান, ড° সুভাষ চন্দ্ৰ, অমৰ এৰল, সুনীল গোৱেংকা, সঞ্জীৱ পুৰী, হৰ্ষবৰ্ধনৰ দৰে বিখ্যাত ব্যৱসায়ীসকলে একেলগে মিলিত হোৱাৰ সুযোগ লাভ কৰিলে।

এই সন্মিলনৰ পাছত অসমত বিনিয়োগৰ পৰিমাণ নিশ্চয় বৃদ্ধি পাব। দৰাচলতে অসমত এনেধৰণৰ সন্মিলন আদি অনুষ্ঠিত কৰাটো কে'বাবছৰ পূৰ্বেই প্ৰয়োজন আছিল। কিন্তু পূৰ্বৰ চৰকাৰসমূহে এইক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰা নাছিল। সেইবাবে বহুখিনি পিছপৰি থাকিল ৰাজ্যখন। এইখন সন্মিলনৰ পাছত বিনিয়োগকাৰীৰ সংখ্যা বৃদ্ধিৰ সমান্তৰালভাৱে নিবনুৱা সমস্যাৰো সমাধান হ'ব। অসমত অতিসম্প্ৰতি ভয়াৱহভাৱে বৃদ্ধি পাইছে শিক্ষিত নিবনুৱা যুৱক-যুৱতীৰ সংখ্যা। হেজাৰ হেজাৰ যুৱক-যুৱতী কৰ্মসংস্থাপনৰ বাবে বহিঃৰাজ্যলৈ ঢাপলি মেলিবলগীয়া পৰিস্থিতিৰো সৃষ্টি হৈছে। বাংগালুৰু, তামিলনাডু, অন্ধ্ৰপ্ৰদেশ আদি ৰাজ্যলৈ নিতৌ শ শ শিক্ষিত যুৱক-যুৱতীয়ে কামৰ সন্ধানত ঢাপলি মেলাৰ পাছতো নিবনুৱাৰ সংখ্যা অনুপাতে চৰকাৰে কৰ্মসংস্থাপন বৃদ্ধি কৰিব পৰা নাই। এইখন সন্মিলনৰ পাছত ৰাজ্যখনৰ বিভিন্ন ক্ষেত্ৰত বিনিয়োগ বৃদ্ধি হ'লে স্থাপন হ'ব নতুন নতুন উদ্যোগ, কাৰখানা আদি। নতুন উদ্যোগ, কাৰখানা স্থাপন মানেই নতুন কৰ্মসংস্থাপনৰ পথ মুকলি হ'ব। ঔদ্যোগিক উন্নয়নেহে এখন ৰাজ্যৰ বিকাশৰ মূল চালিকা শক্তি। অৱশ্যে চৰকাৰে এনে কৰাৰ সমান্তৰালভাৱে ৰাজ্যখনৰ ৰুগ্ন ঔদ্যোগসমূহৰ উন্নতি আৰু পুনৰুজ্জীৱিতকৰণত সমানেই গুৰুত্ব প্ৰদান কৰা উচিত। এফালে পুৰণা উদ্যোগসমূহ বন্ধ হৈ থাকিলে নতুন ঔদ্যোগ স্থাপনেও উন্নয়নৰ ভাৰসাম্য ৰক্ষা কৰিব নোৱাৰিব।

# লৰ্ড ৰেটছৰ পদত্যাগ আৰু অসমৰ চৰকাৰী কাৰ্যালয়ৰ কৰ্ম-সংস্কৃতি

কিছুদিন পূৰ্বে হাউছ অব্ লৰ্ডছত মাত্ৰ এক মিনিট সময় পলম হওঁতেই লজ্জিত হৈ ক্ষমা বিচাৰি ব্ৰিটিছ লৰ্ড মাইকেল ৰেটছে পদত্যাগ কৰা ঘটনাই বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰিছে। মাত্ৰ ৬০ ছেকেণ্ড সময় পলমকৈ উপস্থিত হোৱা বাবে বিশ্বৰ অন্যতম ঐতিহ্যপূৰ্ণ স্থান হিচাপে বিবেচিত হাউছ অব্ লৰ্ডছত অপেক্ষা কৰিছিল বহুতো গুৰুত্বপূৰ্ণ পদত থকা ব্যক্তিয়ে। ৰেটছৰ এই ঘোষণাই ব্ৰিটিছ সংসদতো তোলপাৰ লগাইছে। কাৰণ তেওঁ ইমান এটা ক্ষমাৰ অযোগ্য কাম কৰা নাছিল, যাৰ বাবে পদত্যাগ কৰিবলগীয়া হ'ল। এয়া হ'ল ব্ৰিটিছসকলৰ দায়িত্ববোধ-স্বাভিমান। এসময়ত ব্ৰিটিছৰ ৰবি মাৰ যোৱা নাছিল। বিশ্বৰ প্ৰায়ভাগ দেশতেই ব্ৰিটিছসকলে আধিপত্য বিস্তাৰ কৰাৰ মূলতে আছিল অনুশাসন, কৰ্তব্যবোধ আৰু সময় সম্পৰ্কে সচেতন। এতিয়াও সেয়া অব্যাহত আছে। ব্ৰিটিছ জাতিটো হ'ল সাহসী, সময় সম্পৰ্কে সদা সচেতন। সেইবাবে এক মিনিট পলম হওঁতেই নিজৰ মনটোৱে পদবীত থাকিবলৈ অনুমতি নিদিলে।

কেৱল ব্ৰিটিছসকলেই নহয়, ইউৰোপৰ প্ৰায়ভাগ দেশৰে নাগৰিকসকল কৰ্তব্য সম্পৰ্কে সচেতন। সেইবাবে প্ৰায়ভাগ দেশেই উন্নত দেশৰ শাৰীত উপনীত হ'বলৈ সক্ষম হৈছে। দেশ এখনৰ নাগৰিকসকলৰ কৰ্তব্যৰ প্ৰতি থকা সতৰ্কতা, আনৰ সময়ক মূল্য দিব পৰা মানসিকতা থাকিলেহে উন্নয়ন সম্ভৱ। তদুপৰি শীৰ্ষ বিষয়া এগৰাকীয়ে যেতিয়া নিয়মানুৱৰ্তিতা তথা সময় সম্পৰ্কে সচেতন হৈ থাকে তেতিয়াহ'লে তলৰ কৰ্মচাৰী, বিষয়াসকলো প্ৰতিটো মুহূৰ্ততে সতৰ্ক থাকিবলগীয়া হয়।

ইয়াৰ সম্পূৰ্ণ বিপৰীত ছবি প্ৰতিফলিত হয় ভাৰতত। ব্যতিক্ৰম নহয় অসমো। অসমৰ জনপ্ৰতিনিধিসকলে এখন সভাত অংশগ্ৰহণ কৰিবলৈ গ'লে কেতিয়াও নিৰ্দিষ্ট সময়ত উপস্থিত নহয়। এইসকল জনপ্ৰতিনিধিৰ বাবে লাখ লাখ লোক অপেক্ষা কৰি থাকিলেও তাৰ্লৈ যেন কোনো ভ্ৰূক্ষেপ নাই। আনকি একোখন গুৰুত্বপূৰ্ণ সভাতো এঘণ্টা-দুঘণ্টাপৰ্যন্ত পলমকৈ উপস্থিত হোৱা দেখা যায়। পলমকৈ উপস্থিত হৈ এনেকুৱা এটা মনোভাব প্ৰদৰ্শন কৰে যেন অতি ব্যস্ততাৰ বাবেহে পলমকৈ উপস্থিত হ'বলগীয়া হৈছে। এজন জনপ্ৰতিনিধিৰ বাবে একলাখ লোকে যদি এঘণ্টা সময়ো অপেক্ষা কৰিবলগীয়া হয় তেতিয়াহ'লে একলাখ ঘণ্টা সময় অপচয় হয়। অৰ্থাৎ এইসকল লোকে যদি একলাখ ঘণ্টা কাম কৰে তেতিয়াহ'লে ৰাজ্যখনৰ বহুখিনি কাম আগুৱাই গ'লহেঁতেন। বাহ্যিক দৃষ্টিভংগীৰপৰা বিশ্লেষণ কৰিলে এখন সভাত উপস্থিত থকা লোকেসকলে এঘণ্টা সময় জনপ্ৰতিনিৰ বাবে অপেক্ষা কৰিবলগীয়া গুৰুত্বপূৰ্ণ নহ'লেও সময়ৰ জোখেৰে বিচাৰ কৰিলে সময়ৰ অপচয়ৰ লগতে দেশ বা ৰাজ্য এখনৰ কামৰ লোকচানৰ ছবিখন ওলাই পৰে। উচ্চপদস্থ বিষয়াৰ ক্ষেত্ৰতো একেই ধৰণৰ ছবি ফুটি উঠে। প্ৰায়ভাগ বিষয়াই কাৰ্যালয়ত পলমকৈ উপস্থিত হয়। তলতীয়া বিষয়া-কৰ্মচাৰীয়ে তেওঁক এই বিষয়ে একো প্ৰশ্নও উত্থাপন কৰিব নোৱাৰে। কৰিলেই বিপদ। যদি কোনোবাই মৰ-সাহস কৰি সোধেও তেতিয়াহ'লে বিষয়াজনে বিভিন্ন যুক্তি আগবঢ়ায়।

প্ৰায়ভাগ কাৰ্যালয়ৰে বিষয়া-কৰ্মীয়ে দুপৰীয়া সময়ত সন্তানক বিদ্যালয়ৰপৰা নিবলৈকে নিৰ্দিষ্ট সময়ত কাৰ্যালয়ৰপৰা ওলাই আহে। যদি কোনো লোকে তেওঁক বিচাৰি কাৰ্যালয়ত উপস্থিত হয় তেতিয়াহ'লে দীৰ্ঘসময় ধৰি বোন্দাপৰ দি থাকিব লাগিব। বিষয়াজন কেতিয়া কাৰ্যালয়লৈ উভতিব

তাৰ ঠিকনা নাই। আন কৰ্মচাৰীৰো ছবিখন একে বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। কিছুমান বিভাগীয় কাৰ্যালয়ত বিষয়া-কৰ্মচাৰী উপস্থিত হয় দুপৰীয়া। আন কিছুমানৰ আকৌ কাৰ্যালয়লৈ আহিয়ে ঘৰলৈকে যোৱাৰ বাছৰ বাবে অপেক্ষা কৰাৰ সময় আহি পৰে। কিছুমান বিভাগৰ এনে কিছু কাৰ্যালয় আছে —য'ত কাৰ্যালয়সমূহ হাবি-জংঘলেৰে আগুৰি আছে। বিষয়া-কৰ্মচাৰী আছে; কিন্তু বহিবলৈ ঠাই নাই। আন কিছুমানত আকৌ বিষয়াই কাৰ্যালয়ত কোনোদিনে উপস্থিত হৈয়েই পোৱা নাই। এইবোৰে ৰাজ্যখনৰ কাম কৰাৰ কিমান সময় অপচয় কৰিছে তাৰ হিচাপ জানো কৰিছোঁ। এজন বিষয়া-কৰ্মচাৰীয়ে যদি দিনটোৰ ভিতৰত কাৰ্যালয়ত তিনি ঘণ্টা পলমকৈ উপস্থিত অথবা সোনকালে ওলাই যাবলগীয়া কাৰণত ব্যয় কৰে তেতিয়াহ'লে কিমান সময় অপচয় হৈছে? মাত্ৰ এক মিনিট পলম হোৱা বাবে ব্ৰিটিছ লৰ্ড ৰেটছে ক্ষমা বিচাৰি পদত্যাগ কৰাৰ ঘটনাটো আমাৰ বিষয়া-কৰ্মচাৰী, জনপ্ৰতিনিধিৰ মনোভাবৰ বিপৰীত ছবি নহয়নে বাৰু? এয়া হ'ল ব্ৰিটিছৰ স্বাভিমান আৰু আমাৰ পলায়নবাদী মানসিকতা।

# সপোনৰ গুৱাহাটীখন এনেদৰেই থাকক

বিগত এপযেক ধৰি গুৱাহাটী মহানগৰীৰ চেহেৰা সলনি হৈ থাকিল। যোৱা পাঁচ দশকত এইখন মহানগৰী যিমান লেতেৰা আছিল সেই সকলোবোৰ বদনাম আঁতৰিল গুৱাহাটীৰ। চৌদিশে মাথোঁ স্বচ্ছতাৰ প্ৰতিচ্ছবি। আনকি কিছুমান ঠাইত ফু মাৰি ভাত খাব পৰা অৱস্থা হ'ল। কেৱল সেয়াই নহয়, যিবোৰ অঞ্চল নিশা হ'লে অন্ধকাৰত ডুব গৈ আছিল সেইবোৰত বিগত এপযেক ধৰি জ্বলিল ৰং-বিৰঙৰ লাইট। বিদ্যুৎ পৰিবাহী তাঁৰ সংযোগী খুঁটাৰপৰা আৰম্ভ কৰি ষ্ট্ৰীট লাইটৰ খুঁটাসমূহত মেৰ খালে সৰু সৰু লাইটৰ মালা। ভঙা ফুটপাথৰ মেনহ'লৰপৰা আৰম্ভ কৰি ভাঙি থকা অংশসমূহৰ মেৰামতি কৰা হ'ল। পথ বিভাজকৰ লগতে পদপথসমূহত ৰং দিয়া হ'ল। গোলচক্ৰসমূহত ফুল ফুলিল। ৰঙীন লাইটৰ পোহৰত সপোনপুৰী নগৰী হৈ পৰিল গুৱাহাটী মহানগৰী।

বিশ্ব বিনিয়োগকাৰী সন্মিলনৰ বাবে এনেদৰে সজাই-পৰাই তোলা মহানগৰীখনৰ ৰূপ দেখি বিদেশৰপৰা অহা বিনিয়োগকাৰীৰ লগতে অসমৰ

ৰাইজ আপ্লুত হৈ পৰিছে। ৰাজ্যবাসীৰ বাবেই গৌৰৱৰো কাৰণ। অন্ততঃ বিশ্ববাসীৰ আগত অসমৰ সামগ্ৰিক ছবিখন কিছু পৰিমাণে হ'লেও উন্নত হ'ল। গুৱাহাটী সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্যৰ দুৱাৰমুখ হ'লেও পৰিষ্কাৰ আৰু উন্নত নহয় বুলি ইমানদিনে বদনাম আছিল। বিশ্ব বিনিয়োগকাৰী সন্মিলনৰ বাবে গুৱাহাটীয়ে যি প্ৰাণ লাভ কৰিলে সেয়া যেন সদায় সজীৱ হৈ থাকে। যদিহে গুৱাহাটীৰ চেহেৰা আজিৰ দৰে হৈ থাকে তেতিয়াহ'লে এবছৰৰ ভিতৰত আৰু অধিক ব্যৱসায়-বাণিজ্যৰ লগতে আন দিশতো আগবাঢ়ি যাব। নিবনুৱা সমস্যা সমাধানৰ পথো মসৃণ হ'ব। কেৱল সেয়াই নহয়, গুৱাহাটীৰ পৰিসৰো বৃদ্ধি পাব।

অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ব্যৱসায়-বাণিজ্যৰ প্ৰাণকেন্দ্ৰ হ'ল গুৱাহাটী মহানগৰী। এসময়ত মহানগৰীখনৰ অৱস্থা যি আছিল আজি তাৰ বিপৰীত ছবি এখন ফুটি উঠিছে। আমি ইমানদিনে মুম্বাই, দিল্লী, বাংগালুৰু, চেন্নাই আদি মেট্ৰ' চহৰৰ কথা কৈ আহিছোঁ। এইবোৰ পৰ্যটকৰ কেন্দ্ৰ হিচাপে চিহ্নিত হৈছে। পিছে এইবোৰ চহৰৰ গলি বা উপপথতো আছে লেতেৰা পৰিৱেশ। মাথোঁ এইবোৰ নেদেখুওৱাকৈ চহৰৰ গুণ-গৰিমা কৰি থকা হৈছে। এইবোৰ চহৰতো নিশা ষ্ট্ৰীট লাইট নজ্বলা উপপথ-গলি আছে। ফুটপাথৰ মেনহ'ল ভঙা থাকে। এইবোৰ যেনেকৈ আমি একাষৰীয়াকৈ ৰাখি কেৱল ভালখিনি প্ৰচাৰ চলাই মহানগৰীকেইখনক বিশ্বৰ উন্নত চহৰসমূহৰ স'তে তুলনা কৰিছোঁ, তেনেদৰে গুৱাহাটীৰ কথাও প্ৰচাৰ কৰিব নোৱাৰোঁনে? আমি সদায় নলা-নৰ্দমা, ভৰলু নদীৰ কদৰ্য ৰূপটোহে বৰ্ণনা কৰিছোঁ। অথচ এই ভৰলু নদীয়েই মহানগৰীখন পৰিষ্কাৰ কৰাত মুখ্য ভূমিকা গ্ৰহণ কৰা নাইনে বাৰু? আকৌ আমি বিগত এপযেকৰ গুৱাহাটীৰ যৌৱনমতী ৰূপটোৰ কথাকে ক'ব খুজিছোঁ। হঠাতে প্ৰাণ পাই উঠা মহানগৰীখনে এই ৰূপ ধৰি ৰখাৰ ক্ষেত্ৰত চৰকাৰৰ লগতে জনসাধাৰণেও আগভাগ ল'ব লাগিব। কেনেদৰে আগুৱাই নিব পাৰি সেই বিষয়ে সকলোৱে পৰামৰ্শ আগবঢ়োৱাৰ লগতে পদক্ষেপো গ্ৰহণ কৰিব লাগিব। যদিহে জনসাধাৰণৰ সহযোগিতা নাথাকে তেতিয়াহ'লে অকল চৰকাৰে কোনো এটা পৰিকল্পনা সঠিকভাৱে ৰূপায়ণ কৰা সম্ভৱ নহয়।

গুৱাহাটী মহানগৰীৰ সমস্যাসমূহৰ অন্যতম হ'ল বিশুদ্ধ খোৱাপানী, ৰাস্তা-ঘাট, প্ৰদূষণ ইত্যাদি। মহানগৰীখনত প্ৰায়ভাগ অঞ্চলতে, বিশেষকৈ

পাহাৰীয়া অঞ্চলৰ ৰাইজৰ বাবে বিশুদ্ধ খোৱাপানীৰ অভাৱ। তদুপৰি সুচল যাতায়াতৰ বাবে উপযুক্ত পথৰ অভাৱ। কিছুমান অঞ্চলত ষ্ট্ৰীট লাইটৰ অভাৱত সন্ধিয়াৰপৰা নিমাওমাও পৰিৱেশ হয়। এইবোৰ পথত গধূলি অপৰাধজনিত ঘটনা বৃদ্ধি পাইছে। কিন্তু বিগত এপষেকত এই সকলোবোৰ সমস্যাৰ সমাধান নহ'লেও বাট-পথৰ অৱস্থা কিছু উন্নত হ'ল। পানী যোগানো প্ৰায় নিয়মীয়া হৈছে, অৱশ্যে পৰ্যাপ্ত নহয়।

ৰাজ্যখনৰ অতিসম্প্ৰতি আইন শৃংখলা সুস্থিৰ বুলিয়ে ক'ব পাৰি। শিশু অপহৰণৰ ঘটনা সংঘটিত হ'লেও আৰক্ষীয়ে ক্ষিপ্ৰতাৰে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। যান-বাহন নিয়ন্ত্ৰণ আৰু শৃংখলাবদ্ধতাৰ ক্ষেত্ৰতো পৰিস্থিতি উন্নত হৈছে। পৰিৱেশৰ ভাৰসাম্য ৰক্ষাৰ বাবে চলোৱা প্ৰচাৰো আংশিকভাৱে হ'লেও সফল হৈছে। বিশেষকৈ স্বচ্ছতাৰ ক্ষেত্ৰত ভালেখিনি আগবাঢ়িছে। গতিকে বিগত এপষেকৰ উন্নতিৰ জখলাত বগোৱা মহানগৰীখন যেন ইয়াতকৈ সদায় এখোজ আগুৱাইহে যাওক।

# ৰাষ্ট্ৰৰ উন্নয়নত ব্যাঘাত জন্মায় নিদ্ৰাহীনতাই

কেইদিনমান পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কৈছিল যে, দেশখনৰ সকলো দায়িত্বৰ বোজা মূৰ পাতি লৈ দিনটোৰ বেছিভাগ সময়েই তেওঁ ব্যস্ত থাকে। দিনটোৰ ভিতৰত কিমান কাৰ্য সম্পাদন কৰিবলগীয়া হয় তাৰ হিচাপ নাই। পুৱাৰেপৰা নিশালৈকে কাম কৰি থাকিলেও প্ৰধানমন্ত্ৰী মোদীয়ে নিশা বিছনাত উঠাৰ মাত্ৰ কেই ছেকেণ্ডমান সময়ৰ ভিতৰতে নিদ্ৰাদেৱীৰ কোলাত ঢলি পৰে। নিৰ্দিষ্ট সময়ত টোপনি যোৱাৰ পাছত সময়মতেই উঠি যোগাসন আৰম্ভ কৰে। দেশৰ সমস্ত ভাৰ মূৰ পাতি ল'লেও শোৱা সময়ত কিন্তু কেতিয়াও ব্যাঘাত নজন্মে। তেওঁ উল্লেখ কৰা মতে, যিখিনি সময় শোৱে সেয়াই পৰ্যাপ্ত। এজন ব্যক্তিয়ে কিমান সময় শুইছে তাতকৈ তেওঁৰ টোপনি ভালদৰে হৈছে নে নাই সেইটোহে গুৰুত্বপূৰ্ণ বিষয় বুলি প্ৰধানমন্ত্ৰী মোদীয়ে ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি কয়। ৬৭ বছৰ বয়সতো প্ৰধানমন্ত্ৰীৰ চেহেৰা এজন দুৰন্ত যুৱকৰ দৰে। খোজ-কাটলৰপৰা আৰম্ভ কৰি চিন্তা-ভাবনালৈকে সকলো ক্ষেত্ৰতে যুৱশক্তিৰ দৰেই ছবি এখন ফুটি উঠে।

টোপনিত ব্যাঘাত জন্মিলে বা নিশা ভালদৰে টোপনি নহ'লে ইয়াৰ প্ৰভাৱ শাৰীৰিক-মানসিক অৱস্থাৰ ওপৰত পৰাটো নিশ্চিত। তাতোকৈ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল— টোপনিত ব্যাঘাত জন্মিলে দৈনন্দিন কাম-কাজত ক্ষতি হয়। এজন ব্যক্তিয়ে শাৰীৰিক-মানসিকভাৱে শক্তিশালী বা সুস্থ হৈ থাকিলেহে দৈনন্দিন কাম-কাজ সুচাৰুৰূপে সম্পাদন কৰিব পাৰে। টোপনি ক্ষতি হ'লে পিছদিনাৰ দৈনন্দিন কাৰ্য সম্পাদনত খেলিমেলি হয়। এজন

ব্যক্তিৰ যদি নিদ্ৰাহীনতাৰ ফলত পাঁচ ঘণ্টা সময় নষ্ট হয় তেতিয়াহ'লে তেওঁৰ ব্যক্তিগতভাৱে বহু লোকচান হয়। কৰিবলগীয়া কামখিনি বহু পিছুৱাই যাব। প্ৰথমতে তেওঁৰ নিজৰ উপাৰ্জনৰ লগতে কেৰিয়াৰতো প্ৰভাৱ পৰিব। লাহে লাহে শাৰীৰিক-মানসিক অৱস্থাও জটিল হৈ পৰিব। এতিয়া যদি দেশৰ লোকচানৰ দৃষ্টিভংগীৰপৰা বিষয়টো বিশ্লেষণ কৰোঁ তেতিয়াহ'লে এটা কথা স্পষ্ট হৈ পৰিব যে প্ৰাকৃতিক দুৰ্যোগৰ বাবে ৰাষ্ট্ৰখনৰ যিমান ক্ষতিসাধন হয়, তাতকৈ কম ক্ষতি নহয় দেশৰ প্ৰায়ভাগ জনগণৰ নিদ্ৰাহীনতাৰ ফলত। যদি দেশখনৰ এক কোটি লোকৰ নিতৌ নিদ্ৰাহীনতাৰ ফলত দৈনন্দিন কাৰ্য সম্পাদনত ব্যাঘাত জন্মে তেন্তে নিতৌ ৰাষ্ট্ৰখনৰ কাম-কাজ পিছুৱাই যোৱাৰ লগতে লোকচানৰ পৰিমাণ কিমান ভয়াৱহ হ'ব পাৰে সেয়া এবাৰ ভাবি চাওকচোন। এনেদৰে এবছৰত কিমান হেজাৰ কোটি টকাৰ লোকচান হ'ব? তদুপৰি দেশখনে উন্নতি কৰাৰ ক্ষেত্ৰতো প্ৰতিবন্ধকতাৰ সৃষ্টি নহ'বনে?

আমি খাবৰ বাবে জীয়াই থাকিব নালাগে, জীয়াই থাকিবৰ বাবেহে খাব লাগে। অৰ্থাৎ এজন ব্যক্তিক নিতৌ প্ৰয়োজন হোৱা কেলৰি বা শক্তিতকৈ কেতিয়াও বেছি খাব নালাগে। কাৰণ অতিৰিক্ত ভোজনে শৰীৰৰ ক্ষতি কৰে। শৰীৰৰ ক্ষতি হ'লে কামেই ভালদৰে সম্পাদন কৰিব নোৱাৰি। বেছি খালে অনবৰতে টোপনিৰ ভাব জাগে। পেট গধুৰ হৈ থাকিলে টোপনিৰ ভাব হয় যদিও শুলে ভাল টোপনি নধৰে। ফলত পৰৱৰ্তী সময়ত টোপনিতহে ব্যাঘাত জন্মে। এজন ব্যক্তিয়ে নিতৌ কিমান খাদ্য খাব লাগে সেয়া নিৰ্ভৰ কৰে বয়স, লিংগ আৰু শাৰীৰিক কাৰ্য সম্পাদনৰ ওপৰত। এজন খেতিয়কক নিতৌ যিমান খাদ্যৰ প্ৰয়োজন হয়, শীত-তাপ নিয়ন্ত্ৰিত কোঠাত বহি থকা এজন লোকৰ সিমান নহ'বও পাৰে। দামী দামী খাদ্য খোৱাৰো প্ৰয়োজন নাই। ঘৰৰ ওচৰতে থকা খাদ্যখিনি ভালদৰে ৰান্ধি খাব জানিলেই এজন লোকে সুস্বাস্থ্যৰ অধিকাৰী হ'ব পাৰে। এইক্ষেত্ৰত প্ৰধানমন্ত্ৰী মোদীয়ে কৰা মন্তব্য এটি উল্লেখ কৰিব খুজিছোঁ— 'মই সাধাৰণতে নিৰামিষ খাদ্য গ্ৰহণ কৰিয়ে ভাল পাওঁ। নিতৌ মই সাধাৰণ খাদ্যহে গ্ৰহণ কৰোঁ। এনে অভ্যাসৰ বাবে মই সক্ৰিয় আৰু স্বাস্থ্যৱান হৈ থাকিব পাৰিছোঁ।' গতিকে আমাৰ যুৱ শক্তিয়েও প্ৰধানমন্ত্ৰীৰ জীৱনশৈলী অনুসৰণ কৰা উচিত। শৃংখলিত জীৱন-যাপনৰ কৌশল প্ৰধানমন্ত্ৰীৰ জীৱনশৈলীৰপৰাই অনুসৰণ কৰা উচিত। শৃংখলাবদ্ধ জীৱন-যাপন কৰা হেতুকে আজি চাহ বিক্ৰী কৰা ব্যক্তি এগৰাকীয়ে প্ৰধানমন্ত্ৰীৰ দৰে সন্মানীয় পদ এটাত অধিষ্ঠিত হ'বলৈ সক্ষম হৈছে।

# ৰাইজ-আৰক্ষীৰ সু-সম্পৰ্কতহে অপৰাধ প্ৰতিৰোধ সম্ভৱ হ'ব

সমাজ এখন সু-শৃংখলাবদ্ধভাৱে পৰিচালিত হ'বলৈ শান্তিৰ প্ৰয়োজন। এই শান্তি প্ৰতিষ্ঠাৰ বাবে প্ৰয়োজন নিৰাপত্তাৰক্ষীৰ। সমাজত বিভিন্ন শ্ৰেণীৰ লোকে বসবাস কৰে। এইসকলৰ মাজতেই বাস কৰে সামজবিৰোধী চক্ৰই। আধুনিকতাৰ নামত বহুতো লোকে সমাজত অশান্তিৰ পৰিৱেশ সৃষ্টি কৰি আহিছে। অপৰাধ আৰু অপৰাধীৰ সংখ্যা অস্বাভাৱিকভাৱে বৃদ্ধি পাবলৈ ধৰিছে। সন্ত্ৰাসবাদী-মৌলবাদীয়েও মূৰ দাঙি উঠিছে। এইবোৰে সমাজত শান্তি বিঘ্নিত কৰিছে। সেইবাবে আধুনিক ব্যৱস্থাত সৃষ্টি কৰা হ'ল আৰক্ষী বিভাগৰ। আৰক্ষীয়ে প্ৰত্যক্ষ-পৰোক্ষভাৱে সমাজখনত শান্তি প্ৰতিষ্ঠাত সহায় কৰে। সমাজখনক শৃংখলিত আৰু অনুশাসনৰ মাজেদি পৰিচালিত কৰাত আৰক্ষীৰ ভূমিকা অপৰিসীম। অৱশ্যে আৰক্ষীয়ে কেৱল আইনৰ গণ্ডীৰ মাজেদি সম্পূৰ্ণৰূপে পৰিচালিত কৰিব নোৱাৰে যদিহে জনসাধাৰণৰপৰা পূৰ্ণ সহযোগ লাভ নকৰে।

আৰক্ষী-ৰাইজৰ মাজত সু-সম্পৰ্ক নথকাৰ অভিযোগ দীৰ্ঘদিনীয়া। আৰক্ষীয়ে নিজৰ কৰ্তব্য সুচাৰুৰূপে পালন নকৰে বুলি ৰাইজে অভিযোগ কৰে। যেতিয়া কোনো এটা অঞ্চলত আৰক্ষীয়ে অপৰাধমূলক কাৰ্য প্ৰতিৰোধ কৰিব নোৱাৰে অথবা কৰাত গাফিলতি কৰে তেতিয়াই সততে এনে অভিযোগ উত্থাপিত হয়। তেনে হোৱাতো স্বাভাৱিক কথা। ৰাইজৰ আশাত চেঁচা পানী পৰিলে ক্ষুব্ধ হ'বই। তদুপৰি কেতিয়াবা পৰিস্থিতি নিয়ন্ত্ৰণত আৰক্ষী ব্যৰ্থ হ'লেও ৰাইজ ক্ষুব্ধ হৈ পৰে।

আইন-শৃংখলা অটুট ৰখাৰ ক্ষেত্ৰত সমাজত আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে আৰক্ষীয়ে। আৰক্ষীৰ বাবে আইন-শৃংখলা তেতিয়াহে অটুট ৰখা সম্ভৱ হয় যেতিয়া ৰাইজে সহায়-সহযোগিতা আগবঢ়ায়। কিছু বছৰ আগলৈকে বহুতেই সমাজত শান্তি প্ৰতিষ্ঠাৰ দায়িত্ব আৰক্ষীৰ ওপৰত ন্যস্ত থাকে বা দায়িত্ব বুলি ভাবি সহযোগিতা আগবঢ়োৱা নাছিল। তেতিয়া সজাগতামূলক পদক্ষেপ আছিল সীমিত। কোনো ধৰণৰ সজাগতা সভা, বাটৰ নাট বা সমদল আদি উলিওৱা হোৱা নাছিল। ক'তো এখন বেনাৰ, পোষ্টাৰ অথবা হ'ৰ্ডিং আদি চকুত পৰা নাছিল। এতিয়া পিছে ধাৰণা সলনি হ'ল। ৰাইজে বুজি পাইছে যে আৰক্ষীয়ে অকলে আইন-শৃংখলা ৰক্ষা কৰিব নোৱাৰে যদিহে জনসাধাৰণৰ সহযোগ নাপায়। দুয়োটাৰ মাজত সু-সম্পৰ্ক থাকিলেহে অপৰাধমূলক কাৰ্য প্ৰতিহত কৰিব পৰা যাব। তদুপৰি অপৰাধীয়েও সমাজত মূৰ দাঙি থিয় দিব নোৱাৰে। সমাজত অতীজৰেপৰা বহুতো সমাজবিৰোধী উপাদানে গা কৰি আহিছে। অতীতত ৰজা-মহাৰজাসকলে অপৰাধীক শাস্তি প্ৰদান কৰিছিল। তেতিয়া আইন কেৱল ৰজা-মহাৰজাৰ হাততে ন্যস্ত আছিল। তেওঁ যি শাস্তি দিছিল সেয়াই সকলোৱে মূৰ পাতি ল'বলগীয়া হৈছিল। সময়ৰ পৰিৱৰ্তনৰ লগে লগে আইন-শৃংখলা ৰক্ষাৰ ধাৰণাৰো সলনি হৈছে। আধুনিক সমাজ-ব্যৱস্থাত আৰক্ষীৰ হাততে ন্যস্ত হ'ল আইন-শৃংখলা ৰক্ষাৰ দায়িত্ব। আৰক্ষীয়ে বহুতো ক্ষমতা লাভ কৰিলে। কেতিয়াবা এনে ক্ষমতাৰ অপব্যৱহাৰ হয়। কিছুমানে ব্যক্তিগত স্বাৰ্থ পূৰণৰ বাবে ক্ষমতাৰ অপব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপিত হৈ আহিছে। তদুপৰি কিছু ক্ষেত্ৰত অপৰাধীক ৰক্ষণাবেক্ষণ দিবলৈও কিছুমান বিষয়াই চেষ্টা নকৰা নহয়। সেইবাবেই আমি আৰক্ষী বিভাগটোৰ সকলোৱে তেনে কৰে বুলি ক'ব নোৱাৰো। উৎকোচ লৈ আৰক্ষীৰ হাততে গ্ৰেপ্তাৰ হয় আৰক্ষীৰ কৰ্মী-বিষয়া। ইয়াৰপৰাই অনুমান কৰিব পাৰি যে কোনোবাই ক্ষমতাৰ অপব্যৱহাৰ কৰিলে তেওঁৰ বিৰুদ্ধে আন দহজন লোকৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপকে গ্ৰহণ কৰিছে বিভাগটোৱে। এই সকলোবোৰ পিছে ৰাইজৰ সহযোগতেই আৰক্ষীয়ে সম্পাদন কৰিবলৈ সক্ষম হৈছে।

সমাজত আৰক্ষী আৰু ৰাইজৰ মাজত গঢ়ি উঠা সম্পৰ্ক আৰু অধিক শক্তিশালী হওক। তেতিয়াহে সমাজত অপৰাধমূলক কাৰ্য প্ৰতিৰোধ হ'ব। আৰক্ষীয়ে ৰাইজৰ মাজত আৰু অধিক সোমাই দুয়োটাৰে মাজত থকা ব্যৱধান হ্ৰাস কৰিব লাগিব। ইয়াৰ বাবে সজাগতামূলক কাৰ্যসূচী আৰু বেছিকৈ ৰূপায়ণ কৰিলেহে সুফল পোৱা যাব।

# নাৰী নিৰ্যাতন ঃ দায়ী কোন?

আঠ মাৰ্চত সমগ্ৰ বিশ্বতে পালন কৰা হয় 'আন্তৰ্জাতিক নাৰী দিৱস'। বিশ্বৰ প্ৰতিটো প্ৰান্তৰ নাৰীসকলে যাতে পুৰুষৰ সমানেই অধিকাৰ লাভ কৰি সকলো ক্ষেত্ৰতেই আগুৱাই যাব পাৰে সেই উদ্দেশ্য আগত ৰাখিয়েই এই দিৱসৰ আয়োজন কৰি অহা হৈছে। শোষণ-নিষ্পেষণৰ যাতে বলি হ'ব নালাগে তাৰ বাবে মহিলাসকলৰ মাজত সজাগতা সৃষ্টিয়েই এই দিৱসৰ লক্ষ্য। এই বিশেষ দিনটোত বিশ্বৰ বিভিন্ন ঠাইত স্থানীয়ভাৱেই হওক অথবা আন্তৰ্জাতিক পৰ্যায়তে হওক আলোচনা, সভা-সমিতি আদি অনুষ্ঠিত কৰা হয়। এই দিৱসক লৈ একাংশ ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠানৰ ব্যস্ততাৰ অন্ত নাই। টিভিত টক শ্ব', বিশাল সভাৰ আয়োজন কৰি উদাত্ত কণ্ঠে ভাষণ দিয়া লোকৰো অভাৱ নাথাকে। অভাৱ মাথোঁ হাড় কঁপোৱা ঠাণ্ডাত স্বল্প বস্ত্ৰৰে থকা একাংশ মহিলাৰ কথা। ক্ষুধা নিবাৰণৰ বাবে যুঁজ দিয়া মহিলাসকলৰ কথা ভাবিবলৈ বা এওঁলোকৰ কথা কোৱা লোকৰো অভাৱ। নাৰীবাদী লেখক-লেখিকাৰ কলমৰ আগেদি নিগৰা শব্দবোৰে ঢুকি নাপায় বঞ্চিতা-লাঞ্ছিতাসকলৰ প্ৰকৃত ছবিখন।

নাৰী দিৱসৰ দিনাও বিশ্বৰ প্ৰতিটো প্ৰান্ততে মহিলাক শাৰীৰিক-মানসিক নিৰ্যাতন চলোৱাৰ ঘটনা সংঘটিত হৈছে। এই দিনটোতে মহিলাৰদ্বাৰাই মহিলাক নিৰ্যাতন চলোৱা হৈছে। যদি আমি নিতৌ সংঘটিত হৈ থকা নাৰী নিৰ্যাতনৰ ঘটনাসমূহ বিশ্লেষণ কৰি চাওঁ তেতিয়াহ'লে এটা কথা প্ৰত্যক্ষ বা পৰোক্ষভাৱে স্পষ্ট হৈ পৰে অধিকাংশ ঘটনাৰ বাবেই দায়ী মহিলা। ক'ৰবাত যদি শাহুৰদ্বাৰা

বোৱাৰীক নিৰ্যাতন চলোৱা হৈছে, আন ক'ৰবাত আকৌ বোৱাৰীয়ে হত্যা কৰিছে শাহু-ননদক। স্বামীগৃহত যৌতুকৰ বাবে চলোৱা অত্যাচাৰকাৰীগৰাকী হয়তো শাহু নতুবা ননদ, পেহী ইত্যাদি। গৃহ কন্দলৰ অশান্তিৰ কাৰণবোৰ যদি বিশ্লেষণ কৰি চাওঁ তেতিয়াহ'লে পুৰুষৰ সমানেই মহিলাও দায়ী হয়।

ভাৰতীয় সংবিধানে পুৰুষ-মহিলা সকলোকে সমান অধিকাৰ দিছে। সকলোৱে লাভ কৰিব পাৰে সাংবিধানিক সুৰক্ষা কৱচ। এই অধিকাৰৰপৰা কোনোৱে বঞ্চিত কৰিব নোৱাৰে। তৎসত্ত্বেও মহিলাসকলে সাংবিধানিক সুৰক্ষা কৱচ উপযুক্তভাৱে পিন্ধিব পৰা নাই। কেৱল প্ৰতিটো ঘটনাৰ বাবে মহিলাই পুৰুষৰ ওপৰত সমস্ত দোষ জাপি দি দায় সাৰিছে। একপক্ষীয়ভাৱে ঘটনাৰ কাৰণ বিশ্লেষণ কৰাৰ ফলত প্ৰকৃত কাৰণ আৰু সমাধানৰ পথ বন্ধ হৈ পৰিছে।

আধুনিক মহিলা ঘৰৰ চাৰিবেৰৰ মাজতে আবদ্ধ থকা নাই। বৰফাবৃত উচ্চ পৰ্বতৰ শিখৰত দেশ ৰক্ষাৰ বাবে মহিলাসকলে যুঁজ দিবলৈ আগবাঢ়িছে। সন্ত্ৰাসবাদী সংগঠন, জেহাদী সংগঠনৰ বাবে যিসকল মহিলাই জীৱনৰ সৰ্বস্ব হেৰুৱাবলগীয়া হৈছে সেইসকলৰ সন্মান ৰক্ষাৰ বাবে কঠোৰৰপৰা কঠোৰতম প্ৰশিক্ষণ লৈ সমুখ-সমৰত যুঁজ দিবলৈ মহিলা ওলাই আহিছে। সমুদ্ৰতলিত মাণিক বিচাৰি যুৱতীয়ে ডুব মাৰিছে। মহাকাশত থকা ষ্টেচনত সৰ্বাধিক সময় অতিবাহিত কৰাসকলৰ ভিতৰত মহিলাও আছে। দেশ-জাতিৰ সন্মান ৰক্ষাৰ স্বাৰ্থত হাতত বন্ধুক তুলি লৈছে। গতিকে আজিৰ নাৰীয়ে সকলো ক্ষেত্ৰতে পুৰুষৰ সমানেই আগবাঢ়ি যাবলৈ সক্ষম হৈছে। গতিকে তেওঁলোকক অধিকাৰৰপৰা কোনোবাই বঞ্চিত কৰাৰ অভিযোগ উঠিলে তাৰ সত্যতা নিৰূপণ কৰাটো কঠিন। দৰাচলতে একাংশ মহিলা তেওঁলোকৰ প্ৰাপ্য অধিকাৰ সম্পৰ্কে জ্ঞাত নহয়। তেওঁলোক আগবাঢ়ি নাহে। এইসকল মহিলাই সদায় নেতিবাচক মনোভাবেৰে আগবাঢ়ি যোৱা বাবে প্ৰকৃত লক্ষ্যপথত উপনীত হোৱাত ব্যৰ্থ হৈছে।

মহিলাৰ সুৰক্ষাৰ বাবে বছৰৰ মাত্ৰ এটা দিনত সভা-সমিতি অনুষ্ঠিত কৰি, বেনাৰ-পোষ্টাৰ আঁকিলেই সমস্যাৰ সমাধান নহ'ব। বছৰটোৰ মাত্ৰ এটা দিনত সভা অনুষ্ঠিত নকৰি আন সময়তো সতৰ্কতা অৱলম্বন কৰিলেহে সুফল পোৱা যাব। মহিলাৰ অধিকাৰ খৰ্ব নহ'ব। সাৰ্থক হ'ব নাৰী দিৱস আয়োজনৰ।

# বিভিন্ন জনগোষ্ঠীৰ ৰঙালী উৎসৱ

বসন্তৰ আগমনৰ লগে লগে কুলি চৰাইৰ মাত শুনিবলৈ পোৱা যায়। কুলি-কেতেকীয়েই দিয়ে ৰঙালীৰ বতৰা। বছৰৰ আন সময়তকৈ ঋতুৰাজ বসন্তত কুলি চৰাইৰ মাতে সকলোৰে মন-প্ৰাণ হৰি নিয়ে। কুলিৰ মাত আৰু বৰদৈচিলাৰ শব্দই সকলোৰে মনত সৃষ্টি কৰে ৰঙালী ঢৌ। বৰদৈচিলাজনী মাকৰ ঘৰলৈ যোৱাৰ সময়ত সৃষ্টি কৰা তাণ্ডৱৰ মাজতো দেখা যায় ৰঙালীৰ ৰঙীন ছবি। অসমত ব'হাগ বিহু বা ৰঙালী বিহু পালন কৰাৰ সমান্তৰালভাৱে আন ৰাজ্যতো এনেধৰণৰ উৎসৱ-পাৰ্বণৰ আয়োজন কৰা হয়। নাম বেলেগ হোৱাৰ বাবে এনেবোৰ উৎসৱক বহুতে পৃথক বুলি ভাবে যদিও ইয়াৰ প্ৰকৃতি পিছে একেই ধৰণৰ হয়। পঞ্জাবত বৈশাখী উৎসৱ পালন কৰা হয় এই সময়ত। চৈত্ৰ সংক্ৰান্তিত ৰাজ্যখনৰ লোকসকলে বৈশাখী উৎসৱ পালন কৰে। এই উৎসৱক কৃষি-কাৰ্যৰ স'তে সংপৃক্ত বুলি কোৱা হয়। আনহাতে, হিমাচল প্ৰদেশত খাচসকলৰ সমাজতো 'বিষু' পালন কৰা হয় নৱবৰ্ষৰ উৎসৱৰূপে। একেই ধৰণৰ উৎসৱ পালন কৰে দক্ষিণ ভাৰতত। দক্ষিণ ভাৰতৰ নায়াৰ সমাজত 'বিষু'ক নৱবৰ্ষৰ উৎসৱ হিচাপে পালন কৰি অহা হৈছে পৰম্পৰাগতভাৱে। দেশৰ বিভিন্ন অঞ্চলত পালন কৰা হয় বসন্ত উৎসৱ।

অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোকসকলেও বসন্ত উৎসৱ পালন কৰে ৰঙালী বিহুৰ সময়ত। মিচিংসকলে চ'ত মাহৰ আগমনৰ সমান্তৰালভাৱে বিহুৰ বাবে সাজু হৈ উঠে। মিচিংসকলে বিহুক 'বিউ' বুলি কয়। ব'হাগ মাহত গৰুক গা ধুওৱাৰ লগতে হুঁচৰি আৰু ডেকা-গাভৰুৱে বিহু মৰাৰ

পৰম্পৰা চলি আছে। চৈত্র সংক্রান্তিৰ দিনটোত গৰু-ম'হৰ গাত মিঠাতেল, মাহ-হালধি সানি নৈৰ পাৰলৈ নি গা ধুৱায়। সিদিনা ডেকা-গাভৰুৰ দলে গাঁৱৰ গাঁওবুঢ়া বা গামৰ ঘৰত একলগ হৈ পৰম্পৰাগতভাৱে পালন কৰি অহা 'হুঁচৰি' আৰম্ভ কৰে। গৃহস্থৰ মংগল কামনাৰে এনে নৃত্য আৰম্ভ কৰি গাঁৱৰ প্রতিঘৰলৈকে যায়। তেওঁলোকে ছয়দিন বিভিন্ন ৰং-ধেমালিৰে বিহু পালন কৰি সপ্তম দিনা বিদায় দিয়ে। এই জনগোষ্ঠীটোৰ লোকসকলৰ মাজতো বিহুত জ্যেষ্ঠজনক গামোচাৰে শুভেচ্ছা জনোৱাৰ পৰম্পৰা আজিও বৰ্তি আছে।

বড়োসকলেও এই সময়ত পালন কৰে 'বৈচাগু' উৎসৱ। চ'তৰ সংক্রান্তিৰ দিনা বিহু আৰম্ভ হয়। বড়োসকলে উদ্‌যাপন কৰা উৎসৱসমূহত সামাজিক, ধৰ্মীয় আৰু কৃষিৰ সম্পৰ্ক ওতপ্রোতভাৱে জড়িত। এই জনগোষ্ঠীটোৰ সাংস্কৃতিক পৰম্পৰা আৰু সমাজ ব্যৱস্থা সুন্দৰ ৰূপত উপস্থাপন কৰি আহিছে। চৈত্র সংক্রান্তিত গৰু-ম'হক নৈ, বিল, পুখুৰীত ধুৱাই লাও-বেঙেনা গালৈ দলিয়াই দিয়ে। ইয়াৰ সমান্তৰালভাৱে জন্তুসমূহৰ প্ৰশংসা গীত গোৱা হয়। প্রথম ব'হাগত 'খেৰাই' পূজা আৰম্ভ কৰে। 'বুঢ়া বাথৌ'ক সন্তুষ্ট কৰিবলৈকে আৰম্ভ হয় খেৰাই পূজা। এই দিনটোতে তেওঁলোকে পূৰ্বপুৰুষৰ বাবেও প্ৰাৰ্থনা জনায়। গৰখীয়াসকলে গৰু-ম'হ ধুওৱাৰ পাছত এই জন্তুবোৰলৈ চাট ছটিয়াই ছটিয়াই কয়—

'লাউ জা, ফান্থাও জা
বৌসীৰ বৌসীৰ এৰ হাঞ্জা-হাঞ্জা
বিমানি খিথেৰ, বিফানি খিথেৰ
নৌথৌৰ যাগীন-হালুৱা গেছেৰ;
বিমা গাইছে আদি দামা
বিফা বলদ বাছি যা
বাৰী খোনায়াও ছং এমবু বংগ্লা
বিদ্বি যা-গিছিৰ জাংগিলা।

(লাউ খা, বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা, মাকৰ বংশ-বাপেকৰ বংশ, তঁহত হ'বি হালোৱা ডাঙৰ। চাপৰ মাকৰ দৰে নহ'বা, হ'বা বাপেক বলদৰ দৰে। বাৰী চুকৰ বৰ ভেঁকুলীৰ দৰে হৃষ্ট-পুষ্ট হ'বা।)

ঘৰৰ গৃহিণীয়ে আবেলি গৰু গোহালিত প্ৰৱেশ কৰাৰ আগতে পুৰণি পাচি অথবা ঢকুৰাত অলপ গোবৰ লৈ পুৰণি বাঢ়নী আৰু পঘা পথৰ দাঁতিত পেলাই থৈ আহে। ইয়াক 'চুৰা চুতি পেলোৱা' বুলি কয়। অৱশ্যে নৱ প্ৰজন্মৰ মাজত এই প্ৰথাৰ বিলোপ হোৱা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। সংক্ৰান্তিৰ দিনা কাহিলিপুৱাতে শোৱাপাটী ত্যাগ কৰি গা-পা ধুই ঘৰ-গোহালি, ভঁৰালঘৰ আদি ভালদৰে মচি লৈ গৰুক পালত এৰি দিয়াৰ আগতে পৰিত্ৰ পানীৰে ধুৱাই গা, নখ, শিং আদিত মালিচ কৰি গোহালিত এগছি বন্তি জ্বলাই আঁঠু কাঢ়ি সেৱা কৰে। ব'হাগৰ দ্বিতীয় দিনা হ'ল ভৰ বিহু। সিদিনা ডেকা-গাভৰুৱে মিলি গাঁৱৰ প্ৰতিঘৰলৈ গৈ নৃত্য প্ৰদৰ্শন কৰে।

তিৱাসকলেও পৰম্পৰাগতভাৱে বিহু উৎসৱ পালন কৰি আহিছে। ব'হাগৰ প্ৰথমটো মঙলবাৰে এই উৎসৱৰ আৰম্ভ কৰে। এই জনগোষ্ঠীটোৰ লোকসকলে 'চাগ্ৰা-মি-চাৱা' হিচাপে উৎসৱটো পালন কৰে। 'চেমদি' (ডেকা তিৱাসকলে বাস কৰা ঠাই)ত ধৰা জুইৰ চাৰিওফালে ডেকা-গাভৰুৱে নাচা। এসপ্তাহ ধৰি পালন কৰা উৎসৱত বিভিন্ন গীত গোৱা হয়। নেপালী সমাজেও পালন কৰে 'বৈশাখে সগ্ৰাতি'। পহিলা ব'হাগৰপৰা পালন কৰা এই উৎসৱটো পাঁচ দিন ধৰি চলে। প্ৰথম দিনা নেপালীসকলে তেল সানি গা ধুলে বেমাৰ নহয় বুলি বিশ্বাস কৰে। তদুপৰি বিভিন্ন বেমাৰৰপৰা ৰক্ষা পাবলৈ নিমপাত চোবাই খায়।

কাৰ্বিসকলেও পালন কৰে ৰঙালী বিহু। অসমৰ প্ৰাচীন অধিবাসী ডুমুৰালী কাৰ্বিসকলে বিহুক 'দ'মাহী' বুলি কয়। এই দ'মাহীত চেং-মুৰিকৰ (ঢোল-কালীয়া) তালে তালে নৃত্য বা 'কিকান'ৰে সকলোকে আকৰ্ষিত কৰে। এই জনগোষ্ঠীটোৰ লোকসকলে ঘৰে ঘৰে গৈ নৃত্য পৰিৱেশন কৰে। এওঁলোকৰ কিকান আৰু হুঁচৰিৰ মাজত কিছু সাদৃশ্য নথকা নহয়। শৰণীয়া কছাৰীসকলেও পহিলা ব'হাগৰপৰা সাতদিনীয়াকৈ গোসাঁই বাই উৎসৱ পালন কৰে। কোঁচ ৰাজবংশীসকলেও বসন্তোৎসৱ পালন কৰে। কোঁচ ৰাজবংশীসকলে চ'ত মাহৰ ত্ৰয়োদশীৰপৰা পূৰ্ণিমাৰ দিনালৈকে 'বাশ' পূজা পালন কৰে। সোণোৱাল কছাৰীসকলেও হুঁচৰি গীতসমূহৰ মাধ্যমেদি ঐতিহ্য আৰু পৰম্পৰা ধৰি ৰাখিবলৈ সক্ষম হৈছে। হুঁচৰি গীতসমূহৰ তাত্ত্বিকতা বিচাৰ কৰিলে এই গীতৰ প্ৰাচীনতাসমূহ বিচাৰ কৰিব পাৰি।

# শিৱ দ'ল সংৰক্ষণ হওক

শিৱসাগৰ জিলাখন ইতিহাসসমৃদ্ধ। এই জিলাখনৰ বুকুত আছে অসম বুৰঞ্জীৰ অগণন সমল। ইতিহাসে ঢুকি নোপোৱা দিনৰেপৰাই এইখন জিলাৰ বিভিন্ন ঠাইত উদ্ধাৰ কৰা হৈছে বহুতো আপুৰুগীয়া সম্পদ। এই অমূল্য সম্পদৰাজিৰ প্ৰায়ভাগেই আহোম স্বৰ্গদেউসকলৰ কৃতিত্বৰ চানেকি। বৰঅসম গঢ়া আহোমসকলৰ অৱদান উজনি অসমৰ প্ৰায়ভাগ স্থানতে দেখিবলৈ পোৱা যায়। এইবোৰৰ ভিতৰত অন্যতম হ'ল চহৰৰ মাজ মজিয়াতে থকা শিৱ দ'ল। অহা ফেব্ৰুৱাৰীত এই শিৱ দ'লতেই অনুষ্ঠিত হ'ব এক আন্তৰ্জাতিক শিৱ মহোৎসৱ। আহোম স্বৰ্গদেউৰ কীৰ্তি চিহ্নৰ অন্যতম শিৱ দ'লক আন্তৰ্জাতিক পৰ্যায়লৈ নিবলৈ হ'লে অথবা বিশ্বৰ বিভিন্ন দেশৰ লোকৰ স'তে পৰিচয় কৰাই দিবলৈ এনে ধৰণৰ মহোৎসৱৰ খুবেই প্ৰয়োজন। কাৰণ এটা অঞ্চলত থকা ঐতিহাসিক সমলসমূহ বিশ্বৰ আন এটা প্ৰান্তৰ লোকে জানিবলৈ হ'লে এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিবই লাগিব।

ঐতিহাসিক দৃষ্টিকোণৰপৰা বিশ্লেষণ কৰিলে শিৱ দ'লৰ আছে এক সুকীয়া বৈশিষ্ট্য। সাধাৰণতে চহৰৰ মাজত এনে ধৰণৰ দ'ল বা মন্দিৰ খুব কমেই দেখা যায়। এনে ধৰণৰ দ'ল নগৰ বা চহৰৰপৰা দূৰৈতহে নিৰ্মাণ কৰা হৈছিল। স্বৰ্গদেউসকলে যিবোৰ অঞ্চলত জনসমাগম কম আছিল সেইবোৰ স্থানতহে মঠ, দ'ল বা মন্দিৰ, কীৰ্তিচিহ্নসমূহ নিৰ্মাণ কৰিছিল। শিৱ দ'ল চহৰৰ বক্ষত স্থাপন হোৱা হেতুকে ই প্ৰচাৰ লাভ কৰিছে যদিও এইক্ষেত্ৰত সীমিত হোৱাহে পৰিলক্ষিত হৈছে। পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনা থকা সত্ত্বেও

ইয়াৰ প্ৰচাৰ সীমিত হৈ আছে। বিগত সময়ছোৱাত প্ৰায়ভাগ চৰকাৰেই এই দ'লটো বিশ্বদৰবাৰত প্ৰচাৰৰ মাধ্যমেদি সকলোকে আকৰ্ষিত কৰা কোনো বিশেষ পদক্ষেপ গ্ৰহণ কৰা নাই। কেতিয়াবা যৎসামান্য কৰিছে যদিও সেয়া পৰ্যাপ্ত বুলি ক'ব নোৱাৰি। কি কাৰণে আজিও ইয়াক উপযুক্তভাৱে সংৰক্ষণ কৰা হোৱা নাই তাক লৈ চিন্তা-চৰ্চাৰো অভাৱ। আমি কেৱল পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনা থকা বুলি কৈ থাকিলেই নহ'ব। হাতে-কামে কৰিও দেখুৱাব লাগিব।

২০১৮ বৰ্ষৰ মধ্যভাগত শিৱ দ'লৰ বেৰত ফাট মেলাৰ বিষয়েও বাতৰি সম্প্ৰচাৰিত হৈছিল। সংবাদ মাধ্যমত বাতৰি প্ৰকাশৰ সময়ত সকলোৱে ভাবিছিল যে একো নহ'লেও অন্ততঃ ঐতিহাসিক সম্পদবিধ সংৰক্ষণৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিব। জোৰা-টাপলি মৰা কিছু কাম হ'লেও এনে ফাট মেলাৰ পাছত সকলোৰে মনত ভাব হৈছে যে দ'লটো উপযুক্তভাৱে সংৰক্ষণ নকৰিলে কেতিয়াবা নিশ্চিহ্ন হৈ পৰিব। ইয়াৰ আন্তঃগাঁথনি শক্তিশালী হোৱা হেতুকে আজিও সগৌৰৱে থিয় হৈ আছে। কিন্তু ইয়াৰো এটা নিৰ্দিষ্ট সীমা থাকিব।

প্ৰদূষণৰ প্ৰভাৱৰপৰা সম্পূৰ্ণৰূপে মুক্ত নহয় শিৱসাগৰ চহৰ। অনবৰতে গাড়ী-মটৰ, কল-কাৰখানা, খাৰুৱা তেল, বিভিন্ন ধৰণৰ গেছৰ বাবে প্ৰদূষিত হৈছে বৃহত্তৰ অঞ্চলটো। ইয়াৰ বাবে শিৱ দ'লৰ ওপৰিভাগৰ বৰণতো প্ৰভাৱ পৰিছে। আমি সৰুতে দেখা শিৱসাগৰৰ ৰূপ সলনি হ'ল। তদুপৰি শিৱ দ'লৰ বহিঃবৰণৰো সলনি হৈছে। লাহে লাহে আৰু অধিক মলিন হ'ব। এতিয়াও সময় আছে। পৰ্যটন বিভাগৰপৰা আৰম্ভ কৰি চৰকাৰৰ সংশ্লিষ্ট বিভাগলৈ আমাৰ এটাই অনুৰোধ যেন এই মূল্যৱান সম্পদবিধ উপযুক্তভাৱে সংৰক্ষণৰ ব্যৱস্থা কৰে। কেৱল ৰং সানি বা মেলা ফাটত চিমেণ্ট প্লাষ্টাৰৰ প্ৰলেপে দ'লটোৰ গাঁথনি শক্তিশালী কৰি ৰাখিব নোৱাৰে। বৈজ্ঞানিক ভিত্তিত ইয়াৰ সংৰক্ষণৰ ব্যৱস্থা কৰা উচিত। ইউৰোপৰ প্ৰায়ভাগ ৰাষ্ট্ৰতে ঐতিহাসিক সম্পদৰাজি বৈজ্ঞানিক ভিত্তিত সংৰক্ষণ কৰাত এতিয়া এইবোৰৰ স্থায়িত্ব কাল বৃদ্ধিৰ লগে লগে পৰ্যটনকাৰীৰ সংখ্যাও বৃদ্ধি পাইছে। অসমত পিছে এনে এখন ছবি দেখিবলৈ পোৱা নাযায়। কেৱল পৰ্যটন কেন্দ্ৰ বুলি উল্লেখ কৰি ডাঙৰ পোষ্টাৰ-হ'ৰ্ডিং লগালেই এখন ঠাই বা এটা কেন্দ্ৰলৈ পৰ্যটনকাৰীৰ সংখ্যা বৃদ্ধি নাপায়। ইয়াৰ বাবে প্ৰয়োজনীয় ব্যৱস্থাও লাগিব। শিৱ দ'লৰ ঐতিহাসিক সম্পদৰাজিৰ সংৰক্ষণ নহ'লে ভৱিষ্যতে ই নিশ্চিহ্ন হৈ পৰিব। এইক্ষেত্ৰত বিভিন্ন দল-সংগঠনৰ ভূমিকা গুৰুত্বপূৰ্ণ। সকলোৱে এইক্ষেত্ৰত ইতিবাচক ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰিব পাৰি।

# সত্ৰীয়া সংস্কৃতিৰ সাধক হৰেকৃষ্ণ মহন্ত

বৰঙাজুলি সত্ৰৰ সত্ৰাধিকাৰ হৰেকৃষ্ণ মহন্তই আজি ৯৩ বছৰত ভৰি দিলে। ওদালগুৰি অঞ্চলৰ কিংবদন্তিস্বৰূপ এইগৰাকী সত্ৰাধিকাৰে বিগত কে'বাদশক ধৰি বৃহত্তৰ অঞ্চলটোত সত্ৰ স্থাপনৰ জৰিয়তে সত্ৰীয়া সংস্কৃতি প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। হৰেকৃষ্ণ মহন্তই বহুতো ঘাত-প্ৰতিঘাত নেওচি জিলাখনত ২৭খন সত্ৰ স্থাপন কৰিবলৈ সক্ষম হৈছে। সবাতোকৈ উল্লেখযোগ্য কথা হ'ল যে আটাইকেইখন সত্ৰৰ প্ৰায়সংখ্যক ভকতেই হ'ল বড়ো, ৰাভা, গাৰো, আদিবাসী সম্প্ৰদায়ৰ। বৰপেটা অথবা মাজুলীৰ দৰে কোনো এটা অঞ্চলৰ সাদৃশ্য নথকা এই অঞ্চলটোত সত্ৰ স্থাপন কৰি মহন্তই এটা কথা প্ৰমাণ কৰিলে যে আদৰ্শৰে সকলোকে আকৰ্ষিত কৰিব পাৰি। বিটিএডি অঞ্চলত এনে সত্ৰ স্থাপনেৰে লোকসকলক আকৰ্ষিত কৰিব পৰাটো একপ্ৰকাৰ জীৱনৰ বৃহৎ সাফল্য বুলিয়ে ক'ব লাগিব। জিলাখনত খোজ পেলোৱা দিনৰেপৰাই আজিপৰ্যন্ত যি পদক্ষেপ গ্ৰহণ কৰিছে তাৰ বাবে চিৰদিন সকলোৰে মনত সজীৱ হৈ থাকিব হৰেকৃষ্ণ মহন্ত। জনজাতীয় লোকসমৃদ্ধ এনে এটা অঞ্চলত গৈ গীত-পদ, খোল-তাল, নাগাৰা, মৃদংগৰ ধ্বনিৰে মুখৰিত কৰিব পৰাটোও কম কথা নহয়। তেওঁৰ আধ্যাত্মিক, মানসিক উত্তৰণ অনুকৰণীয়।

এইজনা সত্ৰাধিকাৰৰ শৈশৱ, কৈশোৰ আৰু যৌৱনকাল বৰপেটা সত্ৰৰ বেষ্টনীতে অতিবাহিত হৈছিল। সেইবাবে তেওঁ আজিও কেৱলীয়া মতকে সাবটি আছে। তেওঁৰ কাৰ্যাৱলীত নাই কোনো আধুনিকতাৰ প্ৰভাৱ। কেৱল

সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰতে ব্যস্ত হৈ পৰিছে। আজিৰ যুগত এনে ধৰণৰ লোক পাবলৈ নাই। ১৯৫৩ চনত বৰঙাজুলিত সত্ৰ প্ৰতিষ্ঠা হোৱাৰ পিছতে ইষ্টদেৱ নবিশ বৰপেটা সত্ৰৰ ডেকা সত্ৰাধিকাৰ নিৰ্বাচিত হোৱাত নতুন সত্ৰখনৰ দায়িত্ব হৰেকৃষ্ণ মহন্তই গ্ৰহণ কৰে। খৈৰাবাৰী, ভেৰগাঁও, পুৰণি টংলা, খেলাপাৰা অঞ্চলত সত্ৰীয়া সংস্কৃতিৰ প্ৰসাৰ ঘটাই নিজ দক্ষতাৰে বড়ো, ৰাভা লোকক শিষ্য হিচাপে গ্ৰহণ কৰি আহিছে।

বৰঙাজুলিৰ দৰে এটা অঞ্চলত বিগত কে'বাদশক ধৰি সত্ৰীয়া সংস্কৃতি প্ৰচাৰত নিমগ্ন হৈ থকা মহন্তই ৯৩ বছৰত ভৰি দিলে। পিছে বয়সে তেওঁক আজিও হাৰ মনাব পৰা নাই। কাৰণ পুৱা-গধূলি এইগৰাকী সত্ৰাধিকাৰৰ নেতৃত্বতে বাজি উঠে তাল, দবা, খোল, মৃদংগৰ ধ্বনি। চৌদিশে ইয়াৰ ধ্বনিয়ে সৃষ্টি কৰে এক মধুময় পৰিৱেশ। আধুনিকতাৰ ধামখুমীয়াত আজিও এনে পৰিৱেশে বিৰাজ কৰি থকাটো সঁচাকৈয়ে আদৰ্শনীয় বিষয়। এই সকলোবোৰৰ কৃতিত্ব আমি হৰেকৃষ্ণ মহন্তক দিবই লাগিব।

ভেৰগাঁৱত তেওঁৰ ৯৩সংখ্যক জন্মদিন পালন কৰাটো আদৰণীয় পদক্ষেপ। তাতোকৈ গুৰুত্বপূৰ্ণ বিষয় হ'ল— এনে এগৰাকী ব্যক্তিৰ জন্মদিন পালন কৰিবলৈ সকলো শ্ৰেণীৰ লোক আগবাঢ়ি আহিছে। শংকৰদেৱৰ কৃষ্টি-সংস্কৃতিৰ সংৰক্ষণ আৰু বিস্তাৰৰ বাবে সাত দশক ধৰি অবিৰত যাত্ৰা অব্যাহত ৰখা এগৰাকী ব্যক্তিক সমাজে দিব লগা স্বীকৃতি আজিও দিয়া নাই। মহন্তৰ বাবে কৰ্মই হ'ল ধৰ্ম। তেওঁ ব্যক্তিগত প্ৰচাৰ নিবিচাৰে। সদায় প্ৰচাৰৰপৰা আঁতৰি থাকি নীৰৱে কাম-কাজ কৰিবলৈহে তেওঁ আগ্ৰহী। তেওঁৰ বাবে প্ৰচাৰতকৈ কৰ্মহে ওপৰত। ভাল কামৰ প্ৰচাৰ এদিন হ'বই। পানীৰ মাজৰপৰা পদুম ছিঙিবলৈ গ'লে কাঁইটে বিন্ধিবই। সেইবাবে তেওঁ সত্ৰীয়া সংস্কৃতি প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে বহুতো বাধা-বিঘিনি অতিক্ৰম কৰিবলৈ সদায় সাজু।

হৰেকৃষ্ণ মহন্ত বিখ্যাত ব্যক্তি নহ'লেও তেওঁৰ কৰ্মৰাজি বিশ্ববিশ্ৰুত লোকসকলতকৈ কোনোগুণে কম নহয়। দৰাচলতে বৰঙাজুলিৰ দৰে ঠাই এখনলৈ গৈ কে'বাদশক পূৰ্বে সত্ৰীয়া সংস্কৃতি প্ৰচাৰ কৰিবলৈ সক্ষম হোৱাটোৱে মহন্তৰ অনন্য কৃতিত্ব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰে সমাজ গঢ়িবলৈ অহৰ্নিশে চেষ্টা অব্যাহত ৰখা হৰেকৃষ্ণ মহন্তক ৰজাঘৰেও আজিলৈকে যচা নাই প্ৰাপ্য সন্মান। সমাজৰ মংগলৰ বাবে জীৱনৰ সকলো মূল্যৱান সময় অতিবাহিত কৰা ব্যক্তি এগৰাকীক যথাযোগ্য সন্মান প্ৰদান কৰাটো আমাৰ সকলোৰে দায়িত্ব আৰু কৰ্তব্য।

# মহামায়া, নজৰুল ইছলাম আৰু কিছু অনুভৱ

২০১৭ বৰ্ষৰ ২৭ ডিচেম্বৰত অসম সাহিত্য সভাৰ শতবৰ্ষৰ সামৰণি অনুষ্ঠানৰ মূল অনুষ্ঠানটো ধুবুৰীত সম্পন্ন হয়। সমগ্ৰ ৰাজ্যতে সাহিত্য সভাৰ উক্ত অনুষ্ঠানটো অনুষ্ঠিত কৰিছিল প্ৰতিখন জিলা আৰু শাখাই। ধুবুৰীত আয়োজিত মূল অনুষ্ঠানটোত মোৰ পিতৃ বাসুদেৱ জালানৰ সোঁৱৰণত প্ৰদান কৰা বঁটাটোও দিয়া হয়। সেই উদ্দেশ্যে মই প্ৰকাশক-লেখক ব্ৰজেন্দ্ৰনাথ ডেকাক লগত লৈ ধুবুৰীলৈ গৈছিলোঁ কাহিলিপুৱাতে। ধুবুৰীলৈ গৈ থাকোঁতে মনতে ভাবিলোঁ মহামায়া দৰ্শন কৰোঁ বুলি। এজন বন্ধুক ফোন কৰি কথাটো জনোৱাত তেওঁ ক'লে— এইকেইদিন মহামায়াত খুব ভিৰ হয়। দৰ্শনৰ বাবে বহু সময় অপেক্ষা কৰিব লাগে। কিন্তু, ইমান সময় অপেক্ষা কৰাৰো সময় নাই। বন্ধুজনক মই সকলোখিনি বিৱৰি কোৱাত তেওঁ নজৰুল ইছলাম নামৰ লোক এজনৰ ফোন নম্বৰটো দিলে। লোকজনৰ নামটো শুনি মনতে প্ৰথমতে ভাবিলোঁ তেওঁ মন্দিৰ দৰ্শনৰ ক্ষেত্ৰত সহায় কৰিব পাৰিব জানো? মনত সন্দেহ ৰাখিয়েই ফোন কৰিলোঁ ইছলামলৈ। তেওঁক মোৰ পৰিচয়টো দিয়াৰ পিছত ইছলামে সম্ভাষণ জনাই মহামায়া মন্দিৰৰ এগৰাকী ব্যক্তিৰ এটি ফোন নম্বৰ দিলে। মাহামায়ালৈ গৈ লোকজনক দেখা কৰিলে সকলো ব্যৱস্থা কৰি দিব বুলি ইছলামে ক'লে। ইয়াৰ পাচত মই এঘণ্টাৰ বাট গাড়ীৰে গৈ থাকোঁতে ইছলামে তিনিবাৰ ফোন কৰি সুধিছিল— কিবা অসুবিধা হৈছে নেকি? আনকি মহাপীঠ পোৱাৰ সময়তো ফোন কৰিছিল। গন্তব্য স্থানত উপস্থিত হৈ জানিব পাৰিলোঁ ইতিমধ্যে ইছলামে মোৰ বাবে সকলো ব্যৱস্থা কৰি থৈছে। ফোন

নম্বৰ দিয়া লোকজনেও ইছলামৰ কথা ক'লে। মনটো বৰ ভাল লাগিল। ইছলাম ধৰ্মাৱলম্বী লোক হৈও ইছলামৰ মহামায়া দৰ্শন কৰিবলৈ যোৱা লোকৰ প্ৰতি থকা শ্ৰদ্ধা আৰু আন্তৰিকতা দেখি অভিভূত হৈ পৰিলোঁ। যি সময়ত একাংশ লোকে ধৰ্মক লৈ কুৎসা ৰতনা কৰি বিভেদৰ বীজ সিঁচিবলৈ চেষ্টা কৰিছে সেই সময়তো নজৰুলৰ দৰে লোকে হিন্দু-মুছলমানৰ মাজত শান্তিৰ বতৰা নীৰৱে বিলাই আছে। কেৱল সেয়াই নহয়, আনৰ ধৰ্মৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰি নিজৰ ঠাইখিনিৰ নামো যে প্ৰচাৰ কৰিব পাৰি তাৰেই নিদৰ্শন হ'ল নজৰুল। দৰাচলতে অসমত বসবাস কৰা কোনো লোকেই সাম্প্ৰদায়িকতাৰ সৃষ্টি হোৱাতো নিবিচাৰে। মাথোঁ একাংশ সমাজবিৰোধী চক্ৰইহে হিন্দু-মুছলমানৰ মাজত থকা মিলাপ্ৰীতিৰ বান্ধোন ছিঙি পেলাবলৈ চেষ্টা চলায়।

নজৰুল ইছলাম কোনো বিখ্যাত ব্যক্তি নহয়, কিন্তু তেওঁৰ যি বিশাল হৃদয় এখন লুকাই আছে সেয়া বহুতো বিখ্যাত লোকতকৈও বেছি ডাঙৰ। নজৰুলৰ কথা ভাবি প্ৰৱেশ কৰিলোঁ মহামায়াত। আগতে যোৱা মনত নপৰে। এইখন মহাপীঠ সম্পৰ্কে বহুতো জনশ্ৰুতি শুনিবলৈ পোৱা যায়। কিংবদন্তি অনুসৰি প্ৰায় তিনিশ বছৰ পূৰ্বে আহোম স্বৰ্গদেউ জয়ধ্বজ সিংহই মোগল সম্ৰাট ছাহজাহানৰ অধীনত থকা বৰ্তমানৰ গোৱালপাৰা জিলাখন মোগলৰপৰা উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল। অৱশ্যে ইয়াৰ কিছুদিন পাচতে দিল্লীৰ সম্ৰাট ঔৰংগজেৱে তেওঁৰ সেনাপতি মিৰজুমলাৰদ্বাৰা অসম আক্ৰমণ কৰি পুনৰ উক্ত ঠাইখিনি দখল কৰে। সেই সময়ত পৰ্বতজোৱাৰ পৰগণাৰ শক্তিশালী পুৰুষ হাতীবৰ চৌধুৰীয়ে মোগল সম্ৰাট ঔৰংগজেৱৰপৰা জমিদাৰী জায়গীৰদাৰী লাভ কৰে। এইজন ব্যক্তিৰ দিনতেই দেৱী মহামায়াৰ আৱিৰ্ভাৱ হৈছিল। এতিয়া যি ঠাইত মহামায়া মন্দিৰটো আছে তাত সেই সময়ত চাৰিওফালে জংঘলে আৱৰি আছিল। মন্দিৰটোৰ চাৰিওফালে গভীৰ অৰণ্যৰ লগতে সৰু সৰু টিলা আছিল। নিশাৰ কথাটো বাদেই, দিন দুপৰতো হিংস্ৰ জন্তুৰ বাবে কোনো লোকে আগবাঢ়ি যাবলৈ সক্ষম হোৱা নাছিল। বাঘ, ভালুক, সিংহৰ আক্ৰমণৰ বাবে সকলোৱে ভয়তে পেপুৱা লাগিছিল। সময় বাগৰিল, লাহে লাহে মানুহৰ বসতিও বৃদ্ধি পাবলৈ ধৰিলে। অটব্য অৰণ্য গুচি জনবসতিপূৰ্ণ স্থান হৈ পৰিল। মহামায়াৰ মূৰ্তি জমিদাৰে উদ্ধাৰ কৰি মন্দিৰত প্ৰতিষ্ঠা কৰাৰ পাছত এতিয়া সেই ঠাইখণ্ডই হৈ পৰিল পৰ্যটকৰ কেন্দ্ৰবিন্দু।

আন এক জনশ্ৰুতি অনুসৰি পাবনা জিলাৰ অধীনস্থ তোকচান্দপুৰৰ এজন কাঠ ব্যৱসায়ীয়ে মহামায়াৰ আশিস লাভ কৰা বাবে তেওঁৰ উদ্যোগতেই আজি দেৱীয়ে এনে প্ৰচাৰ-প্ৰসাৰ লাভ কৰিবলৈ সক্ষম হৈছে। যোড়শ শতিকাৰ শেষৰ ফালে পাবনা জিলাখনৰ তোকচান্দপুৰৰ এজন ব্যৱসায়ীয়ে এই ঠাইলৈ কাঠ ক্ৰয় কৰিবলৈ আহিছিল। উল্লেখ্য যে পাবনা জিলাখনৰ বহুতো ব্যৱসায়ীয়ে সেই সময়ত ইয়ালৈকে কাঠ কিনিবলৈ আহিছিল। সেই সময়ত অৰণ্যত কাঠৰো অভাৱ নাছিল। পাবনা, ঢাকা, ৰংপুৰ, মৈমনসিং আদি জিলাৰপৰা বহুতো ব্যৱসায়ীয়ে নৈৰে আহি নিজৰ ঠাইলৈ কাঠ লৈ গৈছিল। গোৱালপাৰা জিলাৰ পৰ্বতজোৱাৰ অঞ্চল তেতিয়া শাল, চেগুন, চাম, বনচোম, পাৰুল, গমাৰি আদি কাঠৰ বাবে বিখ্যাত আছিল। প্ৰায়সংখ্যক ব্যৱসায়ীয়ে স্থানীয় লোকক তেল, সূতা, গুড়, দা-কুঠাৰ, কপাহ, কোৰ, মচলা, কাপোৰ আদিৰ বিনিময়ত কাঠবোৰ লৈ গৈছিল। এবাৰ কাঠ বেপাৰীজনে বৰ্ষা ঋতুত বেপাৰলৈ আহি বিপৰ্যয়ৰ সন্মুখীন হ'বলগীয়া হৈছিল। নাওখনৰ দুয়োকাষে যিমান পাৰি সিমান কাঠ বোজাই দি নিজ দেশলৈ গতি কৰাৰ সময়তে টিপকাই নদীত নাও মেলি দিয়াৰ পাছতে প্ৰকাণ্ড নাওখন বিষ্ণুপুৰৰ দক্ষিণ আৰু খোৱাঘাটৰ উত্তৰে এখন ঠাইত উপস্থিত হয়। অমাৱস্যাৰ অন্ধকাৰে আগুৰা ঠাইখনত উপস্থিত হওঁতেই নৈখনে কালৰূপ ধাৰণ কৰে। প্ৰচণ্ড ধুমুহাই নৈখনক প্ৰাণচঞ্চলা কৰি তুলিলে। নাওখনত থকা সকলোৱে ভগৱানক স্মৰণ কৰিবলৈ ধৰিলে যদিও নাও, কাঠ, মানুহ কাৰো সন্ধান নোলাল। মাথোঁ ব্যৱসায়ীজনেহে পাৰলৈ উঠি আহি প্ৰাণ ৰক্ষা কৰিবলৈ সক্ষম হয়। ব্যৱসায়ীজনৰ আৰ্তনাদ শুনি দেৱীৰ আৱিৰ্ভাৱ হ'ল এগৰাকী বালিকাৰ ৰূপত। জনপ্ৰাণীহীন গভীৰ অৰণ্যত ৰক্তবাস পৰিহিতা বালিকাগৰাকীক দেখি ব্যৱসায়ীজনৰ আৰু বুজিবলৈ বাকী নাথাকিল যে সেয়া মহামায়াৰে ৰূপ। তাতেই দেৱীৰ মন্দিৰ সাজিলে। লাহে লাহে হেৰোৱা নাও, কাঠ আৰু লগৰীয়াসকলৰো সন্ধান লাভ কৰিলে। যোগমায়া মহাশক্তিক স্থাপনৰ পাছত বেপাৰীজনে নাৱেৰে নিজ গৃহলৈ গৈছিল। তেতিয়াৰেপৰাই মহামায়া মহাপীঠৰ প্ৰচাৰ আৰু প্ৰসাৰ হ'বলৈ ধৰিলে। যি ঠাইত মহামায়াই কাঠ ব্যৱসায়ীজনক দেখা দিছিল সেই ঠাইখন আজি মহামায়াৰ স্নানঘাটৰূপে পৰিচিত। অৱশ্যে এই স্নানঘাটত এতিয়া মন্দিৰ নিৰ্মাণ কৰা হৈছে। স্নানঘাট দেৱী মহামায়া মন্দিৰৰ উত্তৰে দুমাইল আঁতৰত অৱস্থিত।

# প্ৰসংগ ঃ ৰসৰাজৰ বাসগৃহ সংৰক্ষণ

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ওড়িশাৰ ছম্বলপুৰত থকা বাসগৃহটো পথ নিৰ্মাণৰ বাবে ভাঙিবলৈ ধৰাৰ সময়তে সমগ্ৰ অসমজুৰি প্ৰতিবাদৰ ঢৌ উঠিল। এই প্ৰতিবাদৰ ঢৌৰ বাবে ওড়িশা চৰকাৰে ঐতিহাসিক ঘৰটো সংৰক্ষণৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। অসমৰ প্ৰাতঃস্মৰণীয় ব্যক্তিসকলৰ অন্যতম ৰসৰাজৰ ঐতিহাসিক বাসগৃহটো সংৰক্ষণৰ বাবে ওড়িশা চৰকাৰে যি সিদ্ধান্ত গ্ৰহণ কৰিছে সেয়া প্ৰশংসনীয় পদক্ষেপ বুলি ক'বই লাগিব। অসমীয়াৰ আৱেগ-অনুভূতি তথা অসমৰ গৌৰৱ ৰসৰাজৰ স্মৃতি সংৰক্ষণৰ বাবে সৃষ্টি হোৱা ঢৌৰ প্ৰতি সন্মান জনাই ওড়িশাৰ চৰকাৰে যি সিদ্ধান্ত গ্ৰহণ কৰিছে তাৰ বাবে অসমৰ কে'বাটাও সংগঠন, ব্যক্তি তথা কে'বাটাও ছাত্ৰ সংগঠনৰ ভূমিকাও আছিল উল্লেখনীয়। যিটো কাম অসম চৰকাৰে কে'বাদশক পূৰ্বে গ্ৰহণ কৰিব লাগিছিল সেয়া নকৰাৰ ফলতে আজি এই অবাঞ্ছিত পৰিস্থিতি সৃষ্টি হ'ল। দৰাচলতে পূৰ্বৰ চৰকাৰসমূহে ৰসৰাজৰ উক্ত ঐতিহাসিক গৃহটো সংৰক্ষণৰ বাবে ভবা নাছিল। কাৰণ চৰকাৰে ছম্বলপুৰত গৃহটো সংৰক্ষণৰ বাবে ব্যৱস্থা কৰিলে কি লাভ হ'ব বুলিহে ভাবিছিল। যিসময়ত সমগ্ৰ বিশ্বতে ঐতিহাসিক সমলসমূহ সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে সেই সময়ত অসমৰ

সম্পদ এবিধ সংৰক্ষণৰ বাবে দল-সংগঠন, ব্যক্তিবিশেষে আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিবলগীয়া হোৱাতো চিন্তনীয় বিষয়। ইতিমধ্যে সংৰক্ষণৰ অভাৱত অসমৰ বহুতো কীৰ্তিচিহ্ন নিশ্চিহ্ন হৈছে। কেৱল সাহিত্যিক-নাট্যকাৰৰে নহয়, ঐতিহাসিক কীৰ্তিচিহ্নও এতিয়া সংৰক্ষণৰ অভাৱত জখি-খহি গৈছে। এটা কথা চৰকাৰ বা সংশ্লিষ্ট কৰ্তৃপক্ষই মনত ৰখা উচিত যে এই কীৰ্তিচিহ্নসমূহ যদি এবাৰ আমাৰ মাজৰপৰা নোহোৱা হৈ যায় তেনেহ'লে ইয়াক পুনৰ লাভ কৰা নাযায়। ইতিমধ্যে বহুতো সম্পদ আমাৰ মাজৰপৰা নোহোৱা হোৱাত এইবোৰৰ সন্ধানত বহুতে নামি পৰিছে যদিও উদ্ধাৰ কৰা সম্ভৱ হোৱা নাই।

অসম সাহিত্য সভাৰ মূল ভৱনটো যোৰহাটত সংৰক্ষণ কৰা কাৰ্য আছিল অসমৰ ইতিহাসৰ এক উল্লেখযোগ্য দিশ। কিন্তু পৰিতাপৰ বিষয় যে এই সাহিত্য সভাক ধন্য কৰা বিশিষ্ট সাহিত্যিকসকলৰ অমূল্য সম্পদৰাজি আজিও সম্পূৰ্ণৰূপে সংৰক্ষণ কৰা হোৱা নাই। পদ্মনাথ গোহাঞিবৰুৱাৰপৰা আৰম্ভ কৰি বিগত সময়ছোৱাৰ সভাপতিসকলৰ লেখা, তেওঁলোকে ব্যৱহাৰ কৰা সম্পদসমূহ সংৰক্ষণৰ বাবে কোনো ব্যৱস্থাই গ্ৰহণ কৰা পৰিলক্ষিত নহ'ল। বৰং ইয়াৰ পৰিৱৰ্তে সাহিত্য সভাৰ শতবৰ্ষীয় বিশেষ সভাৰ সময়ত অস্থায়ীভাৱে নিৰ্মাণ কৰা কে'বাগৰাকী বৰেণ্য শিল্পীৰ মূৰ্তিসমূহ জধে-মধে পেলাই থৈ দিয়া হৈছিল। ইয়াকে লৈ বিভিন্ন মহলত প্ৰতিক্ৰিয়া সৃষ্টি হৈছিল যদিও পৰৱৰ্তী সময়ত এইবোৰ সংৰক্ষণ কৰা হ'ল জানো? আজিও বহুতো বৰেণ্য সাহিত্যিকৰ সৃষ্টি অৱহেলিত হৈ আছে। আনকি বহুতো লেখা কালৰ সোঁতত হেৰাই যোৱা উপক্ৰম হোৱাৰ পাছতো সংৰক্ষণৰ ব্যৱস্থা কোনোৱে কৰিবলৈ আগবাঢ়ি অহা নাই। কেৱল ক্ষমতা আৰু ব্যক্তিগত স্বাৰ্থ পূৰণৰ বাবে বিষয়ববীয়া আৰু আগভাগ লওঁতাসকলে সাহিত্য সভাৰ মজিয়া উত্তাল কৰি আহিছে। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ ঐতিহাসিক ঘৰটো সংৰক্ষণৰ বাবে আজি দল-সংগঠনে আন্দোলন অথবা প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলগীয়া হ'ল কিয়? অসম সাহিত্য সভাই যদি উক্ত গৃহটো সংৰক্ষণৰ বাবে পূৰ্বৰেপৰা আগভাগ লৈ আহিলেহেঁতেন তেতিয়াহ'লে ছম্বলপুৰৰ গৃহত হাতুৰীৰ কোব নপৰিলেহেঁতেন। বিগত সময়ছোৱাত সাহিত্য সভাই কোনো বিশেষ পদক্ষেপ গ্ৰহণ কৰাও পৰিলক্ষিত হোৱা নাই।

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, সুধাকণ্ঠ

ড° ভূপেন হাজৰিকা, কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ, পদ্মশ্ৰী নলিনীবালা দেৱী, পদ্মনাথ গোহাঞিবৰুৱা, লীলা গগৈ, সীতানাথ ব্ৰহ্মচৌধুৰী, আনন্দিৰাম দাস, প্ৰতীমা পাণ্ডে বৰুৱা, ব্ৰজ শৰ্মা, ফণী শৰ্মা, আব্দুল মালিক আদি বৰেণ্য ব্যক্তিৰ সম্পদৰাজি সংৰক্ষণৰ ক্ষেত্ৰত সাহিত্য সভাই সভা-আলোচনা চক্ৰ আদি আয়োজন কৰিয়েই দায়িত্ব সামৰিছে। এওঁলোকৰ অসমৰ সাহিত্য-সংস্কৃতিলৈ অৱদান কিমান সেয়া পাঠকক দোহৰাৰ নিশ্চয় প্ৰয়োজন নাই। চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সাহিত্য সভাই জানো কেতিয়াবা হেঁচা প্ৰয়োগ কৰিছে।

জন কীটছ, জন মিল্টন, উইলিয়াম শ্বেইক্সপীয়েৰ আদি মহান সাহিত্যিক, কবিৰ সম্পদৰাজি আজি চৰকাৰে সংৰক্ষণ কৰি সেয়া পৰ্যটকৰ দৰ্শনৰ বাবে মুকলি কৰি দিছে। কেৱল সেয়াই নহয়, সকলো ঐতিহাসিক কীৰ্তিচিহ্ন সংৰক্ষণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। অসম চৰকাৰে অসমৰ বৰেণ্য বক্তিসকলৰ লগতে কীৰ্তিচিহ্নসমূহ সংৰক্ষণৰ বাবে যি ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল তাৰ তিলমাত্ৰও কৰা পৰিলক্ষিত হোৱা নাই। চৰকাৰে যদি সংৰক্ষণৰ বাবে আগবাঢ়ি নাহে তেতিয়াহ'লে কোনো ক্ষেত্ৰতে সংৰক্ষণ সম্ভৱ নহয়। সংৰক্ষণ নহ'লে নৱ প্ৰজন্মই পাহৰি যাব ইতিহাসৰ স্মৰণীয় ব্যক্তি, কীৰ্তিচিহ্নৰ গৌৰৱ। চৰকাৰক আমি সকলোৱে হেঁচা দিব লাগিব —যাতে প্ৰতিটো ক্ষণতে এনে কৰিবলৈ বাধ্য হয়।

# মে’ দিৱস মাথোঁ এটি দিনহে, মূল্যায়ন নহয় শ্ৰমৰ

সমগ্ৰ বিশ্বতে এক মে’ৰ দিনটো শ্ৰমিক দিৱস হিচাপে পালন কৰা হয়। শ্ৰমিকসকলক শোষণৰপৰা মুক্ত কৰাৰ লক্ষ্যৰে আয়োজিত এই দিৱসত পৃথিৱীৰ সকলো দেশতে এদিনৰ বাবে হ’লেও শ্ৰমিকসকলৰ কথা কোৱা হয়। তেওঁলোকৰ শোষণ, অন্যায়ৰ বিৰুদ্ধেও যে মাত মতা লোক এই পৃথিৱীত আছে সেই কথাই প্ৰমাণ কৰে মে’ দিৱসত। কিন্তু কোনে মাত মাতে? কেতিয়াবা এই দিনটোত মালিকপক্ষই শ্ৰমিকক কৰা অন্যায়ৰ বিষয়ে ব্যাখ্যা কৰে জানো? নিশ্চয় নকৰে। কাৰণ ওপৰলৈ থুৱালে নিজৰ গাতে পৰে। শ্ৰমিকসকলো যে মানুহ, সেই কথা মালিকপক্ষই কেতিয়াও নাভাবে। আনকি অৰ্ধেক মালিকেই শ্ৰমিকক ইতৰ জীৱ-জন্তুৰ দৰে ব্যৱহাৰ কৰে। শ্ৰমিকৰো যে দুখ-ভাগৰ আছে সেই কথা যেন তেওঁলোকে কেতিয়াও উপলব্ধি কৰিবই নোৱাৰে।

মে’ দিৱসতো বিশ্বৰ প্ৰায়ভাগ শ্ৰমিকেই শোষণৰ বলি হয়। আনকি যিসকল মালিকে শ্ৰমিক দিৱসৰ দিনা শ্ৰমিকৰদ্বাৰা কাম কৰাই তেওঁলোককেই সিদিনাও শোষণ কৰিয়েই কাৰ্য সম্পাদন কৰে। এয়া জানো হাস্যকৰ বিষয়

নহয়? যাৰ হকে কথা কয় তেওঁৰ কান্ধতেই বন্দুক চলায়। এয়া অপ্ৰিয় হ'লেও সত্য যে মালিকে যিমানেই ভাল ভাল কথা কৈ নাথাকক কিয়, তেওঁলোকৰ এটাই লক্ষ্য— শোষণ। শ্ৰমিকসকলৰ মাজত বিভাজন আনি কেনেদৰে মুনাফা লাভ কৰিব পাৰি তাৰেই চিন্তাত নিমগ্ন হৈ থাকে। কেনেবাকৈ এটা পক্ষক নিজৰ দখললৈ আনিব পাৰিলে তেওঁলোকে সেয়াই ব্ৰহ্মাস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিব পাৰে। সুযোগৰ অপেক্ষাত থকা শ্ৰমিকেও যে কেতিয়াবা ইয়াৰ মুনাফা আদায় নকৰে তেনে নহয়। সেইবাবে শ্ৰমিকৰ শোষণৰ ক্ষেত্ৰত একপক্ষীয়ভাৱে মালিকপক্ষকেই জগৰীয়া কৰিব নোৱাৰি। এপাট তাল কেতিয়াও নাবাজে। তদুপৰি মালিকে শোষণ কৰি থকাৰ বিষয়ে কোৱা বিষয়টো বাজি থকা বেল এটাই পুনৰ কোবাই দিয়াৰ লেখীয়া ঘটনা। শ্ৰমিকৰ শোষণ, দুখ-যন্ত্ৰণাৰ কথা কৈ অন্ত নপৰে। নদীৰ সোঁতৰ দৰে গতি। কেতিয়াবা দ্ৰুত হয় আৰু আন কেতিয়াবা মন্থৰ।

শ্ৰমিকক শোষণৰ ক্ষেত্ৰত যিবোৰ কাৰকে সুযোগ প্ৰদান কৰে সেইবোৰৰ ভিতৰত অন্যতম হ'ল দৰিদ্ৰতা। দৰিদ্ৰতাই কোঙা কৰা শ্ৰমিকে কেতিয়াও মালিকৰ বিপক্ষে প্ৰতিবাদ কৰিবলৈ সাহস নকৰে। কাৰণ এনে কৰিবলৈ গ'লে বিপদ যিকোনো মুহূৰ্ততে হোৱাৰ আশংকা থাকে। নিজৰ হাতৰ কুঠাৰ ভৰিত মাৰিব নোখোজা শ্ৰমিকৰ এদিন কাম বন্ধ হ'লেই পেটত কল্‌কলাই থকা শব্দৰ প্ৰকাশ আৰু বেছি হ'ব। পেটৰ ভাতমুঠিৰ বাবেই আমি সকলোৰে মালিকপক্ষৰ মুখলৈ চাই থাকিবলগীয়া হৈছে। শ্ৰম আইনৰপৰা আৰম্ভ কৰি আন বহুতো আইন প্ৰণয়ন হ'ল শ্ৰমিকসকলৰ সুৰক্ষাৰ বাবে। কিন্তু কাৰ্যতঃ এনে আইনেও সুৰক্ষা দিব পৰা নাই কপালৰ ঘাম মাটিত পেলাই শ্ৰম কৰা শ্ৰমিকসকলক। আজিও শিশু শ্ৰমিকেৰে ভৰি আছে সমাজৰ বিভিন্ন স্তৰ। যিসকলে শিশু শ্ৰমিকৰ বিষয়ে লম্ফ-জম্ফ কৰে তেওঁলোকেই বেছিকৈ এনেধৰণৰ শ্ৰমিকক শোষণ কৰে। বিশেষকৈ অভিজাত পৰিয়াল আৰু হোটেল-ৰেস্তোৰাঁ আদিত এনেধৰণৰ শ্ৰমিকেৰে ভৰি পৰিছে। এয়া কেৱল অসমৰেই ছবি নহয়, সমগ্ৰ বিশ্বতেই এনে ধৰণৰ ছবি সহজলভ্য হৈ পৰিছে। যেনি চাই তেনি কেৱল শিশু শ্ৰমিকেই দেখা পোৱা যায়। কাগজে-কলমে শিশু শ্ৰমিক বন্ধ কৰা হৈছে যদিও বাস্তৱত তাৰ ওলোটা ছবিহে প্ৰত্যক্ষ কৰা হয়। অৱশ্যে সমাজত এনে কিছু লোক আছে —যিসকলে ঘৰত শিশু শ্ৰমিক

ৰাখিলেও তেওঁলোকক পৰিয়ালৰ আন সদস্যৰ দৰে অথবা নিজৰ সন্তানৰ লেখীয়া মৰম কৰিও পঢ়া-শুনা কৰায়। কিছুমানে বিবাহৰ ক্ষেত্ৰতো আগভাগ লোৱা দেখা যায়। গতিকে সকলো মালিকেই যে শ্ৰমিকক শোষণ কৰে তেনে নহয়, মৰমেৰে সমস্যা সমাধান কৰিবলৈ চেষ্টা চলোৱা লোকো আমাৰ সমাজতেই আছে। সেইবাবে আমি দুয়োটা দিশ বিশ্লেষণ কৰিহে শ্ৰমিকক শোষণ কৰাৰ কথাটো উল্লেখ কৰিব লাগিব।

শ্ৰমিক-মালিকপক্ষৰ মাজত সুসম্পৰ্ক ৰক্ষা কৰিও কাম সুচাৰুৰূপে সম্পাদন কৰিব পাৰি। দুয়োপক্ষৰ আঁকোৰগোজ মনোভাবে উদ্যোগ, কাৰখানাৰ লগতে ঘৰুৱা ক্ষেত্ৰতো সমস্যাৰ সৃষ্টি হয়। মে' দিৱস বা শ্ৰমিক দিৱসৰ দিনা মালিকপক্ষৰ বিৰুদ্ধে শ্ল'গান দি শ্ৰমিকসকলৰ সমস্যা সমাধান কৰিব পৰা যায় জানো? শ্ৰমিকক শোষণৰপৰা মুক্ত কৰিবলৈ এদিন হাতে হাতে প্ৰতিবাদকাৰীসকলে ফেষ্টুন, বেনাৰ আদি লৈ মালিকপক্ষৰ বিৰুদ্ধে ধৰ্ণা দিলেই অথবা শ্ল'গান দিলেই কোনো সমস্যাৰ সমাধান নহয়। মালিকৰো লাভ হওক, শ্ৰমিকেও মৰ্যাদাসহকাৰে জীয়াই থাকক। তেতিয়াহে মে' দিৱস বা শ্ৰমিক দিৱস উদ্‌যাপনৰ অৰ্থ থাকিব। আমি প্ৰতিবছৰে এনে একোটা দিৱস উদ্‌যাপনৰ বিষয়ে বছৰটোৰ ৩৬৪ দিন শীত-তাপ নিয়ন্ত্ৰিত কোঠাত থকা বিষয়া-নেতাৰদ্বাৰা ৰূপায়ণ কৰাৰ বিষয়ে ভাবিলে ই চিৰদিন এটা বিশেষ দিন হিচাপেহে চিহ্নিত হৈ ৰ'ব। এই দিৱসৰদ্বাৰা শ্ৰমিকসকলৰ কোনোদিনেই উপকাৰ নহ'ব।

# প্ৰদূষণমুক্ত পৰিৱেশ গঢ়াৰ সংকল্প লওক

প্ৰতিবছৰে পাঁচ জুনত পালন কৰা হয় বিশ্ব পৰিৱেশ দিৱস। বিশ্বায়নৰ যুগত সমগ্ৰ বিশ্বতে প্ৰদূষণ এনেদৰে গা কৰি উঠিছে যে ইয়াৰ পৰা পৰিত্ৰাণ কাৰো বাবে সম্ভৱ নহয়। জল, স্থল, বায়ু সকলোতে কেৱল প্ৰদূষণ। ইয়াৰ ভয়াৱহ ছবিখনে সকলোৰে মনত আশংকাৰ সৃষ্টি কৰিছে। সেইবাবে বিশ্ববাসীৰ মাজত প্ৰদূষণৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ বাবে পাঁচ জুনত পালন কৰা হয় বিশ্ব পৰিৱেশ দিৱস। ইতিমধ্যে বিশ্ব ধৰিত্ৰী দিৱস পালন কৰা হৈছে বিভিন্ন দেশত। প্ৰদূষণ কেৱল কোনো এটা নিৰ্দিষ্ট অঞ্চলৰ সমস্যা নহয়। উন্নত দেশৰপৰা আৰম্ভ কৰি উন্নয়নশীল দেশলৈকে সকলোতে আৰম্ভ হৈছে ভয়াৱহ প্ৰদূষণ। ইতিমধ্যে বিশ্ব স্বাস্থ্য সংস্থাই বিভিন্ন দেশত হোৱা প্ৰদূষণে কেনেধৰণৰ আশংকাৰ সৃষ্টি কৰিব পাৰে সেই সম্পৰ্কে সতৰ্কবাণী শুনাইছে। অতিসম্প্ৰতি বিভিন্ন দেশত ভয়াৱহ ৰোগ সৃষ্টি হোৱাৰ মূলতে প্ৰদূষণ বুলি বিশ্ব স্বাস্থ্য সংস্থাই উল্লেখ কৰিছে। মৰণ ব্যাধি কেঞ্চাৰৰপৰা আৰম্ভ কৰি চৰ্মৰোগ, বিভিন্ন জন্তুৰদ্বাৰা বিয়পা ৰোগৰ প্ৰকোপো বৃদ্ধি হ'বলৈ ধৰিছে বুলি বিশ্বৰ সৰ্বোচ্চ ক্ষমতাসম্পন্ন সংস্থাটোৱে উল্লেখ কৰাৰ পাছত ইয়াক লৈ ব্যাপক চৰ্চাও হৈছে।

প্ৰদূষণৰ বাবে গোলকীয় উষ্ণতাও বৃদ্ধি পাবলৈ ধৰিছে। কিছুমান দেশত ৫০ ডিগ্ৰী চেলছিয়াছ উষ্ণতা হৈছেগৈ। আগন্তুক ১০ বছৰৰ ভিতৰত পৃথিৱীৰ উষ্ণতা পাঁচ ডিগ্ৰী চেলছিয়াছলৈ বৃদ্ধি পাব বুলি পৰিৱেশ বিজ্ঞানীসকলে মন্তব্য কৰিছে। কিছু বছৰ আগলৈকে আমাৰ ৰাজ্যখনতে দিনটোৰ তাপমাত্ৰা ৩০ ডিগ্ৰী চেলছিয়াছ হ'লে সকলোৰে মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছিল, কিন্তু এতিয়া ৩৯ ডিগ্ৰী চেলছিয়াছ উষ্ণতাও সহ্য কৰিবলগীয়া হৈছে। ৩৫-৩৬ ডিগ্ৰী চেলছিয়াছ উষ্ণতা স্বাভাৱিকভাৱেই সকলোৱে গ্ৰহণ কৰিবলৈ বাধ্য হৈছে।

বিশ্ব পৰিৱেশ দিৱসৰ দিনা কেইটিমান গছপুলি ৰুই বেনাৰ আঁৰিলেই দিৱস পালনৰ গুৰুত্ব নাথাকে। বছৰটোৰ আন দিনকেইটাতো আমি পৰিৱেশ সম্পৰ্কে সতৰ্ক হ'ব লাগিব। কাৰণ এনে বহুতো অনুষ্ঠান-প্ৰতিষ্ঠান, বিভাগ আছে —যিয়ে প্ৰতিবছৰে একে ঠাইতে একেটা গাঁততে গছপুলি ৰোপণ কৰে। অৰ্থাৎ প্ৰতিবছৰে ৰোৱা গছপুলিটোকে আদৰ-যত্ন নকৰাৰ ফলত মৰহি যায়। উপযুক্তভাৱে বেৰ আদি নিদিয়া বাবে গৰু-ছাগলীয়ে খাই পেলায়। চৌদিশে যদি এনেকৈয়ে বিশ্ব পৰিবেশ দিৱস পালন কৰা হয় তেতিয়াহ'লে পৰিৱেশৰ সংৰক্ষণ হ'বলৈ এনে কৰিলে নিশ্চয় পৰিৱেশৰ উন্নতি নহ'ব। প্ৰতিৰোধ নহ'ব প্ৰদূষণ।

আমি সকলোৱে পৰিৱেশ সংৰক্ষণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা উচিত। পৰিৱেশ সংৰক্ষণৰ বিষয়টো কেৱল সজাগতাৰে সম্ভৱ নহয় —যদিহে জনসাধাৰণে ইয়াক আন্তৰিকতাৰে গ্ৰহণ নকৰে। প্ৰকৃতিক ভাল পাবলৈ শিকিব লাগিব। যেতিয়া প্ৰকৃতিক ভাল পাবলৈ শিকিব তেতিয়াহে প্ৰকৃতিয়ে মানুহক জীয়াই থাকিবলৈ এটি উপযুক্ত পৰিৱেশ দিব। গছ নাথাকিলে মানুহ জীয়াই থাকিব নোৱাৰে। সেইবাবে সকলোৱে বছৰত এডাল হ'লেও গছ ৰোৱাৰ অভ্যাস গঢ়ি তুলিব লাগিব। আন দিনত নহ'লেও প্ৰতিগৰাকী ব্যক্তিয়ে যদি নিজৰ জন্মদিনত এডালকৈ গছ ৰোপণ কৰে তেতিয়াহ'লে চৌদিশে সেউজীয়া পৰিৱেশৰ সৃষ্টি হ'ব। এইক্ষেত্ৰত পিতৃ-মাতৃৰ লগতে অভিভাৱকে সন্তানক জন্মদিনত কেক উপহাৰ দিয়াৰ লগতে একোডালকৈ গছ ৰোৱাৰ বাবেও অনুপ্ৰেৰণা যোগোৱা উচিত। সৰুৰেপৰা এনে অভ্যাস গঢ়ি তুলিব পাৰিলে প্ৰকৃতিৰ ভাৰসাম্যও ৰক্ষা হ'ব। প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা নহ'লে আমি কোনোৱে

সুস্বাস্থ্যৰে জীয়াই থাকিব নোৱাৰোঁ। আমাক জীয়াই থাকিবলৈ হ'লে সুস্থ প্ৰাকৃতিক পৰিৱেশৰো প্ৰয়োজন। প্ৰদূষিত ঠাইত কোনোৱে বেছি সময় থাকিব নোৱাৰে। যিবোৰ লোক প্ৰদূষিত অঞ্চলত বসবাস কৰে তেওঁলোকৰ স্বাস্থ্য সহজে ভাগি পৰে। বিভিন্ন ধৰণৰ ৰোগেও সহজে আক্ৰমণ কৰিবলৈ সুযোগ লাভ কৰে। স্বাস্থ্য ভালে নাথাকিলে দৈনন্দিন কামসমূহ সুচাৰুৰূপে সম্পাদন কৰিব নোৱাৰে। ফলত পৰোক্ষভাৱে অৰ্থনৈতিক ক্ষেত্ৰতো বৃহৎ পৰিমাণৰ লোকচানৰ সন্মুখীন হ'বলগীয়া হয়। ফলত দেশৰ অৰ্থনৈতিক উন্নয়নতো ব্যাঘাত জন্মে। সেইবাবে নিজৰ লগতে সমাজ তথা দেশৰ সৰ্বাংগীণ উন্নয়নৰ বাবে প্ৰদূষণমুক্ত পৰিবেশৰ প্ৰয়োজন। সেয়েহে আমি সকলোৱে সংকল্প লওঁ আহক মিলিজুলি পৰিৱেশৰ সংৰক্ষণ কৰিম।

# বাল্যবিবাহ প্ৰতিৰোধৰ বাবে গঠন হওক এখন উমৈহতীয়া মঞ্চ

ৰাজা ৰামমোহন ৰায়ে সতীদাহ প্ৰথা আৰু বাল্যবিবাহৰ বিৰুদ্ধে যুঁজ দিছিল। ব্ৰিটিছ প্ৰশাসক লৰ্ড বেণ্টিঙে ভাৰতত সতীদাহ প্ৰথা বন্ধ কৰিছিল। আইনৰ গণ্ডীৰ ভিতৰত সতীদাহ প্ৰথাৰ পক্ষত থকাসকলক শাস্তি প্ৰদানৰ বাবে ব্যৱস্থা গ্ৰহণৰ পাছত স্বাধীনোত্তৰ কালত আজিৰপৰা তিনি দশক পূৰ্বে ভাৰতত মাত্ৰ এবাৰেই সতীদাহৰ ঘটনা সংঘটিত হৈছে। অৱশ্যে এই ঘটনাৰ পৰৱৰ্তী সময়ত পুনৰাবৃত্তি ঘটা নাই। কিন্তু বাল্যবিবাহ আজিও অবাধ গতিতেই চলি আছে। অতি সম্প্ৰতি ভাৰতৰ আন ৰাজ্যৰ লগতে অসমত বাল্যবিবাহজনিত ঘটনা অস্বাভাৱিকভাৱে বৃদ্ধি পাইছে। একাংশ অনগ্ৰসৰ তথা আৰ্থিকভাৱে দুৰ্বল পৰিয়ালত সহজেই সুবিধাবাদী লোকসকলে বাল্যবিবাহ সম্পন্ন কৰিয়েই আছে। অসমৰ সংবাদ মাধ্যমতে বাল্যবিবাহৰ বাতৰি সবিস্তাৰে প্ৰকাশ পাইছে। ৰাজ্যখনৰ কে'বাটাও সংগঠনৰ সক্ৰিয় ভূমিকা তথা তৎপৰতাৰ বাবে কে'বাখনো বাল্যবিবাহ পৰিয়ালে স্থগিত ৰাখিবলৈ বাধ্য হৈছে। বাল্যবিবাহৰ বিৰুদ্ধে ইতিমধ্যে বিভিন্ন সংগঠনে সৰৱ হৈ ইয়াক প্ৰতিহত কৰিবলৈ প্ৰশাসন তথা চৰকাৰক দাবী জনাইছে।

বাল্যবিবাহ ভাৰতীয় সংস্কৃতিৰ পৰিপন্থী। ভাৰতীয় সমাজত গোপনে এনে কাৰ্য চলি থাকিলেও ইয়াৰ সমৰ্থনত কোনো লোক নাই। ইয়াৰ বাবে আজি সমাজ ব্যৱস্থাক সম্পূৰ্ণৰূপে দায়ী কৰিব নোৱাৰোঁ। কাৰণ আমাৰ সমাজত এতিয়াও অৰ্ধেক লোকেই হ'ল অশিক্ষিত। বিশেষকৈ ভিতৰুৱা অঞ্চলসমূহৰ লোকক আজিও সৰ্বস্তৰৰ শিক্ষাই সামৰি ল'ব পৰা নাই। কু-সংস্কাৰে আৱৰি থকা এনে সমাজত বাল্যবিবাহৰ দৰে ঘটনা সংঘটিত হৈ থাকিবই। ইয়াক সমাজৰপৰা আঁতৰ কৰিবলৈ হ'লে প্ৰথমতে শিক্ষিত লোকৰ সংখ্যা বৃদ্ধি কৰিব লাগিব। শিক্ষাৰ প্ৰসাৰৰ লগে লগে কুসংস্কাৰো আঁতৰি যাব। বিশেষকৈ অনগ্ৰসৰ অঞ্চল, চৰাঞ্চলত অশিক্ষিত লোকৰ সংখ্যা বেছি বাবে বাল্যবিবাহো হৈ আছে। কাৰণ এনে অশিক্ষিত লোকক ধনৰ লগতে বিভিন্ন প্ৰলোভনেৰে প্ৰলোভিত কৰাটো সহজ। সমাজৰ সুবিধাবাদী লোকসকলে স্বাৰ্থ সিদ্ধিৰ বাবে সাধাৰণতে অশিক্ষিত আৰু দুখীয়া লোকক টাৰ্গেট কৰি লয়।

ধৰ্মীয় দৃষ্টিকোণৰপৰা বাল্যবিবাহৰ মূল্য বা গুৰুত্ব আছে বুলি ভাবে বাবে বহুতে এনে কাৰ্য সমৰ্থন কৰে। অশিক্ষিত লোকৰ কথা বাদেই, শিক্ষিত তথা সম্ভ্ৰান্ত পৰিয়ালৰ লোকেও বাল্যবিবাহক সমৰ্থন কৰে। কিন্তু কোনো ধৰ্মই আজিলৈকে বাল্যবিবাহক সমৰ্থন জনোৱা নাই। উপযুক্ত বয়সত ল'ৰা-ছোৱালীৰ বিবাহ সম্পন্ন কৰাৰ বাবে সকলো ধৰ্মই সমৰ্থন কৰে। কিন্তু ইয়াৰ অপব্যাখ্যা কৰি কম বয়সতে বিয়া পাতি দিয়ে। কম বয়সত বিয়া পাতিলে অধিক সন্তান জন্ম পায়। তদুপৰি মহিলাগৰাকীৰ স্বাস্থ্য কম বয়সতে ভাগি পৰে। চিকিৎসা বিজ্ঞানৰ মতে ১৮ বছৰৰ আগলৈকে ছোৱালীয়ে সন্তান জন্ম দিব পৰাকৈ শাৰীৰিক বিকাশ নহয়। আনকি কিছুমান মহিলাই অধিক সন্তান কম বয়সতে জন্ম দিয়াৰ ফলত শাৰীৰিক-মানসিকভাৱে দুৰ্বল হৈ মৃত্যুমুখত পৰে। তদুপৰি অধিক সন্তান জন্ম দিলে ভালদৰে লালন-পালনৰ লগতে শিক্ষা-দীক্ষাও প্ৰদান কৰিব নোৱাৰে। সেইবাবে এনে সন্তান বিপথে পৰিচালিত হোৱাৰ সম্ভাৱনা অধিক। পাৰিবাৰিক অশান্তিও বৃদ্ধি পায়। অপৰাধ জগতৰ স'তে সাঙোৰ খালে পিতৃ-মাতৃয়েও অশান্তিৰ মাজেৰে দিন অতিবাহিত কৰিবলগীয়া হয়। গতিকে বাল্যবিবাহ বন্ধ কৰিবলৈ সকলোৰে পদক্ষেপ গ্ৰহণ কৰা উচিত। সমাজত সজাগতা সৃষ্টিৰ বাবে বিভিন্ন দল-সংগঠন, সংশ্লিষ্ট

বিভাগসমূহে পদক্ষেপ গ্ৰহণ কৰিব লাগে। সজাগতা সভাৰ উপৰি বাটৰ নাট আদি প্ৰদৰ্শন কৰিলে ৰাইজে ইয়াৰ নেতিবাচক প্ৰভাৱ সম্পৰ্কে কিছু পৰিমাণে হ'লেও জানিব পাৰিব। বাল্যবিবাহৰপৰা হ'ব পৰা নেতিবাচক প্ৰভাৱ সম্পৰ্কে জানিব পাৰিলে বহুতেই নিজৰ সন্তানক কম বয়সতে বিয়া পাতি দিবলৈ ইচ্ছা নকৰিব। ধৰ্ম নহয়, বাস্তৱৰ স'তে মোকাবিলা কৰিবলৈহে শিকিব লাগে। ধৰ্মীয় নেতা-গুৰু আদিৰদ্বাৰাও ৰাইজক ইয়াৰ পৰা হ'ব পৰা সমস্যা সম্পৰ্কে বুজাই দিব পাৰিলেও নিশ্চয় সুফল পোৱা যাব। ধৰ্মীয় অনুভূতিত আঘাত নকৰাকৈয়ে যদি ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰা হয় তেতিয়াহ'লে ইয়াক কেন্দ্ৰ কৰি কোনো সম্প্ৰদায় বা জাতিৰ লোকে বিৰূপ প্ৰতিক্ৰিয়া প্ৰকাশ নকৰিব। ইয়াক লৈ ৰাজনৈতিক নেতা আদিয়েও কোনোধৰণৰ ইছু কৰিব নোৱাৰিব। মুঠতে নেতিবাচক নহয়, ইতিবাচক দিশেৰেই সকলোখিনি আগবাঢ়িব লাগিব। তেতিয়াহে সমাজৰ ব্যাধিস্বৰূপ বাল্যবিবাহ আঁতৰি যাব। বাল্যবিবাহে কিদৰে ল'ৰা-ছোৱালীৰ ভৱিষ্যৎ জীৱন অন্ধকাৰ কৰি তোলে, লগতে পৰিয়ালৰ উপৰি সমাজ, দেশৰ উন্নয়নত ব্যাঘাত জন্মোৱাৰ পথত হেঙাৰ হয় সেই বিষয়ে সকলোৱে উপলব্ধি কৰিব পৰাকৈ এখন উমৈহতীয়া মঞ্চ গঠন কৰিব লাগিব। এই মঞ্চৰপৰাই আৰম্ভ হওক কু-সংস্কাৰবিৰোধী অভিযান।

# জন্মদিনৰ উপহাৰ ঃ মানসিকতা সলনিৰ প্ৰয়োজন

প্ৰতিগৰাকী ব্যক্তিয়ে বছৰৰ কোনো এটা দিনত নিজৰ জন্মদিন পালন কৰে। বছৰৰ আন দিনৰ দৰে এই বিশেষ দিনটোও ২৪ ঘণ্টাই যদিও দিনটোৰ প্ৰতি মুহূৰ্তৰে আছে এক সুকীয়া অনুভূতি। এই অনুভূতি লৈয়ে মানুহে জীয়াই থাকে। দৰাচলতে এই বিশেষ দিনটো এইবাবেই পালন কৰা হয়। সময়ৰ গতিৰ স'তে খোজ মিলাবলৈ গৈ মানুহে দিনৰ দিনটো হৈ পৰে ব্যস্ত। চাৰিওফালৰ পৰিৱেশে অহৰ্নিশে হেঁচা দি থকা মনটোৱে কেতিয়াবা বিচাৰে জিৰণি। কিন্তু দৈনন্দিন কাৰ্য সম্পাদনৰ বিষয়ে ভবাৰ সমান্তৰালভাৱে সুযোগৰ অপেক্ষাত থাকে। জন্মদিনটোও সকলোৱে মুকলিভাৱে পালন কৰিলে দিনটোৰ স্মৃতি চিৰদিনৰ বাবে সজীৱ হৈ পৰিব। এই বিশেষ দিনটো আৰু অধিক সজীৱ কৰিবলৈ এনে কিছু স্থায়ী কাম কৰিব লাগে, যাৰদ্বাৰা আন দহজনেও মনত ৰাখিব পাৰে।

সাধাৰণতে সম্ভ্ৰান্ত পৰিয়ালৰ লোকসকলে সন্তানৰ জন্মদিনত বিশাল আয়োজন কৰে। ঘৰতেই হওক বা হোটেল-ৰেস্তোৰাঁতে হওক বিদেশী খাদ্যসম্ভাৰেৰে অভ্যাগতসকলক খুৱাই-বোৱাই আনন্দ উপভোগ কৰে। নিমন্ত্ৰিত লোকসকলেও দামী-দামী উপহাৰ দিয়ে। পিছদিনাখনেই এই উপহাৰসমূহ চোৱাত ব্যস্ত হয়। ঘৰৰ চাৰিবেৰৰ বাহিৰৰ কোনো লোকে গম নাপাই কি কি বস্তু লাভ কৰিলে। পাছৰ বছৰ জন্মদিন পালন কৰিলে আগৰ বছৰৰ উপহাৰ আদিৰ বিষয়ে পাহৰি যায়। এনেদৰে বছৰ বছৰ ধৰি পালন কৰা জন্মদিনৰ হিচাব এসময়ত কৰিলে ফলাফল বিশেষ একো পোৱা নাযায়। মাথোঁ ব্যয়ৰ পৰিমাণহে বৃদ্ধি হোৱাৰ বিষয়ে জানিব পাৰি। ইয়াকে নকৰি যদি

জন্মদিনত পথৰ দাঁতিত একোডাল মূল্যৱান গছপুলি ৰোপণ কৰা হয় তেতিয়াহ'লে ভৱিষ্যতে এই গছডালে নিজৰ লগতে সমাজৰ আন দহগৰাকী লোকৰো উপকাৰ সাধন কৰিব। ফল-মূলৰ গছপুলি ৰুলে ভৱিষ্যতে পৰিয়ালৰ সদস্যৰ উপৰি আন দহজনেও খাব পাৰিব। ফল খালে স্বাস্থ্যৰ উপকাৰ হ'ব। সুস্বাস্থ্যৰ অধিকাৰী হ'লে পৰিয়ালৰ লগতে সমাজ, দেশৰ উন্নতি হ'ব। গতিকে জন্মদিনত ৰোপণ কৰা এডাল গছৰপৰা পৰোক্ষভাৱে কিমান উপকৃত হ'ব পাৰি এবাৰ ভাবি চাওকচোন। আপোনাৰ সন্তানৰ জন্মদিনৰ উপহাৰ ইয়াতকৈ আন একো ডাঙৰ হ'ব নোৱাৰে।

জন্মদিনত কিতাপো উপহাৰ দিব পাৰি। আগতে বিবাহৰ উপৰি জন্মদিনতো কিতাপ উপহাৰ দিছিল। কিন্তু আজিকালি এইবোৰৰ পৰিৱৰ্তে প্লাষ্টিকৰ সামগ্ৰী উপহাৰ দিয়াৰ মানসিকতাই গঢ় লৈ উঠিছে। বিশেষকৈ চীনত প্ৰস্তুত কৰা শৰীৰৰ বাবে অপকাৰী প্লাষ্টিকৰ সামগ্ৰী পিষ্টল, বন্দুক, উৰাজাহাজ, ৰে'লগাড়ী আদি উপহাৰ দিয়ে। এইবোৰে দৰাচলতে শৰীৰৰ বাবেই নহয় পৰিৱেশো প্ৰদূষিত কৰা উৎসহে মাথোন। তদুপৰি এনেধৰণৰ সামগ্ৰীয়ে শিশুৰ মনত বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি কৰাৰ আংশকা থাকে। বন্দুক, পিষ্টল আদি প্ৰতীকী হ'লেও এইবোৰে শিশুৰ মনত লুকাই থকা জিঘাংসু মানসিকতাক উত্তেজিত কৰিব পাৰে। এনে হ'লে নিজৰ অজ্ঞাতেই অপৰাধজগতত প্ৰৱেশ কৰাৰ আশংকাও নুই কৰিব নোৱাৰি। গতিকে শিশুটিক জন্মদিনৰ উপহাৰ দিওঁতেও দাতাই সতৰ্কতা অৱলম্বন কৰা উচিত। এইবোৰৰ পৰিৱৰ্তে যদি এখন ভাল কিতাপ বিশেষকৈ সাধুকথাৰ পুথি, মহৎ লোকৰ জীৱন কাহিনী, মহান লোকৰ আত্মজীৱনী, ৰচনা, কুইজ, সাধাৰণ জ্ঞানৰ কিতাপ আদি উপহাৰ দিলেও সুফল পোৱা যায়। গতিকে এনেধৰণৰ উপহাৰ দিয়াৰ অভ্যাস গঢ়ি তুলিব লাগে।

কে'ক্ কাটি জন্মদিন পালন কৰাটো পৰম্পৰা। কিন্তু কে'ক্ কটাৰ পূৰ্বে গুৰুজন, পিতৃ-মাতৃ, জ্যেষ্ঠজনক এটা সেৱা জনোৱা হয় জানো? পিতৃ-মাতৃৰ আশীৰ্বাদ লৈ অথবা জ্যেষ্ঠজনৰপৰা আঁঠুকাঢ়ি আশীৰ্বাদ লোৱাৰ পাছতহে কে'ক্ আদি কাটি জন্মদিনৰ আনন্দ উপভোগ কৰিব লাগে। জ্যেষ্ঠজনৰপৰা আশীৰ্বাদ লোৱাটো ভাৰতীয় পৰম্পৰা। আমি আধুনিক বুলি পৰিচয় দিও পৰম্পৰা ৰক্ষা কৰিব পাৰোঁ। মাথোঁ মানসিকতাৰ ওপৰতে গোটেই বিষয়টো নিৰ্ভৰ কৰে। কোনোৱে যেন জীৱনৰ মূল্যৱান দিন এটি পণ্য হিচাপে গ্ৰহণ নকৰে। ইয়াক মৰ্যাদাপূৰ্ণ দিন হিচাপেহে গ্ৰহণ কৰা উচিত।

# ৰঙা লাইটবিহীন জনপ্ৰতিনিধিৰ মানসিকতা পৰিৱৰ্তন হ'বনে

ভাৰতীয় সংবিধানে সকলোকে সম অধিকাৰ প্ৰদান কৰিছে। সকলোৰে সমভাৱে জীয়াই থাকিব পাৰে। কামৰ মৰ্যাদা সকলোৰে বাবে সমান। কিন্তু ৰাজনীতিকসকলে তেওঁলোকক পৃথকভাৱে চিহ্নিত কৰিবলৈ ব্যৱহাৰ কৰি আহিছে ৰঙা লাইটযুক্ত গাড়ী। কেৱল সেয়াই নহয়, ভি ভি আই পি ব্যক্তিসকলেও নিজকে আনৰ কামৰপৰা পৃথক আৰু উচ্চপদস্থ বুলি চিহ্নিত কৰিবলৈ এনেধৰণৰ লাইটযুক্ত গাড়ী ব্যৱহাৰ কৰিছে। স্বাধীনতা লাভৰ পাছৰেপৰা ইয়াৰ ব্যৱস্থা আৰম্ভ হয়। ৰাষ্ট্ৰপতিৰপৰা আৰম্ভ কৰি ভি ভি আই পিয়ে ৰঙা লাইটযুক্ত গাড়ী ব্যৱহাৰ কৰি তেওঁলোকে সাধাৰণ জনতাৰপৰা আৰম্ভ কৰি আন বিষয়া-কৰ্মীৰপৰা নিজকে সুকীয়া পৰিচয় দি আহিছে। ৰঙা লাইটযুক্ত গাড়ী ব্যৱহাৰ মানে অত্যধিক ক্ষমতাসম্পন্ন ব্যক্তি। তেওঁলোকৰ হাততে থাকে প্ৰশাসন যন্ত্ৰৰ উচ্চ ক্ষমতা। ক'ৰবালৈ গ'লে পথটো মুকলি কৰি দিবলগীয়া হয় এইসকল ক্ষমতাসম্পন্ন ব্যক্তিয়ে দ্ৰুতগতিত বাধাহীনভাৱে গন্তব্য স্থানত সোনকালে উপস্থিত হ'ব পাৰে। কাৰণ এইসকল ব্যক্তিয়ে নিৰ্ধাৰণ কৰে নীতি-নিয়মৰপৰা আৰম্ভ কৰি পৰিকল্পনা প্ৰস্তুতলৈকে সকলো। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ কেবিনেটে অলপতে ৰাষ্ট্ৰপতিৰ বাহিৰে আন কোনো লোকে ৰঙা লাইট ব্যৱহাৰ কৰিব নোৱাৰিব বুলি নিৰ্দেশনা কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এনে সিদ্ধান্তক আদৰণি জনোৱাৰ লগে লগে ভাৰতীয় ৰাজনীতিত সংযুক্ত হ'ল এক নতুন ইতিহাসৰ। মন্ত্ৰী-বিধায়ক, সাংসদ হ'ল জনপ্ৰতিনিধি। সৰ্বসাধাৰণ ৰাইজৰ সৰ্বাংগীণ উন্নয়নৰ লগতে দেশৰ বাবে

কাম কৰিবলৈ তেওঁলোকক ৰাইজে নিৰ্বাচিত কৰে। ৰাইজৰ কথাহে শুনিব লাগে জনপ্ৰতিনিধিয়ে। ভাৰতীয় নাগৰিকসকলে সমমূল্যৰ ভোটেৰে প্ৰতিনিধি নিৰ্বাচিত কৰে। বিধানসভা বা লোকসভালৈ নিৰ্বাচিত হোৱাৰ পাছতহে কোনোবা প্ৰধানমন্ত্ৰী, মন্ত্ৰী, সাংসদ, বিধায়ক আদি হয়। ইয়াৰ বাবে তেওঁলোকে উপযুক্ত বেতন লাভ কৰে। গতিকে তেওঁলোক যেতিয়া পথেৰে যাব তেতিয়া ৰাইজে দীৰ্ঘসময় ধৰি পথ অতিক্ৰমিবলৈ অপেক্ষা কৰিবলগীয়া হয়। তদুপৰি বহুতে আদবাটৰপৰাই ঘৰলৈ উভতিবলৈ বাধ্য হয়। আনকি ৰঙা লাইট জ্বলাই গাড়ী পথেৰে যাব বুলি ৪৫ মিনিট সময় এম্বুলেঞ্চতে ৰোগীয়ে যন্ত্ৰণাময় সময় কটায়। আনকি ৰোগীয়ে এম্বুলেঞ্চতে প্ৰাণ হেৰুৱাবলগীয়া পৰিস্থিতিৰো সৃষ্টি হৈছে। দুই-এদিন এম্বুলেঞ্চতে সন্তান প্ৰসৱ কৰাৰো ঘটনা সংঘটিত হৈছে। দিনটোৰ বাবে ক'ত কিমানে গুৰুত্বপূৰ্ণ কামৰ বাবে ওলাই আহে, পিছে মন্ত্ৰী-বিধায়ক আহিব বুলি আপেক্ষা কৰোতেই সময় উকলি যায়।

ৰঙা লাইট নোহোৱা কৰিলেই জনপ্ৰতিনিধিৰ মানসিকতা সলনি নহ'ব। ইয়াৰ বাবে প্ৰয়োজন মানসিকতাৰ পৰিৱৰ্তন। জনপ্ৰতিনিধিয়ে ৰাইজৰ মাজত ব্যৱধান ৰাখি কাম কৰিলে কোনো পক্ষই লাভান্বিত নহ'ব। যিমানেই জনপ্ৰতিনিধিয়ে ৰাইজৰ মাজত ব্যৱধান ৰাখিব সিমানেই ৰাইজৰ ক্ষোভ বৃদ্ধি হ'ব। সেইবাবে দেশৰ প্ৰচলিত নিয়মৰ বিপৰীতে অৱস্থান কৰি ৰাইজৰ পক্ষত থিয় দিবলৈ কেন্দ্ৰীয় চৰকাৰৰ কেবিনেটে গ্ৰহণ কৰা সিদ্ধান্ত আৰু প্ৰধানমন্ত্ৰী মোদীৰ সিদ্ধান্তই ৰাইজৰ মনত কিছু পৰিমাণে হ'লেও আশাৰ সঞ্চাৰ কৰিছে। তদুপৰি জনপ্ৰতিনিধিক প্ৰধানমন্ত্ৰী মোদীয়ে পুনৰ ৰাইজৰ মাজলৈ যাবলৈ আৰু ৰাইজৰ দৰে সাধাৰণ জীৱন-যাপন কৰোৱাৰ বাবে গ্ৰহণ কৰা পদক্ষেপে দেশৰ প্ৰচলিত ব্যৱস্থাৰ সংস্কাৰ সাধন কৰি দেশখনক আৰু এখোজ আগুৱাই নিব।

সময় সকলোৰে বাবে মূল্যৱান। এজন ব্যক্তিৰ বাবে লাখ লাখ লোকৰ অসুবিধা হোৱা ৰঙা লাইট আঁতৰোৱাৰ লগে লগে সাধাৰণ ৰাইজেও স্বস্তিৰ নিশ্বাস পেলাইছে। কাৰণ এতিয়া আৰু মন্ত্ৰী-বিধায়ক আহিব বুলি বাট মুকলিকৈ ৰাখিবলৈ চাৰিওফালৰ পথ বন্ধ কৰিব নালাগে। ৰাইজেও ইয়াৰ বাবে আৰক্ষীৰ ককৰ্থনা শুনিবলগীয়া নহয়। ৰঙা লাইট আঁতৰাৰ পাছত এতিয়া জনপ্ৰতিনিধিসকলে কেনে মানসিকতা প্ৰদৰ্শন কৰে সেয়া হ'ব লক্ষণীয়। যদিহে মানসিকতাৰ কোনো পৰিৱৰ্তন নহয় তেতিয়াহ'লে ইয়াক আঁতৰ কৰা-নকৰাৰ মাজত কোনো পাৰ্থক্য নাথাকিব। অৱশ্যে এটা প্ৰচলিত পদ্ধতিৰ পৰিৱৰ্তন কৰাৰ পাছত মিলিবলৈ কিছু সময়ৰ প্ৰয়োজন।

# শিবিৰত থকা লোকসকলৰ কথা এবাৰ ভাবকচোন

অসমৰ বিভিন্ন ঠাইত সময়ে সময়ে আশ্ৰয় শিবিৰ স্থাপন কৰি বহুতো লোকে বসবাস কৰাৰ ঘটনা সংঘটিত হৈ আহিছে। বিভিন্ন কাৰণত আশ্ৰয় শিবিৰত থকা লোকসকলে পৰৱৰ্তী সময়ত পুনৰ নিজ গৃহলৈ উভতি যায়। কিন্তু এনে কিছু লোক আছে যিসকলে পৰিস্থিতি স্বাভাৱিক হোৱাৰ পাছতো ঘৰলৈ উভতি যাব নোৱাৰে। গোষ্ঠীসংঘৰ্ষ, গৰাখহনীয়া, উগ্ৰপন্থীৰ আক্ৰমণৰ উপৰি আন বহুতো কাৰণত মৰমৰ ঘৰখন এৰি নিৰাপদ স্থানত আশ্ৰয় গ্ৰহণ কৰে। এই লোকসকলক মানৱীয়তাৰ খাতিৰত বহুতে সাহায্য প্ৰদান কৰে। কেইদিনমান সংবাদ মাধ্যমত ইয়াৰ বিষয়ে বাতৰি পৰিৱেশন কৰা হয়। শোক সাগৰত ডুব যোৱা লোকৰ অভাৱ নাথাকে। সকলোৱে হত্যাকাণ্ডৰ গৰিহণা দিয়ে। দুৰ্বৃত্তক, উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি প্ৰদান কৰিবলৈ বিভিন্ন দল-সংগঠনে দাবী উত্থাপন কৰি বিভিন্ন প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। সাহায্য প্ৰদান কৰি ঘঁৰিয়ালৰ চকুপানী টোকা লোকৰো অভাৱ নাথাকে। এই ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে সকলোৱে স্থায়ীভাৱে কিবা এটা কৰিব যেন লাগে। অন্ন, বস্ত্ৰ, বাসস্থানৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিব।

এদিন-দুদিনকৈ সময় বাগৰে। লাহে লাহে ভয়াবহ ছবিখন আঁতৰি পৰিস্থিতি স্বাভাৱিক হয়। আক্ৰান্ত লোকসকলৰ মনত ভয়াবহ ছবিখন সজীৱ হৈ থাকিলেও আন লোকৰ এইবোৰ ভাবিবলৈ আহৰি নোহোৱা হয়। সাহায্য সামগ্ৰীসমূহ শেষ হোৱাৰ লগে লগে শিবিৰত থকা লোকসকলৰ হাহাকাৰ অৱস্থাৰ সৃষ্টি হ'বলৈ ধৰে। খাদ্য সংকটৰ সমান্তৰালভাৱে লজ্জা নিবাৰণৰ বাবে এডুখৰি বস্ত্ৰও পাবলৈ নাপায়। কেৱল সেয়াই নহয়, মুক্ত আকাশৰ

তলত থাকিয়ে জীৱন অতিবাহিত কৰে। কণ কণ শিশুসকল শিক্ষাৰপৰা বঞ্চিত হোৱাৰ আশংকাই অধিক। শিশুৰ মৌলিক অধিকাৰ খৰ্ব হয় একাংশ লোকৰ বাবে। এনে লোকৰ সমস্যা সমাধান পৰিৱৰ্তে ৰাজনীতিকেও ৰাজনীতি আৰম্ভ কৰে। এইসকলক পুনৰ সংস্থাপনৰ নামত আৰম্ভ হয় দুৰ্নীতি-অনিয়ম। নিৰ্বাচন আহিলেই বিভিন্ন দল-সংগঠনে এনে লোকক লৈ আৰম্ভ কৰে চৰ্চা। ভোট লাভৰ আশাতে ৰাজনৈতিক নেতাসকলেও আশ্বাসেৰে নিৰ্বাচনৰ সময়ত মন উপচাই দিয়ে। সকলোৰে ঘঁৰিয়ালৰ চকুপানী টুকি নৈ বোৱাই দিলেও নিৰ্বাচনৰ পাছত সকলো ফুটুকাৰ ফেন হৈ পৰে। আশাহত হয় এইসকল লোক।

মথাউৰি, পথৰ দাঁতিতে আজিও বহু ঠাইত অস্থায়ীভাৱে থাকিবলৈ বাধ্য হৈছে খহনীয়াত আক্ৰান্তই। মাজুলীৰপৰা আৰম্ভ কৰি লাহৰীঘাট, গোৱালপাৰা, বৰপেটা, লখিমপুৰ, শোণিতপুৰ জিলাৰ খহনীয়াত ভেটি-মাটি হেৰুওৱা হেজাৰ হেজাৰ লোকে এনেদৰে বসবাস কৰিবলৈ বাধ্য হৈছে। অস্বাস্থ্যকৰ পৰিৱেশতে ল'ৰা-ছোৱালীক ডাঙৰ-দীঘল কৰিছে। এই লোকসকলৰো এদিন এখন ঘৰ আছিল। মৰমৰ ঘৰখন নদীৰ বুকুত জাহ যোৱাৰ পাছত থাকিবলৈ আন ঠাইতো নাই নিজৰ মাটি। বিদ্যালয়গৃহ খহনীয়াই নিশ্চিহ্ন কৰাত শিক্ষা গ্ৰহণৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ ঠিকনা নোহোৱাত ঘৰতে থাকিবলগীয়া হৈছে। দেশৰ সম্পদস্বৰূপ এইসকল ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ অন্ধকাৰৰ দিশে আগবাঢ়িছে। খহনীয়াই এনে শিশুক পৰোক্ষভাৱে 'অপৰাধ' জগতখনৰ দিশে আগবাঢ়ি যাবলৈ সুযোগ দিয়ে। দৰাচলতে এইসকল সহজ-সৰল লোকৰ বিষয়ে ভালদৰে ভাবিবলৈ কাৰোৰে আহৰি নাই। সকলো কেৱল ৰাজনীতি কৰাক লৈয়ে ব্যস্ত। কেৱল ৰাজনীতিকসকলেই নহয়, বিভিন্ন সংগঠনেও ইয়াক লৈ ৰাজনীতি কৰাতেই ব্যস্ত থাকে। মুক্ত আকাশৰ তলত নিশা উজাগৰে কটোৱাটো কিমান কঠিন সেয়া ভুক্তভোগীয়েহে ভালদৰে বুজিব পাৰে, দূৰৈৰপৰা বুজাটো সম্ভৱ নহয়। এই লোকসকলক লৈ ৰাজনীতিৰ বোকা ছটিওৱা পৰ্ব বন্ধ কৰি সমস্যা-সমাধানৰ ওপৰত গুৰুত্ব প্ৰদান কৰাহে উচিত। কাৰণ শৰণাৰ্থীৰ নাথাকে কোনো জাতি-ধৰ্ম। সকলো ধৰ্ম, জাতি, গোষ্ঠী-জনগোষ্ঠীৰ লোকেই শিবিৰত একেলগে বসবাস কৰে। তেওঁলোকৰ মনত নাথাকে হিংসা-কপটতা। মাথোঁ তেওঁলোকে হিংসা-খহনীয়াত আক্ৰান্ত হৈ ঘৰ-বাৰী হেৰুৱাইছে। মনত শংকা। কেতিয়াবা জাগি উঠে আশা, কিজানি নিজৰ ঘৰখনলৈ উভতি যাব পাৰে।

# মাতৃ দিৱসৰ কিছু প্ৰাসংগিক চিন্তা

জীৱকুলৰ সৃষ্টিৰ মূলতে হ'ল মাতৃ। মাতৃ অবিহনে এই বিশ্বব্ৰহ্মাণ্ডৰ বিনন্দীয়া সৃষ্টি উপভোগ কৰাটো অসম্ভৱ। কিন্তু আজি ভোগবাদী সমাজখনত এই সৃষ্টিকেই উপেক্ষা কৰা হৈছে। সন্তানে মাতৃক অচিনাকি লোকৰ দৰে ব্যৱহাৰ কৰা ঘটনা প্ৰায়েই সংবাদ মাধ্যমত পঢ়িবলৈ পোৱা যায়। বৈদ্যুতিন মাধ্যমৰ পৰ্দাত দেখা পোৱা যায় অসহায় মাতৃৰ হিয়াভগা কান্দোনৰ ছবিখন। ৰাজপথত, আওহতীয়া ঠাইত, গছৰ তলত পুত্ৰ-কন্যা তথা বোৱাৰীয়ে থৈ যায় বৃদ্ধা মাতৃক। ছবিখন দেখিলে মনত এনে এটি ভাব হয় যেন জন্মদাত্ৰীগৰাকী পৰিয়ালটোৰ বাবে বোজা হৈ পৰিছে। যিগৰাকী মাতৃয়ে নিজে নাখাই সন্তানক খুৱায়, যিগৰাকী জন্মদাত্ৰীয়ে জীৱনৰ প্ৰতিটো মুহূৰ্ততে সন্তানৰ হিত চিন্তা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰি থাকে, তেওঁকেই দোভাগ নিশা হাড় কঁপোৱা ঠাণ্ডাত পথত এৰি থৈ যোৱাসকলে এবাৰো ভাবি নাচাই কিয় যে তেওঁলোকো এদিন বৃদ্ধা মাতৃৰ দৰে অলৰ-অচৰ হ'ব। এড়ুখৰি বস্ত্ৰ আৰু সামান্য আহাৰ খাই জীৱন ধাৰণ কৰা মাতৃগৰাকী বাৰু বোজা হ'ব পাৰেনে?

পৃথিৱীৰ আটাইতকৈ মিঠা শব্দটোৱেই হ'ল 'মা'। 'মা'ৰ কোনো জাতি নাই, নাই কোনো ধৰ্ম। কাৰণ পৃথিৱীত যি ভাষাৰেই শব্দটো উচ্চাৰণ নকৰক কিয় সকলোতেই প্ৰতিধ্বনি হয় 'মা'। এই শব্দটোৱেই সকলোৰে হৃদয় জিনিব পাৰে। বিপদৰ সময়ত সবাতোকৈ বেছি মাতৃয়েই সন্তানক সহায় কৰে। যি সন্তানে মাতৃৰ বুকুৰ উম নাপাই সেই সন্তানে কেতিয়াও এই মধুৰ 'মা' শব্দটোৰ মাধুৰ্য উপভোগ কৰিব নোৱাৰে। জীৱনৰ আদিপাঠ শিকায় মাতৃয়ে। মেক্সিম গৰ্কীৰ বিশ্ববিখ্যাত 'মা' কিতাপখনৰ চৰিত্ৰই বাৰু কোন পাঠকৰ হৃদয়ত ঢৌৰ সৃষ্টি নকৰাকৈ থাকে?

পৃথিৱীৰ সবাতোকৈ বিশুদ্ধ আৰু সৰ্বোৎকৃষ্ট খাদ্যবিধ হ'ল মাতৃদুগ্ধ। ইয়াক অমৃতৰ স'তে তুলনা কৰা হয়। যিগৰাকী মাতৃৰ দুগ্ধ পান কৰি শক্তি আহৰণ কৰে সেইগৰাকী মাতৃকেই অসহায় ৰূপত এৰি থৈ যায়। দৰাচলতে এই সন্তানসকলে অন্ধত্বক জীৱনৰ লগৰী কৰি লয়। দেখিও নেদেখে, শুনিও নুশুনাৰ ভাও ধৰে। অৱশ্যে এনে ধৰণৰ ঘটনাৰ স'তে যে কেৱল পৰিচৰ্যাৰ বিষয়টো জড়িত হৈ থাকে তেনে নহয়। প্ৰায়ভাগৰ ক্ষেত্ৰত সম্পত্তিয়ে মূল লক্ষ্য হৈ পৰে। সন্তানৰ মাজত পৈতৃক সম্পত্তি দখলৰ শীতল যুঁজখনৰ বলি হয় মাতৃগৰাকী। যদিহে মাতৃয়ে এনে সম্পত্তিৰপৰা বঞ্চিত কৰিব খোজে অথবা ভাগ-বাটোৱাৰা কৰিব নোখোজে তেতিয়াহ'লে লাহে লাহে মাতৃগৰাকীক অৱহেলা কৰিবলৈ ধৰে। সেইবাবে কিছুমান সন্তানে মাতৃগৰাকীৰ মৃত্যু হ'লে সোনকালে সম্পত্তি দখল কৰিব বুলি ভাবিয়েই অসহায় অৱস্থাত পথতেই এৰি থৈ যায়। অলৰ-অচৰ মাতৃয়ে কিন্তু সন্তানে এনে কৰাৰ পাছতো অভিশাপ নিদিয়ে। ইমানৰ পাছতো মাতৃগৰাকীয়ে সন্তানৰ মংগলেই কামনা কৰে।

আজিকালি অসমত প্ৰায়েই এনেধৰণৰ ঘটনা সংঘটিত হোৱাৰ বিষয়ে শুনিবলৈ, পঢ়িবলৈ পোৱা যায়। বিগত এবছৰত এনে ঘটনা সংঘটিত হৈ থকাত এটা কথা স্পষ্ট হৈ পৰিছে যে এতিয়া আৰু আগৰ মানসিকতা নাই। ভোগবাদী সমাজখনত ব্যক্তিস্বাৰ্থ যে সম্বন্ধতকৈ ঊৰ্ধ্বত সেই কথা প্ৰতিফলিত হ'বলৈ ধৰিছে। স্বাৰ্থসিদ্ধিৰ বাবে আনকি মাতৃকো পেলনীয়া বস্তুৰ দৰে দলিয়াই দিয়া হৈছে। কাম শেষ হোৱাৰ পাছত কিছুমান বস্তু পেলাই দিয়াৰ দৰে মাতৃকো পেলাই দিবলৈ তিলমাত্ৰও নভবা লোকৰ সংখ্যা আমাৰ

সমাজখনত বৃদ্ধি পোৱাটোৱে প্ৰকাশ কৰে নৈতিকতাৰ কিমান স্খলন হৈছে। পুৰণি হ'ল বুলিয়ে সকলো বস্তু পেলাই দিব নালাগে। সোণ-ৰূপ কেতিয়াবা পুৰণি হয় জানো? এইবোৰ সম্পদ যিমানেই ঘৰত মজুত থাকে সিমানেই ঘৰখনৰ পৰিয়ালৰ মনোবল বৃদ্ধি পায়। আন নহ'লেও বিপদে-আপদে সেই অমূল্য সম্পদখিনিয়েই পৰিয়ালৰ সন্মান ৰক্ষা কৰিব। বিপদৰ বন্ধু বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। আমি যদি মাতৃগৰাকীকো সোণ বুলি গণ্য কৰোঁ তেতিয়াহ'লে তেওঁকো সাদৰেৰে ঘৰখনত ৰাখিব নোৱাৰো কিয়? শিশুকালত মাতৃৰ মুখৰপৰা নিগৰি অহা নিচুকনি গীতসমূহে আমাক নিদ্ৰাদেৱীৰ কোলাত তুলি দিছিল; কিন্তু পাছত এই নিচুকনি গীতবোৰ কিয় আমনিদায়ক হয়। নিচুকনি গীতবোৰ আমি বাৰু সতেজ কৰি ৰাখিব নোৱাৰোনে?

'মাতৃ দিৱস'ৰ দিনা মাতৃৰ বন্দনা কৰিলেই নহ'ব। ভাৰতীয় সমাজত নাৰীক দেৱীৰ আসনত বহুওৱা হয়। এফালে মাতৃ বন্দনা আৰু আনফালে মাতৃক অৱহেলা কৰাৰ লগতে শাৰীৰিক-মানসিক নিৰ্যাতন চলোৱা হৈছে। দেৱীৰ ৰূপত পূজা কৰা মাতৃগৰাকীক নিৰ্যাতন চলোৱাৰ সময়ত এবাৰো ভাবি নাচায়নে যে এইগৰাকী মহিলাই হ'ল সৃষ্টিৰ উৎস। মাতৃ দিৱসৰ দিনা কেৱল বেনাৰ-পোষ্টাৰ লৈ সমদল কৰা, সভা-সমিতি অনুষ্ঠিত কৰিলেই নহ'ব মাতৃক যথাস্থানত উপৰিষ্ট কৰিব লাগিব। তেতিয়াহে এনে দিৱস পালন কৰিলে সাৰ্থক হ'ব।

# পৰিৱৰ্তনৰ কোনো সীমা নাথাকে

সমগ্ৰ বিশ্বতে আজি ৰাজনৈতিক ক্ষেত্ৰত প্ৰবাহিত হৈছে পৰিৱৰ্তনৰ ঢৌ। একঘেয়েমীয়া শাসন ব্যৱস্থা আৰু শাসকৰ পুৰণিকলীয়া নীতিৰ বিৰুদ্ধে সমগ্ৰ বিশ্বতে জাগি উঠিছে ৰাইজ। বিশেষকৈ বিগত কে'বাটাও বৰ্ষত বিশ্বৰ প্ৰতিটো কোণতেই এনে ঢৌৰ সৃষ্টি হৈছে। গণতান্ত্ৰিক শাসন ব্যৱস্থাৰে উদ্বুদ্ধ দেশত এই ধাৰা সৃষ্টি হোৱাৰ মূলতে হ'ল ভোটাৰসকলৰ দৃষ্টিভংগী। সকলো দেশতে ৰাজনীতিৰ বজাৰৰ কেঁচা আম খাই খাই ভোটাৰৰ মন আমুৰাইছে। সেয়েহে পৰিৱৰ্তন বিচাৰি ওলাই আহিছে ক্ষুব্ধ ৰাইজ। বিগত তিনি বছৰৰ ভিতৰত এই ঢৌ সৃষ্টি হয় ভাৰতত। নৰেন্দ্ৰ মোদীয়ে ৰাজনৈতিক ক্ষেত্ৰত যি ছুপাৰ চাইক্লʼন সৃষ্টি কৰিলে সেয়া থমকি ৰোৱা নাই আমেৰিকাতো। সেয়েহে পৰিৱৰ্তনৰ বাবে ভোট দিলে মাৰ্কিন জনতাই। ডʼনাল্ড ট্ৰাম্প হʼল ৰাষ্ট্ৰপতি। সবাতোকৈ উল্লেখযোগ্য দিশ হʼল শেহতীয়াভাৱে বিজয়ী হোৱা দক্ষিণ কোৰিয়া আৰু ইটালীৰ ৰাষ্ট্ৰপতিৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য হয়। উত্তৰ কোৰিয়াৰ স'তে দক্ষিণ কোৰিয়াৰ শীতল যুঁজ চলি থকাৰ মাজতেই দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হয় বামপন্থী নেতা মুন-জা-ইন। শেহতীয়াভাৱে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হʼল ইমানুৱেল জীন মাইকেল ফ্ৰেডেৰিক মেকৰনা। এইগৰাকী ব্যক্তি ৰাষ্ট্ৰপতি নিৰ্বাচিত হোৱাৰ মূলতে হʼল তেওঁৰ পত্নী ট্ৰʼগনিউক্স। ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাৰ ক্ষেত্ৰত পত্নীৰহে বিশেষভাৱে প্ৰভাৱ আছে। তেওঁতকৈ ২৪ বছৰ ডাঙৰ পত্নীগৰাকীয়ে বিগত ছমাহৰ ভিতৰত দেশখনৰ ৰাজনৈতিক দৃশ্যপটেই সলনি কৰি দিলে। প্ৰতিগৰাকী ব্যক্তিৰ সফলতাৰ আঁৰত থাকে একোগৰাকী মহিলা। ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাৰ পাছত এতিয়া সৰ্বত্ৰে এইগৰাকী মহিলাক লৈ

ব্যাপক চৰ্চা হৈছে। নাটকৰ প্ৰশিক্ষণ ল'বলৈ গৈ শিক্ষয়িত্ৰীৰ প্ৰেমত হাবু-ডুবু খোৱাৰ পাছত দুয়োগৰাকীয়ে এদিন বিবাহপাশত আবদ্ধ হয়। দৰাচলতে দুয়োগৰাকীয়ে ইজনে-সিজনৰ মাজত থকা গুণ তথা প্ৰতিভা সম্পৰ্কে জ্ঞাত হৈছিল। শিক্ষয়িত্ৰীক পত্নী হিচাপে লাভ কৰাৰ পাছত সলনি হ'ল দৃশ্যপট। লাহে লাহে ৰাজনীতিৰ প্ৰতি আকৰ্ষিত হৈ দেশখনৰ ৰাজনৈতিক ছবিখন সলনি কৰি দিলে। দেশখনৰ জনগণৰ মনত পৰিৱৰ্তনৰ ধাৰা কেনেদৰে সৃষ্টি কৰিব লাগে তাৰ চিত্ৰনাট্য ৰচনা কৰিছিল পত্নীয়ে। বিগত এবছৰত দেশখনত সকলো ৰাজনৈতিক দল, শক্তিশালী নেতাক কঁপাবলৈ সক্ষম হৈছিল তেওঁ। জনসাধাৰণৰ দুৰ্বলতা উপলব্ধি কৰিয়েই শক্তিশালী কাঁড় এৰে। যুদ্ধৰ বিভীষিকাই মানুহক আমুৰাইছে।

দেশ এখনে যুদ্ধক্ষেত্ৰত ব্যস্ত থাকিলে নিজেই অজস্ৰ অৰ্থ ব্যয় কৰাৰ লগতে মানৱ সম্পদো ধ্বংস হয়। প্ৰায়ভাগ দেশৰ লগতে এইখন দেশতো ৰাইজে পৰিৱৰ্তন বিচাৰি ভোটাধিকাৰ সাব্যস্ত কৰিছে। পৰিৱৰ্তনে এটা কথা স্পষ্ট কৰিলে যে এতিয়া কোনো দল বা ব্যক্তিৰ পূৰ্বৰ প্ৰদৰ্শনৰ ওপৰত নিৰ্ভৰ কৰি নৱ প্ৰজন্মই ৰাজনৈতিক নেতাৰ প্ৰতিশ্ৰুতিত বিশ্বাস নকৰে। ফ্ৰান্সৰ নৱনিৰ্বাচিত ৰাষ্ট্ৰপতিয়ে সম্ভাব্য কাৰ্যব্যৱস্থা ইতিমধ্যে গ্ৰহণ কৰিছে। অৱশ্যে এতিয়াই তেওঁৰ কৰ্মব্যৱস্থা কেনে হ'ব সেই বিষয়ে অনুমান কৰিব নোৱাৰি। তথাপি পত্নী ট্ৰ'গনিউক্সৰ বাবে তেওঁ আৰু এখোপ আগুৱাই যোৱাৰ সম্ভাৱনা আছে। ট্ৰ'গনিউক্স আছিল নাট্য বিদ্যালয়ৰ শিক্ষয়িত্ৰী। ১৫ বছৰ বয়সত মেকৰনে তেওঁক লগ পোৱাৰ পাছতে প্ৰেমৰ সূত্ৰপাত হৈছিল। ইয়াৰ পাছতে মেকৰনৰ গতিপথো সলনি হয়। মেকৰনতকৈ ২৪ বছৰ ডাঙৰ শিক্ষয়িত্ৰীগৰাকীৰ স'তে বিবাহপাশত আবদ্ধ হোৱাৰ পাছত লাহে লাহে ৰাজনীতিৰ ফালে ঢাল খায়। ইয়াৰ পূৰ্বে তেওঁ ফ্ৰান্সৰ অৰ্থনৈতিক মন্ত্ৰী আছিল। মেকৰনৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত সকলোবোৰ কাৰ্যই পৰিচালনা কৰিছিল পত্নীয়ে। আনকি ভাষণ লিখি দিয়াতো পত্নীয়ে সম্পূৰ্ণৰূপে সহায় কৰিছিল। বাস্তৱ জীৱনতো ট্ৰ'গনিউক্সে শিক্ষয়িত্ৰীৰ দৰেই ভূমিকা গ্ৰহণ কৰিছিল। তেওঁৰ ভাষণৰ বাবে আজি মেকৰনে ৰাষ্ট্ৰপতিৰ দৰে শক্তিশালী পদত অধিষ্ঠিত হ'বলৈ সক্ষম হৈছে। পত্নীৰ এই কৃতিত্বৰ বিষয়ে মেকৰনে বিজয়ী হিচাপে ঘোষিত হোৱাৰ পাছতে অকপটে স্বীকাৰ কৰিছে। পত্নীৰ একাণপতীয়া চেষ্টা আৰু প্ৰেৰণাৰ বাবে আজি ফ্ৰান্সৰ ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত মেকৰনৰ পত্নীৰো আজি অনুশোচনা নাই তেওঁ যে সাতটা সন্তান থকাৰ পাছতো প্ৰথমজন স্বামীৰ স'তে বিবাহ বিচ্ছেদ হৈছিল।

# নৱ প্ৰজন্মই পাহৰিব নেকি জয়ন্ত হাজৰিকাক

'ভাইটি ৰাণা আছিল অতি স্পষ্ট। দৃঢ়। জ্যোতিৰ পখী হৈ সি অৰঙে-দৰঙে উৰি ফুৰি মানুহৰ খবৰ লৈছিল। মৈত্ৰীৰ ফুল বিচাৰি ফুৰিছিল। তাৰ দৰদী কণ্ঠই মানুহৰ কথাকে কৈছিল...।' —অসমৰ সংগীত জগতৰ অবিস্মৰণীয় শিল্পীসকলৰ অন্যতম জয়ন্ত হাজৰিকা সন্দৰ্ভত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই আজিৰপৰা কে'বা বছৰপূৰ্বে কৈ যোৱা কথাষাৰে আজিও শিল্পীজনৰ অনবদ্য অৱদানৰ কথাকেই সোঁৱৰাই দিয়ে। অতি কম বয়সতে আমাৰ মাজৰপৰা বিদায় লোৱা জয়ন্ত হাজৰিকা আছিল সুধাকণ্ঠৰ ভ্ৰাতৃ। দুয়ো ভাই-ককায়ে অসমীয়া জাতিটোলৈ যি অৱদান আগবঢ়াই থৈ গ'ল সেয়া আজিও জাকত জিলিকা। চিৰ-সেউজ কণ্ঠৰ অধিকাৰী জয়ন্ত হাজৰিকাৰ অকাল মৃত্যুত অসমবাসীৰ যি অবিস্মৰণীয় ক্ষতি হৈছিল সেয়া আজিও পূৰণ নহ'ল। যুগে যুগে অসমৰ বুকুত বহুত শিল্পীৰ জন্ম হ'লেও তেওঁ আছিল একক আৰু অনন্য। তেওঁৰ কণ্ঠৰপৰা নিগৰি অহা অমৰ গীতসমূহে অসমীয়া সংস্কৃতিক এক নতুন গতি প্ৰদানত সহায় কৰিছে।

জয়ন্ত হাজৰিকা আছিল সুৰৰ কল্পতৰু। আৰ্তজনক বিপদৰ সময়ত সহায় কৰিবলৈ তেওঁ সদায় আগবাঢ়ি আহিছিল। কাৰোবাক সহায় কৰিব পাৰিলে শিল্পীজনে লাভ কৰিছিল অপাৰ আনন্দ। জয়ন্ত হাজৰিকাৰ বাবে ঐশ্বৰ্য-বিভূতি আদি সকলোবোৰ দৰ্শক-শ্ৰোতাৰ ওপৰতে নিৰ্ভৰশীল। দৰ্শক-শ্ৰোতাই আছিল শিল্পীজনৰ অফুৰন্ত সৃষ্টিৰ উৎস। জ্যেষ্ঠ ভ্ৰাতৃ ড° ভূপেন হাজৰিকাৰ

স'তে জাৰ্মানীলৈ সংগীত মহোৎসৱত সংগীত পৰিৱেশনৰ বাবে যাওঁতে কোনোৱে কল্পনা কৰিব পৰা নাছিল যে দুই ভ্ৰাতৃয়ে দেশৰ নাম উজলাই তুলিব। সেই মহোৎসৱত দুই ভ্ৰাতৃয়ে আগবঢ়োৱা প্ৰদৰ্শন সন্দৰ্ভতো জাৰ্মানীৰ সংবাদ মাধ্যমত বিশেষ চৰ্চা হৈছিল।

নীলকান্ত হাজৰিকা আৰু শান্তিপ্ৰিয়া হাজৰিকাৰ ১০টা সন্তানৰ নৱম সন্তান জয়ন্ত হাজৰিকাৰ জন্ম হৈছিল ১৯৪৩ চনত। জয়ন্ত, ৰাণা ওৰফে নীৰেনৰ জন্ম হৈছিল মঙলদৈৰ বেগা নৈৰ পাৰৰ এটা ভাৰাঘৰত। মঙলদৈৰপৰা ভৰলুমুখ, খাৰঘূলি আদি সকলো ঠাইৰে পৰিৱেশে পৰিপুষ্ট কৰিছিল এইজন শিল্পীক। মাত্ৰ ন বছৰ বয়সৰপৰা মাউথ অৰ্গেন বজোৱা জয়ন্ত হাজৰিকাই হাইস্কুলত পঢ়ি থাকোঁতেই বিভিন্ন বাদ্য-যন্ত্ৰ সুন্দৰকৈ বজাবলৈ শিকিছিল। সৰুৰেপৰাই সংগীতত ৰাপ থকা ল'ৰাটোৰ পিছে পঢ়া-শুনাৰ প্ৰতি আগ্ৰহ নাছিল। অৱশ্যে পঢ়াত ভাল নহ'লেও জয়ন্ত হাজৰিকাই ১৯৫৭-৫৮ চনত কামৰূপ একাডেমী হাইস্কুলত বাৰ্ষিক সন্মিলনত 'মাঘত দেখোন উৰুকা নহয় তুমি নহ'লে' শীৰ্ষক গীতটো পৰিৱেশন কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। উক্ত গীতটো ড° ভূপেন হাজৰিকাই মাত্ৰ পাঁচ মিনিটতে লিখিছিল। মাত্ৰ তিনি মিনিটতে সুৰ দিয়া গীতটোৱে আজিও ৰাইজৰ অন্তৰত তোলে মৃদু কম্পন। হাতে-ভৰিৰে একেলগে তিনিখন হাৰমনিয়াম বজাব পৰা জয়ন্ত হাজৰিকাই ১৯৬২ চনত প্ৰথমখন গ্ৰামোফোন ৰেকৰ্ড 'আগলি বতাহে' বাণীবদ্ধ কৰিছিল। উল্লেখ্য যে এই শীৰ্ষ গীতটো ১৯৫৯-৬০ চনত উজান বজাৰৰ এক ভোজমেলৰ আড্ডাত 'সুগন্ধি পখিলা'ৰ কবি হীৰুদাই যোগান ধৰা এটা চিগাৰেটৰ বাকচত মাত্ৰ তিনি মিনিটতে ৰচনা কৰিছিল নিৰ্মলপ্ৰভা বৰদলৈয়ে। এই গীতটো জয়ন্ত হাজৰিকাই মাত্ৰ তিনি মিনিটতে সুৰ দিছিল।

জয়ন্ত হাজৰিকাৰ প্ৰতিভাৰ আঁৰত নাছিল কি? সংগীত পৰিচালক, সুৰকাৰ, গীতিকাৰ, সৃজনীশক্তিসম্পন্ন শিল্পীজন যদি অকালতে আমাৰ মাজৰপৰা হেৰাই নগ'লহেঁতেন তেতিয়াহ'লে অসমীয়া সংগীতে আৰু এখোজ আগুৱাই যাবলৈ সক্ষম হ'লহেঁতেন। তথাপি ইমান কম সময়ৰ মাজতেই তেওঁ অসমবাসীক দি গ'ল বহুতো চিৰসেউজ গীত। চলচ্চিত্ৰ জগতত শিল্পীজনৰ আত্মপ্ৰকাশ হয় ভূপেন হাজৰিকাৰ 'মণিৰাম দেৱান'ৰ যোগেদি। ১৯৬৪ত 'লটিঘটি', ১৯৬৭ত 'চিক্‌মিক্ বিজুলী' ছবিত ভূপেন হাজৰিকাৰ

স'তে সহকাৰী পৰিচালক হিচাপে কাম কৰিবলৈ সুযোগ লাভ কৰিছিল। অৱশ্যে ১৯৭২-৭৩ চনতহে তেওঁ সুকীয়াভাৱে সংগীত পৰিচালনা কৰিবলৈ লয়। ১৯৭২-৭৩ চনত তেওঁ 'বনৰীয়া ফুল'ত এককভাৱে সংগীত পৰিচালনা কৰে। ইয়াৰ পাছতে 'বৃষ্টি', 'ধৰ্মকাই', 'নিয়তি' ছবিত সুৰৰ লগতে কণ্ঠদানো কৰিছিল। তেওঁ ভ্ৰাম্যমাণ থিয়েটাৰৰো সংগীত পৰিচালনা কৰিছিল। ১৯৭৭ চনৰ ছেপ্টেম্বৰত মাত্ৰ দুদিনতে গোৱালপাৰালৈ গৈ লখিমী থিয়েটাৰৰ ছখন নাটকৰ বাবে ৰচনা কৰিছিল ১১টা গীত। ইমান কম সময়ৰ ভিতৰত ভ্ৰাম্যমাণ থিয়েটাৰৰ নাটকৰ বাবে সংগীত সৃষ্টি কৰাটো উজু কাম নহয়। সকলো কামেই কম সময়ৰ ভিতৰত কৰিব পাৰিছিল, কাৰণ তেওঁ প্ৰতিটো বিষয়েই জীৱনৰ চৰম সত্য হিচাপে গ্ৰহণ কৰিব পাৰিছিল। সৃষ্টি অবিহনে জীয়াই থকাৰ আনন্দ নাই। সেইবাবে জীৱনৰ প্ৰতিটো মুহূৰ্ততে সৃষ্টিৰ উৎসৰ সন্ধান কৰিছিল ৰাণাই।

এইজন মহান শিল্পীৰ সৃষ্টিৰাজিয়ে পিছে আজিও উপযুক্তভাৱে প্ৰচাৰ-প্ৰসাৰ লাভ কৰা নাই। শিল্পীজনৰ পৰিয়ালৰ লোকে ব্যক্তিগতভাৱে সংৰক্ষণ কৰিলেও ৰাইজৰ শিল্পী হিচাপে সকলোৰে কৰণীয় আছে। দায়িত্ব আছে। জয়ন্ত হাজৰিকাৰ নামত এটা গৱেষণা কেন্দ্ৰ স্থাপন হ'ব লাগে। কম সময়ৰ ভিতৰতে এৰি যোৱা বিশাল সৃষ্টিৰাজি সম্পৰ্কে নৱ প্ৰজন্মৰ মাজত উপযুক্তভাৱে প্ৰচাৰ কৰিব লাগিব। লাহে লাহে নতুন চামৰ মাজত হেৰাই যাবলৈ ধৰা জয়ন্ত হাজৰিকাক প্ৰতিটো প্ৰজন্মৰ মাজত জীয়াই ৰাখিবলৈ হ'লে সকলোৱে হাতে-কামে আগবাঢ়িব লাগিব। নহ'লে এদিন কালৰ বুকুত হেৰাই যাব অমূল্য সম্পদৰাজি। এইজন মহান শিল্পীৰ নামত চৰকাৰে এখন দলং আৰু এটা পথৰ নামকৰণ কৰিব নোৱাৰেনে? চৰকাৰে জয়ন্ত হাজৰিকাৰ নামত বছৰি এজন উদীয়মান শিল্পী আৰু এজন প্ৰবীণ শিল্পীলৈ বঁটা অথবা সন্মান আগবঢ়ালে নিশ্চয় ইয়াৰ প্ৰসাৰ হ'ব অধিক। নৱ প্ৰজন্ময়ো তেওঁৰ সৃষ্টিৰাজিক আকৌ আঁকোৱালি ল'ব আৰু গাব—

মোৰ মিনতি
তৰা হয় যদি
তোমাৰ আকাশ চুব...।

# ধলা-শদিয়া দলং আৰু মোদীৰ হাঁহি

বহু প্ৰতীক্ষিত ধলা-শদিয়া দলং উদ্বোধনৰ পাছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে খোজ কাঢ়ি দুয়োফালে পৰিদৰ্শন কৰাত মুখত বিৰিঙি উঠিছিল সাফল্যৰ হাঁহি। দেশক শক্তিশালী কৰাৰ পথত এখোপ আগুৱাই যোৱাত অধিক শক্তিশালী অনুভৱ কৰাৰ হাঁহি। কাৰণ অতিসম্প্ৰতি ভাৰতৰ বাবে প্ৰত্যাহ্বান হৈ পৰা চীনৰ বিৰুদ্ধে যুঁজ দিবলৈ হ'লে ভাৰতীয় সেনাই এই পথকে ব্যৱহাৰ কৰিব পাৰিব। বিগত সময়ছোৱাত চীনৰ বিৰুদ্ধে শক্তিশালী স্থিতিত সীমান্তত উপনীত কৰাবলৈ এনে এখন মজবুত দলঙৰ প্ৰয়োজন আছিল। ধলা-শদিয়া দলং নিৰ্মাণৰ লগে লগে অৰুণাচল প্ৰদেশৰ ভাৰত-চীন সীমান্তৰ দূৰত্ব কমেও পাঁচ ঘণ্টা হ্ৰাস পালে। ইয়াৰ উপৰি সেনাই গধুৰ যান-বাহন, অস্ত্ৰ-শস্ত্ৰ কঢ়িয়াবলৈ আৰু অধিক সুচল হৈ পৰিল। পাকিস্তানৰ বন্ধু ৰাষ্ট্ৰ হিচাপে চীনে দেশখনক যিধৰণে সহায়ৰ হাত আগবঢ়াই ভাৰতক প্ৰত্যাহ্বান জনাইছে তেনে এক সন্ধিক্ষণত ধলা-শদিয়া দলং নিৰ্মাণ কৰাটো সঁচাকৈয়ে সাফল্যৰ বতৰা। সেইবাবে হয়তো প্ৰধানমন্ত্ৰী মোদীয়ে দলঙত খোজ কাঢ়ি অৰুণাচলৰ আকাশৰ মাজেৰে চীনলৈ চাই হাঁহি হাঁহি ক'ব খুজিছে— সীমান্তত আমি আৰু এতিয়া পিছপৰি থকা নাই। ইমান দিনে ভাৰত-চীন সীমান্তত চীনে সকলো ধৰণৰ সমৰসজ্জাৰ বাবে সাজু হোৱাৰ কথা প্ৰকাশ পাই আহিছে। এইক্ষেত্ৰত ভাৰত তুলনামূলকভাৱে দুৰ্বল আছিল। চীনক আক্ৰমণ কৰিবলৈ আৰু চীনক প্ৰতিৰোধ কৰিবলৈ হ'লে অৰুণাচলৰ ভূখণ্ডই হ'ব উত্তম স্থান। সীমান্তত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ কামো দ্ৰুতগতিত

চলিছে। তদুপৰি দলঙো উদ্বোধন হ'ল। গতিকে এইবোৰে ভাৰতীয় সেনাৰ যাতায়াতত অধিক সুবিধা প্ৰদান কৰিব। গতিকে এনে এখন দলঙৰ মাজত থিয় দি সাফল্যৰ হাঁহি মাৰি এনেধৰণৰ কথাকেই যেন তেওঁ ক'ব বিচাৰিছে। এয়া স্বাভাৱিক কথা। প্ৰধানমন্ত্ৰীৰ হাঁহি মানে দেশৰ হাঁহি। তদুপৰি এই দলঙে এটা কথা স্পষ্ট কৰিলে যে আমাৰ অভিযন্তা-বিজ্ঞানীসকল কাৰিকৰী দিশত পিছপৰি থকা নাই। চীনক প্ৰত্যাহ্বান জনাব পৰা সকলোখিনি আমাৰ মাজত উপলব্ধ। যিকোনো সময়তে সকলো পৰিস্থিতিত মিলি যাব পৰা শক্তি এতিয়া আছে। শত্ৰুপক্ষৰে মোকাবিলা কৰিব পাৰে ভাৰতীয় সেনাই। তাৰেই হাঁহি মোদীৰ মুখত।

উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন খৰতকীয়া কৰিবলৈ বিগত সময়ছোৱাত এনে এখন দলঙেই প্ৰয়োজন আছিল। কে'বাবছৰ পূৰ্বেই নিৰ্মাণ কৰিব লাগিছিল। অৰ্থৰ অভাৱ, উন্নত কাৰিকৰী কৌশলৰ উপৰি উপযুক্ত পৰিকল্পনাৰ অভাৱত সেয়া সম্ভৱ হোৱা নাছিল যদিও এই দলংখনৰ নিৰ্মাণ পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দিনত আৰম্ভ কৰা হৈছিল তথাপি ইয়াৰ গতি খৰতকীয়া কৰাত মোদী চৰকাৰকহে কৃতিত্ব দিব লাগিব। কাৰণ প্ৰধানমন্ত্ৰী মোদীয়ে উপলব্ধি কৰিছিল যে এনেধৰণৰ দলঙেৰে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন সম্ভৱ কৰিব পাৰিব। মোদীয়ে দায়িত্বভাৰ গ্ৰহণৰ পাছত দেশৰ প্ৰতিটো অঞ্চলৰ সম উন্নয়নত গুৰুত্ব প্ৰদান কৰিছে। কিছুবছৰ আগলৈকে কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলক বিশেষ গুৰুত্ব প্ৰদান কৰা নাছিল। কাৰণ খাৰুৱা তেল, চাহপাতৰ বাহিৰে আন বিশেষ সম্পদ অসমৰ বুলিবলৈ নাই। তদুপৰি এই অঞ্চলটোৰপৰা প্ৰচুৰ পৰিমাণে উৎপাদিত সামগ্ৰীও ৰপ্তানি নহয়। সীমান্তৱৰ্তী অঞ্চলৰ পথ সুগম নহ'লে অঞ্চলটোৰ লোকসকলৰ উন্নয়ন অসম্ভৱ। গতিকে ধলা-শদিয়া দলংখন উদ্বোধনৰ লগে লগে দেশৰ এই অঞ্চলটোৰ স'তে অৰুণাচলৰ গতিপথ গতিময় কৰিবলৈ মোদীয়ে নিৰ্দেশ দিয়ে। প্ৰধানমন্ত্ৰীৰ মুখৰ হাঁহিত অঞ্চলটোৰ ৰাইজে ইতিবাচক সংকেত লাভ কৰিলে। দেশৰ সৰ্ববৃহৎ দলংখনে অৰ্থব্যৱস্থাৰ দিশত নিশ্চয় উন্নতি সাধন কৰিব।

# পৰম্পৰাগত খাদ্যসম্ভাৰ হেৰাই যাব নেকি?

পৰম্পৰাগত খাদ্যসম্ভাৰে স্বাস্থ্য ৰক্ষাত সহায় কৰে। একো একোটা অঞ্চলত লোকসকলৰ খাদ্যসম্ভাৰ নিৰ্ধাৰণ কৰা হয় অঞ্চলটোৰ ঋতু অনুযায়ী উৎপন্ন হোৱা শাক-পাচলি আৰু ফলমূলৰ ওপৰত নিৰ্ভৰ কৰি। অতীজৰেপৰা অঞ্চলবিশেষে স্থানীয় বাসিন্দাসকলে এনেদৰেই খাদ্যসম্ভাৰ প্ৰস্তুত কৰি আহিছে। অতীজত এইক্ষেত্ৰত গৱেষণা আদি চলোৱা নাছিল যদিও অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰিয়েই প্ৰস্তুত কৰিছিল। কোনবিধ খাদ্য দিনত, কোনবিধ নিশা খাব লাগে সেইবোৰ আন্দাজ কৰিয়ে খাদ্য তালিকা প্ৰস্তুত কৰাৰ বিষয়ে জানিব পাৰি। আজিও বহুতে দিনত 'অমুকটো খাব নালাগে, নিশা তমুকটো খাব নালাগে, অমুকটো খালে অমুকটো ৰোগৰপৰা উপশম লাভ কৰিব পাৰি, তমুকটো খাব লাগে-নালাগে' বুলি কোৱা শুনা যায়। আগতে এইবোৰ বিষয়ত গৱেষণা কৰা হোৱা নাছিল যদিও এতিয়া বিভিন্ন ঠাইত এইবোৰ বিষয়ক লৈ অধ্যয়ন চলিছে।

প্ৰতিটো অঞ্চলৰ লোকৰ বাবে অতীজৰেপৰা চলি অহা খাদ্যসম্ভাৰ যে বিজ্ঞানসন্মতভাৱে প্ৰস্তুত কৰি অহা হৈছে তেনে নহয়। তথাপি এইবোৰ স্বাস্থ্যসন্মতভাৱে প্ৰস্তুত কৰি অহা হৈছে বুলি প্ৰমাণিত হৈছে। বাৰীৰ পাছফালে থকা পাচলিডৰাতে থাকে স্বাস্থ্য ৰক্ষাৰ বাবে প্ৰয়োজনীয় উপাদান। ইয়াৰ বাবে বেছি ধনো ব্যয় কৰিবলগীয়া নহয়। আজিকালি বজাৰত উপলব্ধ শাক-পাচলিত প্ৰয়োগ কৰা হয় বিভিন্ন ধৰণৰ ৰাসায়নিক দ্ৰব্য। আনহাতে, পাচলিসমূহ সতেজ কৰি ৰাখিবলৈও বিভিন্ন ধৰণৰ ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ কৰে। এইবোৰে শৰীৰৰ উপকাৰৰ পৰিৱৰ্তে অপকাৰ কৰাৰহে আশংকা থাকে।

সেইবাবে ঘৰতে যদিহে শাক-পাচলি উৎপাদন কৰে তেনেহ'লে এনে ধৰণৰ ৰাসায়নিক দ্ৰব্যৰ অপকাৰৰপৰা হাত সাৰি থকা সম্ভৱ। পচন সাৰ ব্যৱহাৰ কৰি উৎপাদন কৰা শাক-পাচলি খালে অপকাৰ হোৱাৰ আশংকা নাথাকে। আজিকালি বহুতে নিজৰ ঘৰৰ কাষতে শাক-পাচলি কৰিবলৈ লৈছে। আনকি কিছুমানে ফ্লেটতো এনেধৰণৰ ব্যৱস্থা কৰিছে। এয়া এক শুভ লক্ষণ বুলিয়ে ক'ব লাগিব। এতিয়া সকলোৱে বুজি পোৱা হৈছে যে হাইব্ৰীড শাক-পাচলি গ্ৰহণ কৰাটো খুব সুবিধাজনক নহয়।

পৰম্পৰাগত খাদ্যসম্ভাৰ নৱ প্ৰজন্মৰ মাজৰপৰা ক্ৰমাৎ হেৰাই যাবলৈ ধৰিছে কিয়? ইয়াৰ বাবে দায়ী কোন? —এইবোৰ প্ৰশ্নৰ উত্তৰ পাবলৈ হ'লে আমি প্ৰথমতে মনত জুকিয়াই চাব লাগিব দৰাচলতে এনেধৰণৰ বিষয়বোৰক লৈ কেতিয়াবা ভাবি চাইছোনে? সন্তানক পশ্চিমীয়া খাদ্যসম্ভাৰৰ প্ৰতিহে আকৰ্ষিত কৰা অভিভাৱকৰ সীমা-সংখ্যা নাই। নিজকে আধুনিক পিতৃ-মাতৃ বুলি পৰিচয় দিয়াবলৈ পৰম্পৰাগত খাদ্যসম্ভাৰৰ পৰিৱৰ্তে পশ্চিমীয়া খাদ্য খুওৱাৰ প্ৰৱণতাহে জাগি উঠিছে। ফাষ্টফুড, জাংক ফুড, বিদেশী খাদ্যসম্ভাৰৰ থালী খোৱা লোকে ভিৰ কৰা দেখা যায়। কিছুমান পৰিয়ালত পৰম্পৰাগত খাদ্যসম্ভাৰ কেনেদৰে প্ৰস্তুত কৰে সেয়াও শিকোৱা লোকৰ অভাৱ।

খাৰ, টেঙা, তিতা, পচলা, তৰকাৰী আদি হ'ল অসমীয়া খাদ্যসম্ভাৰৰ অন্যতম উপাদান। এইবোৰ প্ৰস্তুত কৰাৰো আছে ভিন্ন পদ্ধতি। কোনবিধ খাদ্য প্ৰস্তুত কৰিলে আন কোনবিধ খাদ্য খাব নালাগে সেয়াও এই খাদ্যসম্ভাৰতে অন্তৰ্ভুক্ত হৈ আছে। এইবোৰ খাদ্য প্ৰস্তুত কৰোতে ব্যৱহাৰ কৰা মচলা আদিৰো আছে ঔষধি গুণ। বিভিন্ন ৰোগ প্ৰতিৰোধ কৰিব পৰা ক্ষমতা থকা বাবে এনেবোৰ মচলা ব্যৱহাৰত বাধা নাই। তদুপৰি এইবোৰ ঘৰতে প্ৰস্তুত কৰা হয়। সেইবাবে অপকাৰ কৰাৰো অৱকাশ নাথাকে। অৱশ্যে এটা কথা ঠিক যে এইবোৰ প্ৰস্তুত কৰোতে যথেষ্ট সময়ৰ প্ৰয়োজন। আজিকালি প্ৰায়ভাগ লোকৰে এনেধৰণৰ মচলাৰ মিশ্ৰণ কৰি খাদ্যসম্ভাৰ প্ৰস্তুত কৰাৰ বাবে সময়ৰ অভাৱ। সময় নাই বুলি কৈয়ে বজাৰৰপৰা কিনি অনা পেকেট মচলা ব্যৱহাৰ কৰে। সেইবাবে খাদ্যখিনি যিমান স্বাস্থ্যসন্মতভাৱে প্ৰস্তুত হ'ব লাগিছিল সেয়া নহয়। পেকেটত থকা মচলাই আঞ্জাখন সোৱাদযুক্ত কৰিলেও স্বাস্থ্যৰ বাবে উপকাৰী নহ'বও পাৰে। তদুপৰি পৰম্পৰাগত খাদ্যসম্ভাৰত এনে ধৰণৰ মচলাৰ মিশ্ৰণ উপযুক্ত নহয়। আমি সুস্বাদু কৰিবলৈ অত্যধিক মচলা ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে যদি পৰম্পৰাগত খাদ্যসম্ভাৰ খাদ্য তালিকাত অন্তৰ্ভুক্ত কৰো তেতিয়াহ'লে অধিক ফলদায়ক হ'ব।

# ৰাইজৰপৰা সুধাকণ্ঠই কি বিচাৰিছিল

বিশ্ববিশ্ৰুত শিল্পী ড° ভূপেন হাজৰিকাই ৰাইজৰপৰা কি বিচাৰিছিল? তেওঁ ৰাইজক কি দিব বিচাৰিছিল? —এনে প্ৰশ্নৰ উত্তৰ পাবলৈ হ'লে আমি সুধাকণ্ঠৰ শৈশৱলৈ উভতি যাব লাগিব। মাত্ৰ ছয় বছৰ বয়সতে সংগীত জগতত আত্মপ্ৰকাশ কৰোতে হয়তো নিজেও ভবা নাছিল এদিন দিহিঙে-দিপাঙে ঘূৰি ফুৰি ৰাইজৰ মৰমৰ শিল্পী হ'ব পাৰিব বুলি। সময়ৰ আহ্বানক তেওঁ কেতিয়াও নেওচিব পৰা নাছিল। সময়ৰ স'তে খোজ মিলাবলৈ শিকা বাবে এদিন সময়ৰ ৰণুৱা ঘোঁৰাৰ পিঠিত উঠিয়েই বিশ্ব জয় কৰিবলৈ সক্ষম হৈছিল। শিক্ষা গ্ৰহণৰপৰা আৰম্ভ কৰি ৰাজনীতিলৈকে সকলো ক্ষেত্ৰতে এইগৰাকী মহান শিল্পীৰ দখল আছিল। ৰাইজৰ মনৰ কথা বুজিব পৰা বাবে সহজে সকলো ঠাইতে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল।

পোৱা-নোপোৱাৰ হিচাপ কৰা নাছিল সুধাকণ্ঠই। জীৱনৰ পথো নাছিল মসৃণ। খলা-বমা পথেৰে আগবাঢ়ি যাবলৈ শিকা বাবে এদিন সকলোৰে হৃদয় জিনি লাভ কৰিলে গণশিল্পীৰ সন্মান। এনে সন্মান সকলোৱে লাভ নকৰে। যিসকলে ৰাইজৰ মৰম-অনুভূতি বুজিব পাৰে তেওঁলোককহে গণশিল্পী

হিচাপে আখ্যা দিয়া হয়। সুধাকণ্ঠই ৰাইজৰ মনৰ ভাব বুজিব পাৰিছিল। অসহায়-দুখীয়া খেতিয়কৰ মনৰ মাজত সোমাই খেতিপথাৰত মনটো ৰাখিব পাৰিছিল বাবে তেওঁলোকৰ জীৱনৰ প্ৰতিটো মুহূৰ্ত গানৰ মাজত প্ৰকাশ পাইছে। সেয়েহে গাইছে—

'অ' মোৰ ধৰিত্ৰী আই, চৰণতে দিবা ঠাই,
খেতিয়কৰ নিস্তাৰ নাই, তুমি বিনে অসহায়।'

মাটি, পানী আৰু বায়ুৰ স'তে সম্পৰ্ক থকা খেতিয়কক মনৰ মাজত ৰাখিয়ে গীত ৰচনা আৰু সুৰ দিয়া বাবে সেইবোৰে চিৰসেউজ ৰূপ ল'লে। তেওঁ গোৱা গীতবোৰ কৃষকৰ মনৰ কথা। সেইবাবে খেতিয়কক লৈ ৰচনা কৰা গীতসমূহ শুনিলে শ্ৰোতাৰ মনত এনে ভাব হয় যেন সেয়া সুধাকণ্ঠই গোৱা নাই, এজন অসহায় খেতিয়কৰ বিননিহে। সমাজ সংস্কাৰ যে গীতৰ মাজেদিও সম্ভৱ সেয়া ড° ভূপেন হাজৰিকাই প্ৰমাণ কৰি থৈ গৈছে। সমাজক বাদ দি ব্যক্তিৰ ব্যক্তিত্ব প্ৰকাশ নহয়। তদুপৰি সমাজ অবিহনে যে এনে ব্যক্তিৰ ছবি অংকন কৰিব নোৱাৰি সেই কথা বহুতো গীতৰ মাজেদি প্ৰমাণ কৰি থৈ গ'ল। অসমীয়া সমাজখনৰ প্ৰতিটো স্তৰতে সংঘটিত হৈ থকা ঘটনাৰাজি, সমাজৰ সূক্ষ্ম সূক্ষ্ম কথাবোৰৰ জৰিয়তে যে এটা জাতিৰ সমাজ-জীৱনৰ প্ৰকৃত ছবিখন ফুটাই তুলিব পাৰি সেই কথা গণশিল্পীগৰাকীয়ে ভালদৰে উপলব্ধি কৰিব পাৰিছিল। সেইবাবে গীতৰ মাজেদি অসমৰ সমাজ-জীৱনৰ ছবিখন স্পষ্টভাৱে ফুটাই তুলিব পাৰিছিল। বিশ্ববাসীৰ সন্মুখত অসমীয়া সমাজখন সুন্দৰ ৰূপত উপস্থাপন কৰা হেতুকে আজি বিশ্ববাসীয়ে অসমখনক ভালদৰে জানিব পাৰিছে। সহজ-সৰল, অতিথিপৰায়ণ লোকসকলক কিদৰে যুগে যুগে শোষণ কৰি আছে তাৰ ছবিখন গীতৰ শব্দতে প্ৰকাশ পাইছে। ইষ্ট ইণ্ডিয়া কোম্পানীৰপৰা আৰম্ভ কৰি মানে অসমবাসীৰ ওপৰত চলোৱা অত্যাচাৰলৈকে সকলোবোৰ বুৰঞ্জীৰ কথাও গীতৰ ভাষাৰেই প্ৰকাশ কৰি আহিছে। গীতেই আছিল সুধাকণ্ঠৰ আত্মা। সেইবাবে সুধাকণ্ঠই কথা ক'লেও সেয়া গীতৰ দৰেই অনুভৱ হৈছিল। বুৰঞ্জী অবিহনে কোনো এটা জাতি জীয়াই থাকিব নোৱাৰে। অতীত অবিহনে বৰ্তমানৰ ভেটি গঢ়িব নোৱাৰি বুলি ভালদৰে উপলব্ধি কৰিয়েই এদিন ড° ভূপেন হাজৰিকাই শিক্ষকতা জীৱনৰপৰা আঁতৰি গৈ গীতৰ মাজত সোমাই

পৰে। গীতেই সকলোৰে মনত সহজে সাঁচ বহুৱায়। এখন কিতাপত লিখি থোৱা শব্দবোৰ সকলোৰে বাবে হৃদয়ংগম কৰাটো সম্ভৱ নহয়। কিন্তু গীত এটা বাজিলে হেজাৰ হেজাৰ শ্ৰোতাই একেলগে শুনিব পাৰে। গণমাধ্যমত গীত এটা বজোৱাৰ লগে লগে শ্ৰোতাই সেয়া গ্ৰহণ কৰে। অৱশ্যে শ্ৰোতাই যে সকলো গায়কৰ গীত গ্ৰহণ কৰিব তেনে নহয়। বোধহয় সুধাকণ্ঠ অসমৰ এনে এগৰাকী শিল্পী —যিগৰাকীৰ প্ৰতিটো গীত, সুৰ, লেখা শ্ৰোতা-পাঠকে সকলো সময়তে গ্ৰহণ কৰি আহিছে। তেওঁৰ গীত শুনিলে মনত এনে এক ভাব হয় যেন গীতসমূহ আজিহে গাইছে। এইবোৰে চিৰসেউজ গীতৰ ৰূপ লোৱা বাবে আজি ড° ভূপেন হাজৰিকা মৰিও অমৰ। মৃত্যুৰ পাছতো প্ৰতিগৰাকী অসমীয়াৰ হিয়াৰ আমঠু হৈ আছে। সকলোতে যেন সুধাকণ্ঠৰেই প্ৰতিচ্ছবি। কে'বাদশক পূৰ্বে কোৱা কথাবোৰ আজিও সমাজৰ প্ৰতিটো স্তৰতে প্ৰতিফলিত হৈ আছে, প্ৰতিগৰাকী ব্যক্তিৰে হৃদয়ত সজীৱ হৈ আছে আৰু ভৱিষ্যতেও থাকিব।

# ভাল ফলাফল নহ'লে সন্তানক গালি নিদিব

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা হ'ল। উচ্চতৰ মাধ্যমিক পৰীক্ষাৰো ফলাফল ওলাল। তিনি মাহৰ উৎকণ্ঠাৰ পাছত সকলোৱে ফলাফল লাভ কৰিলে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৩,৭২,৬৪০ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে ১,৭৮,৬৫৬ গৰাকী পৰীক্ষাৰ্থীহে উত্তীৰ্ণ হ'ল। প্ৰথম বিভাগত ৫৪,৯৫৫ গৰাকী, দ্বিতীয় বিভাগত ৮০,১৭৯ আৰু তৃতীয় বিভাগত ৪৩,৫২২ গৰাকী উত্তীৰ্ণ হৈছে। ৪৭.৯৪ শতাংশ উত্তীৰ্ণ হ'ল। গ্ৰেচ নম্বৰ আৰু মডাৰেট দিয়া সত্বেও মাত্ৰ ৪৭.৯৪ শতাংশইহে উত্তীৰ্ণ হ'ব পাৰিলে। বিগত ডেৰদশকৰ ভিতৰত এয়া সৰ্বনিম্ন উত্তীৰ্ণৰ হাৰ। হাইস্কুল শিক্ষান্ত পৰীক্ষাক কেন্দ্ৰ কৰি বিগত সময়ছোৱাত সৃষ্টি হোৱা বিতৰ্কৰ পাছত এইবাৰ উত্তীৰ্ণৰ হাৰ আৰু গুৱাহাটীৰ এখনো বিদ্যালয়ে শীৰ্ষ দহৰ ভিতৰত স্থান নোপোৱাক লৈ ৰাইজৰ মাজত সৰৱ চৰ্চা হৈছে। হোৱাতো স্বাভাৱিক। চহৰাঞ্চলৰ প্ৰায়ভাগ বিদ্যালয়ত সা-সুবিধা থকাৰ পাছতো শীৰ্ষ দহ স্থানত অন্তৰ্ভুক্ত হ'ব নোৱাৰিলে। কিন্তু প্ৰশ্ন হয়, চৰকাৰী অথবা ব্যক্তিগত খণ্ডৰ বিদ্যালয়ে হওক ছাত্ৰ-ছাত্ৰীয়ে ভালদৰে অধ্যয়ন নকৰিলে শিক্ষক-শিক্ষয়িত্ৰীয়ে কি কৰিব? আৰু এটা কথা ঠিক যে শীৰ্ষ দহৰ ভিতৰত স্থান নাপালেই যে বিদ্যালয়খনৰ ফলাফল বেয়া অথবা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ওপৰত দোষ জাপি দিব সেয়া যুক্তিসংগত নহয়। শিক্ষক-শিক্ষয়িত্ৰীৰ ওপৰত দোষ জাপি দিলেই সমস্যাৰ সমাধান হ'ব জানো? আনৰ ওপৰত দোষ জাপি দিয়াতো দৰাচলতে পলায়নবাদী মানসিকতাহে। আমাৰ শিক্ষা-ব্যৱস্থাত এতিয়াও বেছি

নম্বৰ লাভ কৰাজনকহে অধিক গুৰুত্ব প্ৰদান কৰা হয়। সেইগৰাকী ছাত্ৰ বা ছাত্ৰীক জ্ঞানী হিচাপে গণ্য কৰা হয়। এই দৃষ্টিকোণৰপৰাহে হাইস্কুল শিক্ষান্ত পৰীক্ষাত শীৰ্ষস্থানপ্ৰাপ্তসকলক 'ব্ৰিলিয়েণ্ট' শিক্ষাৰ্থী বুলি গণ্য কৰা হয়। কিন্তু পৰৱৰ্তী সময়ত এইসকল শীৰ্ষস্থানপ্ৰাপ্তৰ দুই-এজনেহে ধাৰাবাহিকতা ৰক্ষা কৰা দেখা যায়। অধিকাংশই হেৰাই যায় ধামখুমীয়াৰ মাজত।

হাইস্কুল শিক্ষান্ত পৰীক্ষা শিক্ষা জীৱনৰ প্ৰথমটো প্ৰত্যাহ্বান। এই প্ৰত্যাহ্বানৰ বাবে দীৰ্ঘদিন ধৰি প্ৰস্তুতি চলায়। তথাপি অৰ্ধেকেই প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব নোৱাৰি স্থান পায় অনুত্তীৰ্ণৰ তালিকাত। বহুতে জীৱনৰ প্ৰথমটো খোজতে অধিক সাফল্য অৰ্জন কৰা বাবে বহু কিবাকিবি পোৱা বুলি ভাবি পঢ়া-শুনাৰ প্ৰতি গুৰুত্ব হ্ৰাস কৰে। ঘূৰা-ফুৰা বেছিকৈ কৰিবলৈ ধৰে বাবে পঢ়াৰ প্ৰতি ধাউতি কমে। কিছুমানে ঘৰৰপৰা মুক্ত হৈ হোষ্টেল বা ভাৰাঘৰত থাকিবলৈ পোৱাৰ আনন্দ উপভোগ কৰি থাকোঁতেই পৰীক্ষাৰ সময় আহি পৰে। উৰাদিহ নাপাই মানসিকভাৱে ভাগি পৰে। বহুতৰে আনকি চিকিৎসালয়ত ভৰ্তি হ'বলগীয়া পৰিস্থিতিৰো সৃষ্টি হয়। পৰীক্ষাত 'ড্ৰপ' দিয়ে। মূল্যৱান একোটা বছৰ এনেয়েই নষ্ট কৰে। পৰিয়ালৰ সকলোৰে আশা-আকাংক্ষা নিমিষতে বিলীন হৈ যায়। ধূলিসাৎ হৈ পৰে ভৱিষ্যতৰ সপোন। সকলোৱে দিগ্‌বিদিক হেৰুৱাই কেৱল চিন্তাত মগ্ন হ'বলগীয়া হয়। মাথোঁ এটা সিদ্ধান্তৰ বাবে সকলোবোৰ খেলিমেলি হৈ যায়। সেইবাবে মেট্ৰিকৰ ফলাফলক লৈ ইমান চিন্তিত হোৱাৰ কাৰণ নাই। মাথোঁ লক্ষ্য কৰিব লাগে শিক্ষাৰ্থীগৰাকীয়ে পৰীক্ষাত নম্বৰ কম পালেও সকলোবোৰ বিষয় আয়ত্ত কৰিব পাৰিছে নে নাই। যদি পাৰিছে তেতিয়াহ'লে পৰৱৰ্তী পৰীক্ষাসমূহত সফল হোৱাৰ ক্ষেত্ৰত পিতৃ-মাতৃৰ লগতে অভিভাৱকে গুৰুত্ব প্ৰদান কৰা উচিত। যদিহে আপোনাৰ সন্তানে পৰীক্ষাত আশানুৰূপ ফলাফল প্ৰদৰ্শন কৰিব পৰা নাই তেতিয়াহ'লে নিৰাশ নহ'ব। আনৰ স'তে তুলনা কৰি সন্তানৰ ভৱিষ্যৎ নষ্ট নকৰিব।

প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা এনে বহু ছাত্ৰ-ছাত্ৰী আছে, যি ইংৰাজীত শুদ্ধকৈ এখন আবেদন-পত্ৰ লিখিব নাজানে। এটা বাক্য শুদ্ধকৈ ক'ব নাজানে। কেৱল ভাটৌৰ দৰে মুখস্থ কৰিহে নম্বৰ লাভ কৰে। তেনে শিক্ষাই বাস্তৱ জীৱনত কিবা সহায় কৰিব পাৰে বুলি মনে নধৰে। গতিকে বাস্তৱৰ স'তে মোকাবিলা কৰিব পৰাকৈহে সন্তানক আগবাঢ়ি যাবলৈ পৰামৰ্শ আগবঢ়াব লাগে। পৰীক্ষাত কম নম্বৰ পালেই সন্তানক বেয়া ব্যৱহাৰ নকৰিব। মৰমেৰে বুজাওক, বাস্তৱ কি? কেৰিয়াৰ ভাল হ'লেহে ভৱিষ্যৎ উজ্জ্বল হ'ব।

# ডেই-পুৰি গৈছে উত্তাপৰ বাবে

উত্তপ্ত হৈ পৰিছে ধৰিত্ৰী। সৃষ্টিৰ প্ৰথম স্তৰলৈ যেন গতি কৰিছে। লাহে লাহে উত্তাপ বৃদ্ধি পাইছে। গ্ৰীষ্ম প্ৰবাহে প্ৰতিখন দেশকে চুই গৈছে। ব্যতিক্ৰম নহয় ভাৰত। কিছু বছৰ আগলৈ ৰাজস্থান, মহাৰাষ্ট্ৰ, দিল্লী, কলকাতা, উত্তৰ প্ৰদেশ আদিত গ্ৰীষ্ম প্ৰবাহৰ বাবে মানুহৰ লগতে বহুতো জীৱৰ মৃত্যু হোৱাৰ বাতৰিয়ে সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰিছিল। এতিয়া কিন্তু এই শিৰোনামত প্ৰতিখন ৰাজ্যই তালিকাভুক্ত হৈছে। জুন মাহৰ প্ৰথম সপ্তাহতে গ্ৰীষ্ম প্ৰবাহে কে'বাজনো লোকৰ প্ৰাণ ল'লে। বহুতো লোক চিকিৎসালয়ত ভৰ্তি হ'বলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। উত্তৰ প্ৰদেশত ২০১৮ চনৰ ৬ জুনত কমেও ১০জন লোকৰ মৃত্যু হৈছে কেৱল গ্ৰীষ্ম প্ৰবাহৰ বাবে। তাপমান ৪৭ ডিগ্ৰী চেলছিয়াছ হৈছে। ইয়াৰ ফলতেই উত্তৰ প্ৰদেশৰ বান্দা আৰু বেহোৰা জিলা দুখনত লোককেইজনে প্ৰাণ হেৰুৱাবলগীয়া হ'ল। উত্তৰ প্ৰদেশত এনে ধৰণৰ ঘটনা প্ৰতি বছৰে সংঘটিত হৈ থাকে যদিও এই ঘটনাই পিছে সকলোকে চিন্তান্বিত কৰি তুলিছে।

যদিহে এপযেক ধৰি এনেদৰে তাপমাত্ৰা বৃদ্ধি হৈ থাকে তেতিয়াহ'লে কেৱল মানুহৰ বাবেই নহয়, জীৱকুলৰ প্ৰতিও ভাবুকি আনিব। খাদ্য সংকটৰপৰা আৰম্ভ কৰি বিভিন্ন ধৰণৰ ৰোগে গা কৰি উঠিবলৈ এখন উপযুক্ত ক্ষেত্ৰ লাভ কৰিব পাৰিব। সমগ্ৰ বিশ্বতে 'বিশ্ব পৰিৱেশ দিৱস' পালন কৰি প্ৰকৃতিৰ সুৰক্ষাৰ বাবে বিভিন্ন শ্ল'গান দি সংকল্প গ্ৰহণ কৰাৰ সময়তে হঠাতে বৃদ্ধি পালে উত্তাপ। বিশ্বজুৰি ধৰিত্ৰী দিৱস, বিশ্ব পৰিৱেশ দিৱস, ঘৰচিৰিকা দিৱসৰ লগতে আন বহুতো বিশেষ দিন পালন কৰা হৈছে। বিশ্বৰ প্ৰায়ভাগ দেশে পৰিৱেশ সুৰক্ষা সম্পৰ্কীয় বিভিন্ন চুক্তি সম্পাদিত কৰিছে। সংকল্পও গ্ৰহণ কৰা হ'ল। তৎসত্ত্বেও ধৰিত্ৰী দেৱীক সন্তুষ্ট কৰিব পৰা নাই; যেন প্ৰকৃতি দেৱীও হৈ পৰিছে ৰুষ্ট। ভাৰতত যিখন ছবি ফুটি উঠিছে সেয়াই কিন্তু ভৱিষ্যতে আশংকা সৃষ্টি কৰাৰে ইংগিত বহন কৰিছে। কাৰণ ভাৰতত বিগত ১১৬ বছৰৰ ভিতৰত ১.২ ডিগ্ৰী চেলছিয়াছ তাপমাত্ৰা বৃদ্ধি পাইছে। এই তথ্য প্ৰকাশ পাইছে চেণ্টাৰ ফৰ ছায়েন্স এণ্ড এনভাইৰনমেণ্টৰ অধ্যয়নত। এই ১১৬ বছৰৰ ভিতৰত ১৯৯৫ বৰ্ষটোক সবাতোকৈ বেছি গৰম হোৱা বৰ্ষ হিচাপে চিহ্নিত কৰা হৈছে। দ্বিতীয় উষ্ণতম বৰ্ষ হিচাপে ২০১৬ বৰ্ষটো চিহ্নিত হৈছে। ১৯৯৫ চনৰৰপৰা ভাৰতত উষ্ণতা বৃদ্ধি পাবলৈ ধৰিছে। আনহাতে, চলিত বৰ্ষৰ জানুৱাৰী-ফেব্ৰুৱাৰী মাহ দুটা হ'ল উষ্ণ শীতকাল।

দেশৰ আন প্ৰান্তৰ লগতে অসমতো গ্ৰীষ্ম প্ৰবাহৰ সমস্যাই ভয়াৱহ ৰূপ লৈছে। সাধাৰণতে অসমৰ জলবায়ুত গ্ৰীষ্ম প্ৰবাহ হ'লেও সেয়া কোনো গুৰুত্বপূৰ্ণ নাছিল। এতিয়া পিছে উত্তাপ ইমানেই বৃদ্ধি পাইছে যে দিনৰ ভাগত বাহিৰলৈ ওলোৱাটোৱেই প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে। ৰ'দ, প্ৰদূষণ, উৎকট গোন্ধ, অতি দুৰ্গন্ধময় পৰিৱেশে সকলোকে অস্বস্তিত পেলায়। বিদ্যালয়লৈ যোৱা ছাত্ৰ-ছাত্ৰীসকলৰ অৱস্থা কেনে হ'ব পাৰে সেয়া সহজেই অনুমেয়। অফিচ-কাছাৰীৰ কথা বাদেই।

দুই দশক আগলৈকে মহানগৰীত শীত-তাপ নিয়ন্ত্ৰিত কোঠা বা শ্ব'ৰূম আদিৰ সংখ্যা আছিল আঙুলিৰ মূৰত লিখিব পৰা বিধৰ। এতিয়া পিছে ৭০ শতাংশ ব্যৱসায়িক প্ৰতিষ্ঠানতে এ চিৰ ব্যৱস্থা কৰা হৈছে। আনকি গাড়ী-মটৰ আদিতো এ চি নহ'লে নহয়। উৎকট গৰমৰপৰা ৰক্ষা পাবলৈ আজিকালি বহুতে ঘৰতো শীত-তাপ নিয়ন্ত্ৰিত ব্যৱস্থা কৰিছে। চহৰৰ কথা বাদেই,

গ্ৰামাঞ্চলতো একে সমস্যাই গা কৰি উঠাৰ লগতে একাংশই নিজকে আঢ্যৱন্ত অথবা অত্যাধুনিক সজাবলৈও শীত-তাপ নিয়ন্ত্ৰিত কোঠা, গাড়ী আদি ব্যৱহাৰ কৰা দেখা যায়। এটা কথা ঠিক যে যিসকলে শীত-তাপ নিয়ন্ত্ৰিত ব্যৱস্থাৰ ওপৰত বেছি নিৰ্ভৰ কৰে তেওঁলোক ৰ'দত বাহিৰলৈ ওলোৱাত সমস্যাই গা কৰি উঠে। আনকি এনে লোকৰ বেছিকৈ ৰৌদ্ৰ প্ৰবাহ বা হিট ষ্ট্ৰ'ক আদি হোৱা দেখা যায়। কিছু বছৰ আগলৈকে হিট ষ্ট্ৰ'ক আদি শব্দৰ স'তে অসমৰ লোক পৰিচিত নাছিল। এনেধৰণৰ শব্দ মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ, ৰাজস্থান আদি ৰাজ্যৰ লোকৰহে পৰিচিত আছিল। এতিয়া পিছে অসমতো হিট ষ্ট্ৰ'কত মৃত্যু হোৱা ঘটনা সংঘটিত হৈছে।

এই সকলোবোৰৰ মূলতে হ'ল বনাঞ্চল ধ্বংস। আমি যিমানেই পৰিৱেশ দিৱসৰ কথা নকওঁ কিয়, কিন্তু বিশেষ দিনটোৰ বাহিৰে কেতিয়াও গছ ৰোপণ কৰা দেখা নাযায়। অসমত গ্ৰীষ্মৰ সময়ত ৩৮ ডিগ্ৰী চেলছিয়াছ উষ্ণতা হোৱা কাৰোবাৰ মনত পৰেনে? কিন্তু এতিয়া সকলোৱে সাজু থাকক। গৰমে কেতিয়া ৪০ ডিগ্ৰী চেলছিয়াছ স্পৰ্শ কৰে তাৰ ঠিকনা নাই। সেইবাবে সকলোৱে সন্তানক সৰুৰেপৰাই গছপুলি ৰুবলৈ শিকাওক। জন্মদিনত গছপুলি উপহাৰ দিয়ক।

# গৰম বন্ধৰ আনন্দত পিতৃ-মাতৃৰ কৰণীয়

ছাত্ৰ জীৱনত মাজে মাজে সুৰুঙা বিচাৰি পঢ়া-শুনাৰপৰা কেইদিনমান আঁতৰি থাকিবলৈ প্ৰায়ভাগেই চেষ্টা চলায়। সদায় পঢ়ি পঢ়ি আমনিও লাগে। মাজে সময়ে ফুৰা-চকা কৰা বা হেঁপাহ পলুৱাই শুবলৈ মন যায়। কিন্তু পঢ়াৰ হেঁচাই এই সকলোবোৰ আঁতৰত ৰাখে। সেইবাবে ছাত্ৰ-ছাত্ৰীৰ লক্ষ্য হৈ পৰে গৰম বন্ধ। জুন-জুলাইত গৰম বন্ধৰ দিন ঘোষণা হোৱাৰ লগে লগে সকলো প্ৰস্তুত হয় ফুৰিবলৈ যাবলৈ। বিশেষকৈ মামা, মাহী, পেহী, খুৰাৰ ঘৰলৈ যাবলৈ ওলায়। বেছিভাগৰেই প্ৰিয় ঘৰখন হ'ল মামাৰ গৃহ। দূৰণিবটীয়া ঠাই হ'লে কিছুমানে যাবলৈ ইচ্ছা প্ৰকাশ নকৰিলেও তাৰ পৰিৱৰ্তে আন ঠাইলৈ ওলাবলৈ স্থিৰ কৰে। সাধাৰণতে মামাকৰ ঘৰলৈ ওলালে পিতৃ-মাতৃয়ে হকা-বধা নকৰে। কাৰণ পিতৃ-মাতৃয়ে সন্তানৰ বাবে নিজৰ ঘৰখনৰ পাছতেই আটাইতকৈ সুৰক্ষিত বুলি ভাবে মামাকৰ ঘৰখন।

গৰম বন্ধৰ আনন্দই বেলেগ। স্ফূৰ্তিতকৈও বেছি আনন্দৰ বিষয় হ'ল পঢ়াৰ বোজা নথকাটোহে। এতিয়া পিছে আগৰ সেই গৰম বন্ধৰ মাদকতা নাই। ইয়াৰ বাবে দায়ী কিন্তু পিতৃ-মাতৃৰ লগতে অভিভাৱকহে। কাৰণ এতিয়া পিতৃ-মাতৃয়ে একো ভাবি নোচোৱাকৈয়ে গৰম বন্ধৰ আগৰেপৰাই এনে

এখন তালিকা প্ৰস্তুত কৰি থয়। কেৱল প্ৰতিযোগিতাৰ বাবে পিতৃ-মাতৃয়ে সন্তানৰ ওপৰত অতিৰিক্ত চাপ প্ৰয়োগ কৰি হ'লেও স্বাৰ্থ সিদ্ধি লাভ আদায় কৰিব খোজে। এয়া পিছে তেনেই বিপজ্জনক। কাৰণ গৰম বন্ধৰ পাছতে আৰম্ভ হয় বছৰেকীয়া পৰীক্ষাৰ প্ৰস্তুতি। ইয়াৰ মাজতে ইউনিট পৰীক্ষা ইত্যাদি ইত্যাদি। গান-বাজনা শিকা, চিত্ৰাংকনৰ লগতে আন বহুতো নিজৰ পছন্দৰ বিষয় সাঙোৰ খাই থাকে। অযথা প্ৰতিযোগিতাই গৰম বন্ধৰ আনন্দতহে ব্যাঘাত জন্মায়।

পিতৃ-মাতৃয়ে সন্তানৰ মনোভাব কিয় বুজিবলৈ চেষ্টা নকৰে? প্ৰশ্নটোৰ উত্তৰ এতিয়াই দিয়া কঠিন। কাৰণ এইক্ষেত্ৰত বহুতো কাৰকে কাম কৰে। আজিকালি প্ৰায়ভাগ পিতৃ-মাতৃয়ে একক পৰিয়ালৰ সপক্ষে যুক্তি আগবঢ়ায়। একক পৰিয়ালৰ সমস্যাসমূহ বহুতে লাজতে আনৰ আগত প্ৰকাশ কৰিব নোখোজে। সন্মানত আঘাত হনাৰ ভয়তেই তেনে কৰে। নিজৰ সন্তানটোক কেনেদৰে আন দহজন লোকৰ সন্তানতকৈ আগত ৰাখিব পাৰে তাৰেই চিন্তাত মগ্ন হয়। সেইবাবে অস্বাস্থ্যসন্মত প্ৰতিযোগিতাত সন্তানটোক লিপ্ত কৰায়। সেইবাবে সন্তানক গৰম বন্ধৰ দিনকেইটাতো কামত ব্যস্ত কৰি ৰাখিবলৈ বিচাৰে। যিকোনো প্ৰকাৰে সন্তানক সেই কেইদিনতো ব্যস্ত কৰি ৰাখিব খোজে। তেওঁলোকে এইটো ভাবি নাচায় যে ছাত্ৰ-ছাত্ৰীকো মাজে মাজে জিৰণি বা সকাহৰ প্ৰয়োজন। কেৱল পিতৃ-মাতৃয়ে স্বাৰ্থ সিদ্ধিৰ বাবে এনে কাৰ্য সম্পাদন কৰে। সন্তানক গৰম বন্ধৰ দিনকেইটাত অন্ততঃ মুকলি মনেৰে থাকিবলৈ দিয়ক। মনত ৰাখিব— মুকলি মনে থাকিবলৈ দিয়াৰ অৰ্থ এইটো নহয় যে সন্তানটিয়ে সম্পূৰ্ণৰূপে পঢ়া-শুনাৰপৰা আঁতৰি থাকিব। মাথোঁ দৈনন্দিন তালিকাখনৰপৰা কিছুসময় আঁতৰি থাকি এখন অনিয়মীয়া তালিকাৰে দৈনন্দিন কাৰ্য সম্পাদন কৰিলে মহাভাৰতখন অশুদ্ধ হৈ নাযায়। নতুবা ছাত্ৰ-ছাত্ৰীগৰাকীৰ পঢ়া-শুনাতো যতি নপৰে। বৰং এনে কৰিলে ছাত্ৰ-ছাত্ৰীগৰাকীৰ মনটো পাতল হোৱাৰ ফলত পঢ়া-শুনাৰ প্ৰতি ধাউতিহে বাঢ়িব। গতিকে পিতৃ-মাতৃয়ে সন্তানক গৰম বন্ধৰ দিনকেইটা নিজ ইচ্ছামতে উপভোগ কৰিবলৈ দিয়ক। যিমানেই চাপ প্ৰয়োগ কৰিব সিমানেই অধ্যয়নত ব্যাঘাত জন্মিব।

# ষাঠি বছৰীয়া পৰিক্ৰমাৰে উজলা বজালী মহাবিদ্যালয়

এখন মহাবিদ্যালয়ে ৬০ বছৰত পদাৰ্পণ কৰাটো গৌৰৱৰ বিষয়। মহাবিদ্যালয়খনত অধ্যয়ন কৰা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে এনে বিষয়ক লৈ গৌৰৱবোধ কৰে। প্ৰথম বৰ্ষৰ শিক্ষাৰ্থীসকলে আকৌ অন্য ধৰণে ইয়াৰ বহিঃপ্ৰকাশ ঘটায়। এনে এক গৌৰৱময় মুহূৰ্তৰ বাবে ক্ষণ গণিছে বজালী মহাবিদ্যালয়ে। ২০১৮ বৰ্ষৰ ১৬ আগষ্টৰপৰা আৰম্ভ হ'ব এই শিক্ষানুষ্ঠানখনৰ গৌৰৱোজ্জ্বল ৰজত জয়ন্তী মহোৎসৱ।

বৰপেটা জিলাৰ শিক্ষানুষ্ঠানসমূহৰ ভিতৰত অন্যতম হ'ল বজালী মহাবিদ্যালয়। এইখন মহাবিদ্যালয়ৰপৰা উত্তীৰ্ণ হৈ বহুতো ছাত্ৰ-ছাত্ৰীয়ে এতিয়া ৰাজ্যখনৰ কে'বাটাও গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত হৈছে। ক্ৰীড়াৰপৰা আৰম্ভ কৰি অৰ্থনীতি, সামাজিক, ধৰ্মীয়, সাংস্কৃতিক ক্ষেত্ৰলৈ এইখন মহাবিদ্যালয়ত অধ্যয়ন কৰি যোৱা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও কম নহয়। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়েও অৱদানৰ বাবে গৌৰৱবোধ কৰে এনে একোখন শিক্ষানুষ্ঠানৰ বাবে।

৬০ বছৰ মানে বহুতো উত্থান-পতনৰ সাক্ষী। শিক্ষানুষ্ঠানৰ উত্থান-পতন মানে আন্তঃগাঁথনি উন্নয়নৰপৰা আৰম্ভ কৰি পৰীক্ষাৰ ফলাফল, ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি, শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যাও বৃদ্ধি হোৱা, যাতায়াত উন্নতি আদি সকলোবোৰ বিষয় ৬০ বছৰৰ স'তে জড়িত হৈ থাকে। প্ৰথম বৰ্ষত নামভৰ্তি কৰা মহাবিদ্যালয় এখনৰ ছাত্ৰ-ছাত্ৰীয়ে যি অধ্যয়ন অথবা পৰিৱেশ লাভ কৰিছিল সেয়া প্ৰতিফলিত পৰৱৰ্তী সময়ত নহয়। মাথোঁ ইয়াৰ স্মৃতিহে ৰৈ যায়। এনে স্মৃতি বুকুত বান্ধি লৈ পৰৱৰ্তী সময়ত ইয়াক ৰোমন্থন কৰা হয়

বিভিন্ন অনুষ্ঠানৰ মাজেদি। এখন শিক্ষানুষ্ঠানৰ জন্ম হয় বহুতো ঘাত-প্রতিঘাতৰ মাজেদি। শিক্ষানুষ্ঠানখন প্রতিষ্ঠাৰ বাবে প্রয়োজনীয় ভূমিৰপৰা আৰম্ভ কৰি ঘৰৰ খুঁটা পোতালৈকে এই দীঘলীয়া প্রক্রিয়াটো সম্পাদন কৰোঁতে সাধাৰণ দৃষ্টিভংগীৰে বিশেষ টান যেন নালাগিলেও ইয়াৰ আঁৰত থাকে বহুতৰ অশেষ ত্যাগ আৰু কষ্ট। বহুতে নিজৰ গাঁঠিৰ ধন ব্যয় কৰে। নীৰৱে সকলোখিনি কাৰ্য সম্পাদন কৰে ৰাজহুৱা স্বাৰ্থৰ বাবে। অঞ্চলটোৰ ল'ৰা-ছোৱালীয়ে উচ্চ শিক্ষা লাভ কৰাৰ উদ্দেশ্য আগত ৰাখিয়ে একাংশ লোকে নীৰৱে অশেষ কষ্ট সাধন কৰি এনেধৰণৰ শিক্ষানুষ্ঠান প্রতিষ্ঠা কৰে। বজালী মহাবিদ্যালয়খনো একে উদ্দেশ্যেই স্থাপন কৰা হৈছিল।

বজালী মহাবিদ্যালয় এতিয়া বিশ্ববিদ্যালয়লৈ উন্নীত হোৱাতো অঞ্চলবাসীৰ বাবে নিশ্চয় গৌৰৱৰ কাৰণ। কাৰণ মহাবিদ্যালয় এখনে বিশ্ববিদ্যালয়ৰ মৰ্যাদা পাবলৈ হ'লে ইয়াৰ পূৰ্বে উন্নত ফলাফল, সুনাম অৰ্জন কৰিবই লাগিব। নামনি অসমৰ মহাবিদ্যালয়সমূহৰ ভিতৰত অন্যতম হ'ল বজালী মহাবিদ্যালয়। অতীতৰেপৰা মহাবিদ্যালয়খনে অসমৰ শৈক্ষিক উন্নয়নৰ ক্ষেত্ৰত বিশেষ অৱদান আগবঢ়াই আহিছে। ৰাজ্যখনৰ বিভিন্ন ঠাইৰপৰা অহা শিক্ষাৰ্থীসকলে এইখন মহাবিদ্যালয়ত অধ্যয়ন কৰি ইতিমধ্যে সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। সৌভাগ্যক্রমে ৰজত জয়ন্তী গৰকা মহাবিদ্যালয়খনত অধ্যয়ন কৰাৰ বাবে সুযোগ লাভ কৰিছিলোঁ। এইখন শিক্ষানুষ্ঠানত অধ্যয়নৰ সময়ত লাভ কৰা অভিজ্ঞতাই পৰৱৰ্তী সময়ত জীৱনৰ গতিপথত খোজ দিয়াত বিশেষভাৱে সহায় কৰিছে। শিক্ষাগুৰুসকলে ছাত্ৰ-ছাত্ৰীসকলৰ স'তে সদায় সু-সম্পৰ্ক ৰক্ষা কৰিছিল। দুই-এজন উদণ্ড ল'ৰাই মাজে-সময়ে কিবা গণ্ডগোল লগালেও সেয়া শিক্ষাগুৰুৰ তৎপৰতাত সমাধান হৈছিল। মহাবিদ্যালয় চৌহদত কোনোৱে অশান্ত পৰিস্থিতি সৃষ্টি কৰিব পৰা নাছিল। নিয়মীয়া পাঠদান হ'ল এইখন মহাবিদ্যালয়ৰ এক উল্লেখযোগ্য দিশ। শিক্ষাগুৰুৱে সদায় বন্ধুসুলভ ব্যৱহাৰেৰে শিক্ষাৰ্থীৰ স'তে সু-সম্পৰ্ক ৰক্ষা কৰিছিল। এক চালুকীয়া শিক্ষানুষ্ঠানৰপৰা বিশ্ববিদ্যালয়লৈ পৰ্যবসিত হোৱাৰ ক্ষেত্ৰত বিগত ৬০ বছৰত অধ্যয়ন কৰা প্রতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ লগতে অধ্যাপক, অধ্যাপিকা, কৰ্মচাৰীৰ অৱদান অনস্বীকাৰ্য। এইসকলৰ অৱদানক বাদ দি কোনোৱে ৰজত জয়ন্তীৰ ছবিখন অংকন কৰিব নোৱাৰে। সেইবাবে এই মহোৎসৱত সকলোৰে অৱদান, ত্যাগৰ কথা সোণোৱালী আখৰেৰে লিখা থাকক।

# ঘৰখনতেই আৰম্ভ হওক
# নিচাযুক্ত দ্ৰব্যবিৰোধী অভিযান

প্ৰতিবছৰে সমগ্ৰ বিশ্বতে পালন কৰা হয় 'আন্তৰ্জাতিক নিচাযুক্ত দ্ৰব্যবিৰোধী দিৱস'। বিশ্ববাসীক, বিশেষকৈ নৱ প্ৰজন্মক নিচাযুক্ত দ্ৰব্যৰপৰা আঁতৰাই ৰাখিবলৈ প্ৰতিখন দেশতে এই দিৱসটো পালন কৰা হয়। প্ৰতিবছৰে একো একোটা শ্ল'গানেৰে বিশ্ববাসীক সতৰ্ক কৰা হয় নিচাযুক্ত দ্ৰব্যৰ অপকাৰিতা সম্পৰ্কে। এইখিনিতে এটা প্ৰশ্ন মনত উদয় হয়— যিবিলাক দেশত চৰকাৰে শুল্ক, ৰাজহ সংগ্ৰহৰ বাবে মদৰ বিপণীত সুৰা বিক্ৰী তথা চিগাৰেট, বিড়িৰ লগতে আন নিচাযুক্ত সামগ্ৰী বিক্ৰীৰ বাবে অনুমতি প্ৰদান কৰে তেনে দেশত এই দিৱস পালনৰ অৰ্থ থাকিব পাৰে জানো? নিচাযুক্ত দ্ৰব্যৰপৰা ৰাজহ বা শুল্ক সংগ্ৰহ নকৰিলে চৰকাৰ এখনে কাৰ্য সম্পাদন কৰিব নোৱাৰে নেকি? এফালে নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে অভিযান আৰু আনফালে ডাঙৰ ডাঙৰ পোষ্টাৰ, হ'ৰ্ডিং, বেনাৰ আদি আঁৰি ইয়াৰ বিৰোধিতা কৰাটোও হাস্যকৰ বিষয়ৰ বাহিৰে আন একো হ'ব নোৱাৰে।

এই দিৱসৰ দিনা চাৰিওফালে আকৰ্ষণীয় সমদল উলিওৱা হয়। বিভিন্ন শ্ল'গান দি চৌদিশ উত্তাল কৰা লোকৰো অভাৱ নহয়। বেনাৰ, পোষ্টাৰ লৈ

ফটো উঠা লোকৰো অভাৱ নহয়। পিছে এনেদৰে হেতা-ওপৰা লগাই শ্ল'গান দিয়াসকলৰেই একাংশই গোপনে সভাস্থলীৰ কাষত অথবা সমদলৰপৰা ফালৰি কাটি কিহবাৰ আঁৰত থাকিয়ে চিগাৰেট অথবা আন নিচাযুক্ত দ্ৰব্য সেৱন কৰা ঘটনাও আমি সততে প্ৰত্যক্ষ কৰোঁ। নিচাযুক্ত দ্ৰব্য পৰিহাৰ কৰিবলৈ যিবোৰ বেনাৰ, পোষ্টাৰ লগোৱা হয় তাৰ তলতে চিগাৰেট হুপি থকা লোকেই আকৌ শ্ল'গানসমূহ পঢ়ি চায়। পৰম তৃপ্তিৰে চিগাৰেট, বিড়ি হুপি বাটৰ নাট প্ৰদৰ্শন, বেনাৰ, পোষ্টাৰ আদি আঁৰি থকাৰ কোনো যুক্তি থাকিব নোৱাৰে। খেলুৱৈসকলৰ গাত সুৰা কোম্পানীৰ চাপ, নিচাযুক্ত দ্ৰব্য লৈ ফটো উঠা দৃশ্যসমূহ সততে দৃশ্য মাধ্যম, ছপা মাধ্যমৰ যোগেদি প্ৰত্যক্ষ কৰাৰ পাছত মনত এনে ভাব হয় যে লাখ লাখ টকা ব্যয় কৰি এদিন এনেদৰে নিচাবিৰোধী দিৱস পালন কৰাৰ কোনো অৰ্থ থাকিব নোৱাৰে।

আজি সমগ্ৰ বিশ্বতে নৱ প্ৰজন্ম চিকাৰ হৈছে নিচাযুক্ত দ্ৰব্যৰ। সুৰাৰপৰা আৰম্ভ কৰি নিষিদ্ধ ড্ৰাগ্‌ছ বিশেষকৈ ব্ৰাউন ছুগাৰ, হেৰোইন, গাঞ্জা, ভাং, নিচাযুক্ত ঔষধ আদি সেৱন কৰি বিপথে পৰিচালিত হৈছে। অতি কম বয়সতেই অপৰাধ জগতত ভৰি দিছে। প্ৰেমৰ নামত যৌনাচাৰ, হত্যা, ধৰ্ষণ, বলাৎকাৰ, শ্লীলতা হানিৰ চেষ্টাৰ ঘটনা বৃদ্ধি পাইছে। সমগ্ৰ বিশ্বতেই একেধৰণৰ ছবি দেখিবলৈ পোৱা যায়। এয়া এক সামাজিক ব্যাধি স্বৰূপ হৈছে। এই ব্যাধিৰপৰা মুক্ত হৈ থকাটোৰেই একপ্ৰকাৰ প্ৰত্যাহ্বান হৈছে বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। সৰুৰেপৰাই নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আকৰ্ষিত হৈছে নৱ প্ৰজন্ম। ইয়াৰ মূলতে হ'ল এনে দ্ৰব্যৰ উভৈনদী। এইবোৰ অতি সহজলভ্য হৈ পৰিছে। আনহে নালাগে অসমৰ বিভিন্ন ঠাইত অলিয়ে-গলিয়ে যিমান বিলাতী সুৰাৰ বিপণী আছে সেইবোৰেই পৰোক্ষভাৱে নৱ প্ৰজন্মক নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আকৰ্ষিত কৰিছে।

কেইমাহমান পূৰ্বে বিহাৰত সুৰাৰ বিৰুদ্ধে লাখ লাখ লোকে মানৱ শৃংখল কৰি প্ৰতিবাদ সাব্যস্ত কৰিছিল। সুৰাৰ বাবে ৰাজ্যখনত হেজাৰ হেজাৰ লোকৰ মৃত্যু হোৱাৰ লগতে কিমান পৰিয়াল ধ্বংস হ'ল তাৰ কোনো লেখ নাই। নৱ প্ৰজন্মৰ এনে ধ্বংসমুখী গতিৰ বিৰুদ্ধে বিহাৰত লাখ লাখ জনতাই প্ৰতিবাদ সাব্যস্ত কৰাৰ সময়তে কিন্তু অসমত চৰকাৰে স্থানীয়ভাৱে মদ প্ৰস্তুত কৰাৰ বাবে উৎসাহ যোগাইছে।

বছৰৰ এটা নিৰ্দিষ্ট দিনত এনে ধৰণৰ দিৱস পালনে নিচাযুক্ত দ্ৰব্য সেৱনকাৰীৰ সংখ্যা হ্ৰাস কৰিব নোৱাৰে। ইয়াৰ বাবে প্ৰয়োজন দীৰ্ঘম্যাদী আঁচনিৰ। নিজৰ ঘৰখনতেই এই শ্ল'গান আৰম্ভ হওক। ঘৰখনক যিহেতু শিক্ষাৰ কঠীয়াতলী বুলি কোৱা হয়, সেইবাবে ঘৰখনতেই যদি পিতৃ-মাতৃ, অভিভাৱক তথা পৰিয়ালৰ আন সদস্যই যদি সন্তানক নিচাযুক্ত দ্ৰব্যৰ অপকাৰিতা তথা ইয়াৰপৰা সৃষ্টি হ'ব পৰা ভয়াৱহ ছবিখন বুজাব পাৰে তাতকৈ আৰু আন শ্ল'গান নালাগে। প্ৰয়োজন নহয় ডাঙৰ ডাঙৰ বেনাৰ, পোষ্টাৰ, হ'ৰ্ডিং আদিৰ। যেতিয়া সন্তানে উপলব্ধি কৰিব যে নিচাযুক্ত দ্ৰব্যই শৰীৰৰ উপকাৰ নকৰে, বৰং ধ্বংসৰ মুখলৈহে ঠেলি দিয়ে। এটি সুন্দৰ ভৱিষ্যৎ নিমিষতে ধ্বংস হ'বলৈ নিদিবলৈ নিজৰ মনটো সুদৃঢ় কৰিব লাগিব। পিতৃ-মাতৃয়েও সন্তানৰ ওপৰত সম্পূৰ্ণৰূপে গুৰুত্ব প্ৰদান কৰা উচিত। সমস্যাৰ স'তে কিনো কৰিছে সেই বিষয়ে আলেঙে আলেঙে নিৰীক্ষণ কৰা উচিত। মনত ৰাখিব সাৱধানতাৰ মৰণ নাই। সন্তানক মুকলি মনেৰে ঘৰৰ বাহিৰলৈ ওলাই যাবলৈ দিলেও কাৰোবাৰ প্ৰৰোচনাত পৰি যাতে বিপথে পৰিচালিত নহয় আৰু এনে ধৰণৰ দ্ৰব্য গ্ৰহণৰ প্ৰৱণতা গঢ়িব নোৱাৰে সেই ক্ষেত্ৰত সকলোৱে গুৰুত্ব প্ৰদান কৰা উচিত। সজাগতাৰো প্ৰয়োজন আছে। কিন্তু শ্ল'গান, বেনাৰৰ পৰিৱৰ্তে মানসিকতাৰ পৰিৱৰ্তনহে কৰা উচিত। তেতিয়াহে এনে দিৱস পালন অৰ্থপূৰ্ণ হৈ পৰিব।

# অম্বুবাচী মেলা, পর্যটনৰ সম্ভাৱনা, নিৰাপত্তা ইত্যাদি...

গুৱাহাটী মহানগৰীত অম্বুবাচী মেলাৰ বাবে প্ৰস্তুতি দ্ৰুতগতিত চলে। বহু ভক্ত এই মেলাৰ বাবে উপস্থিত হয়। বহিঃৰাজ্য আৰু বিদেশৰ ভক্তৰে ঠাহ খাই পৰিব নীলাচল পাহাৰৰ লগতে পাৰ্শ্বৱৰ্তী অঞ্চল। প্ৰতি বছৰে লাখ লাখ ভক্তৰে ভৰি পৰে এই পুণ্যভূমি। মা কামাখ্যা দেৱীক দৰ্শন কৰিবলৈ এই যাত্ৰা। কিছু বছৰ আগলৈকে এই মেলা সম্পৰ্কে মানুহৰ মনত যি ধাৰণা আছিল সেয়া এতিয়া সলনি হৈছে। এটা দশক আগলৈকে অম্বুবাচী মেলা মানে কদৰ্যময় হৈ পৰে মহানগৰী। ৰাস্তাৰ দুয়োকাষে থকা ভক্তসকলৰ লানি নিছিগা সোঁতৰ সমান্তৰালভাৱে লেতেৰা হৈ পৰে পৰিৱেশ। অতি দুৰ্গন্ধময় পৰিৱেশে বিধ্বস্ত কৰি তোলে জনজীৱন। ভাৰতৰ বিভিন্ন ৰাজ্যৰ লগতে বিদেশৰপৰা অহা ভক্তই চাৰিওফালে য'তে ত'তে মল-মূত্ৰ ত্যাগ কৰে। ভক্তসকলৰ মাজত খাদ্যৰ বাবে হাহাকাৰ কৰিবলগীয়া হয়। মুঠতে এটা বিশৃংখল পৰিৱেশ সৃষ্টি হৈছিল বুলি ক'লেও ভুল নহ'ব।

এতিয়া পিছে অম্বুবাচী মেলাই নতুন ৰূপ ল'লে। সলনি হৈছে মেলা

সম্পৰ্কে থকা ধাৰণা। অম্বুবাচী বা আমতি মেলাক নতুন ৰূপত সজাই-পৰাই তোলাৰ বাবে এই সময়ত প্ৰাণৱন্ত হৈ পৰিছে মহানগৰী। বিগত পাঁচ বছৰমানৰপৰা ভক্তসকলে উদৰ পূৰাই খাবলৈ সুযোগ পাইছে। প্ৰশাসনৰ লগতে বিভিন্ন দল-সংগঠন, স্বেচ্ছাসেৱী সংগঠনৰ উপৰি ব্যক্তিগতভাৱেও খিচিৰি আদি পৰ্যাপ্ত পৰিমাণে বিতৰণ কৰে। এতিয়া আৰু ভক্তই ৰ'দ, বতাহ, বৰষুণত তিতি থাকিব নালাগে। কাৰণ প্ৰশাসনে থকাৰ বাবে সুব্যৱস্থা কৰি আহিছে। এইবাৰ শীত-তাপ নিয়ন্ত্ৰিত হলত ভক্তসকলক ৰখাৰ বাবে ব্যৱস্থা কৰা হৈছে। এয়া সঁচাকৈয়ে প্ৰশংসনীয় পদক্ষেপ। চৰকাৰ যিয়েই নহওক কিয় আমি অসমৰ ঐতিহ্যমণ্ডিত সম্পদৰাজি বিশ্ববাসীৰ সন্মুখত উপস্থাপন কৰিবলৈ হ'লে এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিবই লাগিব। কিছুমানে বিজেপি চৰকাৰ ক্ষমতাত থকা বাবে এনেধৰণৰ বিশাল প্ৰচাৰৰ আয়োজন কৰা বুলি মন্তব্য কৰিলেও এইবোৰ দৰাচলতে গুৰুত্বহীন বক্তব্য। কাৰণ অম্বুবাচী মেলাক লৈ পৰ্যাপ্ত পৰ্যটকক আকৰ্ষণ কৰাৰ সম্ভাৱনা আছে। এসময়ত মহাকুম্ভ মেলালৈ পৰ্যবসিত কৰিব পাৰিলে পৰ্যটকৰ সংখ্যা বৃদ্ধি পালে ৰাজহো বৃদ্ধি পাব। সকলোখিনি বিনামূলীয়া হ'লেও ইয়াৰ মাজতে থাকে অৰ্থনৈতিক উন্নয়নৰ চাবি-কাঠি। অম্বুবাচী মেলাত বিনামূলীয়া হ'লেও ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগে লগে পৰ্যটক ঢাপলি মেলিব অসমলৈ। অসমত পূৰ্বৰ তুলনাত পৰ্যটকৰ সংখ্যা বৃদ্ধি পাইছে যদিও ইয়াক আৰু অধিক গতিশীল কৰিব লাগিব। এনে ধৰণৰ মেলাৰ জৰিয়তে বহিঃৰাজ্য তথা বিদেশলৈ এটা বাৰ্তা বহন কৰিব ভক্তসকলে। ভক্তৰ জৰিয়তে কৰা প্ৰচাৰে স্থায়িত্ব লাভ কৰে। পৃথিৱীৰ ৫২খন মহাপীঠৰ ভিতৰত অন্যতম হ'ল শ্ৰীশ্ৰী মা কামাখ্যা দেৱী। সেইবাবে অতীতৰেপৰা এই মন্দিৰলৈ ভক্তৰ সোঁত বৈছে। অম্বুবাচীৰ সময়ত ভক্তৰ আগমন কোনো নতুন বিষয় নহয়, মাথোঁ ইয়াৰ গতি অধিক শক্তিশালী কৰিবলৈহে এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। যিকোনো কামৰ ক্ষেত্ৰত আগবাঢ়িলে একাংশই ইয়াৰ সমালোচনা কৰে। কৰাটো স্বাভাৱিক কথা। কাৰণ সমালোচনা নকৰিলে কোনো বিষয়েই শক্তিশালী নহয়।

অসমীয়া লোক অতিথিপৰায়ণ বুলি সুনাম আছে। অতিথিৰ বাবে সকলো কৰিব পাৰে। সেই সুনাম ৰক্ষাৰ বাবে ভক্তসকলকো উপযুক্তভাৱে আদৰাৰ

পৰিকল্পনা কৰা উচিত। বাহ্যিক ক্ষেত্ৰত অধিক গুৰুত্ব প্ৰদানৰ পৰিৱৰ্তে ভক্ত-পৰ্যটকসকলৰ সেৱা-সৎকাৰৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰা উচিত। ভক্ত তথা পৰ্যটকসকল সন্তুষ্ট হৈ গ'লেহে মেলা আয়োজন কৰাত সাৰ্থকতা থাকে। এটা কথা ঠিক যে লাখ লাখ ভক্তক আদৰাৰ সময়ত দুই-এটা সুৰুঙা থকাটো স্বাভাৱিক বিষয়। এইবোৰক লৈ বেছি চৰ্চা কৰি থকাতকৈ মেলাখনক কেনেদৰে অধিক শক্তিশালী আৰু গতিশীল কৰিব পাৰি তাৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰা উচিত।

২০১৮ বৰ্ষত অম্বুবাচী মেলাত ভক্তসকলৰ সুৰক্ষাৰ বিষয়টো যথেষ্ট গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। কাৰণ বিভিন্ন উগ্ৰপন্থী সংগঠনে এইখন মেলা 'টাৰ্গেট' কৰিব পাৰে। ইতিমধ্যে আইছিছে বিভিন্ন দেশত আয়োজিত উৎসৱৰ সময়ত আক্ৰমণ চলাই বহুতো নিৰীহ লোকৰ প্ৰাণ লৈছে। বহু লোকক চিৰদিনৰ বাবে ঘুণীয়া কৰিছে। ইতিমধ্যে অসমত কে'বাটাও জেহাদী সংগঠনৰ সদস্য সক্ৰিয় হৈ পৰিছে। বিভিন্ন কূটাঘাতৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিছিল যদিও সফল হ'ব নোৱাৰিলে নিৰাপত্তাৰক্ষীৰ তৎপৰতাত। ইতিমধ্যে কিছুদিন পূৰ্বে কামাখ্যাত এন ডি এফ বি সদস্য কেইজনমানক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। গতিকে নিৰাপত্তাৰ দিশটো শক্তিশালী কৰিবলৈ ৰাইজেও আৰক্ষীক সহযোগিতা কৰক।

# আন্তৰ্জাতিক যোগ দিৱসত প্ৰধানমন্ত্ৰীৰ ডিঙিত ফুলাম গামোচা

২০১৮ বৰ্ষৰ ২১ জুনত সমগ্ৰ বিশ্বতে পালন কৰা হয় আন্তৰ্জাতিক যোগ দিৱস। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ একক প্ৰচেষ্টাৰ ফলত ৰাষ্ট্ৰসংঘই তিনিবছৰ পূৰ্বে যোগ দিৱস ঘোষণা কৰিছিল। তৃতীয় যোগ দিৱসত লক্ষ্ণৌত প্ৰধানমন্ত্ৰী মোদীয়ে যোগাসন কৰাৰ সময়ত তোলা এখন ছবিয়ে অসমবাসীৰ দৃষ্টি আকৰ্ষণ কৰাই নহয়, অসমীয়া পোছাকৰ সন্মানো দুগুণ বৃদ্ধি কৰিলে। প্ৰধানমন্ত্ৰীয়ে ডিঙিত আঁৰি লৈছিল ফুলাম গামোচা। অসমীয়া সংস্কৃতিৰ বাহক, অসমৰ গৌৰৱ এইখন ফুলাম গামোচা প্ৰধানমন্ত্ৰীৰ ডিঙিত লোৱা দৃশ্য বিশ্বৰ কোটি কোটি জনগণে প্ৰত্যক্ষ কৰিলে। যি সময়ত অসমৰ নৱ প্ৰজন্মই বাপতি সাহোন ৰঙালী বিহুৰ সময়ত ডিঙিত ফুলাম গামোচাখন মেৰিয়াই প্ৰণাম কৰিবলৈ কুণ্ঠাবোধ কৰে সেই সময়ত প্ৰধানমন্ত্ৰীয়ে আদৰেৰে গ্ৰহণ কৰিছে। এয়া নৱ প্ৰজন্মৰ বাবে অনুকৰণীয় বিষয়। কাৰণ এটা বিশেষ দিনত ফুলাম গামোচাখন প্ৰধানমন্ত্ৰী মোদীয়ে ডিঙিত লৈ বিশ্ববাসীৰ সন্মুখত প্ৰদৰ্শন কৰিছে। এয়া অসমীয়াৰ বাবে এক ঐতিহাসিক দিন বুলিয়ে ক'ব লাগিব। ইয়াৰ পূৰ্বে কোনো এগৰাকী প্ৰধানমন্ত্ৰীয়ে বিশেষ দিনত বিশ্ববাসীয়ে প্ৰত্যক্ষ কৰিব পৰাকৈ গামোচাখান ডিঙিত আঁৰি লোৱাৰ নজিৰ নাই।

ইয়াৰ পূৰ্বে যে আন্তৰ্জাতিক পৰ্যায়ত কোনোৱে গামোচাখন ডিঙিত লোৱা নাই তেনে নহয়। কেই বছৰমান পূৰ্বে নাছাৰ বিজ্ঞানী এগৰাকীয়ে

মহাকাশলৈ উৰা মৰাৰ সময়ত লগত নিছিল ফুলাম গামোচা। মহাকাশচাৰীগৰাকীয়ে অসমৰ জীয়ৰী এগৰাকীৰ স'তে সংসাৰ গঢ়াৰ বাবে এবাৰ অসমলৈ আহি এই গামোচাখনৰ প্ৰেমত পৰে। সেয়া অন্য এক বিষয়। কাৰণ সেইখন মহাকাশত প্ৰদৰ্শিত হোৱা নাছিল। আনহাতে দেশ এখনৰ মুৰব্বীয়ে পৰিধান কৰা পোছাকৰ বিশেষত্বই বেলেগ। প্ৰধানমন্ত্ৰীয়ে অসমবাসীৰ প্ৰতি থকা মৰম-ভালপোৱাৰ চানেকি দাঙি ধৰিলে এই কাৰ্যৰ জৰিয়তে। যি সময়ত অসমৰ এই বস্ত্ৰখনিক লৈ শংকা প্ৰকাশ কৰা হৈছে তেনে সময়তে কিন্তু তেওঁ আশাৰ ৰেঙনি দেখুৱাইছে।

অসমৰ গামোচাখনক লৈ এতিয়া ৰাজ্যখনৰ বাহিৰতো উদ্যোগ গঢ়ি উঠিছে। অৱশ্যে বহিঃৰাজ্যত গঢ়ি উঠা এনে উদ্যোগে অসমৰ শিপিনীৰ দৰে গামোচা প্ৰস্তুত কৰিব পৰা নাই। বৰং এনেধৰণৰ পোছাকে অসমীয়াৰ সন্মানৰ প্ৰতীক গামোচাখনক অসন্মানহে কৰিছে। সস্তীয়াভাৱে প্ৰস্তুত কৰা এনেধৰণৰ গামোচাৰ মূল্য কম হোৱা বাবে আন সময়ৰ কথাতো বাদেই, ব'হাগ বিহুৰ সময়তো বহুতেই অসমীয়া শিপিনীয়ে প্ৰস্তুত কৰা গামোচা ক্ৰয় কৰাতকৈ সেইবোৰহে বেছিকৈ কিনে। সেয়েহে এতিয়া গামোচাখনো অস্তিত্বৰ সংকটত পৰিছে। সেই সময়তে প্ৰধানমন্ত্ৰীৰ ডিঙিত গামোচা দেখি অসমৰ নৱ প্ৰজন্মও উৎসাহিত হোৱা উচিত। অসমৰ যুৱক-যুৱতীসকলেও গামোচা উদ্যোগ স্থাপন কৰি স্বাৱলম্বী হ'ব পাৰে। ৰাজ্যৰ নিবনুৱা সমস্যাৰ কিয়দংশ সমাধান হোৱাৰ সমান্তৰালভাৱে অৰ্থনৈতিক উন্নয়নতো সহায়ক হ'ব। তদুপৰি বহিঃৰাজ্যৰপৰা আমদানি কৰা গামোচাৰ পৰিৱৰ্তে স্থানীয় শিপিনীৰদ্বাৰা প্ৰস্তুত কৰা বস্ত্ৰৰো নিশ্চয় চাহিদা বৃদ্ধি পাব। গতিকে গামোচা উদ্যোগ স্থাপনৰ ক্ষেত্ৰত চৰকাৰেও বিশেষ গুৰুত্ব প্ৰদান কৰা উচিত। ৰাজ্য চৰকাৰে এইক্ষেত্ৰত কেন্দ্ৰৰপৰা সঁহাৰি লাভ কৰাটোও নিশ্চিত। বিশেষকৈ এই বিষয়টো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অৱগত কৰিলে মোদীয়েও গুৰুত্ব প্ৰদান কৰিব। আন্তৰ্জাতিক যোগ দিৱসত প্ৰধানমন্ত্ৰী মোদীৰ ডিঙিত আৰম্ভ হোৱা গামোচাক আমিয়েই আৰু অধিক আগুৱাই নিব লাগিব।

# পোহৰৰ উৎসৱে মৃৎ শিল্পীৰ মুখৰ হাঁহি বিৰিঙাই ৰাখিবনে ?

পোহৰৰ উৎসৱ দীপাৱলী। ইতিহাসে ঢুকি নোপোৱা দিনৰেপৰা ভাৰতবৰ্ষত দীপাৱলী আয়োজন কৰি আহিছে। অৱশ্যে অতীতত আজিকালিৰ দৰে আতচবাজি, বোমা আদি ব্যৱহাৰ হৈছিল নে নাছিল সেই বিষয়ে স্পষ্ট তথ্য পোৱা নাযায়। তথাপি সকলোৱে মংগল কামনা কৰি প্ৰাৰ্থনা জনোৱাৰ বিষয়ে জ্ঞাত। জনশ্ৰুতি অনুসৰি প্ৰভু শ্ৰীৰামচন্দ্ৰই ৰাৱণ বধ কৰি আযোধ্যালৈ ওভতাৰ দিনা প্ৰজাসকলে পদূলিমুখত চাকি জ্বলাই আদৰিছিল। ঘোৰ অমাৱস্যাৰ নিশা তিমিৰ ভেদিবলৈ যে এনেধৰণৰ প্ৰদীপ জ্বলাইছিল সেই বিষয়ো প্ৰচলিত হৈ আহিছে। সি যি নহওক পোহৰৰ উৎসৱৰ স'তে জড়িত হৈ আছে মৃৎশিল্প। কাৰণ শাৰদীয় দুৰ্গোৎসৱ মানেই চাকিৰ চাহিদা বৃদ্ধি। গ্ৰামাঞ্চলৰ লগতে চহৰাঞ্চলতো মাটি চাকিৰ চাহিদা সমানেই বৃদ্ধি পায়। এইকেইদিনত মৃণ্ময় শিল্পীৰ ব্যস্ততাৰ অন্ত নাই। বছৰটোৰ উপাৰ্জন কৰি ল'ব খোজে। অৱশ্যে তেওঁলোক সকলো প্ৰকাৰে ব্যস্ত হ'লেও দিন-ৰাতি একাকাৰ কৰিও কোনো সুফল নাপায়। কাৰণ বছৰটোৰ ভিতৰত এইখিনি সময়ত বেছি উপাৰ্জন কৰে যদিও পৰিয়ালক পোহপাল দিবলৈ অসমৰ্থ হৈ পৰে। আগতে এই শিল্পীসকলে খেতি-বাতিৰ লগতে শিল্পটোত ব্যস্ত থকা বাবে পৰিয়ালক কোনোমতে পোহপাল দিব পাৰিছিল। এতিয়া পিছে কৃষিভূমি সংকুচিত হৈ আহিছে। কেৱল সেয়াই নহয়, মাটিচাকিৰ বাবে প্ৰয়োজনীয় কুমাৰ মাটিৰো অভাৱ হৈছে। ফলত মাটি ক্ৰয়ৰ বাবে পূৰ্বৰ তুলনাত অধিক

ধন ব্যয় কৰিব লাগে। তদুপৰি আগৰ দৰে উৎকৃষ্ট মাটিও পোৱা নাযায়। বিভিন্ন ঠাইত বৈধ-অবৈধভাৱে গঢ়ি উঠা ইটাভাতাসমূহেও এনেধৰণৰ মাটি সংগ্ৰহৰ ক্ষেত্ৰত জটিলতা সৃষ্টি কৰিছে। চৰকাৰৰ কুমাৰ বা মৃৎ শিল্পীসকলৰ প্ৰতি অৱহেলাৰ ছবিখন লাহে লাহে ফুটি উঠিবলৈ ধৰিছে। এইসকল শিল্পীৰ বাবে কোনো হ্ৰস্বম্যাদী অথবা দীৰ্ঘম্যাদী আঁচনি গ্ৰহণ কৰা হোৱা নাই। যিহেতু এইসকলক শিল্পী হিচাপে গণ্য কৰা হয়, সেয়েহে চৰকাৰে তেওঁলোকৰ উন্নতিৰ বাবেও পদক্ষেপ গ্ৰহণ কৰা উচিত। যদিহে এই শিল্পটোক জীয়াই ৰাখিবলৈ চৰকাৰ তৎপৰ নহয় তেনেহ'লে এদিন ইয়াৰ ঐতিহ্য অসমৰ বুকুৰপৰা বিলুপ্ত হ'ব।

অসমৰ মৃৎশিল্পৰ আছে এক সুকীয়া ঐতিহ্য। ইতিহাসে ঢুকি নোপোৱা দিনৰেপৰা এই শিল্পটোৱে এখন সুকীয়া স্থান দখল কৰি আহিছে। অসমৰ বিভিন্ন ঠাইত পুৰাতত্ত্ব বিভাগে সংগ্ৰহ কৰা ঐতিহাসিক ভগ্নাৱশেষত ইয়াৰ প্ৰমাণ পোৱা যায়। গতিকে এই শিল্পটোৰ স'তে যুগ যুগ ধৰি জড়িত হৈ থকা লোকসকলৰ সুৰক্ষাৰ স্বাৰ্থতে চৰকাৰে বিভিন্ন আঁচনি ৰূপায়ণ কৰা উচিত। নহ'লে নৱ প্ৰজন্ম ইয়াৰ প্ৰতি আকৃষ্ট নহ'ব। ইতিমধ্যে যুগ যুগ ধৰি উক্ত শিল্পকৰ্মত জড়িত বহুতো পৰিয়ালৰ লোকে বৃত্তিটোৰপৰা আঁতৰি আহিছে। জীও-মৰো-আধিকৈ ঠায়ে ঠায়ে শিল্পটো একাংশ লোকে জীয়াই ৰাখিবলৈ অহৰহ চেষ্টা চলাই আছে যদিও আৰ্থিক অনাটনৰ বাবে আজি এইসকলৰো বিতৃষ্ণা জন্মিবলৈ ধৰিছে। আজিকালি দীপাৱলীৰ সময়ত মাটি-চাকিকে ধৰি তেনেজাতীয় আন সম্পদৰ প্ৰতি ব্যৱসায়ীসকলৰ খদমদম দেখিবলৈ পোৱা নাযায়। মাজুলীৰ শালমৰাৰপৰা আগতে নাৱেৰে এনে মাটিৰ সামগ্ৰী সৰবৰাহ কৰিছিল। এতিয়া খহনীয়াত আক্ৰান্ত অঞ্চলটোৰ মৃৎ শিল্পীসকলে জীয়াই থকাৰ সংগ্ৰামত ব্ৰতী হ'বলগীয়া হৈছে। নলবাৰী জিলাৰ হীৰাপাৰা, কামৰূপ গ্ৰাম্য জিলাৰ হীৰাপাৰা, ধুবুৰী আদিতো এনে শিল্পী সিঁচৰতি হৈ আছে। এইসকল অসংগঠিত শিল্পীক যদি সংগঠিত কৰি এখন বৃহৎ বজাৰ গঢ়ি তুলিব পৰা যায় তেনেহ'লে বহুতো নিবনুৱাই কৰ্মসংস্থাপন লাভ কৰিব। তদুপৰি এইবোৰ শিল্পীয়ে কেনেদৰে কম সময়ৰ ভিতৰত কম মূল্যত সামগ্ৰী প্ৰস্তুত কৰিব পাৰে সেই সম্পৰ্কেও মাজে মাজে প্ৰশিক্ষণ দিয়াৰ প্ৰয়োজন আছে। যিসময়ত বিশ্বৰ আন দেশৰ চৰকাৰে থলুৱা উদ্যোগসমূহক উজ্জীৱিত কৰি ৰপ্তানি বৃদ্ধিৰ বাবে বিভিন্নধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে সেই সময়ত

কিন্তু ভাৰতৰ কে'বাখনো ৰাজ্যত থলুৱা উদ্যোগৰ স'তে জড়িত লোকসকলে জীয়াই থকাৰ সংগ্ৰামত অৱতীৰ্ণ হ'বলগীয়া হৈছে। ইয়াৰ জ্বলন্ত উদাহৰণ মৃৎ শিল্পী।

আজি দীপাৱলীৰ বজাৰেই হওক, দুৰ্গা পূজা, ৰাস তথা আন উৎসৱৰ বজাৰেই হওক সকলোতে ভৰি পৰিছে চীনা সামগ্ৰী। সমগ্ৰ দেশতেই চীনা সামগ্ৰীৰ বিৰুদ্ধে প্ৰচাৰ তথা প্ৰতিবাদ হোৱা সত্ত্বেও চীনা সামগ্ৰীয়ে এফালৰপৰা বজাৰ গ্ৰাস কৰি আহিছে। আনকি চৰকাৰী অনুষ্ঠান, কাৰ্যালয় আদিতো চীনা সামগ্ৰী ভৰি পৰিছে। দীপাৱলীৰ চাকি তথা আতচবাজিৰ বজাৰ চীনা সামগ্ৰীয়ে দখল কৰাৰ সমান্তৰালভাৱে থলুৱা শিল্পটোক মাধমাৰ শোধাইছে। বিগত চাৰি বছৰমানৰপৰা সমগ্ৰ ৰাজ্যতে মাটিৰ চাকি জ্বলাৰ পৰিৱৰ্তে প্লাষ্টিকৰ চীনা বৈদ্যুতিক চাকিহে জ্বলিছে। খুব কমসংখ্যক লোকেহে এতিয়া মাটিৰ চাকি ব্যৱহাৰ কৰে। কাৰণ চীনা বৈদ্যুতিক চাকিৰ মালা এডালত যিমান খৰচ পৰে সিমানসংখ্যক মাটিৰ চাকি জ্বলাবলৈ হ'লে তিনি-চাৰিগুণ বেছি দাম ভৰিব লাগে। গতিকে মানুহে কম দামত পোৱা সামগ্ৰীহে ব্যৱহাৰ কৰিব। এইবোৰ ক'ৰ পৰা কোনে আনিছে সেই বিষয়ে চিন্তা কৰিবলৈ কাৰো আহৰি নাই। যিখন দেশত বহিঃদেশৰপৰা সামগ্ৰী আমদানি কৰা হয় সেইখন দেশৰ লাভালাভ সম্পৰ্কে সাধাৰণ লোকে নাভাবে। এইবোৰ ক্ষেত্ৰত চৰকাৰেহে ভাবিব বা সিদ্ধান্ত গ্ৰহণ কৰিব। মুক্ত অৰ্থনীতিত কোনো এখন ৰাষ্ট্ৰই দেশখনৰ নাগৰিকক আনৰ সামগ্ৰী ব্যৱহাৰত বাধা প্ৰদান কৰিব নোৱাৰে। অৱশ্যে আমদানি-ৰপ্তানিৰ ক্ষেত্ৰত চৰকাৰে সম্পূৰ্ণভাৱে সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে।

মৃৎ শিল্পীসকলে লঘোনে থাকি সৃষ্টি কৰিব নোৱাৰে। বছৰটোৰ দুটা ঋতুত এনেদৰে শিল্পীসকলে ব্যস্ত থাকে বিভিন্ন দেৱ-দেৱীৰ মূৰ্তি প্ৰস্তুত কৰিবলৈ। দৰাচলতে এইসকল শিল্পীক বছৰটোৰ সকলো সময়তে ব্যস্ত ৰাখিব পাৰিলে তেওঁলোক উৎসাহিত হ'ব। পৰিয়ালৰ আৰ্থিক সকাহৰ লগতে সমাজৰ অৰ্থনৈতিক পৰিকাঠামো হ'ব শক্তিশালী। তদুপৰি এনে শিল্পীলৈ চৰকাৰীভাৱে বঁটা আগবঢ়োৱাৰ লগতে বিভিন্ন সময়ত অঞ্চলবিশেষে সম্বৰ্ধনা অনুষ্ঠান আয়োজন কৰিব লাগে। তদুপৰি বছৰি কে'বাজনো মৃৎ শিল্পীক পেঞ্চনৰ ব্যৱস্থা কৰিলে শিল্পটোৱে নিশ্চয় ঠন ধৰি উঠিব। এইক্ষেত্ৰত চৰকাৰৰ লগতে সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰো গুৰু দায়িত্ব আছে।

# কৃত্রিম বানতকৈ ভূমিস্খলনহে শংকাৰ কাৰণ

অসমৰ জ্বলন্ত সমস্যাসমূহৰ ভিতৰত বানপানী, গৰাখহনীয়াৰ বিষয়ে সততে চৰ্চা হোৱা দেখা যায়। এজাক বৰষুণ দিলেই টিভি চেনেলসমূহ ব্যস্ত হৈ পৰে নবীন নগৰ, জু-ৰোড তিনিআলিত। গুৱাহাটী মহানগৰীৰ এসময়ৰ অন্যতম পিটনিত মানুহে ঘৰ-দুৱাৰ নিৰ্মাণ কৰাৰ পাছৰেপৰা বৃহত্তৰ অঞ্চল দুটাৰ ছবিয়েই সলনি হ'ল। গতিকে বৰষুণ দিলেই অঞ্চলবাসী জলবন্দী হৈ পৰে। চৰকাৰৰ সুপৰিকল্পনাৰ অভাৱতে মহানগৰবাসীয়ে কৃত্রিম বানৰ কবলত কক্‌বকাই থাকিবলগীয়া হৈছে। এজাক কিনকিনীয়া বৰষুণতে কৃত্রিম বান হোৱাতো এতিয়া নিত্য-নৈমিত্তিক ৰুটিনত পৰিণত হৈ পৰিছে। গতিকে বৰষুণ দিলেই টিভি চেনেলসমূহে হেতা-ওপৰা লগোৱাৰ নিশ্চয় কোনো কাৰণ থাকিব নোৱাৰে। ইয়াৰ বিপৰীতে মহানগৰীৰ চাৰিওফালে থিয় হৈ থকা পাহাৰৰ ভূমিস্খলনৰ বিষয়ে বাতৰি কমকৈ পৰিৱেশন কৰা দেখা যায়। অৱশ্যে ইয়াৰ আঁৰত কি কাৰণ থাকিব পাৰে সেয়াহে কাৰো জ্ঞাত নহয়। বিগত এটা দশকত মহানগৰীত পাহাৰৰ মাটি খহি যিমান লোকৰ মৃত্যু হৈছে পাহাৰীয়া ৰাজ্য মেঘালয়ত তাৰ অৰ্ধেকো মৃত্যুমুখত পৰা নাই। এতিয়া মহানগৰীৰ প্ৰায়ভাগ স্থানতেই নিতৌ সৰু-সুৰাকৈ ভূমিস্খলন হৈ থাকে।

কিছুদিন পূৰ্বে পানীখাইতিত এটি শিশুৰ মৃত্যু হয় পাহাৰৰ ভূমিস্খলনৰ ফলত। কেইমাহমান পূৰ্বে নুনমাটি অঞ্চলত কে'বাজনো শ্ৰমিকৰ মৃত্যু হৈছিল পাহাৰৰপৰা খহি অহা মাটিৰ হেঁচাত। নুনমাটি, নিজৰাপাৰ, খাৰঘূলি, লালগণেশ, ফটাশিল-আমবাৰী, চিৰিয়াখানা, কৃষ্ণনগৰ, চানমাৰি আদি অঞ্চলত সঘনাই ভূমিস্খলন হৈ থাকে। কিছুমান ঠাইত আনকি নিশাতো বাদেই, দিনতো বাট পোনাব নোৱাৰি। প্ৰতিটো মুহূৰ্ততে মাটি খহি পৰাৰ আশংকা থাকে। যিমানেই শক্তিশালী 'গাৰ্ডৱাল' নিদিয়ক কিয়, গভীৰতাৰপৰা যেতিয়া স্খলন হ'ব তেতিয়া গাৰ্ডৱালেও কাম নিদিয়ে। বৰং গাৰ্ডৱাল খহি পৰাৰ ফলতো কে'বাজনো লোকে প্ৰাণ হেৰুৱাইছে। আনকি কে'বাটাও পৰিয়ালৰ ঘৰ-দুৱাৰো মাটিত পোত গৈছে। এনেধৰণৰ ঘটনা সঘনাই সংঘটিত হ'বলৈ ধৰিছে। আজিৰপৰা দুই-তিনি দশক আগলৈকে মহানগৰীত ভূমিস্খলন হৈছিল যদিও খুব এটা বেছি নাছিল। তদুপৰি মৃতকৰ সংখ্যাও বৰ বেছি নাছিল। যিমানেই চৰকাৰ-প্ৰশাসনে পাহাৰৰ মাটি কটাত বাধা আৰোপ কৰিছে, সিমানেই এনেধৰণৰ ঘটনা সঘনাই সংঘটিত হ'বলৈ ধৰিছে। কাগজে-কলমেহে বাধা আৰোপ কৰা হৈছে, বাস্তৱ ক্ষেত্ৰত ইয়াৰ প্ৰতিফলন হোৱা নাই। বহুতেই এইবুলিও অভিযোগ কৰে যে প্ৰশাসনযন্ত্ৰটোক মেনেজ কৰিয়েই বিষয়াৰ সন্মুখতে পাহাৰ ধ্বংস কৰা হৈছে।

পাহাৰৰ ওপৰফালে ঘৰ সজা, বৃহৎ বৃহৎ অট্টালিকা নিৰ্মাণ কৰি থকা সকলোৱে দেখিছে। একাংশ পুঁজিপতিৰ লগতে প্ৰভাৱশালী লোকৰদ্বাৰা এই কাৰ্য সম্পাদন কৰি থকাৰ পাছতো প্ৰশাসনৰ কিয় চকুত নপৰে সেয়াহে ৰহস্যজনক বিষয়। আনকি এনে কাৰ্যত পৰোক্ষভাৱে একাংশ মন্ত্ৰী-বিধায়কো জড়িত থকা বুলি ৰাইজৰ মাজত চৰ্চা চলি আছে, কোনোৱে কিন্তু নাম নকয়। কাৰণ প্ৰায়ভাগৰেই ভয়। কেঁচু খান্দোতে সাপ ওলোৱাৰ ভয়তেই সাধাৰণ লোকেও নীৰৱ দৰ্শকৰ ভূমিকা গ্ৰহণ কৰে। পাহাৰত চলা অবাধ বেদখলত প্ৰশাসনে উচ্ছেদ চলাবলৈ গ'লেই প্ৰতিবাদমুখৰ হৈ পৰে ৰাইজৰ লগতে বিভিন্ন দল-সংগঠন। মাজে মাজে প্ৰশাসনে উচ্ছেদ চলাই যদিও কেইদিনমান পাছতে আকৌ এইবোৰ ঠাইত গৃহ নিৰ্মাণ চলে। পাহাৰসমূহ এফালৰপৰা ধ্বংস কৰি থকা হৈছে। আনকি বিপদসংকুল অঞ্চল বুলি ঘোষণা কৰাৰ পাছতো তেনে অঞ্চলত বৃহৎ বৃহৎ অট্টালিকা, পকী গৃহ নিৰ্মাণৰ বিষয়ে জ্ঞাত নোহোৱাতো হাস্যস্পদ বিষয়। গতিকে পাহাৰত হোৱা

ভূমিস্খলনত যিসকলৰ ক্ষতি হয় অথবা মৃত্যু হয় তাৰ বাবে দায়ী পৌৰ নিগম, জি এম ডি এৰ লগতে ৰাজ্য চৰকাৰো। চৰকাৰে ক্ষতিপূৰণ দিলে নাইবা তদন্ত ঘোষণা কৰিলেই সমস্যাৰ সমাধান নহয়। ইয়াৰ বাবে লাগিব স্থায়ী সমাধানসূত্ৰ। এইক্ষেত্ৰত জনসাধাৰণৰ মতামত গ্ৰহণ কৰি বিশেষজ্ঞৰদ্বাৰা পৰিকল্পনা প্ৰস্তুত কৰা উচিত।

পাহাৰ কেৱল অসমতেই যে আছে তেনে নহয়, চুবুৰীয়া ৰাজ্যসমূহতো আছে। যদিহে আমি বিগত এটা দশকৰ ভূমিস্খলনৰ তথ্য বিশ্লেষণ কৰোঁ তেতিয়াহ'লে স্পষ্ট হৈ পৰিব যে মেঘালয়, নাগালেণ্ড, অৰুণাচল আদিত যিমান লোকৰ মৃত্যু হৈছে অসমত তাতকৈ কম হোৱা নাই। বিগত চাৰি বছৰত গুৱাহাটী মহানগৰীত শিশুসহ ১৭জনৰ মৃত্যু হৈছে। ৩৬৫টা স্থান ঘাতকস্থলীৰূপে চিনাক্ত কৰা হৈছে। মেঘালয়ত পাহাৰৰ ওপৰতে ঘৰ, তথাপি শংকাবিহীনভাৱে লোকসকলে বসবাস কৰে। অথচ অসমৰ বিশেষকৈ মহানগৰীৰ পাহাৰসমূহত বাস কৰা লোকসকলৰ পদে পদে বিপদ। পাহাৰৰ আন্তঃগাঁথনি ধ্বংস কৰি গৃহ নিৰ্মাণৰ ফলত যিকোনো মুহূৰ্ততে পাহাৰ খহাৰ আশংকা থাকে। সাধাৰণতে বৰষুণ দি থকাৰ সময়তকৈ বন্ধ হোৱাৰ পাছত অথবা বতাহ বলি থাকিলে ভূমিস্খলনৰ আশংকা থাকে। মহানগৰীৰ পাহাৰসমূহ এফালৰপৰা কাটি গছ-গছনি নোহোৱা কৰাত দুৰ্বল হৈ পৰিছে ভূমি খাপ খুৱাই ধৰি ৰাখিব পৰা ক্ষমতা। তদুপৰি জধে-মধে বৃহৎ আকাৰৰ শিল ভঙাৰ ফলতো এনে সমস্যাই গা কৰি উঠিছে। বিগত ছমাহত মহানগৰীৰ বহুতো ঠাইত ভূমিস্খলন হোৱাত কে'বাজনৰ মৃত্যু হোৱাৰ উপৰি ধ্বংস হৈছে কোটি কোটি টকা মূল্যৰ সা-সম্পত্তি।

যেতিয়াই ভূমিস্খলন হয় তেতিয়াই ৰাইজ সৰৱ হৈ পৰে। চৰকাৰ তথা সংশ্লিষ্ট কৰ্তৃপক্ষৰ বিৰুদ্ধে শ্ল'গান দি পথ অৱৰোধ, ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰিলেই নহ'ব, সকলোৰে মনোভাবো সলনি হ'ব লাগিব। আনৰ ওপৰত দোষ জাপি দিয়াৰ পৰিৱৰ্তে সকলোৱে যদি পাহাৰ ধ্বংস নকৰাৰ সংকল্প গ্ৰহণ কৰে তেতিয়াহ'লে ভূমিস্খলনৰ লগতে কৃত্ৰিম বানৰ সমস্যাও প্ৰতিৰোধ কৰা সম্ভৱ হ'ব। পৰিষ্কাৰ হ'ব মহানগৰী। ৰক্ষা পৰিব বহুতৰ প্ৰাণ, সা-সম্পত্তি।

# মোদীৰ বিদেশ ভ্ৰমণৰ আঁৰত

এসময়ত বিশ্ববাসীয়ে আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ উপস্থিতিৰ বাবে অপেক্ষা কৰিছিল। ৰাষ্ট্ৰপতি যিগৰাকী ব্যক্তিয়েই নহওক কিয় 'আমেৰিকাৰ ৰাষ্ট্ৰপতি' বুলি ক'লে আছে এক সুকীয়া আসন। বিশ্বৰ সবাতোকৈ শক্তিশালী ৰাষ্ট্ৰ এখনৰ মুৰব্বী হ'ব পৰাতো পৰম সৌভাগ্যৰ কথা। তিনি বছৰ আগলৈকে যিখন দেশৰ মুৰব্বীক লগ পাবলৈ বছৰৰ পাছত বছৰ অপেক্ষা কৰিব লাগিছিল সেইখন দেশৰ ৰাষ্ট্ৰপতিয়ে আজি ভাৰতৰ প্ৰধানমন্ত্ৰীৰ সহযোগিতাৰ বাবে অপেক্ষা কৰিবলগীয়া হৈছে। কাৰণ ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিচক্ষণতাত আজি বিশ্ববাসী স্তম্ভিত। বিগত তিনি বছৰত মোদীয়ে যিকেইটা ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰিলে সেই কাৰ্যই আমেৰিকাতো চৰ্চা লাভ কৰিছে। আনকি ইয়াৰ পৰোক্ষ প্ৰভাৱ আমেৰিকাৰ বিগত ৰাষ্ট্ৰপতি নিৰ্বাচনতো পৰিছিল। মোদীৰ ঢৌৱে কেৱল ভাৰততে নহয়, সমগ্ৰ বিশ্বকে কোবাইছে। চাণক্য নীতিৰে মোদীয়ে এফালৰপৰা বিদেশী ৰাষ্ট্ৰৰ স'তে বন্ধুত্বৰ এনাজৰীডাল সুদৃঢ় কৰিবলৈ অহৰ্নিশে চেষ্টা অব্যাহত ৰাখিছে। কাৰণ প্ৰধানমন্ত্ৰী মোদীয়ে জানে যে ভাৰতক চুবুৰীয়া ৰাষ্ট্ৰৰ আক্ৰমণৰপৰা ৰক্ষা কৰিবলৈ হ'লে এনে সহযোগিতাৰ খুবেই প্ৰয়োজন। তদুপৰি সন্ত্ৰাসবাদৰ বিৰুদ্ধে অকেলই ভাৰতে যুঁজ দিয়া সম্ভৱ নহয়। ইয়াৰ বাবে লাগিব বিভিন্ন দেশৰ সহায়-সহযোগিতা।

বিশেষকৈ জেহাদী, সন্ত্ৰাসবাদী সংগঠনসমূহৰ বিৰুদ্ধে যিকেইখন দেশে অভিযান চলাই আহিছে আৰু আন্তৰ্জাতিক পৰ্যায়ত বিষয়টো উত্থাপন কৰিছে তেনে দেশৰ স'তে ভাৰতে হাত মিলাবই লাগিব। এছিয়াৰ শক্তিধৰ ৰাষ্ট্ৰ হিচাপে পৰিচিত চীন, চিৰবৈৰী পাকিস্তান আদি দেশৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ হ'লে ইউৰোপ, আমেৰিকা আদি মহাদেশৰ শক্তিশালী ৰাষ্ট্ৰৰ সহায় ল'বই লাগিব।

প্ৰধানমন্ত্ৰী মোদী হ'ল ঘড়ীৰ কাঁটাৰ দৰে ঘূৰা লোক। সময়তকৈও এখোজ আগত ভৰি থ'ব খোজা মোদীৰ লক্ষ্য প্ৰবাসী ভাৰতীয়। বিশ্বৰ বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ থকা প্ৰবাসী ভাৰতীয়সকলক ভাৰতত বিনিয়োগ কৰিবলৈ আহ্বান জনাই ইখন দেশৰপৰা সিখন দেশলৈ ঢাপলি মেলিছে মোদী। আনকি যিবোৰ দেশৰ স'তে ভাৰতৰ সম্পৰ্ক খুব এটা ভাল নাছিল তেনে দেশকো মোদী মেজিকে স্পৰ্শ কৰিছে। শেহতীয়াভাৱে ইজৰাইল ভ্ৰমণে সেই ছবিখনকে ফুটাই তুলিছে। প্ৰতিখন দেশৰপৰা ভালখিনি গ্ৰহণ কৰি সেয়া ভাৰতত প্ৰয়োগেৰে দেশখনক বিশ্বৰ অন্যতম শক্তিশালী ৰাষ্ট্ৰ হিচাপে পৰিগণিত কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। বিগত তিনিটা বৰ্ষত মোদীয়ে য'লৈকে গৈছে তাতেই যেন মায়াজাল তৰিছে। শেহতীয়াভাৱে প্ৰকাশিত এক তথ্য অনুসৰি চীনক অতিক্ৰম কৰি ভাৰত এতিয়া হৈ পৰিছে বিশ্বায়ন অৰ্থনীতিৰ অন্যতম কেন্দ্ৰ। কেইদিনমান আগলৈ চীনক কোৱা হৈছিল বিশ্বায়ন অৰ্থনীতিৰ প্ৰধান কেন্দ্ৰ। চীনে ভাৰতৰ বিৰুদ্ধে বিভিন্ন উপায়েৰে ষড়যন্ত্ৰ ৰচনা কৰাৰ সময়তে লাভ কৰিছে এই তথ্য। ভাৰতে বিভিন্ন ক্ষেত্ৰত চীনৰ সমানেই খোজ পেলাইছে। আনকি যুদ্ধক্ষেত্ৰত চীনক প্ৰত্যাহ্বান জনাব পৰাকৈ ভাৰতে এখন উপযুক্ত ক্ষেত্ৰ সৃষ্টি কৰিছে। আমেৰিকা, ইজৰাইলৰ স'তে ভাৰতে অতিসম্প্ৰতি অস্ত্ৰ, যুদ্ধ জাহাজ, মাৰণাস্ত্ৰ ক্ৰয় কৰিবলৈ চুক্তি সম্পাদন কৰাত ক্ষুণ্ণ হৈ পৰিছে চীন। সেইবাবে উত্তৰ কোৰিয়াৰ স'তে হাত আগবঢ়াইছে। দুয়োখন দেশৰ মুৰব্বীয়ে হাতে হাত ধৰি প্ৰকাশ্যে আমেৰিকাৰ বিৰুদ্ধে বিদ্ৰোহ কৰাৰ ইংগিত দিছে। বিশেষকৈ ভাৰতৰ স'তে আমেৰিকাই বিভিন্ন ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱাৰ কথা ঘোষণাৰ পাছতে ক্ষুণ্ণ হৈ পৰিছে কমিউনিষ্ট ৰাষ্ট্ৰখন।

নৰেন্দ্ৰ মোদী ভাৰতত যিমান জনপ্ৰিয়, বিদেশী ৰাষ্ট্ৰতো তাতকৈ কম

নহ'ব। ভাৰতীয় ৰাজনীতিত সৰ্বকালৰ জনপ্ৰিয় প্ৰধানমন্ত্ৰীৰ তালিকাত নিঃসন্দেহে মোদীয়েই শীৰ্ষত থাকিব। এগৰাকী ৰাষ্ট্ৰৰ মুৰব্বী হিচাপে যিবোৰ গুণৰ প্ৰয়োজন এশ শতাংশ নহ'লেও প্ৰায়ভাগ থকা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। সেইবাবে বৈদেশিক নীতি আগুৱাই নিয়াত সহায়ক হৈছে। মোদীয়ে কোনখন দেশৰ স'তে হাত মিলালে ভাৰত লাভান্বিত হ'ব সেই কথা বুজি পায়। 'হাল চাই কঠীয়া পৰা' লোক হ'ল মোদী। গতিকে এইক্ষেত্ৰত সদায় ভাৰতেই বেছি লাভান্বিত হৈছে। তদুপৰি দীৰ্ঘম্যাদী আঁচনিৰ সুফলসমূহ ভাৰতে ভৱিষ্যতে লাভ কৰিব পৰাৰ পথো মোদীয়ে প্ৰশস্ত কৰি থৈছে। চৰকাৰ যি দলৰেই নহওক কিয়, এদিন নহয় এদিন ভাৰতে সুফল লাভ কৰিবই। সেইবাবে মোদীয়ে যিমান সম্ভৱ সিমানেই বিদেশ ভ্ৰমণ কৰিছে।

সম্প্ৰতি দুৰ্নীতিৰ বিৰুদ্ধে এশ শতাংশই যুঁজা ৰাষ্ট্ৰৰ মুৰব্বীৰ শীৰ্ষতো মোদী চৰ্চাৰ কেন্দ্ৰবিন্দু। বিশ্ববাসীক স্তম্ভিত কৰি দুৰ্নীতি প্ৰতিৰোধৰ বাবে মোদীয়ে যি মুদ্ৰানীতি গ্ৰহণ কৰিলে তাৰ বাবে তেওঁ সদায় বিশেষ আসন লাভ কৰি থাকিব। কেতিয়াও দুৰ্নীতিক প্ৰশ্ৰয় নিদিয়া মোদীৰ নীতিকে আজি কে'বাখনো ৰাষ্ট্ৰই সমৰ্থন কৰিছে।

# ছেলিমক চালাম

জম্মু-কাশ্মীৰৰ অনন্তনাগ জিলাৰ বাটেংগু অঞ্চলত পাকিস্তানৰ সাহায্যপ্ৰাপ্ত সন্ত্ৰাসবাদীয়ে নিৰ্বিচাৰে গুলীচালনা কৰা ঘটনাত সাতজন লোকে প্ৰাণ হেৰুৱালেও জীৱন ৰক্ষা পৰে অৰ্ধ শতাধিকৰ। লস্কৰ-ই-তৈবাৰ পাঁচজনীয়া সদস্যৰ দল এটাই বাছখনত নিৰ্বিচাৰে গুলীচালনা কৰি তীৰ্থযাত্ৰীসকলক হত্যা কৰি অথবা পণবন্দী কৰি নিজৰ লক্ষ্যত উপনীত হ'বলৈ চেষ্টা কৰাৰ সময়ত দুজন ইছলাম ধৰ্মাৱলম্বী লোকে সাহসিকতাৰে বাছখনৰ ভিতৰত থকা ৫০ গৰাকী হিন্দু তীৰ্থযাত্ৰীৰ জীৱন ৰক্ষা কৰিবলৈ সক্ষম হৈছিল। এয়াই হ'ল মানৱতা, দেশ-স্বজাতিৰ মানুহক ভালপোৱাৰ উদাহৰণ। পাক সন্ত্ৰাসবাদীহঁতে যি মানসিকতাৰে তীৰ্থযাত্ৰীৰ ওপৰত আক্ৰমণ চলাই ইছলাম ধৰ্মত চেকা লগাইছিল সেই সময়তে নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি তীৰ্থযাত্ৰীৰ জীৱন ৰক্ষা কৰা বাছ চালকজন হ'ল ছেলিম। মাত্ৰ এটা ঘটনাৰ বাবে ছেলিম হৈ পৰিছে দেশৰ অন্যতম চৰ্চিত ব্যক্তি। সন্ত্ৰাসবাদীয়ে চাৰিওফালৰপৰা গুলীবৰ্ষণ কৰা সময়ত ইচ্ছা কৰিলে ছেলিমে তীৰ্থযাত্ৰীসকলক সহজেই সন্ত্ৰাসবাদীৰ সন্মুখত এৰি দিব পাৰিলেহেঁতেন। কিন্তু ছেলিমে সেয়া নকৰিলে। কাৰণ তেওঁ এজন সৎ ভাৰতীয় নাগৰিক। ধৰ্মৰ স'তে দেশপ্ৰেমক একাকাৰ নকৰা লোক। দেশমাতৃৰ বিপদৰ সময়ত

ধৰ্মতকৈ মানৱতাক আগস্থান দিয়া লোক ছেলিম। দৰাচলতে মানৱতাৰ নিদৰ্শন দাঙি ধৰা লোকসকলৰ বাবেই আজি পাকিস্তানে ধৰ্মৰ নামত মুছলমান লোকক উত্তেজিত কৰিবলৈ চেষ্টা চলায়ো ব্যৰ্থ হৈছে।

ছেলিমৰ লগতে গাড়ীখনৰ আনজন কৰ্মীয়ে বিপদৰ উমান পাই যাত্ৰীসকলক নিৰ্ভয় দি জীৱন ৰক্ষা কৰাটো কম ডাঙৰ কথা নহয়। অমৰনাথ যাত্ৰাৰ ইতিহাসত ই সাদয় ক'লা দিন হিচাপে চিহ্নিত হৈ ৰ'ব। ইতিহাসৰ পৃষ্ঠা মেলি চালে দেখা যায় কাশ্মীৰত সদায়েই সন্ত্ৰাসবাদীয়ে আক্ৰমণ সংঘটিত কৰি আহিলেও তীৰ্থযাত্ৰীৰ ওপৰত আক্ৰমণ চলোৱা নাছিল। কিন্তু, অতিসম্প্ৰতি চীনে ভাৰতৰ বিৰুদ্ধে ক্ষুণ্ণ হৈ পৰাত এতিয়া সকলো ঘটনাই সাধাৰণ ঘটনাৰ দৰে সংঘটিত হ'বলৈ ধৰিছে। দুখন মটৰ চাইকেলত অহা উগ্ৰপন্থীৰ দল এটাই পূৰ্ব পৰিকল্পিতভাৱেই আক্ৰমণ কৰিছিল। পাকিস্তানৰ সমৰ্থনপুষ্ট সন্ত্ৰাসবাদীয়ে আক্ৰমণ কৰাটো নতুন কথা নহয়। নিতৌ আক্ৰমণ কৰা ঘটনাৰ অংশ যদিও এই কাৰ্যই নিৰাপত্তাৰ ক্ষেত্ৰত থকা সুৰুঙাক উদঙাই দিলে। বাছখনৰ চালক ছেলিমৰ উপস্থিত বুদ্ধিৰ ফলত অৰ্ধ শতাধিক লোকৰ জীৱন ৰক্ষা পৰাই নহয়, আন এক ভয়াৱহ বিপদৰপৰাও হাত সাৰিব পৰা হ'ল। এটা দশক পূৰ্বে কান্দাহাৰত ভাৰতীয় যাত্ৰীসহ বিমান অপহৰণ কৰি উগ্ৰপন্থীয়ে আজাহাৰ মামুদক মোকলাই নিছিল। পৰৱৰ্তী সময়ত মামুদৰ নেতৃত্বতেই ভাৰতত চলিল কে'বাটাও ভয়াৱহ আক্ৰমণ। কে'বাজনো বীৰ জোৱানে দেশমাতৃৰ বাবে অকালতে প্ৰাণ বিসৰ্জন দিবলগীয়া হৈছে। হাতত অস্ত্ৰ লৈ সেনাৰ পোছাক নিপিন্ধাকৈয়ে ছেলিমে যুঁজ দিলে উগ্ৰপন্থীৰ বিৰুদ্ধে। কেৱল যুঁজ দিয়াই নহয়, সাহসেৰে যাত্ৰীসকলৰ প্ৰাণ ৰক্ষা কৰি উগ্ৰপন্থীক সকীয়াই দিলে মুছলমান হ'লেই উগ্ৰপন্থী অথবা উগ্ৰপন্থীক সমৰ্থন নকৰে।

ছেলিমক আমি নায়ক সাজিব খোজা নাই। কিন্তু নিজ কৰ্তব্য সুচাৰুৰূপে সম্পাদন কৰা এজন ভাৰতীয় নাগৰিক হিচাপে আমি চালাম জনাইছোঁ। এওঁলোকৰ দেশপ্ৰেমো কোনোগুণে কম নহয়। প্ৰয়োজন হ'লে প্ৰাণ দিবলৈও সাজু হোৱা এনে লোকক দেশবাসীয়েও অনুপ্ৰেৰণা যোগাওক। প্ৰদান কৰক সাহসিকতাৰ পুৰস্কাৰ।

# বানে গৰকা শাওণৰ পথাৰখন

শাওণক লৈ সৃষ্টি হৈছে কবিতা, গল্প, উপন্যাস আৰু নাটক। গা পুৰি যোৱা ৰ'দৰ উত্তাপ আৰু ঈষৎ শ্যামল বৰণীয়া পথাৰখনতে থাকে অফুৰন্ত সৃষ্টিৰ উৎস। চহা কৃষকৰপৰা আৰম্ভ কৰি বতাহ-বৰষুণৰ মাজত লেউ-সেউ হৈ পৰা ধাননিডৰা, উত্তাপে দহি নিয়া পৰিৱেশটোক লৈয়ে সৃষ্টি হৈছে সাহিত্যৰ। অৱশ্যে এই শাওণৰ ৰূপ লাহে লাহে যেন নোহোৱা হ'বলৈ ধৰিছে। প্ৰকৃতিৰ পৰিৱৰ্তনে ক্ৰমাৎ এইবোৰ ম্লান কৰিব ধৰিছে। পৃথিৱীৰ আন অঞ্চলৰ লগতে অসমৰ উত্তাপো যেতিয়া ৩৮ ডিগ্ৰী চেলছিয়াছৰ ওপৰত হৈছে তেনে উত্তাপে প্ৰকৃতি সলনিৰ ইংগিতে বহন কৰিছে। সলনি হৈছে শাওণৰ পথাৰৰ ৰূপ।

ৰাজ্যখনত হোৱা শেহতীয়া বানে কে'বাখনো জিলাৰ খেতিপথাৰ বালিময় কৰিছে। মথাউৰি ভগা অংশৰ মেৰামতি হোৱা নাই। বহু ঠাইত ৰাইজে মথাউৰি মেৰামতি কৰিছে নিজৰ গাঁঠিৰ ধন ভাঙিছে। বালিময় পথাৰসমূহত এইবাৰ যে লক্ষ্মীদেৱীৰ দৃষ্টি সদয় হ'ব সেয়া মনে নধৰে। কাৰণ কিছুমান ঠাইত দুই-তিনি ফুটপৰ্যন্ত বালিৰে উপচি পৰিছে। এই বছৰ বাদেই, আৰু বহু বছৰলৈ তেনে খেতিপথাৰত শস্য উৎপাদন হোৱাৰ সম্ভাৱনা নাই। কাৰণ শস্য উৎপাদন কৰিবলৈ এখন পলসুৱা পথাৰৰ প্ৰয়োজন। কিন্তু বালিৰে পোত যোৱা পথাৰত সেয়া সম্ভৱ নহয়। বালিময় পথাৰখন দেখি কৃষকৰো বুকুখন কঁপি উঠে। কাৰণ পথাৰত শস্য উৎপাদন নহ'লে পৰিয়ালটোক পোহপাল দিব কেনেকৈ? সন্তানক পঢ়ুৱাব কেনেকৈ? বিবাহৰ বাবে উপযুক্ত হোৱা ছোৱালীজনীক লৈ চিন্তিত হৈ থকা বানে সৰ্বস্বান্ত কৰা কৃষকজনে পথাৰৰ ফালে চালেই বুকুখন চিৰিংকৈ উঠে। কেতিয়াবা বুকুত

থূপ খাই থকা কথাবোৰ ওলাই আহিব খুজিও ক'ৰবাত যেন ৰৈ যায়। বুকুখন লাহে লাহে গধুৰ হ'বলৈ ধৰে। এবাৰ বানত উটি যোৱা ভগা পঁজাৰ অৱশিষ্ট আৰু সন্মুখত উকা পথাৰখন দেখি শোকত ভাগি পৰা কৃষকৰ হুমুনিয়াহ আৰু কিমান দিন চলিব?

২০১৬ চনত সমগ্ৰ দেশতে ১১,৪০০ কৃষকে আত্মহত্যা কৰিছে। কেন্দ্ৰীয় কৃষিমন্ত্ৰী ৰাধামোহন সিঙে লোকসভাত দাঙি ধৰা তথ্যই প্ৰমাণ কৰিছে দেশত কৃষকসকলৰ দৰিদ্ৰতাৰ ভয়াৱহ ছবিখন। কৃষকসকলে ঋণত পোত যোৱাৰ লগতে উৎপাদিত সামগ্ৰীৰ উচিত মূল্য নোপোৱা, প্ৰতিকূল বতৰ (কেতিয়াবা খৰাং আৰু কেতিয়াবা প্ৰবল বৃষ্টিপাত)ৰ বাবে আত্মহত্যা কৰিবলৈ বাধ্য হৈছে। ২০১৫ বৰ্ষত এই সংখ্যা আছিল ১২,৬০২ গৰাকী। শেহতীয়াভাৱে মহাৰাষ্ট্ৰ, মধ্য প্ৰদেশত কৃষকৰ আত্মহত্যাৰ ঘটনা অস্বাভাৱিকভাৱে বৃদ্ধি পাবলৈ ধৰিছে। মধ্যে প্ৰদেশতে ৪৮জন কৃষকে আত্মহত্যা কৰিছে। অৱশ্যে অসমত কৃষকৰ আত্মহত্যাৰ ঘটনা দেশৰ আন ৰাজ্যৰ তুলনাত যথেষ্ট কম। কেইবছৰমান আগলৈকে অসমত কাচিৎহে তেনে কাৰ্য সংঘটিত হৈছিল। শেহতীয়াভাৱে অসমতো কৃষকৰ মাজত এনে প্ৰৱণতাই গা কৰি উঠিছে। ই একেবাৰেই অশুভ সংকেত। কাৰণ কৃষকসকলক পৰম সম্পদ হিচাপে গণ্য কৰা হয়। কৃষকসকলে কৃষিপথাৰত উন্নতি নকৰিলে দেশৰ উন্নয়ন অসম্ভৱ। গতিকে আমি এইসকল কৃষকক যিকোনো উপায়েৰে জীয়াই ৰাখিবই লাগিব। অৱশ্যে কৃষকে আত্মহত্যা কৰিলে বুলিয়েই অসম চৰকাৰৰ ওপৰত দোষ জাপি দিলেই সমস্যা সমাধান নহ'ব। কাৰণ কেন্দ্ৰীয় চৰকাৰে শস্য বীমা আঁচনিৰ অধীনত ৩,৫৬০ কোটি টকা আৰু বীমা ধনৰ বিনিময়ত ৩,৫৪৮ কোটি টকা আদায় দিছে। ইয়াৰ পাছতো কৃষকে ফচলৰ বাবে আত্মহত্যা কৰিছে। দৰাচলতে অসমত আজিও এনে সমস্যাৰ সৃষ্টি হোৱা নাই। কৃষকসকলে অযথা ঋণৰ বোজা ল'বলৈ কি কাৰণে বাধ্য হৈ আত্মহননৰ পথ বাচি লয় সেই সম্পৰ্কে অধ্যয়ন কৰিবলৈ এখন বিশেষজ্ঞ সমিতি গঠন কৰা উচিত। যেতিয়ালৈকে কৃষকসকলক বিভিন্ন দিশ সম্পৰ্কে সজাগ কৰি তোলা নহ'ব তেতিয়ালৈকে এনেধৰণৰ ঘটনা সংঘটিত হৈয়েই থাকিব। সজাগতাই হ'ল প্ৰতিৰোধৰ সৰ্বোত্তম উপায়। বেছিভাগ কৃষক পঢ়া-শুনা নকৰা। গতিকে এইসকল লোকক ঋণ লোৱাৰ সময়ত সকলোখিনি ভালদৰে বুজাই দিয়া নহয়। এইবোৰ কাগজে-কলমে চলি থাকে। গতিকে কৃষকৰ আত্মহত্যা প্ৰতিৰোধ কৰিবলৈ প্ৰথমতে আৰম্ভ হওক সজাগতা সভা।

# সদ্যোজাতৰ দোষ কি?

২০১৮ বৰ্ষৰ ৩ জুলাইত যোৰহাটত উদ্ধাৰ হ'ল এটি নৱজাতক। পৃথিৱীৰ পোহৰ দেখাৰ পাছতে পিতৃ-মাতৃৰ মৰমৰপৰা বঞ্চিত সদ্যোজাতক যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱাৰ পাছতে সংবাদ মাধ্যমত প্ৰচাৰিত বাতৰিটোৱে প্ৰতিগৰাকী হৃদয়ৱান লোকৰ অন্তৰ কঁপালে। ৰহস্যজনকভাৱে উদ্ধাৰ হোৱা ঘটনাটোলৈ চাই এয়া কোনো কিশোৰী অথবা যুৱতীৰ অবৈধ সম্পৰ্কৰ পৰিণতি বুলি সন্দেহ কৰা হৈছে। সাধাৰণতে সন্তানৰ কু-কীৰ্তি ঢাকিবলৈ পিতৃ-মাতৃ অথবা অভিভাৱকে গোপনে পেলাই থৈ যায় সদ্যোজাতক। যি সময়ত বহুতো দম্পতীয়ে এটি সন্তান লাভৰ বাবে চিকিৎসকৰ চেম্বাৰে চেম্বাৰে দৌৰি থাকিবলগীয়া হৈছে তেনে সময়ত ৰাস্তা-ঘাট, জংঘল, নিৰ্জন ঠাইত এনেদৰে উদ্ধাৰ হৈ আছে পৰিত্যক্ত সদ্যোজাতক। ইয়াৰে বেছিভাগেই মৃত অৱস্থাত উদ্ধাৰ হয়। জীৱিত অৱস্থাত উদ্ধাৰ হোৱাসকলক লৈ পৰৱৰ্তী সময়ত বহুতো সন্তানহীন দম্পতীয়ে হেতা-ওপৰা লগায়। পিছে আইনী প্ৰক্ৰিয়াৰ বাবে এইক্ষেত্ৰত জটিলতাৰ সৃষ্টি হয়।

যোৰহাটৰ ঘটনাটোৰ দৰে বহু ঘটনা ৰাজ্যখনৰ বিভিন্ন ঠাইত সংঘটিত হৈ আছে। ইয়াৰে প্ৰায়ভাগ ঘটনাই অপ্ৰকাশিত হৈ থাকে। লজ্জা ঢাকিবলৈ লোকচক্ষুৰপৰা আঁতৰত ৰাখিলেও ই কিন্তু মানৱতা ভূ-লুণ্ঠিত কৰা ঘটনা বুলিয়েই ক'ব লাগিব। জন্মদাত্ৰী মাতৃগৰাকী (অবৈধ হ'লেও মাতৃ)ৰ মনত বাৰু এবাৰো সন্তানটোলৈ মৰম নোপজেনে? ইমান পাষাণ হৃদয়ৰ অধিকাৰী হ'ব পাৰে জানো মাতৃগৰাকী? মাতৃক মমতাময়ী বুলি কোৱা হয়। এটি সন্তান লাভৰ বাবে কিমান পুণ্যৰ কাম কৰিব লাগে তাৰ ব্যাখ্যা নিষ্প্ৰয়োজন। ধৰ্মীয় দৃষ্টিকোণৰপৰা বিশ্লেষণ কৰিলে এয়া এক পাপ। হয়তো এই পাপৰপৰা মুক্ত হ'বলৈকে এদিন কুন্তী দেৱীয়েও এবাৰৰ বাবে হ'লেও পঞ্চ পাণ্ডৱৰ আগত প্ৰকাশ কৰিবলৈ বাধ্য হৈছিল চৰম সত্যটো। অকুমাৰী মাতৃ হিচাপে কুন্তী দেৱীয়ে যিটো সন্তান লাভ কৰি পাছত নৈত উটুৱাই দিছিল সেই সন্তানটোৱেই পৰৱৰ্তী সময়ত দানবীৰ কৰ্ণৰূপে জগত-বিখ্যাত হৈ পৰিছিল। ইতিহাসৰ পৃষ্ঠাত কুমাৰী মাতৃৰ বহুতো উদাহৰণ আছে। সেইবুলি আমি এই ঘটনাসমূহক আদৰ্শ হিচাপে ল'ব নোৱাৰো। কাৰণ সমাজত সকলো কাৰ্য নীতি-নিয়মৰ মাজেদি সম্পাদিত হ'ব লাগিব। সামাজিক পৰিৱেশ সুস্থ কৰিবলৈ অবৈধ কাৰ্যসমূহক আমি কোনো কাৰণতে সমৰ্থন কৰিব নোৱাৰো।

সদ্যোজাতকে নাজানে পিতৃ-মাতৃ কোন। হয়তো সেইবাবেই শিশুটিয়ে ভূমিষ্ঠ হৈয়েই পৃথিৱীৰ পোহৰ দেখাৰ লগে লগে কান্দিবলৈ ধৰে কাৰোবাৰ আশ্ৰয় বিচাৰি। যিগৰাকী মহিলাই শিশুটিক সদায় দুগ্ধ দান কৰে তেওঁকেই মাতৃ হিচাপে গ্ৰহণ কৰে। যিজনে লালন-পালন কৰে তেওঁক পিতৃ হিচাপে মানি লয়। সেইবাবে শিশুৰ পিতৃ-মাতৃৰ বাবে নাথাকে জাত-পাতৰ কথা। যি ধৰ্মৰেই নহওক কিয়, দুগ্ধ দান কৰা মাতৃগৰাকীকেই 'মা' বুলি সম্বোধন কৰে। আনকি ডাঙৰ হৈ যেতিয়া প্ৰকৃত পিতৃ-মাতৃৰ পৰিচয় লাভ কৰে তেতিয়াও 'মা' অথবা 'দেউতা' শব্দটো আনৰ ক্ষেত্ৰত প্ৰয়োগ নকৰে। পানী যি পাত্ৰত থয় সেই পাত্ৰৰ বৰণ লোৱাৰ দৰে অবুজ শিশুটিকো যিখন ঘৰত ৰাখি লালন-পালন কৰা হয় পাছত তেনে প্ৰকৃতিয়েই গ্ৰহণ কৰে। শিশুৱে নাজানে ধৰ্ম-জাতি কি? আপোন ঘৰত কোন আছে? সেইবাবেই হয়তো ৰাস্তা-ঘাটে মানুহ দেখিলেই মাতে, হাঁহে আৰু কোলাত উঠে, বাটৰুৱাকো মৰম লগায়। এই মৰমৰপৰা কোনোৱেই আঁতৰি যাব নোৱাৰে। কিন্তু লোকচক্ষুৰপৰা লজ্জা ঢাকিবলৈ পাষাণ হৃদয়ৰ পিতৃ-মাতৃয়ে (অবৈধ)

সন্তানটোক পথত নিঠৰুৱা কৰি এৰি থৈ যোৱাৰ পাছত এবাৰো হৃদয়খন কঁপি নুঠে। কুকুৰ-শিয়ালৰ খাদ্য কৰি পথৰ দাঁতিত এৰি থ'বলৈ শক্তি পায় ক'ত?

অনাথ শিশুসকলৰ ভৱিষ্যতৰ কথা ভাবিয়েই আজিকালি বহুতো সংস্থাৰ লগতে হৃদয়ৱান লোকে তুলি লোৱাৰ লগতে সহায় কৰিবলৈ আগবাঢ়ি আহিছে। সমাজত হৃদয়ৱান লোকৰ আজিও অভাৱ নাই। সেইবাবে এনে অবৈধ সন্তানৰ প্ৰকৃত পিতৃ-মাতৃক চিনাক্ত কৰি কঠোৰ শাস্তি বিহিব লাগে। ওচৰ-চুবুৰীয়াই জানিলেও বিষয়টো ৰাজহুৱা কৰিব নোখোজে। কথাটো লুকুৱাই থোৱাৰ পৰিৱৰ্তে এনে উচ্ছৃংখল কিশোৰ-কিশোৰী, যুৱক-যুৱতীক চিনাক্ত কৰি শাস্তিৰ ব্যৱস্থা কৰিলে সমাজত সংঘটিত হৈ থকা এনেধৰণৰ ঘটনা বহু পৰিমাণে হ্ৰাস পাব। অৱশ্যে এটা কথা ঠিক যে কেৱল যে যৌনক্ষুধাৰ বাবেই কিশোৰী, যুৱতীৰ অবৈধ সন্তান জন্ম হ'ব পাৰে তেনে নহয়, ধৰ্ষণৰ বলি হোৱাসকলেও অবাঞ্ছিত মাতৃত্বৰ বোজা বহন কৰিবলগীয়া হয়। এইক্ষেত্ৰত ধৰ্ষণকাৰীক চিনাক্ত কৰি ৰাজহুৱা স্থানত ফাঁচী দিয়াৰ ব্যৱস্থা কৰিলে বন্ধ হ'ব ধৰ্ষণৰ ঘটনা। পথৰ কাষত, জংঘলত উদ্ধাৰ নহ'ব সদ্যোজাতৰ। মৃতদেহ পৰি নাথাকিব কুকুৰ-শিয়ালৰ খাদ্য হৈ।

# শাৰদীয় আনন্দৰ মাজতে আৰ্তজনৰ কথাও ভাবকচোন

আকৌ সাজি-কাচি আহিল শৰৎ। চৌদিশে মৃদু মলয়া বতাহ। পুৱতি নিশা সূৰুয দেৱতাই ফেঁহুজালি ফালি ভুমুকি মৰাৰ সময়ত শুভ্ৰ নিয়ৰৰ টোপালবোৰেও লাহে লাহে ডাঙৰ ৰূপ ল'বলৈ ধৰিছে। প্ৰাতঃভ্ৰমণকাৰীয়ে অনুভৱ কৰে পুৱাৰ শান্ত-শৌম্য পৰিৱেশৰ মাজত আৰম্ভ হোৱা মৃদু ঠাণ্ডা বতাহ। বৰ্ষা ঋতুৰ প্ৰস্থানৰ লগে লগে যেন শৰতো সাজু হয় নতুন ৰূপত। দেৱী দুৰ্গাক আদৰিবলৈ যেন সাজোন-কাচোন। স্বৰ্গ এৰি মৰ্ত্যলৈ নামি অহা দেৱীক আদৰিবলৈ পৰিৱেশটোও হৈ পৰে মনোমুগ্ধকৰ। নিয়ৰসনা দূবৰিৰ দলিচাৰ ওপৰত পৰি থকা শুভ্ৰ শেৱালি ফুলৰ সুৱাসে আমোলমোলাই তোলে চৌদিশ। শেৱালিৰ সুৱাসে সকলোৰে মন-প্ৰাণ পুলকিত কৰে। শেৱালিৰ গোন্ধ নাকত প্ৰৱেশ কৰাৰ লগে লগে অনুভৱ হয় শৰৎ আহিল। দেৱী দুৰ্গাও মৰ্ত্যলৈ নামিছে।

দুষ্কৃতিক বিনাশকাৰীৰ ৰূপত সৰ্বত্ৰে পূজিতা দেৱীৰ শক্তি অপ্ৰতিৰোধ্য। সেইবাবে সকলোৱে দেৱীক আৰাধনা কৰে। সকলোকে লাগে শক্তি। এই

পৃথিৱীত জোৰ যাৰ মুলুক তাৰ হ'লেও সমাজত শান্তি বিচৰাসকলক পিছে অন্যায়ৰ বিৰুদ্ধে যুঁজিবলৈ এনে শক্তিৰেই প্ৰয়োজন। ভাৰতীয় সংস্কৃতিত সদায় নাৰীক আগস্থান দি অহা হৈছে। নাৰীসকল যিদৰে সৃষ্টিৰ মূল, তেনেদৰে ধ্বংসৰো অন্যতম কাৰণ। সৃষ্টি ৰক্ষাৰ বাবে দেৱতাসকলে জন্ম দিলে দেৱীক। দেৱপত্নী নোহোৱাকৈয়ে দেৱী দুৰ্গাক এই আখ্যা দিয়া হয় দুৰ্গতি নাশিনীৰ বাবে। দুষ্কৃতিক বিনাশ কৰিবলৈকে দেৱীৰ জন্ম হৈছিল। সেইবাবে আজিও দুষ্কৃতিকাৰীক বিনাশ কৰাৰ বাবে দেৱীৰ ওচৰত প্ৰাৰ্থনা জনোৱা হয়।

সমাজখন এতিয়া দুষ্কৃতিকাৰীৰে ভৰি পৰিছে। ফলত অশান্তি, দুষ্কাৰ্য দিনক দিনে দ্ৰুতগতিত বৃদ্ধি পাইছে। চৌদিশে কেৱল হত্যা, অপহৰণ, বলাৎকাৰ, চুৰি-ডকাইতিৰ ঘটনা সংঘটিত হ'বলৈ ধৰিছে। সমাজত যেন ভ্ৰাতৃত্ববোধৰ ভাব নোহোৱা হৈছে। সম্প্ৰীতিৰ নামত গা কৰি উঠিছে অপসংস্কৃতি। নীতিৰ নামত চলিছে দুৰ্নীতি। আনকি দুৰ্গা পূজাৰ নামতো আৰম্ভ হৈছে অপসংস্কৃতি। আজিকালি বহু ঠাইত পূজাৰ নামতো চলিছে ব্যৱসায়। বাণিজ্যিকীকৰণৰ সূত্ৰৰ আঁত ধৰিয়েই যেন পূজাৰ প্ৰচাৰ চলোৱা হৈছে। এইখিনিতে এটা প্ৰশ্ন মনত উদয় হয়— পূজাৰ প্ৰচাৰৰ জানো প্ৰয়োজন আছে? পৰম্পৰাগতভাৱে পূজাৰ দেৱীক আদৰিব নোৱাৰি জানো? নিশ্চয় পাৰি। কিন্তু আজিকালি ভক্তৰ সমাগম বৃদ্ধিৰ লক্ষ্যৰে বিভিন্ন ধৰণৰ আকৰ্ষণীয় পোহৰৰ ব্যৱস্থা কৰা হয়। আনকি কিছুমান পূজা মণ্ডপত দিনৰ ভাগত দেৱীক দেখা পোৱা নাযায়। কাৰণ বৈদ্যুতিক চমকেৰে আলোকিত কৰা দেৱীৰ মূৰ্তি কেৱল নিশা বা আন্ধাৰতহে প্ৰত্যক্ষ কৰিব পাৰি। আলোকৰ চমকত যেন দেৱীয়ে সঁচাকৈয়ে মৰ্ত্যলৈ নামি আহে। এইবোৰৰ নামত লাখ লাখ টকা ব্যয় কৰা হয়। ইমান ধনৰাশি কেৱল আলোকৰ বাবেই ব্যয় কৰাৰ যুক্তি আছে জানো?

বানে ধোৱা অঞ্চলসমূহৰ দুখ-দুৰ্গতিৰ আজিও অন্ত পৰা নাই। কৃষকসকলে উকা পথাৰখনলৈ চাই হুমুনিয়াহ কাঢ়ি থাকিবলগীয়া হৈছে। লখিমীক আদৰিবলৈ এগছি বন্তি জ্বলাবলৈ পথাৰত নাই ধান। এইসকল খেতিয়কৰ কথা আমি এবাৰ ভাবিব নোৱাৰো নেকি? তেওঁলোকৰ দুখৰ সমভাগী আমিও হ'ব নোৱাৰো কিয়? নিশ্চয় পাৰোঁ। যদি আমি সকলোৱে পূজাৰ আলোক তথা আন আকৰ্ষণীয় মূৰ্তি, ঐতিহাসিক কীৰ্তিচিহ্নসমূহ

প্ৰতীকী ৰূপত স্থাপনৰ নামত ব্যয় কৰা লাখ লাখ টকা ৰাহি কৰি বন্যাক্ৰান্ত কৃষকক সহায় কৰিবলৈ খৰচ কৰো তেনেহ'লে নিশ্চয় উপকাৰ হ'ব। কোনোবা নহয় কোনোবা খেতিয়ক উপকৃত হ'ব পাৰিব। কেৱল সেয়াই নহয়, আন দুখীয়া লোককো সহায় কৰিব পাৰো। জাকজমকতাই মানুহক ক্ষন্তেকীয়া আনন্দহে দিব পাৰে। কিন্তু পূজাৰ উদ্যোক্তাসকলে যদি আৰ্তজনক সহায় কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে তেনেহ'লে সেই কাৰ্যহে হ'ব সকলোৰে বাবে মংগলজনক। বন্যাৰ্তৰ কথাও আমি নাভাবো কিয়? যদি হিন্দী চিনেমা জগতৰ মহাতাৰকা আমীৰ খানে অসমৰ বন্যাৰ্তৰ কথা ভাবিব পাৰে তেন্তে অসমৰ বায়ু-পানী সেৱন কৰি আমি তেওঁলোকৰ কথা ভাবিব নোৱাৰো কিয়? আমি পূজাৰ আনন্দ লৈয়ো আৰ্তজনৰ কথা ভাবিব পাৰো। যদি মানৱীয়তা নাথাকে তেনেহ'লে দেৱীৰ সন্মুখত প্ৰণিপাত কৰিলেই আমাৰ মনোকামনা নিশ্চয় পূৰ নহ'ব। পঢ়ুৱৈসকলক শেষত শাৰদীয় সম্ভাষণ জনালো।

# দুৰ্গা পূজাক লৈ অঘোষিত প্ৰতিযোগিতা কিয় ?

বিগত পাঁচ বছৰমানৰপৰা সমগ্ৰ অসমতে দুৰ্গা পূজাক লৈ উদ্যোক্তাসকলৰ মাজত চলিছে এক অঘোষিত প্ৰতিযোগিতা। এনেধৰণৰ প্ৰতিযোগিতাই ধৰ্মপ্ৰাণ ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰাকৈ থকা নাই। এই প্ৰতিযোগিতাৰ নামত চলা অশুভ শক্তিয়ে মানুহৰ মনত পৱিত্ৰ ভাব সৃষ্টিৰ পৰিৱৰ্তে বিজতৰীয়া সংস্কৃতিৰহে বীজ ৰোপণ কৰিছে। শাৰদীয় দুৰ্গোৎসৱৰ পৰম্পৰাৰ বিপৰীতে গঢ়ি উঠা অপসংস্কৃতিয়ে ধৰ্মীয় অনুভূতিক আঘাত হানিছে সেই কথা আয়োজকসকলে এবাৰ হ'লেও ভাবি চাইছেনে ? এনেধৰণৰ প্ৰতিযোগিতাই কম সময়ৰ ভিতৰতে গা কৰি উঠাৰ মূলতে হ'ল বৈদ্যুতিন মাধ্যমৰ প্ৰচাৰ। আজিকালি অসমত কে'বাটাও স্থানীয় টিভি চেনেল উপলব্ধ। এই চেনেলসমূহে টি আৰ পি বৃদ্ধি কৰিবলৈ গ্ৰহণ কৰে বিভিন্ন ধৰণৰ কৌশল। যিহেতু দুৰ্গোৎসৱৰ আনন্দ উপভোগ কৰিবলৈ দুৰ্গা পূজাৰ দিনকেইটাত পুৰুষ-মহিলা সকলোৱেই নিজকে সুন্দৰ ৰূপত সজাই ওলাই আহে। চেনেলত

মুখখন এবাৰ দেখুৱাবলৈ এওঁলোকৰ মাজতো চলে প্ৰতিযোগিতা। যিখন পূজাথলীত আকৰ্ষণীয় কিবা-কিবি স্থাপন কৰে (অস্থায়ী ৰূপত) তাতেই ভক্তৰো ভিৰ হয়। টিভি চেনেলসমূহেও ভক্তৰ ভিৰ হোৱা ঠাইত কেমেৰাৰ লেন্স বহুৱায়।

অতিসম্প্ৰতি চহৰাঞ্চলৰ কথা বাদেই, আওহতীয়া ঠাইবোৰতো চলিছে এনেধৰণৰ অঘোষিত প্ৰতিযোগিতা। পূজা পৰিচালনা কমিটীৰ কৰ্মকৰ্তাসকলৰ মনতো প্ৰতিযোগিতাৰ বীজ অংকুৰিত হৈছে। নিজৰ পূজাস্থলীখন বৃহত্তৰ অঞ্চলৰ ৰাইজৰ আকৰ্ষণ বা চৰ্চাৰ কেন্দ্ৰবিন্দু কৰিবলৈ বিভিন্ন কৌশল গ্ৰহণ কৰে। এই কৌশলসমূহ ৰাইজৰ মাজত উপস্থাপন কৰিবলৈ ব্যয় কৰে লাখ লাখ টকা। কিছুমান ঠাইত কে'বালাখ টকা ব্যয় কৰে কেৱল বাহ্যিক ৰূপৰ বাবে। ক'ৰবাত যদি ইউৰোপৰ সভ্যতা-সংস্কৃতিৰ আভাস দাঙি ধৰা হৈছে আন ক'ৰবাত আকৌ বিশ্ব ঐতিহ্যক্ষেত্ৰৰ লগতে ঐতিহাসিক সম্পদসমূহ প্ৰতীকী ৰূপত দৰ্শনাৰ্থীৰ বাবে উপস্থাপন কৰা হৈছে। কেৱল বাহ্যিক আকৰ্ষণৰ নামতে লাখ লাখ টকা ব্যয় কৰা উদ্যোক্তাসকলে এইক্ষেত্ৰত সতৰ্কতা অৱলম্বন কৰিলে বহুতো ধন ৰাহি হ'ব। তদুপৰি এই ধনসমূহ দুখীয়া তথা আৰ্তজনৰ বাবে ব্যৱহাৰ কৰিব পৰা যাব। তেতিয়া সমাজৰ উন্নতি সম্ভৱ হ'ব বুলি ক'লেও অত্যুক্তি কৰা নহ'ব।

এইখিনিতে প্ৰশ্ন উত্থাপিত হয়— উদ্যোক্তাসকলৰ মাজত অঘোষিত প্ৰতিযোগিতাৰ আয়োজন কিয়? প্ৰভু শ্ৰীৰামচন্দ্ৰই ঘোৰ শত্ৰু ৰাৱণক পূজাৰী হিচাপে (তেওঁ জ্ঞাত নাছিল) লাভ কৰাৰ পাছতো সাগৰৰ তীৰতে শাৰদীয় দুৰ্গোৎসৱ আয়োজন কৰিছিল। পৰম্পৰাগতভাৱে উদ্‌যাপন কৰা পূজাৰ আনন্দই সুকীয়া। এতিয়া পোহৰৰ মায়াজালত বন্দী নৱ প্ৰজন্ম। বহুতেই নাজানে দেৱীৰ ঘট পূজাৰ সময়ত সেৱা কৰিব লাগে। দেৱীক সন্তুষ্ট কৰিবলৈ সেৱা কৰাৰ পৰিৱৰ্তে আধুনিক ভংগিমাৰেহে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা চলায়। এনে কৰিলে ধৰ্মীয় দৃষ্টিকোণৰপৰা কিবা লাভ হয় বুলি মনে নধৰে। ৰাজহুৱা স্থানত এনেদৰে সেৱা কৰা ভক্তৰ সংখ্যাই ধৰ্মীয় অনুভূতিতহে আঘাত হানিছে। ভক্তৰ সংখ্যা নহয়, প্ৰকৃত সেৱকৰহে প্ৰয়োজন।

নৱ প্ৰজন্মক শাৰদীয় দুৰ্গোৎসৱৰ প্ৰতি আকৃষ্ট কৰিবলৈ কেৱল ৰঙীন

মায়াজাল সৃষ্টি কৰিলেই নহ'ব। তেওঁলোকৰ মনত দেৱী দুৰ্গাক দুষ্কৃতিৰ প্ৰতীক হিচাপে স্থাপন কৰিব লাগিব। সমাজত টিঘিলঘিলাই থকা দুষ্কৃতিকাৰীসকলক বিনাশ কৰিবলৈ ইয়াৰ বীজ ঘৰৰপৰাই অংকুৰিত হোৱা উচিত। পিতৃ-মাতৃয়ে শিকাব লাগিব পূজাৰ উদ্দেশ্য কি? শাৰদীয় দুৰ্গোৎসৱ মানে কেৱল দামী দামী নতুন কাপোৰ পৰিধান কৰাটোৱে নুসূচায়। তদুপৰি আয়োজকসকলেও এইক্ষেত্ৰত সতৰ্কতা অৱলম্বন কৰা উচিত। পৰম্পৰাগতভাৱে পালন কৰি অহা পূজাতো ভক্তৰ ভিৰ হ'ব। সস্তীয়া প্ৰচাৰৰ নামত অৰ্থ ব্যয় কৰা অৰ্থহীন। কাৰণ এনেধৰণৰ প্ৰচাৰ বা চমকে কোনো এটা শ্ৰেণীৰ মনত আনন্দ সৃষ্টি কৰিলেও পৰোক্ষভাৱে প্ৰায়ভাগ লোকৰে ক্ষতি কৰে। এটা শ্ৰেণীয়ে যেতিয়া আনন্দত মতলীয়া হৈ ফুৰে সেই সময়তে আন একাংশ লোকে মুকলি আকাশৰ তলত থাকিয়েই অন্ন-বস্ত্ৰ-বাসস্থানৰ বাবে হাহাকাৰ কৰিবলগীয়া হয়। সকলোৱে এইসকল লোকৰ কথাও উপলব্ধি কৰা উচিত। মানুহেই যদি মানুহৰ কথা বুজি নাপাই তেনেহ'লে আনে বুজিব কেনেকৈ?

# পৱিত্ৰ হৈ থাকক শিক্ষাগুৰু-শিক্ষাৰ্থীৰ সম্বন্ধ

শিক্ষাগুৰু আৰু শিষ্যৰ সম্পৰ্কক পৃথিৱীৰ সবাতোকৈ শ্ৰেষ্ঠ সম্পৰ্ক বুলি গণ্য কৰা হয়। ইতিহাসৰ পৃষ্ঠা মেলি চালে ইয়াৰ উদাহৰণ পোৱা যায়। একলব্যই হাতৰ আঙুলি গুৰুক দক্ষিণা দিয়াৰ উদাহৰণে এই কথাকে প্ৰমাণ কৰে। গুৰু-শিষ্যৰ সম্পৰ্ক কেৱল আজিকালিৰ বিদ্যালয়ৰ চাৰিবেৰৰ মাজত থকা সম্পৰ্কৰ দৰে সীমাবদ্ধ নহয়। শিক্ষাদান বিদ্যালয়ৰ মজিয়াৰ উপৰি ক্ৰীড়া, সংস্কৃতি, যুদ্ধক্ষেত্ৰ সকলোতে সম্ভৱ। অতীতত গুৰুৰ গৃহত থাকি শিক্ষা গ্ৰহণ কৰাৰ উদাহৰণ পোৱা যায়। গুৰুকুলাশ্ৰমত ৰজা-মহাৰজায়ো জ্ঞান আহৰণ কৰিছিল। ৰাজকুমাৰেও সাধাৰণ প্ৰজাৰ সন্তানৰ দৰেই গুৰুগৃহত শিক্ষা লাভ কৰিবলগীয়া হৈছিল। আধুনিক শিক্ষা-ব্যৱস্থাত মন্ত্ৰী, বিধায়ক, বিষয়াৰ ল'ৰা-ছোৱালীক বিদ্যালয় কৰ্তৃপক্ষৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীয়ে আন শিক্ষাৰ্থীতকৈ অধিক গুৰুত্ব প্ৰদান কৰাৰ ব্যৱস্থা গুৰুকুলাশ্ৰমত নাছিল। গুৰুৰ বাক্যই আছিল সত্য আৰু অন্তিম। কোনো শিক্ষাৰ্থীয়ে গুৰুৰ আদেশ বা বচন পেলাব পৰা নাছিল। গুৰুৱে যি নিৰ্দেশ দিছিল সেয়া শিৰোধাৰ্য কৰি

শিষ্যই পালন কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাছিল। গুৰুৱে মনত বেজাৰ পাব পৰা কোনো কামেই শিষ্যই কৰিবলৈ আগ্ৰহী নাছিল। কাৰণ গুৰুৰ অভিশাপৰপৰা আঁতৰি থাকিবলৈ শিষ্যসকলে প্ৰতি পদে পদে সাৱধান থাকিবলগীয়া হৈছিল। কেনেবাকৈ গুৰু অসন্তুষ্ট হ'লে সকলো জ্ঞান বিলোপ হোৱাৰ ভয়তে গুৰুৰ বাক্য আখৰে আখৰে পালন কৰিবলৈ চেষ্টা কৰিছিল। গুৰুৰ অভিশাপৰ বাবেই দানবীৰ কৰ্ণই সমৰক্ষেত্ৰত যুদ্ধৰ কৌশল পাহৰি গৈছিল। গুৰুকুলাশ্ৰমত শিক্ষাৰ্থীসকলৰ প্ৰতিটো কামেই আছিল অগ্নিপৰীক্ষা। এই অগ্নিপৰীক্ষাত উত্তীৰ্ণ হোৱাজনহে পৃথিৱীৰ মহান মনীষীসকলৰ ভিতৰত এজন হ'ব পাৰিছিল।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে গুৰুকুলাশ্ৰমৰ পৰিৱৰ্তে আধুনিক বিদ্যালয় গৃহ নিৰ্মাণ হ'ল। পৰ্ণ কুটীৰৰ ঠাইত স্থাপন হ'ল অট্টালিকা, পকী গৃহ। নিজ গৃহত থাকিয়েই বিদ্যালয়লৈ অহা-যোৱা কৰিব পৰা হ'ল শিক্ষাৰ্থী। অতীতত কেৱল ল'ৰাই শিক্ষা গ্ৰহণ কৰাৰ ধাৰণাটোৱো সলনি হ'ল। শিক্ষাৰ্থীৰ অগ্নিপৰীক্ষাৰ পৰিৱৰ্তে পৰীক্ষাত লাভ কৰা নম্বৰেৰে জ্ঞানৰ মূল্যাংকন কৰা হ'ল। নম্বৰ লাভৰ দৌৰত ছাত্ৰ-ছাত্ৰীসকলে পুৱাৰেপৰাই দৌৰি থাকিবলগীয়া হোৱাত গুৰুক ভক্তি কৰাতকৈ পৰীক্ষাৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰাৰ মানসিকতাই গঢ় লৈ উঠিবলৈ ধৰিলে। এনে মানসিকতাই হ'ল গুৰু-শিষ্যৰ মাজত থকা মধুৰ সম্পৰ্কটোৰ ব্যৱধান বৃদ্ধি কৰাৰ মূল কাৰণ। তদুপৰি শিক্ষাৰ্থীৰ পিতৃ-মাতৃয়েও সন্তানক শিক্ষাগুৰুক সন্মান জনাবলৈ শিক্ষা দিয়াৰ পৰিৱৰ্তে প্ৰতিযোগিতাত আগস্থান লাভ কৰিবলৈ উৎসাহ যোগোৱাৰ মানসিকতাও গঢ় লৈ উঠিল। সমান্তৰালভাৱে আৰম্ভ হ'বলৈ ধৰিলে গুৰু-শিষ্যৰ সংঘাত।

অতিসম্প্ৰতি গুৰু-শিষ্যৰ সংঘাত তেনেই সাধাৰণ বিষয় হৈ পৰিছে। এই সংঘাত কেৱল বিদ্যালয় চৌহদতে সীমাবদ্ধ থকা নাই। কেতিয়াবা যদি ছাত্ৰ-ছাত্ৰীয়ে ৰাজপথত শিক্ষকৰ বিৰুদ্ধে শ্ল'গান দিছে, আন কেতিয়াবা শিক্ষকে ছাত্ৰ-ছাত্ৰীক পণবন্দী কৰি চৰকাৰৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰিছে। শিক্ষকৰ প্ৰাপ্যৰ বাবে চৰকাৰৰ বিৰুদ্ধে আৰম্ভ কৰা যুঁজখনত ছাত্ৰ-ছাত্ৰীক ঢাল হিচাপে ব্যৱহাৰ কৰা কাৰ্য কিমান যুক্তিসংগত সেয়া সময়েহে উত্তৰ দিব। শ্ৰেণী বৰ্জন, ক'লা বেজ পৰিধান কৰি ধৰ্মঘট, আমৰণ অনশন, প্ৰতিবাদী সমদল,

মন্ত্ৰীৰ বাসগৃহ ঘেৰাও, কৰ্ম-বিৰতি আদি কাৰ্যসূচী ৰূপায়ণ কৰাৰ ফলত প্ৰত্যক্ষ-পৰোক্ষভাৱে ক্ষতিগ্ৰস্ত হৈছে ছাত্ৰ-ছাত্ৰী। দেশৰ ভৱিষ্যৎ স্বৰূপ এই মানৱ সম্পদ গঢ়াৰ দায়িত্বত ন্যস্ত শিক্ষাগুৰুৱে পাঠদান নকৰাৰ ফলত প্ৰকৃত জ্ঞান লাভৰপৰা বঞ্চিত হৈছে ছাত্ৰ-ছাত্ৰীসকল। পৰীক্ষা শেষ হ'লেও নিৰ্দিষ্ট পাঠ্যক্ৰম সমাপ্ত নহয়। প্ৰতিটো শ্ৰেণীৰ বাবে বছৰটোৰ ভিতৰত সমাপ্ত কৰিবলৈ কিছুমান পাঠ্যক্ৰম নিৰ্দিষ্ট কৰি দিয়া হয়। যেতিয়া শিক্ষকসকলেই পাঠদান নকৰে তেতিয়া ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যক্ৰম সমাপ্ত কৰিব কেনেকৈ? সেইবাবে বৃদ্ধি পাইছে শিক্ষাগুৰু-শিক্ষাৰ্থীৰ মাজত ব্যৱধান।

শিক্ষাগুৰু-শিক্ষাৰ্থীৰ মাজত থকা পৱিত্ৰ সম্পৰ্কত আজি ঘুণে ধৰিছে। সময়ে সময়ে শিক্ষাগুৰুৱে ছাত্ৰীৰ ওপৰত যৌন আতিশয্য চলোৱাৰ অভিযোগ উঠি আহিছে। ইয়াকে লৈ বিদ্যালয় চৌহদ, থানা ঘেৰাও কৰি উত্তপ্ত পৰিস্থিতি সৃষ্টি হোৱাৰ বিষয়ে প্ৰায়ে সংবাদ মাধ্যমত বাতৰি পৰিৱেশন হৈ থাকে। এনেধৰণৰ বাতৰিয়ে সকলোৰে মনত বিৰূপ প্ৰভাৱ পেলাইছে। সেইবাবে কিছুমান ঠাইত এনেধৰণৰ শিক্ষকক ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাগুৰু বুলি গ্ৰহণ কৰাৰ পৰিৱৰ্তে বিৰূপ মন্তব্যহে কৰে। এনেবোৰ দিশত সকলোৱে গুৰুত্ব প্ৰদান কৰা উচিত।

শিক্ষাগুৰু আৰু শিক্ষাৰ্থীৰ মাজত থকা সম্পৰ্ক উন্নত কৰিব লাগিব। এই সম্পৰ্ক সদায় পৱিত্ৰ হৈ থাকক। কেৱল শিক্ষক দিৱসৰ দিনাই শিক্ষাগুৰুক সন্মান প্ৰদৰ্শন কৰাৰ মানসিকতা সলনি কৰিব লাগিব। শিক্ষক-শিক্ষয়িত্ৰীক শিক্ষাৰ্থীয়ে শিক্ষক দিৱসৰ দিনা কৰা সন্মানৰ দৰে সদায় সন্মান প্ৰদৰ্শন কৰক। শিক্ষাগুৰুসকলেও তেওঁলোকৰ কৰ্তব্য আৰু দায়িত্ববোধ সম্পৰ্কে সতৰ্ক থকা উচিত। তেওঁলোকৰ কাৰ্য আৰু আদৰ্শৰদ্বাৰা সদায় শ্ৰদ্ধাভাজন হৈ থাকক। মনত ৰখা উচিত যে কৃতী শিক্ষকৰ বঁটা লাভ কৰিলেই তেওঁ ছাত্ৰ-ছাত্ৰীৰ আদৰ্শ ব্যক্তি নহ'বও পাৰে। বঁটা-সন্মানেই শিক্ষকক মহান নকৰে, কৰে তেওঁলোকৰ আদৰ্শহি। ইয়াৰ জ্বলন্ত উদাহৰণ সৰ্বপল্লী ৰাধাকৃষ্ণন। প্ৰাক্তন ৰাষ্ট্ৰপতি হিচাপেই নহয়, এগৰাকী আদৰ্শ শিক্ষক হিচাপেও তেওঁ চিৰস্মৰণীয় হৈ আছে।

# গছ-গছনিত বেনাৰ-ছাইনব'ৰ্ড আঁৰোতাক শাস্তি দিয়ক

সমগ্ৰ বিশ্বতে গছপুলি ৰোপণৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হৈছে। প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ লগতে প্ৰদূষণমুক্ত পৃথিৱীৰ বাবে সকলো দেশতে গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। ব্যতিক্ৰম নহয় অসম। এসময়ত অসমখন গছ-গছনিৰে ভৰপূৰ আছিল। বনাঞ্চলসমূহে আগুৰি আছিল একো একোটা বৃহৎ অঞ্চল। এতিয়া এই অৰণ্যসমূহ গুচি জনাঞ্চল হৈ পৰিল। সেইবাবে বৃদ্ধি পাবলৈ ধৰিছে বনৰীয়া জীৱ-জন্তু আৰু মানুহৰ সংঘাত। অৱশ্যে অসমত গছ-গছনিৰ পৰিমাণ বৃদ্ধি কৰিবলৈ ৰূপায়ণ কৰি থকা হৈছে গছপুলি ৰোপণ আঁচনি। যোৱা পাঁচ জুনত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি সন্তানৰ জন্মদিনত অভিভাৱকক গছপুলি উপহাৰ দিবলৈ আহ্বান জনাইছিল। ২০১৬-১৭ বৰ্ষত ৰাজ্য চৰকাৰে ১ কোটি ৪২ লাখ গছপুলি ৰোপণ কৰা বুলি উল্লেখ কৰিছিল। নিঃসন্দেহে এয়া এক আদৰণীয় পদক্ষেপ। এবছৰত ইমানসংখ্যক গছপুলি ৰোপণৰদ্বাৰা অসমৰ প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাত অলপ হ'লেও সহায় কৰিছে। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত গছপুলি ৰোপণৰ বাবে পৰিৱেশ গঢ়ি তুলিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। বিনামূলীয়া নামভৰ্তিৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে গছপুলি ৰোপণ কৰি সেয়া ফটো তোলাৰ নিয়ম চৰকাৰে কৰাত সকলোৰে আদৰণি জনাইছে। কেৱল সেয়াই নহয়, এই গছপুলিটোৰ যতন ল'বলৈও চৰকাৰে বাধ্য কৰাইছে।

মুখ্যমন্ত্ৰীৰ তৎপৰতাত এনে পদক্ষেপ চৰকাৰে গ্ৰহণ কৰাটোৱে বনানীকৰণৰ ক্ষেত্ৰত থকা চৰকাৰৰ সদিচ্ছাৰ কথাকে প্ৰমাণ কৰিছে।

আমি সকলোৱে গছপুলি ৰোপণ কৰো। কিন্তু এই গছপুলিটোৰ কিমান যতন লৈছো? নিশ্চয় এয়া এক চিন্তনীয় বিষয়। আমাৰ চাৰিওফালে থকা গছ-গছনিৰো যে আঘাত হ'ব পাৰে সেই বিষয়ে কেতিয়াবা ভাবিছো জানো? এই প্ৰসংগত উল্লেখ কৰিব পাৰি যে ৰাস্তাৰ দাঁতিত থকা গছ-গছনিত বহুতেই বিজ্ঞাপনৰ বেনাৰ, হ'ৰ্ডিং আদি আঁৰি দিয়ে। ডাল-পাত ভাঙি-মোহাৰি পেলায়। আনকি গছডালৰ কিছু অংশ কটাৰ লগতে বাকলি আদিও এৰুৱাই দিয়ে। গছৰ ডাল আদিত গজাল মাৰে, বিন্ধা কৰে। বেনাৰ, পোষ্টাৰ, হ'ৰ্ডিং আদি আঁৰি দিওঁতে কেতিয়াবা কোনোবাই ভাবেনে যে এনে কৰিলে গছডালৰ বৃদ্ধিত ব্যাঘাত জন্মিব। গছডাল সোনকালে মৰিবলৈ ধৰিব। পাত, ফুল, ফল আদি নোহোৱা হ'ব বুলি ভবা লোকৰ অভাৱ। এতিয়া কথা হ'ল— এনেবোৰ কাৰ্য আমি প্ৰতিৰোধ কৰিব নোৱাৰোনে? আমি সদায় গছপুলি ৰোপণৰ ওপৰতহে গুৰুত্ব আৰোপ কৰি আহিছো। এনে কাৰ্য প্ৰতিৰোধ কৰিবলৈ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰা উচিত। যি অনুষ্ঠান-প্ৰতিষ্ঠান অথবা কোম্পানী-সংস্থাই গছডালক আঘাত কৰি বেনাৰ, পোষ্টাৰ, হ'ৰ্ডিং আদি আঁৰি দিয়ে সেইবোৰৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিয়ম বান্ধি দিব লাগে। শাস্তিৰ লগতে জৰিমনা বিহাৰ ব্যৱস্থা থাকিলে নিশ্চয় এনেবোৰ কাৰ্য প্ৰতিৰোধ কৰিবলৈ সম্ভৱ হ'ব।

চৰকাৰে এইক্ষেত্ৰত কিছুমান পদক্ষেপ গ্ৰহণৰ বাবে জিলা উপায়ুক্তসকলক ক্ষমতা আৰু দায়িত্ব অৰ্পণ কৰিব লাগে। সমান্তৰালভাৱে পুৰস্কাৰ আদিও ঘোষণা কৰিলে নিশ্চয় এনে কাৰ্য প্ৰতিৰোধ কৰিব পৰা যাব। চৰকাৰে একোটা নিৰ্দিষ্ট অঞ্চল থিৰাং কৰি উপায়ুক্তসকলক সংশ্লিষ্ট অঞ্চলৰ বনাঞ্চল বা গছ-গছনি নিৰীক্ষণৰ দায়িত্ব অৰ্পণ কৰি এইক্ষেত্ৰত যিটো অঞ্চল শ্ৰেষ্ঠ হ'ব তাৰ দায়িত্বত থকা জিলা উপায়ুক্তক পুৰস্কৃত কৰিব লাগে। তদুপৰি চৰকাৰে জিলা হিচাপে 'শ্ৰেষ্ঠ জিলা' ঘোষণা কৰিলেও নিশ্চয় জিলাসমূহৰ মাজত প্ৰতিযোগিতা হ'ব। এই প্ৰতিযোগিতাৰ ফলত সুৰক্ষিত হ'ব গছ-গছনি। আনহাতে, কিছুমান স্বেচ্ছাসেৱী সংগঠনকো চৰকাৰে দায়িত্ব অৰ্পণ কৰিব পাৰে। এনে সংগঠনকো পুৰস্কৃত কৰাৰ কথা ঘোষণা কৰিলে নিশ্চয় সকলোৱে উঠি-পৰি লাগিব। কাৰণ সকলোৱে কৰ্মৰদ্বাৰা পুৰস্কৃত হোৱাতো বিচাৰে।

# ব্লু হোৱেল আতংক ঃ অভিভাৱকৰ দায়িত্ব

সমগ্ৰ বিশ্বতে এতিয়া 'ব্লু হোৱেল' বা 'নীলা তিমি'ৰ আতংক। সাগৰৰ বুকুত নাৱৰীয়া বা জাহাজৰ নাৱিকসকলৰ বাবে নীলা তিমি সদায় আতংকৰ কাৰণ। কিয়নো যিকোনো মুহূৰ্ততে এখন জাহাজ ডুবাই দিব পৰা শক্তি আছে এইবিধ প্ৰাণীৰ। পিছে এতিয়া এইবিধ প্ৰাণীৰ আতংকই বিশ্ববাসীক খেদি ফুৰিছে। মানৱসৃষ্ট এই আতংকই সমগ্ৰ বিশ্বতে ভয়াৱহ ৰূপ ধাৰণ কৰাত বিষয়টো চৰ্চাৰ মাজলৈ আহিছে। ভিডিঅ' গেমবিধৰ কৱলত পৰি ইতিমধ্যে কে'বাগৰাকী কিশোৰ-কিশোৰীয়ে আত্মহত্যাৰ পথ বাছি লৈছে। গেমবিধ ৫০ দিনৰ বাবে খেলিবলৈ সুযোগ দিয়া হয়। এটাৰ পাছত আন এটা পৰ্যায় অতিক্ৰমৰ পাছত খেলত নিমজ্জিত কিশোৰ-কিশোৰীয়ে আত্মহত্যা কৰিবলৈ বাধ্য হয়। এতিয়া প্ৰশ্ন হ'ল— এইবিধ খেলৰ প্ৰতি আকৰ্ষিত হৈ আত্মহত্যা কৰিবলৈ বাধ্য হোৱাৰ আঁৰত এডমিন বুলি দাবী কৰিলেও প্ৰকৃততে কোন জগৰীয়া আমি এবাৰ ভাবি চাইছোনে?

আজিকালি প্ৰত্যেকৰে হাতে হাতে ম'বাইল ফোন। ম'বাইল হাতত নথকা মানে সেইজন লোকক অন্য গ্ৰহৰ প্ৰাণী বুলিহে গণ্য কৰে। আধুনিক প্ৰযুক্তিবিদ্যাৰ লগে লগে এনেধৰণৰ যন্ত্ৰ তেনেই সহজলভ্য হৈ পৰিছে।

আনহে নালাগে কণ কণ শিশুৰ লগতে কিশোৰ-কিশোৰী, যুৱক-যুৱতীসকলৰ হাতে হাতেও এতিয়া ম'বাইল ফোন উপলব্ধ হোৱাতো তেনেই সাধাৰণ ঘটনা হৈ পৰিছে। অভিভাৱক-অভিভাৱিকাৰ মনত এনে ধাৰণা হৈছে যে ল'ৰা-ছোৱালীক দামী দামী ম'বাইল কিনি নিদিলে সমাজত তেওঁলোকৰ মৰ্যাদা লাঘৱ হ'ব। যিসকলে ইয়াক 'ষ্টেটাছ চিম্বল' হিচাপে গণ্য কৰিছে তেওঁলোকৰ সন্তানক বৃহৎ আকাৰৰ ম'বাইল কিনি দি নিজকে আধুনিক পিতৃ-মাতৃ হিচাপে পৰিচয় দি আত্মতুষ্টি লাভ কৰে। এই ম'বাইলসমূহত ইণ্টাৰনেটৰ সংযোগ কৰাৰ সুবিধা উপলব্ধ হোৱাত পৃথিৱীৰ সকলো খবৰ লাভ কৰিব পৰা হ'ল। ম'বাইলৰ ব্যৱহাৰ আমি বেয়া বুলি ক'ব নোৱাৰোঁ। বিশ্বায়নৰ যুগত এইবোৰৰ গুৰুত্ব অপৰিসীম। কিন্তু তৃতীয়-চতুৰ্থ, সপ্তম-অষ্টম শ্ৰেণীত পঢ়া ছাত্ৰ-ছাত্ৰীৰ বাবে ইণ্টাৰনেট সেৱা উপলব্ধ ম'বাইল কিমান প্ৰয়োজন? ম'বাইল নহ'লে কণ কণ ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নত ব্যাঘাত জন্মে জানো? সন্তানক এনেবোৰ সুবিধা কৰি দি কেতিয়াবা সন্তানে তাৰ ব্যৱহাৰ উপযুক্তভাৱে কৰিছে নে নাই তাৰ হিচাপ ৰাখে জানো? আধুনিকতাক দোহাই দি পিতৃ-মাতৃয়ে সন্তানক 'স্মাৰ্ট' হ'বলৈ এৰি দি পৰোক্ষভাৱে এখন অপৰাধৰ জগতলৈ ঠেলি দিয়ে। প্ৰথমতে যদিও কোনো পিতৃ-মাতৃয়ে বিষয়টোত গুৰুত্ব প্ৰদান নকৰে তথাপি যেতিয়া ই জটিল ৰূপ লয় তেতিয়া সকলোৰে চকু কপালত উঠে। সন্তানক নিয়ন্ত্ৰণ কৰাটো বহুতো পিতৃ-মাতৃৰ বাবে একপ্ৰকাৰ প্ৰত্যাহ্বান হৈ পৰে। কিবা উপদেশ দিলেও সেইবোৰলৈ কৰ্ণপাত নকৰি কেৱল নিজক লৈয়েই ব্যস্ত হৈ পৰে। মন গ'লে খাব, পঢ়িব, ফুৰিব, কথোপকথন কৰিব। লাহে লাহে আত্মকেন্দ্ৰিক প্ৰৱণতায়ো গা কৰি উঠিবলৈ ধৰে। সৰু সৰু কথাতে খং উঠে। পিতৃ-মাতৃক বিশেষ গুৰুত্ব নিদিয়াকে এইসকল ল'ৰা-ছোৱালীয়ে নিজ ইচ্ছাতে সকলো কাৰ্য সম্পাদন কৰিব। যেতিয়া অধিক আত্মকেন্দ্ৰিক হৈ পৰে তেতিয়াই নিজ ইচ্ছা পূৰণ নহ'লে বা ব্যৰ্থ হ'লেই আত্মহননৰ পথ বাছি লয়। 'ব্লু হোৱেল'ৰ ক্ষেত্ৰতো একেই ছবি ফুটি উঠে। ৫০ দিনৰ খেল খেলাৰ পূৰ্বেই কিশোৰ-কিশোৰী এটি দুষ্ট চক্ৰৰ মাজত সোমাই এনে এটি পৰিস্থিতিৰ সৃষ্টি হয় —য'ত আত্মহত্যাৰ বাহিৰে আন কোনো পথ বিচাৰি নাপায়।

বিল গেট্ছে কন্যাক নৱম শ্ৰেণীত পঢ়াৰ আগলৈকে ম'বাইল স্পৰ্শ

কৰিবলৈ দিয়া নাছিল। কাৰণ গেট্ছে জানে এইবিধ যন্ত্ৰৰ ব্যৱহাৰে উপযুক্ত বিকাশত ব্যাঘাত জন্মাব পাৰে। অথচ আমাৰ দেশত চহৰাঞ্চলৰ কথাতো বাদেই, গ্ৰামাঞ্চলৰ ভিতৰতো একেই ছবি ফুটি উঠিবলৈ ধৰিছে। ইয়াৰ বাবে কিন্তু সমাজ-ব্যৱস্থা নহয়, পিতৃ-মাতৃ অথবা পৰিয়ালৰ আন সদস্যসকলো সমানেই দায়ী। আধুনিকতাৰ ভেমত এতিয়া পিতৃ-মাতৃ অথবা অভিভাৱকে ম'বাইল, ইণ্টাৰনেট, লেপটপ আদিৰ ব্যৱস্থা কৰি দিয়াটোও সমানেই জগৰীয়া। আনৰ স'তে ফেৰ মাৰিবলৈ গৈ আপোনঘাতী সিদ্ধান্ত গ্ৰহণৰ ফলতেই আজি বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আজি 'ব্লু হোৱেল' আতংকই ছানি ধৰিছে। ইতিমধ্যে কে'বাখনো জিলাত এনেদৰে গেম খেলাৰ ফলত কিশোৰ আক্ৰান্ত হোৱাৰ বাতৰি প্ৰকাশ পাইছে। এয়া পিছে নৱ প্ৰজন্মৰ বাবে অশনি সংকেত। এনে সংকেতে ভৱিষ্যৎ প্ৰজন্মক ক'ৰ পৰা ক'লৈ লৈ যায় সেয়া কোনোৱে পূৰ্বানুমান কৰিব নোৱাৰে। সেইবাবে আমি সকলোৱে কেইটিমান বিষয়ত গুৰুত্ব প্ৰদান কৰা উচিত—

- ★ কম বয়সতে ম'বাইল ফোন সন্তানৰ হাতত তুলি নিদিব।
- ★ আনৰ আগত আপোনাৰ সন্তানক তথাকথিত 'স্মাৰ্ট' দেখুৱাবলৈ অযথা প্ৰতিযোগিতাত নামি নপৰিব।
- ★ যদিহে কোনো বিশেষ কামত ম'বাইল ব্যৱহাৰ কৰিবলৈ দিয়েও, তেনেহ'লে ইণ্টাৰনেটৰ সুবিধা নাৰাখিব।
- ★ লেপটপ আদিত ইণ্টাৰনেট ব্যৱহাৰ কৰিবলৈ দিলেও (কোনো বিশেষ কামৰ বাবে) পৰোক্ষভাৱে নিৰীক্ষণত ৰাখিব। পঢ়াৰ আলম লৈ যাতে অপৰাধজনিত কাৰ্যৰ কোনো উৎসত ভৰি দিব নোৱাৰে।
- ★ সন্তানক মৰমেৰে সকলো কথা শিকাওক। যিকোনো বিষয়ৰ ইতিবাচক দিশ সন্তানৰ আগত উপস্থাপন কৰক।
- ★ মুকলিভাৱে কাম কৰিবলৈ দিলেও নিৰীক্ষণত ৰাখক।

# স্বাভিমান ৰক্ষাৰ নামত কিমান দিনলৈ চলিব আন্দোলন

স্বাভিমান অবিহনে কোনো এটা জাতি বীৰদৰ্পে জীয়াই থাকিব নোৱাৰে। স্বাভিমানত আঘাত হনা বাবেই এডল্‌ফ হিটলাৰে এসময়ত সমগ্ৰ বিশ্বতে আধিপত্য বিস্তাৰ কৰিবলৈ অহৰ্নিশে উঠিপৰি লাগিছিল। এসময়ত জাৰ্মান জাতিটোক কোনোৰে পৰাস্ত কৰিব পৰা নাছিল। ইংৰাজসকলে স্বাভিমানৰ বাবে এসময়ত পৃথিৱীৰ সকলো ঠাইতে মূৰ দাঙি থিয় দিব পাৰিছিল। 'ব্ৰিটিছৰ ৰবি কেতিয়াও মাৰ নাযায়' বুলি সকলোৰে লিখিবলৈ বাধ্য হৈছিল। নেপোলিয়ন বোনাপাৰ্টে মৃত্যুৰ আগমুহূৰ্তলৈ যুঁজ দিছিল। কাৰণ তেওঁ ভালদৰে উপলব্ধি কৰিব পাৰিছিল যে তেওঁৰ নামটোৰ স'তে জড়িত আছিল স্বাভিমান।

অসমীয়াসকলেও জীয়াই থাকিবলৈ হ'লে স্বাভিমানক গুৰুত্ব প্ৰদান কৰিবই লাগিব। অতীতৰ সুবাসক সম্বল হিচাপে লৈ আগবাঢ়ি যাব লাগিব। স্বাভিমানৰ মাজেৰে আগুৱাই গ'লেহে বিশ্বদৰবাৰত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হ'ব। অৱশ্যে এতিয়া স্বাভিমানৰ নামত বহুতো দল-সংগঠনে আৰম্ভ কৰিছে আন্দোলনৰ কাৰ্যসূচী। আন্দোলন কৰি এটা জাতিৰ স্বাভিমান ৰক্ষা কৰিবলৈ চেষ্টা কৰা দল-সংগঠনে এবাৰো ভাবি চোৱা নাই যে এনেধৰণৰ আন্দোলনে জাতিটোক বহুখিনি পিছুৱাইহে নিছে।

আন্দোলনৰ নামত অসমত বহুত ধুমুহা পাৰ হৈ গ'ল। বহুতৰ প্ৰাণ গ'ল। যিবোৰ জ্বলন্ত সমস্যা সমাধান কৰিবলৈ আন্দোলন কৰা হৈছিল সেইবোৰৰ অৰ্ধেকো আজিলৈকে সমাধান নহ'ল। বৰং বহুতো সমস্যাই জটিল ৰূপ ধাৰণ কৰিলে। সেইবাবে আমি আৰু আন্দোলন নিবিচাৰোঁ। প্ৰতিগৰাকী

ব্যক্তিয়ে বিচাৰে সমস্যাৰ সমাধান হওক; কিন্তু কিছুমান সংগঠনে সমস্যা জীয়াই থকাটোহে বিচাৰে। কাৰণ সমস্যা জীয়াই থাকিলে আন্দোলন কৰাৰ পথ প্ৰশস্ত হৈ থাকিব। আন্দোলন কৰিলেহে বহুতো দল-সংগঠনৰ অস্তিত্ব বজাই থাকিব। নহ'লে বহুতো দল-সংগঠনৰ অস্তিত্বৰ বাবে সমস্যা জীয়াই থকাটো গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। অসমত এতিয়া নিতৌ কিবা নহয় কিবা প্ৰতিবাদ, আন্দোলনৰ কাৰ্যসূচী ৰূপায়িত হ'বই। সদায় যদি কোনোবা নহয় কোনোবা এঠাইত আন্দোলনৰ কাৰ্যসূচী ৰূপায়িত হৈয়েই থাকে তেতিয়াহ'লে দেশ বা ৰাজ্যৰ সামগ্ৰিক উন্নয়ন আশাপ্ৰদ হ'ব জানো? এদিন অসম বন্ধ বা কোনো এটা অঞ্চল বন্ধ হ'লে সিদিনা ৰাজ্যখনৰ আৰ্থ-সামাজিক ক্ষেত্ৰখনৰ কিমান ক্ষতি হয় সেয়া কোনোবাই এবাৰ ভাবি চাইছেনে? যদি অসমত নিতৌ ১০০ কোটি টকাকৈ অৰ্থনৈতিক ক্ষেত্ৰত লোকচান হয় মাহেকত ৩০০০ কোটি টকা লোকচান নহ'বনে? প্ৰতিমাহে তিনি হেজাৰ কোটি ৰাজ্য এখনে লোকচানৰ সন্মুখীন হ'লে বছৰি কিমান কোটি লোকচানৰ সন্মুখীন হ'ব সেয়া সহজেই অনুমেয়। গতিকে সকলোৱে এই বিষয়সমূহ ভালদৰে উপলব্ধি কৰা উচিত। দেশ এখন অথবা ৰাজ্য এখন অৰ্থনৈতিক ক্ষেত্ৰত আন দেশ বা ৰাজ্যৰ তুলনাত যদি সকলো ক্ষেত্ৰতে পিছপৰি থাকে তেতিয়াহ'লে সেই দেশ বা ৰাজ্যখনৰ নাগৰিকৰ স্বাভিমানৰ কিবা মূল্য থাকিব জানো? স্বাভিমান ৰক্ষাৰ নামত কোনোৱে যেন অপসংস্কৃতিৰ আশ্ৰয় নলয় সেই ক্ষেত্ৰত সকলোৱে সতৰ্কতা অৱলম্বন কৰি উচিত।

আন্দোলনে অসমখনক আন ৰাজ্যৰ তুলনাত বহু পিছ পেলাই দিছে। অসমত কি নাই? অসম সম্পদেৰে ভৰপূৰ এখন ৰাজ্য। এই ৰাজ্যখনত অপৰ্যাপ্ত খনিজ সম্পদ আছে। ইয়াৰে কিছু পৰিমাণে উদ্ধাৰ কৰা হৈছে যদিও এতিয়াও বহুতো অনুসন্ধান কৰিবলৈ বাকী আছে। বনজ সম্পদ আদিতো পিছপৰা নহয়। অথচ এই সম্পদৰাজিৰ আজিলৈকে সম্পূৰ্ণৰূপে সদ্ব্যৱহাৰ হোৱা নাই। গতিকে এইবোৰৰ ব্যৱহাৰৰ বাবে এখন উপযুক্ত ক্ষেত্ৰৰ প্ৰয়োজন। এই ক্ষেত্ৰখন কোনোৱে অকলে গঢ়ি তুলিব নোৱাৰে। চৰকাৰে ৰাইজৰ সহযোগিতাতহে গঢ়ি তুলিবলৈ সক্ষম হ'ব। সেইবাবে ৰাইজে নিজৰ অধিকাৰ লাভ কৰিবলৈ কেৱল আন্দোলনত নামিলেই নহ'ব, সমান্তৰালভাৱে উপযুক্ত ক্ষেত্ৰৰ বাবে এটি সুস্থ পৰিৱেশো সৃষ্টি কৰিব লাগিব। যেতিয়া উপযুক্ত পৰিৱেশ সৃষ্টি হ'ব তেতিয়া চৰকাৰে সকলো কাম কৰিবলৈ বাধ্য হ'ব। তেতিয়াহে স্বাভিমানেৰে আমি সকলোবোৰ জীয়াই থাকিব পাৰিম।

# মাতৃভাষা অবিহনে জাতিৰ উন্নতি অসম্ভৱ

মাতৃভাষাৰ প্ৰভূত উন্নতি অবিহনে কোনো এটা জাতি জীয়াই থাকিব নোৱাৰে। ইতিমধ্যে মাতৃভাষাৰ বিকাশ নোহোৱা বাবে পৃথিৱীৰ বুকুৰপৰা হেৰাই গৈছে সহস্ৰাধিক ভাষা। অস্তিত্বৰ সংকটত পৰিছে বহুতো জাতি। আনকি বিশ্বৰ শক্তিশালী জাতিৰো একেই ছবি ফুটি উঠিছে। এসময়ত জাৰ্মানীসকলে বিশ্ববাসীৰ ওপৰত আধিপত্য বিস্তাৰ কৰিব পাৰিছিল। স্বেচ্ছাচাৰী শাসক হিটলাৰৰ বাবে বিশ্ববাসী এসময়ত ত্ৰস্তমান হ'লেও জাৰ্মান জাতিটোৰ উত্থানৰ মূলতে পিছে আছিল সাহিত্য-সংস্কৃতিৰ পুনৰুত্থান। গুটেনবাৰ্গে ছপাশাল আৱিষ্কাৰ কৰাৰ লগে লগে জাৰ্মানীৰ শিক্ষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত নৱজাগৰণৰ সূত্ৰপাত হৈছিল। জাৰ্মানীসকলে শ শ বছৰ পূৰ্বেই এই কথা উপলব্ধি কৰিছিল বাবে আজিও জাতিটোৱে শক্তিশালী ৰূপত থিয় দি থাকিব পাৰিছে। ইংৰাজ জাতিটোৰ উত্থানৰ মূলতে আছিল ভাষাৰ বিকাশ। ভাষাৰ বিকাশ হ'লেহে ইয়াৰ মাধ্যমেদি সকলোৱে আগবাঢ়ি যাব পাৰে। ইংৰাজী ভাষাটোক বিশ্ববাসীয়ে আজি 'উমৈহতীয়া সংযোগী ভাষা' ৰূপে কিয় গ্ৰহণ কৰিছে সেয়া সহজেই অনুমেয়। যি জাতিয়ে মাতৃভাষাৰ উন্নতি আৰু প্ৰসাৰত অধিক গুৰুত্ব আৰোপ কৰিছে সেই জাতিয়ে প্ৰভূত বিস্তাৰ কৰিবলৈ সক্ষম হোৱাৰ উদাহৰণ হ'ল ইংৰাজ জাতি।

মাতৃভাষাৰ বিকাশ অবিহনে এটা জাতি জীয়াই থাকিব নোৱাৰে। সাহিত্য, সংস্কৃতি আৰু শিক্ষাৰো উন্নয়ন অসম্ভৱ। সেইবাবে উপ-ৰাষ্ট্ৰপতি ভেংকেয়া নাইডুৱেও মাতৃভাষাৰ বিকাশৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবলৈ গুৰুত্ব আৰোপ

কৰিছে। শেহতীয়াভাৱে অসম ভ্ৰমণলৈ আহোতে উপ-ৰাষ্ট্ৰপতি নাইডুৱে সকলোকে মাতৃভাষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবলৈ আহ্বান জনাইছে। দেশৰ সংবিধানৰ মুৰব্বী হৈয়ো উপ-ৰাষ্ট্ৰপতিয়ে সকলোকে মাতৃভাষাৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিবলৈ আহ্বান জনোৱা কথাৰপৰাই অনুমান কৰিব পাৰি দৰাচলতে মাতৃভাষাই এটা জাতিক ক'ৰ পৰা কি স্থানত উপনীত কৰায়। দেশৰ সামগ্ৰিক উন্নয়নৰ বাবে প্ৰথমতে সকলোৱে মাতৃভাষাৰ যোগেদিয়ে শিক্ষা গ্ৰহণ কৰিব লাগিব। দেশত যিমানেই শিক্ষিত লোকৰ সংখ্যা বৃদ্ধি পাব সিমানেই চৌদিশে উন্নয়নো হ'ব। দেশ এখনৰ সকলো সম্পদৰ ভিতৰত সবাতোকৈ গুৰুত্বপূৰ্ণ হ'ল মানৱ সম্পদ। যিখন দেশত মানৱ সম্পদৰ উপযুক্ত ব্যৱহাৰ কৰা নহয় তাত শিক্ষা-সাহিত্য-সংস্কৃতিৰো বিকাশ হৈ পৰে মন্থৰ। মাতৃভাষাৰ যোগেদিয়ে সকলোকে সহজে শিক্ষা দান কৰিব পাৰি। সেই কথা উপলব্ধি কৰিয়েই দেশৰ উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে মাতৃভাষাত গুৰুত্ব আৰোপ কৰিবলৈ সকলোকে আহ্বান জনাইছে।

ৰাষ্ট্ৰসংঘৰ শেহতীয়া প্ৰতিবেদনত বিশ্বৰ কে'বাটাও জাতিৰ অস্তিত্ব, ভাষাৰ বিকাশ নোহোৱা অথবা ভাষাটোৰ বিলোপ হোৱা বাবে জাতিটোও নিঃশেষ হ'বলৈ ধৰা বুলি উল্লেখ কৰা হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ কে'বাখনো ৰাজ্যৰ বহুতো ভাষালৈ সংকট আহি পৰিছে। অসমীয়া ভাষাৰ ক্ষেত্ৰতো বহুতে সন্দেহ প্ৰকাশ কৰিছে যে ভৱিষ্যতে বৰ্তি থাকিব নে নাথাকে? অসমত অসমীয়া মাধ্যমত পঢ়া ল'ৰা-ছোৱালীৰ সংখ্যা হ্ৰাস পাবলৈ ধৰিছে। আনকি নৱ-প্ৰজন্মৰ মাজত অসমীয়াত কথোপকথন কৰাৰ সংখ্যাও তুলনামূলকভাৱে হ্ৰাস পাবলৈ ধৰিছে। কিন্তু এইক্ষেত্ৰত আমি কোনো শংকাৰ কাৰণ নেদেখো। কাৰণ অসমত এতিয়াও অসমীয়া মাধ্যমত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পোৱা নাই। আমি কেৱল চহৰাঞ্চলত গঢ়ি উঠা ইংৰাজী মাধ্যমৰ বিদ্যালয়ত অধ্যয়নৰত শিক্ষাৰ্থীৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি এনেদৰে অসমীয়া ভাষা অস্তিত্বৰ গৰাহত পৰা বুলি ক'লে সমীচীন নহ'ব। অসমীয়া বাতৰি কাকত, কিতাপ, আলোচনী পঢ়াৰ সংখ্যা হ্ৰাস পোৱা নাই। ইংৰাজী মাধ্যমত পঢ়িলেও অসমীয়াত কথোপকথন কৰা ল'ৰা-ছোৱালী, যুৱক-যুৱতীৰ সংখ্যা কোনো কাৰণতে হ্ৰাস পোৱা নাই। বৰং অসমীয়া সাহিত্য-সংস্কৃতিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত কৰিবলৈহে নৱ-প্ৰজন্মই চেষ্টা অব্যাহত ৰাখিছে। মাতৃভাষাইহে শিক্ষাৰ কঠীয়াতলীখন শক্তিশালী কৰিব পাৰে। সেইবাবে আমি সকলোৱে এইক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা উচিত।

# লখিমীক আদৰাৰ উৎসৱ আৰু ন-খোৱা

শ্যামলী পথাৰখনে সোণোৱালী ৰূপ ল'লে। ইয়াৰ লগে লগে কৃষকসকল সাজু হৈছে লখিমী দেৱীক আদৰিবলৈ। ইতিহাসে ঢুকি নোপোৱা দিনৰেপৰাই মানুহে সোণোৱালী শইচ ভঁৰালত থোৱাৰ সময়ত বিভিন্ন ধৰণৰ উৎসৱ আয়োজন কৰি আহিছে। হাড়ভঙা কঠোৰ পৰিশ্ৰমৰ অন্তত কৃষকসকলে লখিমী পথাৰ সোণোৱালী শইচৰে ভৰি থকা দেখিলে মনত কিযে আনন্দ পায়হু এনে আনন্দৰে সোণোৱালী শইচখিনি ভঁৰালত থ'বলৈ বিভিন্ন প্ৰকাৰে সাজু হয়। পৰিয়ালৰ সকলোবোৰ সদস্যই এইক্ষেত্ৰত সহায় কৰে।

খেতিপথাৰত ধানৰ মুঠিত কাচিৰ সংস্পৰ্শ হোৱাৰ লগে লগে লখিমীক আদৰাৰ প্ৰক্ৰিয়া আৰম্ভ হয়। কাতি বিহুৰ পাছতে শ্যামলী খেতিপথাৰৰ বৰণ সলনি হ'বলৈ ধৰে। কাতি বিহুত শ্যামলী পথাৰত বন্তি জ্বলাই লখিমীক আহ্বান জনোৱা হয়; যাতে খেতিডৰাৰপৰা উৎপন্ন হোৱা শইচে ভঁৰালত প্ৰৱেশ কৰে। আজিকালি কাতি বিহুৰ কথা বহুতেই পাহৰিছে। একাংশই আকৌ ইয়াক কেৱল পথাৰত চাকি জ্বলোৱা উৎসৱ বুলিহে ভাবে। ইয়াৰদ্বাৰা যে লখিমীক আৰাধনা কৰা হয় সেই কথা বহুতৰে জ্ঞাত নহয়। নৱ প্ৰজন্মই নাজানে কাতি বিহু মানে কি? নজনাৰ কথাও। কাৰণ এতিয়া কৃষিভূমিসমূহৰ প্ৰায়ভাগেই জনবসতিপূৰ্ণ ঠাই হৈ পৰিছে। সংকুচিত হৈছে খেতিপথাৰ।

একাংশই আকৌ মাটিৰ শ্ৰেণী পৰিৱৰ্তনৰ জৰিয়তে কৃষিভূমিত উদ্যোগ, বিদ্যালয়, মহাবিদ্যালয় আদি স্থাপন কৰিবলৈ লৈছে। গতিকে কাতি বিহুত যে চাকি জ্বলাই সেৰা কৰে ল'ৰা-ছোৱালীয়ে নজনাটো অস্বাভাৱিক কথা নহয়। সি যি নহওক শইচ পথাৰৰপৰা গৃহস্থৰ চোতাল পোৱাৰ লগে লগে আৰম্ভ হয় মৰণা মৰা পৰ্ব। গৰুৰে মৰণা মাৰিলে তাৰ পৰা ওলোৱা কেঁচা গোন্ধে পৰিৱেশটোৰেই সলনি কৰে। মনত আপোনা-আপুনি আনন্দৰ লহৰ উঠে। কৃষকসকলৰ আশাবোৰে যেন বাস্তৱত ৰূপ ল'ব। কোনোবাই যদি উৰুখা ঘৰটো মেৰামতি কৰিবলৈ মনতে ভাবিছে, আন কোনোবাই আকৌ ল'ৰা-ছোৱালীৰ বিয়াৰ বাবে ধন সাঁচিব বা গহনা আদি ক্ৰয় কৰিবলৈ ভাবিছে। ধান বিক্ৰী কৰি লাভ কৰা এই ধনখিনিকেই একমাত্ৰ সম্বল কৰি কৃষকে ৰচে ৰঙীন সপোন। এদিন এনেদৰে সাঁচি থোৱা ধনেৰে এটি পকী ঘৰ সাজিব। পৰিয়ালৰ সকলো সদস্যই সুখেৰে বাস কৰিব। আৰু কত যে সপোন, কত কিমান মধুৰ কথাহু

লখিমীক ভঁৰালত থোৱাৰ পাছত আৰম্ভ হয় ন-খোৱা পৰ্ব। এই পৰ্ব কিছুমান ঠাইত সমূহীয়াভাৱেও পালন কৰে। অৱশ্যে আজিকালি ন-খোৱা পৰ্ব নাই বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। সাধাৰণতে ন-খোৱা পৰ্বত কৃষকৰ খেতিপথাৰত উৎপাদিত শাক-পাচলি, পুখুৰীৰ মাছ আদিৰেহে ন-খোৱা পৰ্বৰ আয়োজন কৰা হয়। আলহী-অতিথিকো এই উৎসৱলৈ নিমন্ত্ৰণ জনোৱাৰ পৰম্পৰা আছে। পিছে ন-খোৱাৰ শাক-পাচলিৰ বাবে এতিয়া বজাৰলৈ মোনাখন চাইকেলত আঁৰি নিনিলে খাদ্য প্ৰস্তুত কৰিব নোৱাৰি। চালানী মাছ আনিলেহে কৃষকৰ পত্নীয়ে চৰুত দিব পাৰে। খেতিপথাৰো উদং। যিবোৰ অঞ্চলত অলপ-অচৰপ খেতি হৈছে সেইবোৰতো আকাশলংঘী দামবৃদ্ধিয়ে কৃষকৰ মন সেৰেঙা কৰিছে। গতিকে এতিয়া বজাৰৰপৰা কিনি অনা সামগ্ৰীৰেহে ন-খোৱা উৎসৱৰ আয়োজন কৰা হয়। তথাপি কিছুমানে জীয়াই ৰাখিছে ন-খোৱা পৰ্ব, লখিমীক আদৰাৰ পৰম্পৰা। বিজ্ঞানৰ যিমানেই অগ্ৰগতি নহওক কিয় মানুহে কিছুক্ষেত্ৰত পৰম্পৰাক বাদ দিব নোৱাৰে। কাৰণ অতীতক বাদ দি বৰ্তমানৰ নক্সা আঁকিব নোৱাৰি।

# মৰণা মৰাৰ আনন্দ

আধুনিক যুগত কিছুমান দৃশ্য দুৰ্লভ হৈ পৰিছে। আন আন ক্ষেত্ৰৰ লগতে কৃষিকৰ্মতো ইয়াৰ ছবি এখন দেখা যায়। নাঙল-যুৱলি আৰু বলধ পৰম্পৰাগত কৃষি পদ্ধতিত কৃষকৰ বাবে অমূল্য সম্পদ। এই তিনিটা উপাদান অবিহনে কৃষিকাৰ্য অসম্ভৱ আছিল। দোকমোকালিতে কৃষকে মূৰত জাপিটো লৈ নাঙল-যুৱলি কান্ধত তুলি বলধহাল খেদি খেদি খেতিপথাৰলৈ গৈছিল। পৰিয়ালৰ আন সদস্য অথবা গৃহিণীয়ে চাহ-জলপান পথাৰতে দি আহেগৈ। বেলি মূৰৰ ওপৰ পোৱাৰ লগে লগে হাল বাবলৈ এৰি দি কৃষকে জাবৰ-জোঁথৰ আঁতৰ কৰাত লাগে। অতীতৰেপৰা বিশেষকৈ অসমত কৃষিকাৰ্যত নাঙল-যুৱলি আৰু বলধে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিলেও কৃষি বিজ্ঞানীৰ চমকপ্ৰদ আৱিষ্কাৰৰ বাবে এতিয়া এইবোৰ উপাদান এলাগি হৈ পৰিছে। ইয়াৰ স্থান ল'লে ট্ৰেক্টৰে। কম কষ্টত আৰু কম সময়ত অধিক মাটি চহাবলৈ ট্ৰেক্টৰৰ প্ৰচলনৰ লগে লগে আৰম্ভ হ'ল 'সেউজ বিপ্লৱ'। এতিয়া মাটি চহোৱাৰপৰা আৰম্ভ কৰি মৰণা মৰালৈকে সকলোতে ট্ৰেক্টৰৰ ব্যৱহাৰ।

কিছু বছৰ আগলৈকে পঞ্জাবত ট্ৰেক্টৰ ব্যৱহাৰে কৃষিকাৰ্যত এক বিপ্লৱৰ সূচনা কৰিছিল। এতিয়া কেৱল ভাৰততে নহয়, সমগ্ৰ বিশ্বৰে এখন লেখত

ল'বলগীয়া কৃষিক্ষেত্ৰত উন্নতমানৰ শস্য উৎপাদনকাৰী ৰাজ্য হিচাপে পৰিগণিত হৈছে। পঞ্জাবত উৎপাদিত চাউলে বিশ্ব দৰবাৰত সমাদৰ লাভ কৰিছে। সমান্তৰালভাৱে কৃষিখণ্ডৰ লগত ৰাজ্যৰ অৰ্থনৈতিক উন্নয়নো সম্ভৱ হৈছে। অৱশ্যে অসমৰ কৃষিখণ্ডত ট্ৰেক্টৰ ব্যৱহাৰৰ ধাৰা বৰ বেছিদিনৰ বুলি ক'ব নোৱাৰি। এতিয়াও অধিকাংশ কৃষকে ট্ৰেক্টৰ ব্যৱহাৰ কৰিব পৰা নাই একমাত্ৰ আৰ্থিক দৈন্যৰ বাবে। বলধহালকে সাৰথি কৰি 'মৰো জীওঁ শো আধি'ৰ নিচিনাকৈ খেতি কৰি আছে। অতি দুখীয়া খেতিয়কসকলৰ বাবে এতিয়াও বলধহাল মূল্যৱান সম্পদ হৈ আছে। পৰিয়ালৰ সদস্যৰ দৰে মৰম-যতন কৰি ৰাখে। বলধ হালৰ অসুখ হ'লে খেতিয়কজনৰ চকুত টোপনি নোহোৱা হয়। নিজে নাখাই হ'লেও বলধ হালৰ চিকিৎসাত ব্যস্ত হৈ পৰে। এওঁলোকেই অব্যাহত ৰাখিছে বলধেৰে মৰণা মৰা পদ্ধতি।

চোতালত গধূলি পৰত ধানৰ মুঠি পাৰি লৈ বলধ হালক একেলেঠাৰীয়ে ঘূৰাই ঘূৰাই মৰণা মৰাৰ আনন্দই সুকীয়া। মাজে মাজে দুই-এটা বলধে মৰণাৰ মাজতে ধানৰ ওপৰত শুই পৰিলে খেতিয়কে আলফুলকৈ তুলি দিয়ে। দ্ৰুতগতিত গৰুহালক ঘূৰিবলৈ এছাৰিৰে টপিনাত কোব দি মুখেৰে 'ঐ গৰু ঘূৰ ঘূৰ' বুলি খঙত চিঞৰি কোৱা শব্দবোৰে কেৱল কৃষকজনৰ পৰিয়ালৰ সদস্যসকলকে নহয়, ইয়াৰ সমান্তৰালভাৱে ওচৰ-চুবুৰীয়াৰ কাণৰ পৰ্দাতো মৃদু কম্পন তোলে। মাজে মাজে মৰণা মৰা লোকজনৰ ঘূৰি থোকোঁতেই মূৰ ঘূৰোৱাৰ দৰে অনুভৱ হয়। তেতিয়া জিৰণি লৈ আন এজন লোকক গৰুৰ পাছে পাছে যাবলৈ দিয়ে। এনেদৰে ঘূৰি ঘূৰি থাকোঁতে বলধৰো জিৰণিৰ প্ৰয়োজন হয়। লাহে লাহে বলধ গৰুও নুঘূৰা হ'বলৈ ধৰে। মন্থৰ গতিত কাম আগবাঢ়ে। মাজে মাজে চাহ-জলপান খোৱাৰ দৃশ্য কি যে মনোৰম। তিনি-চাৰি ঘণ্টাৰ ভিতৰত মৰণাৰ প্ৰক্ৰিয়া সম্পন্ন হয়। গৰু হাল গোহালিলৈ নিয়াৰ পূৰ্বে কিবা খাবলৈ দিয়া হয়। গোহালিত বলধহাল থৈ কৃষকে মৰণাটো তুলি খৰখেদাকৈ ধান ভঁৰালত থয়। অৱশ্যে কিছুমানে পিছদিনা ধানখিনি ৰ'দত দিহে ভঁৰালত থৈ দিয়ে। ই নিৰ্ভৰ কৰে ধান কটাৰ সময়ত ধানৰ গছি কেঁচা আছিল নে শুকাইছিল। এনেদৰে মৰণা মৰা প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ পাছত কৃষকে হাত-ভৰি ভালদৰে ধুই লৈ অলপ সময় চৌকাত ভৰি সেকি ভাত খায়।

খেতি কৰিলেও সকলো খেতিয়কৰ বলধ নাথাকে। যিসকলে হাল বাবলৈ গৰু ভাৰা কৰে তেওঁলোকে মৰণা মৰাৰ সময়তে আনৰপৰা গৰু আনে। আগতে ইজন কৃষকে সিজনক বলধ দি সহায় কৰিছিল। তাৰ বিনিময়ত কোনোবাই কিবা দিলে লয় আৰু নিদিলেও কোনো কথা নাছিল। এতিয়া পিছে বলধ কিনোতেই ৪০-৫০ হেজাৰ টকাৰ প্ৰয়োজন হয়। তদুপৰি ঘাঁহৰ অভাৱ হোৱা বাবে দানা খুৱাইহে ৰাখিবলগীয়া হৈছে। তদুপৰি গৰখীয়াকো দিব লাগে বেছি ধন। সেইবাবে আজিকালি প্ৰায়ভাগ কৃষকে আনক বলধহাল মৰণা মাৰিবলৈ দিলে তাৰ বিনিময়ত খেৰ অথবা টকা লয়। এনেদৰে পৰিৱৰ্তন হ'ল মৰণা মৰা প্ৰক্ৰিয়াৰ।

আজিকালি বলধৰ সংখ্যা কমি যোৱা বাবে প্ৰায়ভাগ লোকে মেচিনেৰেই মৰণা মাৰে। কম সময়ৰ ভিতৰত মৰণা মৰাৰ লগতে কষ্টও লাঘৱ হয়। কিছুমানে ট্ৰেক্টৰেৰে মৰণা মাৰে। পিছে ট্ৰেক্টৰেই হওক বা মেচিনেৰেই হওক কিয় বলধেৰে মৰণা মৰাৰ যি আনন্দ সেয়া তাত পোৱা নাযায়। বলধেৰে মৰা মৰণাত আছে কেঁচা মাটিৰ গোন্ধ। ইয়াৰ বিপৰীতে বিকল্প পদ্ধতিত কেৱল যান্ত্ৰিকতাৰহে ছবি দেখিবলৈ পোৱা যায়। মৰণা এতিয়া নৱ প্ৰজন্মৰ বাবে অতীত হ'লেও কৃষকৰ বাবে আজিও আৱেগ জড়িত বিষয়।

# ছাত্ৰ-ছাত্ৰীৰ উত্তৰণত পৰিৱৰ্তনৰ প্ৰভাৱ

হেজাৰ হেজাৰ বছৰ পূৰ্বে সকলোৱে বিশ্বাস কৰিছিল যে সূৰ্য পৃথিৱীৰ চাৰিওফালে ঘূৰে। তেতিয়া মানুহৰ সৌৰজগত সম্পৰ্কে জ্ঞান আছিল তেনেই সীমিত। ধৰ্ম বিশ্বাসৰ ওপৰত ভিত্তি কৰিয়েই পৃথিৱীৰ কাম-কাজসমূহ নিৰ্ধাৰণ কৰা হৈছিল। ধৰ্মগুৰুসকলে যি মন্তব্য আগবঢ়াইছিল সেয়াই আছিল শিলৰ ৰেখাসদৃশ। ইয়াৰ বিৰুদ্ধে কোনোৱে মাত মাতিবলৈ সাহসো কৰা নাছিল। সেইবাবে ভুলৰ শুধৰণি হোৱা নাছিল। যিদৰে চলিছিল তেনেদৰেই সকলোৱে চলিব লাগিছিল। সোঁতৰ বিপৰীতে যোৱা মানে নিজৰ বিপদ নিজেই চপাই লোৱাৰ দৰে হৈছিল। যিসকল লোকে যুক্তিৰ আধাৰত সকলোকে নতুন নতুন জ্ঞানৰ সন্ধান দিব খুজিছিল বা চেষ্টা চলাইছিল তেওঁলোকক কঠোৰ শাস্তি প্ৰদান কৰা হৈছিল। ইয়াৰ জ্বলন্ত উদাহৰণ হ'ল গেলিলিঅ'। প্ৰচলিত ধাৰণাৰ বিৰুদ্ধে মতামত আগবঢ়োৱাসকলক আনকি সেই সময়ত বলিয়া বুলিও আখ্যা দিয়া হৈছিল। তথাপি সত্যক আজিলৈকে কোনোৱে ঢাকি ৰাখিব পৰা নাই। কাৰণ সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ মনত সৃষ্টি হোৱা প্ৰশ্নসমূহৰ উত্তৰ ইয়াৰ মাজতেই পৰৱৰ্তী সময়ত বিচাৰি পোৱা হ'ল। ছাৰ আইজাক নিউটন, আইনষ্টাইন, ডাৰউইনে আগবঢ়াই যোৱা মতবাদৰ

ওপৰত ভিত্তি কৰিয়েই আজিকালি আধুনিক বিজ্ঞানীসকলে গৱেষণাত নতুন নতুন তথ্য লাভ কৰিবলৈ সক্ষম হৈছে। এই সকলোবোৰ সম্ভৱ হৈছে কেৱল সময়ৰ স'তে খোজ মিলাই মূল ভেটিক কেন্দ্ৰ কৰি আগবাঢ়ি যোৱাৰ বাবেহে। সময়ৰ স'তে খোজ মিলাই পৰিৱৰ্তন কৰিলেহে শিক্ষাৰ প্ৰকৃত উদ্দেশ্য সফল হোৱা দেখা যায়।

শিক্ষাক আমি নিৰ্দিষ্ট পৰিসীমাৰ মাজত বান্ধি ৰাখিব নোৱাৰো। যদিহে বলপূৰ্বক নিৰ্দিষ্ট সীমাৰ মাজত বান্ধি ৰাখিবলৈ চেষ্টা কৰো তেতিয়া শিক্ষাই প্ৰকৃত পৰিসৰ লাভ নকৰিব। তেনে হ'লেও মানৱ সমাজৰ উন্নয়ন অসম্ভৱ। সেইবাবে সকলোৱে পৰিৱৰ্তন বিচাৰে। পৰিৱৰ্তনৰ স'তে যিসকলে খোজ মিলাইছে তেওঁলোকে উন্নতিৰ জখলাডালত সহজেই বগাব পাৰিছে।

আধুনিক শিক্ষা-ব্যৱস্থাত প্ৰতিখন দেশৰে মান নিৰ্ণয়ৰ ক্ষেত্ৰত চৰকাৰৰ ভূমিকা গুৰুত্বপূৰ্ণ। কাৰণ সাৰ্বভৌম দেশ বা ৰাষ্ট্ৰ এখনৰ উন্নয়নৰ মাপকাঠি বা উদ্দেশ্য দেশখনৰ চৰকাৰেহে নিৰ্ণয় কৰে। বিশ্বৰ প্ৰতিখন দেশৰ সংবিধানেও জনগণক সেই অধিকাৰ প্ৰদান কৰিছে। যিবোৰ দেশত শিক্ষাক কেৱল ধৰ্মীয় দৃষ্টিকোণৰপৰা ব্যাখ্যাৰে সাংবিধানিক অধিকাৰ প্ৰদান কৰা হৈছে সেইখন দেশত কট্টৰপন্থী বা গোড়া লোকৰ সংখ্যাই বেছি। এই লোকসকলে পৰিৱৰ্তনৰ স'তে খোজ মিলাই আগবাঢ়ি যোৱাৰ পৰিৱৰ্তে মান্ধাতা যুগলৈহে উভতি যাব বিচাৰে। এনে শিক্ষাই সমাজক প্ৰকৃত জ্ঞানৰ পোহৰ দিব নোৱাৰা বাবে সমাজখন বহুধাবিভক্ত হয়। সমাজখন অন্ধবিশ্বাসেৰে পৰিপূৰ্ণ হৈ থাকে। এইবোৰ আঁতৰাই সকলোকে প্ৰকৃত জ্ঞানৰ পোহৰ বিলোৱাটোহে প্ৰতিখন দেশৰ চৰকাৰৰে প্ৰধান কৰ্তব্য। কাৰণ চৰকাৰে গ্ৰহণ কৰা নীতিতে ভৱিষ্যতৰ উন্নয়নৰ লক্ষ্য তথা আন সকলোবোৰ দিশ সামৰি প্ৰস্তুত কৰে কিছুমান আঁচনি তথা পৰিকল্পনা। ইয়াৰ অংশৰূপে অসম চৰকাৰে জ্ঞানজ্যোতি আঁচনি আৰম্ভ কৰিছে। ছাত্ৰ-ছাত্ৰীয়ে শৈক্ষিক উত্তৰণৰ লগতে আনুষংগিক দিশসমূহতো যাতে সমানেই আগবাঢ়ি যাব পাৰে সেই উদ্দেশ্য আগত ৰাখি চৰকাৰে প্ৰস্তুত কৰা তথা ৰূপায়ণ হৈ থকা আঁচনিখনে অসমৰ শৈক্ষিক দিশত নিশ্চয় এক নতুন দিগন্তৰ সূচনা কৰিব।

# শীতৰ আলহী চৰাই

শীতৰ আগমনৰ লগে লগে অসমৰ বিভিন্ন জলাশয়, বিল আদিলৈ আগমন ঘটে পৰিভ্ৰমী চৰাইৰ। বিশ্বৰ শীতপ্ৰধান অঞ্চলসমূহৰপৰা উৰি আহে এই ভিন্নৰঙী চৰাইবোৰ। প্ৰচণ্ড শীতৰ প্ৰকোপৰপৰা আত্মৰক্ষা কৰিবলৈ হেজাৰ হেজাৰ মাইল আকাশী পথ অতিক্ৰমি পায়হি অসম। এই চৰাইবোৰৰ কিছুমান আকৌ অসমতে থাকি যায়। আশ্চৰ্যজনকভাৱে হেজাৰ হেজাৰ মাইল পথ অতিক্ৰমি আহিলেও এই পক্ষীসমূহে পাহৰি নাযায় উভতি যোৱাৰ পথ। তিনি মাহৰো অধিক সময় উৰি উপস্থিত হোৱা চৰাইবোৰো আজি সুৰক্ষিত নহয়। একাংশ সমাজবিৰোধী চক্ৰ তথা চোৰাং চিকাৰীয়ে পৰিভ্ৰমী চৰাইসমূহ হত্যা কৰি বজাৰত বিক্ৰী কৰে অথবা মাংস হিচাপে খায়। বিক্ৰী কৰি বজাৰৰপৰা যি ধন সংগ্ৰহ কৰে সেয়াও অপকৰ্মতে খটুৱায়। এনেধৰণৰ দপ্‌দপনিয়ে প্ৰকৃতিপ্ৰেমী লোকসকলক উদ্বিগ্ন কৰি তুলিছে। কাৰণ এনেদৰে ধ্বংস হৈ থাকিলে লাহে লাহে শীতৰ আলহীৰ সংখ্যা হ্ৰাস পাব।

সাধাৰণতে অক্টোবৰৰ শেষৰ ফালে আলহী পক্ষীৰ আগমন ঘটে। মাৰ্চ মাহমানলৈকে এইবোৰ থাকে যদিও সাধাৰণতে ফেব্ৰুৱাৰীৰ শেষৰপৰা নিজ নিজ অঞ্চললৈ যাবলৈ আৰম্ভ কৰে। আশ্চৰ্যকৰ কথা এয়ে যে পক্ষীবোৰে যোৱাৰ সময় নিজেই নিৰ্ধাৰণ কৰে। উভতি যোৱাৰ পথত যদিহে দুষ্কৃতিকাৰী অথবা চোৰাং চিকাৰীৰ আঘাতত মৃত্যু নহয় তেতিয়াহ'লে হেজাৰ হেজাৰ

মাইল পথ অতিক্ৰমত কোনো অসুবিধা নহয়। এই পক্ষীসমূহৰ আগমনৰ লগে লগে এই স্থানসমূহলৈ পৰ্যটকৰো আগমন ঘটে। সমান্তৰালভাৱে স্থানীয় ৰাইজেও পৰ্যটকক বিভিন্ন সামগ্ৰী, খোৱা বস্তু আদি যোগান ধৰি দুপইচা অৰ্জনো কৰিব পাৰে। তদুপৰি যাতায়াত আদিতো উন্নতি হ'বলৈ ধৰে।

এই পক্ষীসমূহ একেখন দেশ বা ঠাইৰপৰা অসমলৈ নাহে। যিবোৰ ঠাইত এই সময়ত শীতৰ প্ৰকোপ বেছি হয় সেইবোৰ অঞ্চলৰপৰা এই সময়ত অসমলৈ উৰি আহে। আত্মৰক্ষাৰ লগতে কিছুমান বিভিন্ন ধৰণৰ আহাৰৰ সন্ধান কৰে। এইবোৰ প্ৰকৃতিৰ নিয়ম নহয় বুলি ক'লেও এয়া পিছে পক্ষীকুলে বান্ধি লোৱা পথৰ নিয়ম বুলিয়েই ক'ব লাগিব। পক্ষীয়ে কেতিয়াও উভতি যোৱা পথ পাহৰি নাযায়। য'লৈকে যিমান দূৰ বাট অতিক্ৰম নকৰক কিয় ইয়াৰ উভতি যোৱা পথটো কেতিয়াও পাহৰি নাযায়।

শীতৰ আগমনৰ লগে লগে পৰিভ্ৰমী চৰাইৰো আগমন ঘটে বুলি সকলোৰে জ্ঞাত হোৱা বাবে এই সময়ত চোৰাং চিকাৰীৰ লগতে দুষ্কৃতিকাৰী সৰৱ হৈ উঠে। এই পৰিভ্ৰমী চৰাইক বিভিন্ন উপায়েৰে নিধন কৰি মাংস ভক্ষণ কৰে। কিছুমান ঠাইত আকৌ মুকলিকৈ পৰিভ্ৰমী চৰাইৰ মাংস অথবা চৰাই বিক্ৰী হৈ থকাৰ পাছতো প্ৰশাসনে এইবোৰৰ বিৰুদ্ধে কোনো বিশেষ ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত নহয়। কিছু বছৰ আগলৈকে জাতিংগাত চৰায়ে আত্মহত্যা কৰিবলৈ যায় বুলি বিশ্বাস কৰা হৈছিল। হেজাৰ হেজাৰ পক্ষীৰ মৃত্যু হয় ৰহস্যজনকভাৱে। পাছত ইয়াৰ ৰহস্য ভেদ হয়। জাতিংগাত চৰায়ে আত্মহত্যা নকৰে, চোৰাং চিকাৰীয়ে বিভিন্ন উপায়েৰেহে নিধন কৰে। বিভিন্ন ধৰণৰ বিষাক্ত দ্ৰব্য খাদ্যৰ স'তে মিহলাই ছটিয়াই দিয়ে। সেইবোৰ খোৱাৰ পাছত চৰাইৰ মৃত্যু হয়। সেইবোৰ চোৰাং চিকাৰীয়ে বজাৰত মুকলিকৈ বিক্ৰী কৰি আহিছে অথবা আন ৰাজ্য, দেশলৈ চোৰাংভাৱে সৰবৰাহ কৰি আছে। এইবোৰ কথা এতিয়া আৰু দৃষ্টিৰ অগোচৰ হৈ থকা নাই।

পৰিভ্ৰমী চৰাইসমূহক সকলোৰে সুৰক্ষা দিব লাগিব। কাৰণ চোৰাং চিকাৰী অথবা দুষ্কৃতিকাৰীক প্ৰতিৰোধ কৰিব নোৱাৰিলে ভৱিষ্যতে শীতৰ আলহী চৰাইৰো আগমন হ্ৰাস হ'ব। এইক্ষেত্ৰত প্ৰকৃতিপ্ৰেমী লোক-সংগঠনে আগভাগ ল'বই লাগিব।

# দুৰ্ঘটনা প্ৰতিৰোধৰ বাবে পথ বিভাজকত ফেন্সিং দিয়ক

ৰাজপথত এতিয়া মৃত্যুৰ কিৰীলি। নিতৌ দুৰ্ঘটনাত পতিত হৈ মৃত্যু হৈছে বহুতো লোকৰ। সংবাদপত্ৰত এতিয়া পুৱা উঠিয়েই ভাল খবৰতকৈ মৃত্যুৰ সংবাদহে বেছিকৈ পঢ়িবলৈ পোৱা যায়। কাৰোবাৰ যদি একমাত্ৰ সন্তানটো ঢুকাইছে, আন কাৰোবাৰ আকৌ পৰিয়ালৰ আটাইকেইগৰাকী সদস্যই প্ৰাণ হেৰুৱাইছে ভয়াৱহ দুৰ্ঘটনাত। এতিয়া চহৰাঞ্চলৰ কথা বাদেই, গ্ৰামাঞ্চলতো সদায় বহু লোকৰ মৃত্যু হ'বলৈ ধৰিছে। বিশেষকৈ ৰাষ্ট্ৰীয়-ৰাজ্যিক ঘাইপথত এনেধৰণৰ ঘটনা বেছিকৈ সংঘটিত হয়। এনে দুৰ্ঘটনাৰ লগে লগে একো একোটা পৰিয়ালৰ সোণোৱালী সপোনবোৰো ধূলিসাৎ হৈ গৈছে। সদায় চকুৰ সন্মুখতে ভয়াৱহ দুৰ্ঘটনাসমূহ সংঘটিত হৈ থকাৰ পাছতো প্ৰায়ভাগ লোকে বিষয়টোত এতিয়াও গুৰুত্ব প্ৰদান কৰা দেখা নাযায়।

দুৰ্ঘটনা সদায় দুৰ্ঘটনাই। ইয়াৰ সৰু-বৰ নাই। সৰু-সুৰা দুৰ্ঘটনাতো মানুহে প্ৰাণ হেৰুৱায়। কিন্তু কিয়? ৰাষ্ট্ৰীয় ঘাইপথত বাহনসমূহৰ গতি হয় দ্ৰুত।

বিশেষকৈ চাৰিলেনযুক্ত পথসমূহত থকা ক্ৰ'ছিঙত বেছিকৈ দুৰ্ঘটনা হোৱা দেখা যায়। পথৰ নিয়ম অনুসৰি ক্ৰ'ছিং থাকিলে তাত গতি হ্ৰাস কৰিব লাগে। জেব্ৰা ক্ৰ'ছিঙত মানুহে ৰাস্তা অতিক্ৰম কৰিবলৈ ধৰিলে যিকোনো বাহনে গতিবেগ সলনি বা হ্ৰাস কৰিব লাগে, তেতিয়া দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা নাথাকে। তাকে নকৰি এনে স্থানত গতি বৃদ্ধি কৰাৰ ফলত বহু লোকে অকালতে প্ৰাণ হেৰুৱাবলগীয়া হৈছে। তদুপৰি কোনো ধৰণৰ সংকেত নিদিয়াকৈ পথ অতিক্ৰম কৰিবলৈ ধৰে। আন একাংশই আকৌ কোনোফালে নোচোৱাকৈয়ে পথত গাড়ী তুলি দিয়ে। ফলত দ্ৰুতগতিত যোৱা বাহনৰ স'তে সংঘৰ্ষ হয়। ইয়াৰ পৰিণতিত বহুতে প্ৰাণ হেৰুৱাইছে। আন কিছুমানে আকৌ ক্ৰ'ছিং দূৰত থকা বাবে পথ ভাজকৰ ওপৰেদিয়ে ৰাস্তা অতিক্ৰম কৰে। এনেদৰে পাৰ হোৱাৰ ফলত নিজৰ চকুৰ সন্মুখতে ভয়াৱহ দুৰ্ঘটনা সংঘটিত হোৱা দেখিছো। চকুৰ সন্মুখতে পৰিয়াল একোটা নিঃশেষ হোৱাও দেখিছো।

এই ব্যস্ত পৃথিৱীত সকলোৱে প্ৰথমতে গন্তব্য স্থান পাবলৈ বিচাৰে। কিন্তু কোনোৱে ভাবি নাচাই যে সামান্য গতিবেগ বেছি হোৱা বাবে এই পৃথিৱীৰপৰা চিৰদিনৰ বাবে মেলানি মাগিব লাগিব। যিমানেই গতিবেগ বাঢ়িব সিমানেই সন্মুখত দুৰ্ঘটনাৰো আশংকা অধিক ঘনীভূত হ'ব। জানি-বুজিও নিজে নিজৰ বিপদ চপাই লয়। নিজৰ মৃত্যুক যেন হাত-বাউলি মাতে। এনেদৰে নিতৌ সংঘটিত ঘটনাৰাজিয়েও পিছে কোনো লোকক সতৰ্ক কৰিব পৰা নাই। পথ সুৰক্ষা সপ্তাহো পালন কৰা হৈছে, আনকি বাটৰ নাট প্ৰদৰ্শনৰ যোগেদিও ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰাৰ পিছতো সম্ভৱ হোৱা নাই।

সি যি নহওক ৰাজপথত দুৰ্ঘটনা প্ৰতিৰোধ কৰিবলৈ হ'লে প্ৰথমতে পথ বিভাজকৰ মাজত ফেন্সিঙৰ ব্যৱস্থা কৰিবই লাগিব। পথৰ মাজত অৰ্থাৎ বিভাজকৰ মাজত বহুতো ঠাই এনেয়েই পৰি ৰয়। এইবোৰত মূল্যৱান ঔষধি গছ, ফলমূলৰ গছ ৰোপণ কৰিব লাগিব। সংশ্লিষ্ট কৃৰ্তপক্ষই এইক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিলে নিশ্চয় দুৰ্ঘটনা সংঘটিত হোৱাৰপৰা ৰক্ষা পৰিব। তদুপৰি সামাজিক বনানীকৰণো হ'ব আৰু কিছু পৰিমাণে হ'লেও প্ৰদূষণ ৰোধ কৰিব পৰা যাব, ৰাজপথৰ সৌন্দৰ্যবৰ্ধনো হ'ব। অৱশ্যে গছপুলি ৰোপণৰ নামত কেৱল কেইটিমান গছপুলি

ৰোপণ কৰিলেই নহ'ব, ইয়াত ৰাইজে সহজে বুজিব পৰাকৈ বিভিন্ন ধৰণৰ শ্ল'গান আদিও লিখিব লাগে। তদুপৰি এই গছপুলিসমূহ প্ৰতিপালনত যাতে ৰাইজেও সহায় কৰে তাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষই সকলোকে আহ্বান জনাব লাগিব। ফেন্সিঙৰ ব্যৱস্থা কৰোতে ৰাইজৰ যাতে অসুবিধা নহয় তাৰ বাবে কৰ্তৃপক্ষই সতৰ্কতা অৱলম্বন কৰিব লাগিব। যান-বাহন চলিবলৈহে ৰাজপথৰ পৰিসৰ বৃদ্ধি কৰা হৈছে। অঘোষিত মটৰ চাইকেল ৰেচৰ বাবে নহয়। পথ বিভাজকত খালী হৈ পৰি থকা ভূমিৰ উপযুক্ত ব্যৱহাৰ হোৱাৰ লগতে ফেন্সিং দিলে বাহন আদিয়ে বিভাজকেৰে পথ অতিক্ৰম কৰিব নোৱাৰিব। সমান্তৰালভাৱে পথ দুৰ্ঘটনাৰ সংখ্যাও নিশ্চয় হ্ৰাস পাব।